# নাম-ধৰ্ম

অষ্টপঞ্চাশত্তম বৰ্ষ ঃ প্ৰথম সংখ্যা

৫৬০ শঙ্কৰাব্দ ঃ গুৰু আবিৰ্ভাৱ সংখ্যা

## ভাগৱত বিশেষ সংখ্যা

(প্ৰথম খণ্ড)

জয় গুৰু শঙ্কৰ

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

সম্পাদক

ড° প্ৰদীপ হাজৰিকা

**শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ**

মূল কাৰ্যালয় ঃ নগাঁও (অসম)

২০০৮ খ্ৰীষ্টাব্দ

**NAM-DHARMA** : *A publication of Srimanta Sankaradeva Sangha, Published by Sri Hariprashad Hazarika, General Secretary, Srimanta Sankaradeva Sangha, Head Office : Nagaon, Assam.*

Editor : Dr. Pradip Hazarika, Price Rs. 25.00 560th Sankarabda, October-2008

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

আহিন ঃ ৫৬০ শঙ্কৰাব্দ ঃ অক্টোবৰ ২০০৮

**প্ৰকাশক ঃ**

শ্ৰীহৰিপ্ৰসাদ হাজৰিকা
প্ৰধান সম্পাদক,
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

**মুখ্য সম্পাদক ঃ**

শ্ৰীজীৱকান্ত নাথ

**সম্পাদনা সমিতি ঃ**

সভাপতি ঃ শ্ৰীভৱেন দুৱৰী
সম্পাদক ঃ ড° প্ৰদীপ হাজৰিকা
সদস্য ঃ শ্ৰীপ্ৰদীপ কুমাৰ শইকীয়া
শ্ৰীপদ্মৰাম মহন্ত
সদস্যা ঃ শ্ৰীনিৰ্মলা দাস
শ্ৰীদীপ্তি মহন্ত

**অৰিহণা ঃ** ২৫.০০ টকা

**প্ৰাপ্তিস্থান ঃ**

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মূল কাৰ্যালয় ঃ কলংপাৰ, নগাঁও
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ ৰূপনগৰ, গুৱাহাটী
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ যোৰহাট
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ লখিমপুৰ
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ গৌৰীপুৰ, ধুবুৰী
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ ডিব্ৰুগড়
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সকলো জিলা শাখাৰ কাৰ্যালয়

**অক্ষৰ বিন্যাস ঃ**

শ্ৰীৰমেন মেধি
সত্যসন্ধা প্ৰেছ
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
শঙ্কৰী সংস্কৃতি কেন্দ্ৰ, ৰূপনগৰ, গুৱাহাটী-৩২

**মুদ্ৰণ ঃ**

মাতৃ অফ্‌ছেট প্ৰেছ
হেদায়েৎপুৰ, গুৱাহাটী-৭৮১০০৩

# প্ৰধান সম্পাদকৰ একাষাৰ

গুৰুজনাৰ ষষ্ঠ্যধিকপঞ্চশততম আবিৰ্ভাৱ মহোৎসৱ উপলক্ষে 'নামধৰ্ম' মুখপত্ৰৰ অষ্টপঞ্চাশতম সংখ্যাটি 'শ্ৰীমদ্ভাগৱত' বিশেষ সংখ্যা হিচাপে প্ৰকাশ কৰা হৈছে। বিশেষ সংখ্যা হিচাপে প্ৰকাশিত মুখপত্ৰখনিয়ে সংশ্লিষ্ট শাস্ত্ৰভাগিৰ সন্দৰ্ভত বিশেষভাৱে প্ৰবন্ধকাৰে যুগুতোৱা ৰচনাসমূহৰ যথাৰ্থতা বহন কৰিছে। ইতিপূৰ্বে প্ৰকাশিত নামধৰ্মৰ কেইটিমান সংখ্যাত তেনেদৰে গ্ৰন্থভিত্তিত প্ৰবন্ধ ৰচনাৰে প্ৰকাশ পোৱাৰ ক্ষেত্ৰত বিশেষভাৱে লক্ষ্য কৰিবলগীয়া দিশটো হৈছে সংশ্লিষ্ট গ্ৰন্থভাগিৰ সম্পৰ্কত জানিবলগীয়া কথাখিনি আয়ত্ব কৰিবলৈ কিছু সহজসাধ্য হৈছে।

শ্ৰীমদ্ভাগৱত শাস্ত্ৰভাগিৰ কলেৱৰ যথেষ্ট বিশাল হোৱা বাবে অন্য শাস্ত্ৰৰ দৰে একেবহাতে অথবা কিছু সময়ৰ ভিতৰতে অধ্যয়ন কৰাটো সহজসাধ্য নহয়। দ্বাদশ স্কন্ধ সম্বলিত শাস্ত্ৰভাগিৰ একোটা স্কন্ধৰ পুৰ্ণাঙ্গ অধ্যয়ন আৰু ব্যাখ্যা বিশ্লেষণ কৰাটোও ব্যস্ততাৰ জগতত সকলো লোকৰ বাবে দুঃসাধ্য। তেনেক্ষেত্ৰত প্ৰতিটো স্কন্ধ ভিত্তিত বিশেষভাৱে যুগুতোৱা প্ৰবন্ধ ৰচনাসমূহে শ্ৰীমদ্ভাগৱতৰ জ্ঞাতব্য বিষয়ৰ কিছু সম্যক ধাৰণা গ্ৰহণ কৰাৰ বাবে উপাদেয় হৈছে। সেই দিশৰ পৰা শ্ৰীমদ্ভাগৱত বিশেষ সংখ্যাৰ সম্পাদনা আৰু প্ৰকাশৰ কামটি যথেষ্ট গুৰুত্বপূৰ্ণ হৈছে বুলি বোধ হৈছে। সম্পাদক বাপ প্ৰমুখ্য সম্পাদনা সমিতিৰ বিষয়ববীয়া কৰ্মকৰ্তা আৰু প্ৰবন্ধকাৰসকললৈ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। গুৰুজনাৰ আবিৰ্ভাৱ মহোৎসৱৰ এই শুভ অৱসৰত এই সংখ্যাটি পাঠক-পাঠিকা, বাপ-আইসকলৰ হাতত তুলি দিবলৈ পাই নিজকে ধন্য মানিছোঁ। অধ্যয়নশীলসকলে শ্ৰদ্ধাশীল হৈ আলোচনীভাগি অধ্যয়ন কৰিলে সকলোৰে পৰিশ্ৰমৰ উচিত মূল্যাঙ্কন হ'ব বুলি ভাবো। পুনৰ সম্পাদনা সমিতি আৰু ছপাকৰ্মত জড়িতসকলৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিলো। ইতি

সেৱাৰে

৭ আহিন, ৫৫৯ শঙ্কৰাব্দ
২৪ ছেপ্তেম্বৰ, ২০০৮ খ্ৰীঃ

**হৰিপ্ৰসাদ হাজৰিকা**
প্ৰধান সম্পাদক
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

# সম্পাদকীয়

অসমৰ জাতীয় জীৱনত ৰামায়ণ আৰু মহাভাৰতৰ দৰে মহৰ্ষি ৱেদব্যাস ৰচিত শ্ৰীমদ্ভাগৱত মহাপুৰাণেও অসমৰ বৈষ্ণৱ সম্প্ৰদায়ক গভীৰভাৱে প্ৰভাৱ বিস্তাৰ কৰি আহিছে। বিশেষকৈ, অসমৰ একশৰণ হৰিনাম ধৰ্মৰ অনুৰাগীসকলৰ বাবে শ্ৰীমদ্ভাগৱত মহাপুৰাণৰ স্থান পূৰ্বোল্লিখিত গ্ৰন্থ দুখনতকৈ বহু ওপৰত। অন্যহাতে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ প্ৰৱৰ্তিত একশৰণ হৰি নামধৰ্মৰ মূল আধাৰ হ'ল শ্ৰীমদ্ভাগৱত শাস্ত্ৰ। সেইবাবে এই ধৰ্মক ভাগৱতী ধৰ্ম বুলিও অভিহিত কৰা হৈছে। ভাগৱত গ্ৰন্থত পৰমপুৰুষ শ্ৰীকৃষ্ণৰ লীলা-মালা প্ৰকাশ কৰাৰ লগতে ভক্তি ধৰ্মৰ মহত্ব আৰু শ্ৰেষ্ঠত্ব বৰ্ণনা কৰা হৈছে। সকলো নিগম শাস্ত্ৰৰ কল্পতৰু স্বৰূপ শ্ৰীমদ্ভাগৱতক সেই বৃক্ষৰ উত্তম ফল বুলি অভিহিত কৰিছে-- গুৰুজনাৰ প্ৰপন্ন শিষ্য মহাপুৰুষ মাধৱদেৱে।

শ্ৰীমন্ত শঙ্কৰদেৱৰ জীৱনৰ প্ৰায় মাজ ভাগত, বাৰাণসীৰ পৰা স্বপ্নাদেশ প্ৰাপ্ত হৈ জগদীশ মিশ্ৰৰ পৰা দ্বাদশ স্কন্ধ ভাগৱতখন তাৰাই লাভ কৰাৰ পিছৰে পৰা অসমীয়া ভাষালৈ ৰূপান্তৰৰ শুভাৰম্ভ কৰি একশৰণ ভক্তি ধৰ্মৰ মূল ভেটিটো প্ৰতিস্থা কৰে। পৰৱৰ্তীকালত গুৰুজনাই প্ৰথম, দ্বিতীয়, তৃতীয় স্কন্ধৰ উপৰিও একাদশ আৰু দ্বাদশ স্কন্ধ অসমীয়ালৈ ৰূপান্তৰ কৰি শ্ৰীমদ্ভাগৱত শাস্ত্ৰৰ দুই মূৰত যেন আঁচুফুল দি অসমৰ বৈষ্ণৱ সাহিত্যক অনন্য মাত্ৰা প্ৰদান কৰে। গুৰুজনাই উল্লিখিত চাৰিটি স্কন্ধৰ উপৰিও ষষ্ঠ, অষ্টম আৰু দশম স্কন্ধৰো একাংশকৈ অনুবাদ কৰি শাস্ত্ৰভাগিক সম্পূৰ্ণ কৰাত বিশিষ্ট ভূমিকা গ্ৰহণ কৰে। স্মৰ্তব্য যে, সৰ্বমুঠ চৈধ্যজন কবিৰ গভীৰ আৰু নিৰলস প্ৰচেষ্টাৰ ফলস্বৰূপে এই মহৎ কৰ্মভাগি সম্পূৰ্ণ হৈ উঠে। সেইসকলৰ ভিতৰত জয়ৰাম দাস, কলাপ চন্দ্ৰ দ্বিজ, শ্ৰীবিষ্ণুভাৰতী, ৰত্নাকৰ মিশ্ৰ আৰু চন্দ্ৰদেৱে চতুৰ্থ স্কন্ধ, অনিৰুদ্ধদেৱেই পঞ্চম স্কন্ধ, গুৰুজনাৰ উপৰিও অনন্ত কন্দলিয়ে (চন্দ্ৰভাৰতী) ষষ্ঠ স্কন্ধ; কেশৱচৰণ কায়স্থই সপ্তম স্কন্ধ, গোপালচৰণ দ্বিজ আৰু শ্ৰীমন্ত শঙ্কৰদেৱে অষ্টম স্কন্ধ, কেশৱ দাস বা কেশৱচৰণ কায়স্থই নৱম স্কন্ধ আৰু শ্ৰীমন্ত শঙ্কৰদেৱ আৰু অনন্ত কন্দলিয়ে দশম স্কন্ধৰ অনুবাদেৰে বৈষ্ণৱ সাহিত্যত গৰিমাময় কৰি তুলিবলৈ সক্ষম হয়। স্মৰণযোগ্য যে গুৰুজনাই সিংহভাগ অনুবাদ কৰাই নহয়, ভাগৱতৰ বিষয়বস্তুক লৈ কেইবাখনো নাট, গীত, কাব্যৰে অসমৰ বৈষ্ণৱ সাহিত্যৰ ভেটি স্বৰ্ণমণ্ডিত কৰি তোলে। পৰৱৰ্তীকালত অনেকজন কবিয়েও ভাগৱতৰ একাংশ অনুবাদৰ লগতে ভাগৱতকেন্দ্ৰিক সাহিত্য ৰচনা কৰি অসমীয়া বৈষ্ণৱ সাহিত্যৰ এই ধাৰাটি বৰ্ণময় কৰি তোলে। প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব পাৰি যে, ভাগৱতৰ দশম স্কন্ধৰ অনুবাদ গুৰুজনাৰ কাব্য প্ৰতিভা মনোৰম নিদৰ্শন ৰূপে অভিহিত হোৱাই নহয়-- শিশুকৃষ্ণৰ অপূৰ্ব লীলা-মালা বৰ্ণনাৰ মাজেদি অসমৰ আৱাল-বৃদ্ধ-বণিতাক যোৱা পাঁচশ বছৰ কাল গভীৰভাৱে অনুৰক্ত কৰি আহিছে। গুৰুজনাই আক্ষৰিক অনুবাদৰ পৰিৱৰ্তে ভাৱানুবাদ কৰি বিষয়বস্তুক অধিক মনোগ্ৰাহী কৰি তুলিছে আৰু মূলৰ তত্ত্বমূলক কথাক চমুৱাই ৰসাল বিষয়বস্তুক দীঘলীয়া

বৰ্ণনাৰে পাঠক-চিত্তক আকৰ্ষণ কৰাৰ প্ৰয়াস অব্যাহত ৰাখিছে। কেৱল গুৰুজনাই নহয়, অন্যান্য সকলেও সেই ৰীতি অনুবাদত অনুসৰণ কৰিছে।

বেদ, মহাভাৰত আৰু উপনিষদ ৰচয়িতা মহৰ্ষি কৃষ্ণ দ্বৈপায়ন বেদব্যাস শ্ৰীমদ্ভাগৱত শাস্ত্ৰৰ ৰচক। তাৰাৰ মূল অনুপ্ৰেৰণা হ'ল মহৰ্ষি নাৰদ। নাৰদৰ পৰামৰ্শ মৰ্মেই বেদব্যাসৰ কালজয়ী কাপৰ পৰা নিঃসৃত হ'ল-- সমস্ত শাস্ত্ৰৰ শিৰোমণি স্বৰূপ শ্ৰীমদ্ভাগৱত পুৰাণ।

'মোৰ উপদেশে কৰা ভাগৱত শাস্ত্ৰ।
প্ৰচাৰোক গোবিন্দৰ গুণনাম মাত্ৰ।।
শ্ৰৱণ কীৰ্ত্তন মাত্ৰ কৰোক নিঃশেষ।
দূৰ হৌক তোমাৰ মনৰ মহা ক্লেশ।।'
(প্ৰথম স্কন্ধ, ৩৭)

পঞ্চদশ শতিকাত অসমৰ জনজীৱনত যি ধৰ্ম-বিপ্লৱৰ সূচনা হৈছিল-- তাৰ মূল ভেটি আছিল শ্ৰীমদ্ভাগৱত মহা পুৰাণ। যথাৰ্থতে, সপ্তম শতিকাতে দক্ষিণ ভাৰতৰ আলৱাৰসকলেই ভাগৱত পুৰাণ অনুবাদ কৰি তামিল ভাষাক ঐশ্বৰ্যময় কৰি তোলে। ইয়াৰ পিছৰ পৰাই সেই বিপ্লৱৰ পৰিণতি ৰূপে ভাৰতবৰ্ষৰ আন আন ভাষাতো ভাগৱতৰ অনুবাদৰ শুভসূচনা হয়। শ্ৰীমন্ত শঙ্কৰদেৱে 'একশৰণ হৰিনাম ধম'ৰ মাজেদি সমাজৰ ৰূপান্তৰৰ যি দৰ্শন প্ৰচাৰ কৰিছিল তাৰ মূল আধাৰ আছিল পুৰাণ সূৰ্য শ্ৰীমদ্ভাগৱত।

'শুনিয়োক সৰ্বজন কৃষ্ণত অৰ্পিয়ো মন
মহাভাগৱতৰ পয়াৰ।
ইসে পুৰাণৰ সূৰ্য্য ভকতিৰ প্ৰকাশক
সমস্তে শাস্ত্ৰৰে সাৰ উদ্ধাৰ।।'
(দশম স্কন্ধ, ৪২৫)

অসমৰ বৈষ্ণৱ সম্প্ৰদায়ৰ ভক্তিতত্ত্ব নিৰূপক গ্ৰন্থ শ্ৰীমদ্ভাগৱতৰ ৰচনা ৰীতিলৈ লক্ষ্য কৰিলেই দেখা যায় যে, পুৰাণখনি শুক-পৰীক্ষিত সংবাদ স্বৰূপেই পৰিচিত হৈ আহিছে। শ্ৰীমন্ত শঙ্কৰদেৱেও গ্ৰন্থৰ প্ৰাৰম্ভতে আৰু মাজে মাজে 'শুক মুনি বোলন্ত শুনিও পৰীক্ষিত' বুলি শাস্ত্ৰভাগি ৰচনা কৰা ৰীতি অব্যাহত ৰাখিছে। গ্ৰন্থখনিৰ গুৰুত্ব সম্পৰ্কে অসমীয়া সাহিত্যৰ বিশিষ্ট সমালোচক ড° মহেশ্বৰ নেওগে লিখিছে-- 'এইযুগটো আছিল কেৱল এটা আদৰ্শৰ যুগ, সেইটো হ'ল ভক্তিৰ আদৰ্শ, এইটো আছিল কেৱল এজন দেৱতাৰ যুগ, তেওঁ হ'ল বিষ্ণু-কৃষ্ণ, এইযুগত কেৱল এজনৰহে নেতৃত্ব চলিছিল, তেওঁ আছিল শঙ্কৰদেৱ ঃ এই যুগটো কেৱল এখন গ্ৰন্থৰ যুগ আৰু সেইখন হ'ল শ্ৰীমদ্ভাগৱত পুৰাণ। (শঙ্কৰদেৱ, পৃঃ ৬-৭)' শ্ৰীমদ্ভাগৱত সম্পৰ্কে সমালোচক গৰাকীয়ে আগবঢ়োৱা উল্লিখিত মন্তব্যটিয়েই প্ৰমাণ কৰে অসমৰ বৈষ্ণৱ সমাজত ভাগৱত গ্ৰন্থই সুদীৰ্ঘ কাল কেনেদৰে গভীৰভাৱে প্ৰভাৱ বিস্তাৰ কৰি আহিছে।

অসমৰ বৈষ্ণৱ সম্প্ৰদায়ৰ মাজত শ্ৰীমদ্ভাগৱতে গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰাৰ প্ৰতি লক্ষ্য কৰিয়েই শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সাহিত্য শাখাই শ্ৰীমদ্ভাগৱত বিশেষ সংখ্যা নামেৰে এই সংখ্যা 'নাম-ধৰ্ম' প্ৰকাশ কৰাৰ আঁচনি গ্ৰহণ কৰে। এইক্ষেত্ৰত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পদাধিকাৰ ভক্তিভাজন শ্ৰীযুত কৰুণাকান্ত কলিতা বাপ, মাননীয় প্ৰধান সম্পাদক পৰম শ্ৰদ্ধেয় শ্ৰীযুত হৰিপ্ৰসাদ হাজৰিকা বাপ, সাহিত্য শাখাৰ সভাপতি মাননীয় শ্ৰীযুত ড° ৰবীন্দ্ৰ নাৰায়ণ চৌধুৰী বাপ আৰু সাহিত্য শাখাৰ সম্পাদক অধ্যাপক শ্ৰীযুত জীৱকান্ত নাথ বাপলৈ আমাৰ সশ্ৰদ্ধ কৃতজ্ঞতা নিবেদিলোঁ।

তেখেতসকলৰ দিহা-পৰামৰ্শ আৰু সহযোগিতাই 'নামধৰ্ম'খনি প্ৰকাশত আমাক গভীৰভাৱে অনুপ্ৰাণিত কৰিছে। আমাৰ এই প্ৰয়াসৰ প্ৰতি সঁহাৰি দি সুধীজনে ভাগৱতৰ বিভিন্ন দিশ আলোকপাত কৰি 'নামধৰ্ম'লৈ প্ৰবন্ধ প্ৰেৰণ কৰাত আমি অনুগৃহিত হৈছোঁ। অন্যহাতে কেইবাটিও প্ৰবন্ধ, বিষয়বস্তুৰ লগত সঙ্গতি ৰাখি পুনৰ মুদ্ৰণৰো দিহা কৰা হৈছে। তৎসত্বেও সংখ্যাটি সৰ্বাঙ্গসুন্দৰ কৰাৰ ক্ষেত্ৰত আমাৰ অক্ষমতা ৰৈ গ'ল বুলি বাৰে বাৰে অনুভৱ কৰিছোঁ। সুধীজনে ক্ষমাৰ দৃষ্টিৰে নিশ্চয় আমাৰ সৰ্বদোষ মৰিষণ কৰিব।

'নামধৰ্ম'ৰ এই সংখ্যাটি যুগুত কৰোঁতে যিসকল লেখক-লেখিকাই বহুমূলীয়া লেখনি প্ৰেৰণ কৰি আমাক গভীৰভাৱে অনুপ্ৰাণিত কৰিলে, সেইসকলৰ প্ৰতি অন্তৰৰ কৃতজ্ঞতা নিবেদিলোঁ। সংখ্যাটি প্ৰকাশ কৰাৰ ক্ষেত্ৰত সম্পাদনা সমিতিৰ মাননীয় সভাপতি শ্ৰীযুত ভৱেন দুৰৰী বাপৰ নিৰন্তৰ আগ্ৰহ আৰু অকুণ্ঠ সহযোগিতাই আমাক ঋণী কৰি তুলিছে। শঙ্কৰী সংস্কৃতি কেন্দ্ৰৰ কৰ্মচাৰী শ্ৰীমধুসূদন ভকত আৰু সত্যসন্ধা প্ৰেছৰ কৰ্মী শ্ৰীৰমেন মেধিৰ লগতে মাতৃ অফ্‌ছেট প্ৰেছৰ স্বত্বাধিকাৰ শ্ৰীকমলাকান্ত বৰা বাপে ছপা-বন্ধা কামখিনি সম্পূৰ্ণ কৰি দিয়াৰ বাবে আন্তৰিক ধন্যবাদ জনালোঁ।

পৰিশেষত আমাৰ সম্পাদনা কৰ্মত হোৱা দোষ ত্ৰুটিৰ বাবে মাৰ্জনা বিচাৰি সেৱা ধৰিলোঁ।

সেৱাৰে--

আপোনাসৱৰ দাস

**প্ৰদীপ হাজৰিকা**

# সূচীপত্ৰ


| | | | পৃষ্ঠা |
|---|---|---|---|
| পিৰত ভাগৱতং ৰসমালয়ং | ঃ | শ্ৰীকৰুণাকান্ত কলিতা | ১ |
| শ্ৰীমদ্ভাগৱত | ঃ | সোনাৰাম চুতীয়া | ৪ |
| ভাগৱত – ভক্ত আৰু ভগৱান | ঃ | ত্ৰৈলোক্য নাথ গোস্বামী | ৮ |
| শঙ্কৰদেৱৰ দৃষ্টিত ভাগৱতৰ কৃষ্ণতত্ত্ব | ঃ | ড° অৰুন্ধতী মহন্ত | ১১ |
| বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টি ঃ বিজ্ঞান আৰু শঙ্কৰী সাহিত্য | ঃ | ড° ৰাতুল চন্দ্ৰ বৰা | ১৭ |
| প্ৰথম স্কন্ধ ঃ এক বিহঙ্গম দৃষ্টি | ঃ | জীৱকান্ত নাথ | ২৩ |
| ভাগৱতৰ প্ৰথম চাৰি স্কন্ধৰ সংক্ষিপ্ত সাৰ | ঃ | ড° মহেশ্বৰ হাজৰিকা | ২৮ |
| বিৰাট সৃষ্টি আৰু বিৰাটৰ বিভূতি | ঃ | ৰহীন্দ্ৰ দত্ত | ৩৬ |
| ‘অনাদি পাতন’ত সৃষ্টিতত্ত্ব বৰ্ণন | ঃ | দীপক কুমাৰ বৰা | ৩৯ |
| চতুঃশ্লোকী ভাগৱতত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ দৰ্শনৰ ৰূপৰেখা | ঃ | উমেশ বড়া | ৪৫ |
| বৈকুণ্ঠৰ কল্পতৰু | ঃ | বলোৰাম নেওগ | ৪৯ |
| ভাগৱত ঃ আধ্যাত্মিক তত্ত্ব প্ৰকাশক অদ্বিতীয় প্ৰদীপ | ঃ | ধীৰেণ চন্দ্ৰ বৰুৱা | ৫২ |
| পৰীক্ষিতৰ মোক্ষ সাধন | ঃ | বোধেশ্বৰ কাকতি | ৫৬ |
| ভৈলন্ত শঙ্কৰ প্ৰভু তাৰ চিকিৎসক | ঃ | পদ্মৰাম মহন্ত | ৬০ |
| আদৰ্শ পুৰুষ মহাৰাজ পৃথু | ঃ | সভাৰাম ভৰালী | ৬৩ |
| ভক্তি শাস্ত্ৰ শ্ৰীমদ্ভাগৱত | ঃ | অপৰাজিতা বৰকাকতী | ৬৬ |
| ভক্তি সৰোবৰ মহাভাগৱত | ঃ | বিপিন চুতীয়া | ৭১ |
| বৃত্ৰাসুৰৰ বৈকুণ্ঠ গমন | ঃ | নিৰ্মলা দাস | ৭৬ |
| ভাগৱতৰ দ্বিতীয় স্কন্ধৰ এটি তাত্ত্বিক পৰ্যালোচনা | ঃ | প্ৰদীক কুমাৰ শইকীয়া | ৮০ |
| ভাগৱত মাহাত্ম্য | ঃ | ভৱেন দুৱৰী | ৮৬ |

# পিৰত ভাগৱতং ৰসমালয়ং

**শ্ৰীকৰুণাকান্ত কলিতা**
**পদাধিকাৰ, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ**

ভাগৱত ৰসৰ আলয়। ৰসেই ৰস-- ৰসেৰে ভৰপূৰ। পান কৰা। বাৰে বাৰে পান কৰা।

ভাবুকসকলৰ প্ৰতি
ৰসিকসকলৰ প্ৰতি
আহ্বান
এই আহ্বান মুনীন্দ্ৰ শুকদেৱৰ।

শুকদেৱে নিৰ্গুণক বিচাৰিছিল। নাপালে। একো অনুভৱ উপলব্ধি নহ'ল। বিমৰ্ষ হ'ল। পিতৃৰ ওচৰ চাপিল--

উপায় কি?
উপায় ক'ত আছে?

পিতৃ ব্যাসে ক'লে,

নিৰ্গুণক পাবা ক'ত?
নিজে নিৰ্গুণ নহ'লে
নিৰ্গুণক পাবা কেনেকৈ?
'উপায়?'

উপায় আছে। তুমি ভাগৱত শুনা। শুনাম মই নিজে। ভাগৱত আনন্দ সমুদ্ৰ। প্ৰভু কৃষ্ণৰ মুখ-নিসৃত অমৃত বাণী। শ্ৰদ্ধাৰে যি পঢ়ে, যি শুনে, যি সেৱা কৰে, যি দৰ্শন কৰে, জীৱন্তে মুকুতি পায়। তুমিনো নিৰ্গুণক বিচাৰিছিলা কিয়? এই বাবেইতো--

প্ৰভু কৃষ্ণই নিৰ্গুণ
তেৱেঁই সগুণ
তেৱেঁই সাকাৰো-নিৰাকাৰো-
অনন্ত শক্তি
অপাৰ মহিমা
তেওঁৰ ৰূপ-গুণ-যশ
লীলা-চৰিত্ৰ
দিব্য-কথা
ৰসেৰে ভৰপূৰ
প্ৰকৃতিৰ গুণৰ অতীত
দিব্য গুণেৰে
বিভূষিত--
জগদাত্মা-জগতৰ প্ৰাণ
অনাদিৰো আদি
প্ৰভু কৃষ্ণ ভগৱান
তেওঁৰেই বাঙ্ময় মূৰ্তি
শ্ৰীমদ্ভাগৱত
তাতেই প্ৰভু বিদ্যমান
শুনা কাণ পাতি
নিৰ্গুণ-সগুণ
সাকাৰ-নিৰাকাৰ
একতত্ত্ব
পাবা মহাজ্ঞান
নিৰ্গুণ-প্ৰভুৱে
সগুণ-ৰূপেৰে
সমস্ত জগতত
বিদ্যমান--
মায়াৰ আৱেশত থকা
সমস্ত জীৱক
উদ্ধাৰৰ হেতু
প্ৰভুৰ আগমণ

তেৰেঁই সৃষ্টি-স্থিতি-লয়ৰ গৰাকী। তেওঁৰ পৰাই অনন্ত সৃষ্টি। তেওঁতেই সৃষ্টিৰ স্থিতি। তেওঁতেই সৃষ্টিৰ লয়। প্ৰত্যক্ষ-পৰোক্ষ, দৃশ্যাদৃশ্য অনেক সৃষ্টি অনেক বিসৃষ্টি। তেওঁহে জানে অনন্ত সৃষ্টিৰ ৰহস্য, তেওঁহে সৰ্বজ্ঞাতা। তেওঁ 'স্বৰাট'। তেওঁ সম্পূৰ্ণ স্বাধীন। কাল মায়াতীত একমাত্ৰ স্বাধীন সত্তা। তেৰেঁই বেদ। তেওঁৰ বাণীয়ে বেদ। তেৰেঁই ব্ৰহ্মাৰ-হৃদিত বেদবাণী প্ৰতিষ্ঠা কৰিলে। তথাপি তেওঁৰ মায়াচক্ৰত বন্দী ব্ৰহ্মাকে আদি কৰি ঋষি-মুনি মহাজ্ঞানীসকলো। মায়া-ভ্ৰম অদ্ভুত। মায়া সৃষ্টি তেওঁৰেই সৃষ্টি। তেওঁৰেই শক্তি। মায়া গ্ৰাসিতে বস্তুক অৱস্তু দেখে, অৱস্তুক বস্তু দেখে। মাটিতে পানী, পানীতে মাটি, জুইতে পানী-মাটি আৰোপ কৰে। ত্ৰিগুণাত্মিকা প্ৰকৃতি মিছা- অসত্য। মায়াৰ প্ৰভাৱত পৰি তাকে সত্য মানে। তাৰ আঁৰত থকা মায়াতীতক বিচাৰি নাপায়। বিচাৰিব নোখোজে। মায়াতীত প্ৰভু স্বমহিমাৰে মণ্ডিত। পৰম ধামত যাৰ নিৱাস। সকলো কুহক, সকলো অজ্ঞানতা নাশক পৰম সত্য প্ৰভু একমাত্ৰ ধ্যেয়। সেই পৰম সত্যক ধ্যান কৰাটোৰে, চিন্তন-মনন কৰাটোৰেই মায়া-ভেদৰ উপায়। তেৰেঁই জানিবলগীয়া। তেৰেঁই বাস্তৱ, তেৰেঁই মঙ্গলময়। তেৰেঁই তিনি তাপৰ উন্মূলক। তেওঁত বাহিৰে আৰু কোন ঈশ্বৰ আছে? তেওঁৰেই অমৃত সুখ নিসৃত ভাগৱত মহাশাস্ত্ৰতকৈ আৰু কি মহাশাস্ত্ৰ আছে?

শুকদেৱ শান্ত সমাহিত হ'ল। নিৰ্গুণক বিচাৰি জীৱনৰ অমূল্য সময় এনেয়ে কটালে। পিতৃ বাক্যত চেতনা জাগিল। পিতৃ মুখে ভাগৱত অমৃত ৰস পান কৰি বিভোৰ হৈ পৰিল।

কৃষ্ণ তত্ত্বই
নিৰ্গুণ তত্ত্ব
কৃষ্ণ তত্ত্বই
সগুণ তত্ত্ব

তেওঁত বিনে একো নাই--

তেৰেঁই পৰমাত্মা
সৃষ্টিৰ প্ৰতিটো বস্তুতে
সমস্ত ভূততে
তেওঁ সৰ্বত্ৰ
বিৰাজমান-
তেওঁক জনাটোৱে জ্ঞান
নজনাটোৱে অজ্ঞান
তেৰেঁই জ্ঞান বন্তি
তেৰেঁই হৃদয়
গৰ্ভৰ কান্তি
হৃদয় দেৱতা
তেওঁক নজনাটোৱে
জীৱনৰ মহা ব্যৰ্থতা।

শুকদেৱে আকৰ্ণ শুনিলে। আনন্দাপ্লুত হৈ নিজেও পঢ়িলে। উত্তম শ্লোকৰ মহিমাই চিত্ত বশ্য কৰিলে।

জীৱনলৈ নামি আহিল
স্বৰ্ণজ্যোতিৰ আলোক
সেই আলোকতে
দিব্য দৃষ্টিৰে
দৰ্শন কৰিলে
জীৱন-জগতৰ
মহাসত্য।
ভাগৱত-লব্ধ এই মহাসত্যই
শুকদেৱৰ জীৱনত
আনিলে এক জাগৃতি
এক দিব্য চেতনা
নিৰ্গুণ-পথিক
হৈ পৰিল
ভক্তি ৰসিক
ভক্তি ৰস-অমৃত ৰস
এই ৰস জ্ঞান
যাৰ আছে
সেইজনেই ৰসত চতুৰ
কৃষ্ণ ভাবুকসকলে
এই ৰসতে বুৰ গৈ
জীৱন সাৰ্থক কৰে
ব্ৰহ্মশাপগ্ৰস্ত পৰীক্ষিতক শুকদেৱে
স্নাত কৰিছিল-- এই ৰসেৰে
এই ৰসেৰে ধুই
নিকা কৰিছিল

**নাম-ধৰ্ম**

শাৰদী জোনাকৰ দৰে
পৰীক্ষিতৰ হৃদয়
মন-প্ৰাণ
বিষয়ত পোৱা ৰস বা আনন্দ বিষময়।
এই বিষতে
বিষয়ী জৰ্জৰ
তথাপি - তথাপি নেৰে।
এই বিষয়ী, মৃত্যুমুখীক
মৃত্যুক অমৃত তত্ত্ব বুলি
ভবাব কোনে?
শিকাব কোনে?
কোনে দিব অমৃত সন্ধান
শুকদেৱে ক'লে--
'পিৱত ভাগৱতং ৰসমালয়ং'
তাতেই পাবা--
অমৃত সন্ধান
কৃষ্ণ ভক্তি মহাজ্ঞান

নিগম কল্পতৰু
সুপক্ক ফল মহাভাগৱত
অমৃত ৰস
পৃথিৱীত শুক মুখে
হৈছে বিদিত
আকণ্ঠ পান কৰি
সংসাৰৰ ভয়
কৰা দূৰীভূত
হোৱা আনন্দ মগন
জগত-বৈকুণ্ঠত
হৃদি বৈকুণ্ঠত
আৰু দেহৰ বন্ধন ছেদি
সংসাৰ বন্ধন ভেদি
মুক্তভাৱে মহাসুখে
মহা বৈকুণ্ঠত
কৰা বিচৰণ--
শুকদেৱৰ আহ্বান।■■

*(শ্ৰীমদ্ভাগৱত প্ৰথম স্কন্ধৰ মঙ্গলাচৰণ স্তোত্ৰৰ সংক্ষিপ্ত ভাবানুবাদ)*

# শ্ৰীমদ্ভাগৱত

**সোনাৰাম চুতীয়া**

বৰ্তমান যুগত মানৱসমাজ কোনো দেশ বা জাতিৰ ভৌগোলিক সীমাৰেখাৰ দ্বাৰা সীমাবদ্ধ নহয়। বিজ্ঞানৰ বিকাশ সাধন আৰু গমনাগমনৰ নানা যন্ত্ৰপাতিৰ আৱিষ্কাৰ আৰু প্ৰয়োগসাধনে মানৱ জগতক পৰুৱাৰ লদাৰ দৰে এটা লাড়ুত পৰিণত কৰিছে। এনে এটা পৰিস্থিতিত গোটেই পৃথিৱী জুৰি যেন এখন ৰাষ্ট্ৰ বা এক মানৱ গোষ্ঠীত পৰিণত নহ'লে আমি ধ্বংস হ'ম। ধৰ্ম-শাস্ত্ৰসমূহৰ প্ৰচেষ্টাও ঐক্য সাধনমুখী।

আমাৰ আলোচ্য বিষয় শ্ৰীমদ্ভাগৱত শাস্ত্ৰ। এই শাস্ত্ৰৰ নিৰ্দেশ অনুসৰি আধ্যাত্মিক সাম্যবাদ সমগ্ৰ মানৱ সমাজত ঐক্য প্ৰতিষ্ঠা কৰা লক্ষ্য হোৱা উচিত। এই ঐক্য সাধনৰ লক্ষ্যস্থলত উপনীত হ'বলৈ আমি চিন্তা কৰিব পাৰিব লাগিব যে, আমি এক ঈশ্বৰৰ সন্তান। শ্ৰীমদ্ভাগৱতে 'জন্মাদ্যস্যযতঃ' বেদান্তসূত্ৰৰ ২ নং সূত্ৰৰ দ্বাৰা পাতনি মেলিছে। এই সূত্ৰৰ সন্ধি ভাঙিলে 'জন্মাদি (জন্ম + আদি + অস্য + যতং' হয়। জন্মাদি = সৃষ্টি, স্থিতি আৰু প্ৰলয়; অস্য = প্ৰকাশিত ব্ৰহ্মাণ্ড সমূহ 'অনন্ত কোটি ব্ৰহ্মাণ্ড (নাম-ঘোষা) ; যতঃ যাৰ পৰা। এই অনন্ত কোটি ব্ৰহ্মাণ্ডৰ সৃষ্টি স্থিতি আৰু প্ৰলয়ৰ কাৰণ বস্তুৰেই যে পৰম সত্য, সেই সত্য পৰম সত্যক ধ্যান কৰি-- 'সত্য পৰং ধীমহি' বুলি ভাগৱত ৰচক ব্যাসদেৱে সমগ্ৰ মানৱ সমষ্টিৰ দৃষ্টি আকৰ্ষণ কৰিছে। ক্ষুদ্ৰাতি-ক্ষুদ্ৰ হ'লেও প্ৰতিজন মানৱ, প্ৰতিটো প্ৰাণী অনু-পৰমাণু পৰ্যন্ত সত্যবস্তু ব্ৰহ্মাৰ অংশ। জীৱ ব্ৰহ্মাৰ অংশ হেতু কোনো কোনো সময়ত জীৱ বা জীৱাত্মাকে ব্ৰহ্ম বুলি সৃষ্টি-স্থিতি প্ৰলয়ৰ হেতু ব্ৰহ্মক জীৱ পৰম ব্ৰহ্ম বোলা হয়। প্ৰতি জীৱই বিশেষকৈ প্ৰতিজন মনুষ্যই এই ব্ৰহ্ম ভাবত অনুপ্ৰাণিত হ'বলৈ প্ৰেৰণা দিছে ভাগৱত শাস্ত্ৰই।

শ্ৰীমদ্ভাগৱত শাস্ত্ৰৰ সম্পৰ্কে অসংখ্য অন্যান্য শাস্ত্ৰত অসংখ্য বাণী পোৱা যায়। এই শাস্ত্ৰৰ গুৰুত্ব উপলব্ধিৰ কাৰণে পদ্ম পুৰাণৰ ভাগৱত মাহাত্ম্যৰ পৰা চাৰিটা শ্লোকৰ উদ্ধৃতি দিয়া হ'ল--

(১) বেদোপনিষদাং সাৰাঞ্জাতা ভাগৱতী কথা
অত্যুত্তমা ততো ভাতি পৃথগ্‌ভূতা ফলাকৃতিঃ।।
-- ২/৬৭

অৰ্থ ঃ বেদ আৰু উপনিষদৰ সাৰ সংগ্ৰহ কৰি ভাগৱত শাস্ত্ৰ সংকলন কৰা হৈছে। বেদ উপনিষদতকৈ ফল স্বৰূপে বেলেগ কৰি প্ৰকাশ কৰাত এই ভাগৱত অতি উত্তম বুলি বোধ হৈছে।

(২) আমূলাগ্ৰং ৰসস্তিষ্ঠন্নাস্তে ন স্বাদ্যতে যথা।
স ভূয়ঃ সং পৃথগ্‌ভূতঃ ফলে বিশ্বমনোহৰঃ।। ২/৬৮

অৰ্থ ঃ বৃক্ষৰ ৰস শিপাৰ পাতলৈকে বিয়পি থাকিলেও সেই ৰসৰ স্বাদ পোৱা নেযায়; বেলেগ হৈ সেই বৃক্ষৰ ফল ৰূপে যেতিয়া প্ৰকাশ পাই তেতিয়া সেই ফলৰ ৰস সংসাৰৰ সকলোলোকৰে প্ৰিয় হয়।

(৩) যথা দুগ্ধে স্থিতংসৰ্পিৰ্ন স্বাদায়োপকল্পতে।
পৃথগ্‌ভুতংহি তদ্গব্যং দেৱনাংৰসবৰ্দ্ধনম্।। ২/৬৯

অৰ্থ ঃ এৱাঁ গাখীৰতে ঘিঁউ আছে। এৱাঁ গাখীৰ খাওঁতে ঘিঁউৰ স্বাদ কোনেও নেপায়। বেলেগ কৰি যেতিয়া ঘিঁউ উলিয়ায় তেতিয়া দেৱতাসকলৰ কাৰণেও স্বাদ বৰ্ধক হয়।

(৪) ইক্ষূনামপি মধ্যান্তং শৰ্কৰা ব্যাপ্য তিষ্ঠতি।
পৃথগ্‌ভূতা চ সা মিষ্টা তথা ভাগৱতী কথা।। ২/৭০

অৰ্থ ঃ এডাল কুঁহিয়াৰত গুৰিৰ পৰা আগলৈকে চেনি ব্যাপকৰূপে আছে। ৰসৰ পৰা পৃথক কৰি উলিওৱা চেনি যি দৰে মিঠা, বেদ-উপনিষদতকৈ বেলেগ অথচ সাৰ তদ্ৰূপ স্বাদবৰ্দ্ধক।

এই চাৰিটা শ্লোকৰ পৰা সিদ্ধান্ত হয় যে বেদ-উপনিষদৰো মূল লক্ষ্য আত্মাত ব্ৰহ্মৰ উপলব্ধি।

প্ৰাণী তথা জনগণৰ সেৱা ব্ৰহ্মোপলব্ধিৰ এক প্ৰধান সোপান। একো একোটি সাধাৰণ ঘটনা বা শাস্ত্ৰৰ একো একোটি বাণীয়ে মনুষ্য জীৱনত কি দৰে বিদ্যুৎ শক্তিৰ দৰে ক্ৰিয়া কৰে তাৰ কেইটামান উদাহৰণ দাঙি ধৰি জনগণৰ সেৱাৰ বিষয়ে আলোচনা কৰা হ'ব।

(১) গীতা ৯/৩২ শ্লোকটো আলোচনা কৰা যাওক; শ্লোকটো--

মাংহি পাৰ্থ ব্যপাশ্ৰিত্য যেহপিস্যুঃ পাপ যোনয়ঃ।
স্ত্ৰিয়ো বৈশ্যাস্তথা শূদ্ৰাস্তেহপি যান্তি পৰাং গতিম্।।

হে অৰ্জুন! মোৰ আশ্ৰয় লৈ স্ত্ৰী, বৈশ্য, শূদ্ৰ বা আন কোনো পাপ যোনি প্ৰাণীয়েও পৰম গতি লাভ কৰিব পাৰে।

এই শ্লোকটো পাই মহাত্মা গান্ধীয়ে হিন্দু ধৰ্মৰ সংস্কাৰ সাধনৰ প্ৰেৰণা লাভ কৰিছিল।

(২) আপেল গছৰ পৰা এটা আপেল সৰি পৰা দেখি নিউটনে মহাকৰ্ষণৰ সূত্ৰ (Law of Gravitation) আৱিষ্কাৰ কৰিবলৈ সমৰ্থ হৈছিল।

(৩) ভাগৱতৰ ৪/৩১/১৪ শ্লোক --

যথা তৰোমূলনিষেচনেন
তৃপ্যন্তি তৎস্কন্ধ ভূজোপশাখাঃ।
প্ৰাণোপহাৰাচ্চ যথেন্দ্ৰিয়াণাং
তথৈৱ সৰ্বাৰ্হণমচ্যুতেজ্যা।।

এই শ্লোকটো দেখি শ্ৰীমন্ত শঙ্কৰদেৱৰ একেশ্বৰবাদৰ ফালে মন ঢাল খায়। ইয়াৰ অৰ্থ--

ভাগৱত ভক্তি যিজনে কৰয়
শুনিও তাৰ নিৰ্ণয়।
এক কৃষ্ণকেসে কৰে মাত্ৰ পূজা
কৰিয়া দৃঢ় নিশ্চয়।।
হৰিক পূজিলে যতেক দেৱতা
তৃপিতি হোন্ত মনত।
বৃক্ষ মূলে যেন জলদান দিলে
তুষ্ট হোৱে শাখা যত।।
ডাল পুষ্প পত্ৰে পানী দিলে যেন
সন্তোষ নাহি বৃক্ষৰ।
তেনমতে জানা পৃথকে পূজিলে
সন্তোষ নাহি দেৱৰ।।
কোনো এক জন পুৰুষৰ ক্ষুধা
লাগি আছে উদৰত।
বস্ত্ৰ অলঙ্কাৰ পুষ্প চন্দনক
পিন্ধাৱয় বাহিৰত।।
বস্ত্ৰ অলঙ্কাৰ পিন্ধালেও এক
সুখ নাহি ইন্দ্ৰিয়ৰ।
যাৱত ভোজন নকৰয় মানে
সন্তোষ নাহি প্ৰাণৰ।।
অন্ন ভুঞ্জিলন্তে সবে তুষ্ট হোৱে
প্ৰাণ মন ইন্দ্ৰিয়ৰ।
সেহিমতে জানা হৰিক পূজিলে
তুষ্ট হোৱে নিৰন্তৰ।।

-- দ্বিজ ৰামানন্দ

ভক্তপ্ৰৱৰ প্ৰহ্লাদৰ উক্তি--

প্ৰায়েণদেৱ মুনয়ঃ স্ববিমুক্তিকামা
মৌনং চৰন্তি বিজনে ন পৰাৰ্থনিষ্ঠাঃ।
নৈতান্ বিহায় কৃপণান্ বিমুমুক্ষএকো
নান্যংত্বদস্য শৰণং ভ্ৰমতোহনুপশ্যে।।

-- ভাগৱত-৭/৯/৪৪

নিজক অভিজ্ঞ বুলি ভাবি সৰ্বসাধাৰণ ৰাইজৰ লগত সম্পৰ্ক ছিন্ন কৰিব খোজা লোকসকলৰ কাৰণে উদ্ধৃত শ্লোকটোৰ অৰ্থ ইংৰাজীতে দিয়া হৈছে--

'O' Lord, sages generally concern themselves only with their own salvation. They strive for it in solitude, without any thought for the salvation of others. But I do not desire salvation for myself alone, abandoning all other creatures to their miserable condition. I find no shelter other than Thee for these creatures caught in the travails of Samsara (so if thou art please to save me from Samsara, I am willing to accept it only on condition that all my fellow-sufferers too are saved.)'

অসমীয়াত অৰ্থ ঃ হে প্ৰভু, দেৱতা আৰু মুনিসকলে নিজৰ মাত্ৰ মুক্তি সাধনৰ কাৰণে তেওঁলোকে আনৰ মুক্তিৰ

চিন্তা নকৰে, কাৰণ ঘৰ-দুৱাৰ এৰি জঙ্ঘললৈ গৈ নিৰ্জন স্থানত বিচৰণ কৰে। দুৰ্ভগীয়া এই লোকসকলক বাদ দি কেৱল মুক্তি মই বাঞ্ছা নকৰো। সাংসাৰিক ফান্দত ভ্ৰমণৰত প্ৰাণীবিলাকৰ কাৰণে তোমাৰ বাহিৰে আন আশ্ৰয়ো মই দেখা নাই।

ভাগৱত শাস্ত্ৰৰ প্ৰচাৰৰ উদ্দেশ্য যে 'কলিত মলিন লোক'সকলৰ উদ্ধাৰৰ উপায়-- এই কথা পৰম বিৰাগী শুকদেৱেও ঘোষণা দিছে--

'চাৰিয়ো বেদৰ সাৰ মহাভাগৱত শাস্ত্ৰ
পৃথিৱীত কৰিলো প্ৰচাৰ।
কলিৰ মলিন লোক শুনিসৰে নিস্তৰোক
অভিপ্ৰায় হেনসে আমাৰ।।

--১২ শ স্কন্ধ

সমগ্ৰ মানৱ সমাজৰ কল্যাণ কামনা-- এই মহৎ উদ্দেশ্য ভগৱন্তৰো কাম্য কাৰণে পৰম ব্ৰহ্মাই শ্ৰীকৃষ্ণৰূপে পূৰ্ণ অৱতাৰ গ্ৰহণ কৰে আৰু ভৱিষ্যতৰ লোকসকলৰ উদ্ধাৰৰ কাৰণে 'কৃষ্ণস্তু ভগৱান স্বয়ম-১/৩/২৭' হৈ নানা গুণ লীলাৰ প্ৰকাশ কৰে। মহাপুৰুষে দশমত উক্তি কৰিছে-

কৃষ্ণৰ পৰম লীলা সংসাৰতে সাৰ।
এহিসে কৰিবে কাল নদীত উদ্ধাৰ।।
এৰিলা পৃথিৱী কৃষ্ণে ধৰ্মজ্ঞান লৈই।
গৈলা বৈকুণ্ঠক ঐত গুণ নাম থৈই।।
যেন গতি পাৱে পূৰ্বে কৃষ্ণ দৰশনে।
পাৱে আৰে ততোধিক কলিত কীৰ্ত্তনে।।

সকলো বিষয়ৰ ভিতৰত অতি গণ্ডগোলীয়া বিষয় চতুৰ্বৰ্ণৰ ব্যাখ্যা ভাগৱতত যি পোৱা যায়, সেই ব্যাখ্যা বেদজ্ঞ পুৰুষসকলৰে সৈতে একে।

ঋগ্‌বেদৰ পুৰুষ সূক্তৰ অন্তৰ্গত-- 'ওঁ সহস্ৰশীৰ্ষা পুৰুষঃ সহস্ৰাক্ষঃ সহস্ৰপাৎ' এই মন্ত্ৰৰ ব্যাখ্যা প্ৰসঙ্গত বেদৰ প্ৰসিদ্ধ ভাষ্যকাৰ শ্ৰীমৎসায়নাচাৰ্যই কৈছে--

'সৰ্বপ্ৰাণী সমষ্টিৰূপো ব্ৰহ্মাণ্ড দেহো বিৰাভাখ্যো যঃ পুৰুষঃ সোহয়ং সহস্ৰশীৰ্ষা। সহস্ৰশব্দস্যোপলক্ষণত্বাদুনন্তৈঃ শিৰোভিৰ্যুক্ত ইত্যৰ্থঃ।' অৰ্থাৎ বিশ্বব্ৰহ্মাণ্ডৰ সকলো প্ৰাণীৰ যি সমষ্টি সেয়ে বিৰাট নামৰ ব্ৰহ্মাণ্ডৰ দেহ বা পুৰুষ আৰু তেওঁৰেই সহস্ৰমূৰীয়া। সহস্ৰশব্দৰ উপলক্ষণ অৰ্থত অনন্ত বুজাইছে।

শ্ৰীমদাচাৰ্য মহীধৰ ভাষ্যতো পোৱা যায়-- 'শিৰোগ্ৰহণং সৰ্বাবয়বো লক্ষণম্' অৰ্থাৎ উপলক্ষণাৰ্থত শিৰ শব্দই গোটেই অৱয়ৱ বা শৰীৰ বুজাইছে; 'অক্ষিগ্ৰহণং সৰ্বজ্ঞানেন্দ্ৰিয়োপলক্ষণম্' অৰ্থাৎ সকলো জ্ঞানেন্দ্ৰিয়ৰ অৰ্থত অক্ষি বা চক্ষু শব্দ গ্ৰহণ কৰা হৈছে। পাদগ্ৰহণংকৰ্মেন্দ্ৰিয়োপলক্ষণম্' অৰ্থাৎ সকলো কৰ্মেন্দ্ৰিয় অৰ্থত পাদ বা চৰণ গ্ৰহণ কৰা হৈছে।

এই ভাগৱততো বিৰাট পুৰুষৰ বৰ্ণনা বিতংভাৱে দি শেষত কৈছে--

ভূ ৰ্লোকঃ কল্পিতঃ পদ্ভ্যাং ভুবৰ্লোকোহস্য নাভিতঃ।
স্বৰ্লোকঃ কল্পিতো মূৰ্ধা ইতি বা লোককল্পনা।।

-- ভাগৱত, ২/৫/৪২

অৰ্থ ঃ বিৰাট পুৰুষৰ অঙ্গসমূহ সপ্তলোকৰ লগত এনেকৈ কল্পনা কৰা হৈছে-- তেওঁৰ চৰণেই পৃথিৱী, নাভি ভুবলোক আৰু শিৰ বা মুণ্ড স্বৰ্লোক। থুলমূলকৈ ভূ, ভুবঃ, স্বঃ এই তিনিৰো সমষ্টিয়েই ব্ৰহ্মাৰ বিৰাট ৰূপ। বিতংভাৱে-

কট্যাদিভিৰধঃ সপ্ত সপ্তোৰ্ধ্ব জঘনাদিভিঃ।।

-- ভাগৱত ২/৫/৩৬

অৰ্থাৎ- (বিৰাট পুৰুষৰ) ককালৰ নিম্নভাগত সপ্ত পাতাললোক আৰু উচ্চভাগত সপ্ত স্বৰ্গলোকৰ কল্পনা কৰা হৈছে।

এই বিৰাট পুৰুষৰ মুখ হ'ল ব্ৰাহ্মণ, ভুজদ্বয় ক্ষত্ৰিয়, ঊৰু বৈশ্য আৰু চৰণৰ পৰা শূদ্ৰৰ জন্ম হৈছে-- প্ৰমাণ--

'পুৰুষস্যমুখং ব্ৰহ্মা ক্ষত্ৰমেতস্য বাহৱ।
ঊৰ্বৌবৈশ্যো ভগৱতঃ পদ্ভ্যাংশূদ্ৰোহভ্যজায়ত।।

ভাগৱত ২/৫/৩৭

ঋগ্‌বেদৰ পুৰুষসূক্ততো প্ৰশ্ন তুলিছে, যজ্ঞত আহুতি দিয়া বিৰাট পুৰুষৰ কি হ'ল?

যৎ পুৰুষং ব্যদধুঃ কতিধা ব্যকল্পয়ন্।
মুখং কিমস্য কৌবাহু কাউৰু পাদাউচ্যতে।।

-- পুঃ সূ ১২

অৰ্থ ঃ যিজন পুৰুষক আহুতি দিয়া হৈছিল-- সেই পুৰুষৰ মুখ কি হ'ল, বাহু দুটা কি হ'ল, ঊৰুযুগল কি হ'ল আৰু ভৰি দুখন কাক বোলা হ'ল? ইয়াত 'ব্যকল্পয়ন্' শব্দটো চাবলগীয়া। ইয়াৰ অৰ্থ সায়নাচাৰ্যৰ মতে 'কল্পিতবন্তঃ'। মঙ্গলাচাৰ্যৰ মতে ব্যচিন্তয়ন্' মহীধৰাচাৰ্যৰ মতেও কল্পিতবন্তঃ

আৰু ৰামানুজচাৰ্যৰ মতে ‘কল্পনাংকৃতবন্তঃ’। ভগৱন্তৰ বিৰাট পুৰুষ যিদৰে কাল্পনিক, বিৰাট পুৰুষক আহুতি দিয়া যজ্ঞও কাল্পনিক। সেই কাৰণে বিৰাট পুৰুষৰ বেলেগ বেলেগ অঙ্গৰ পৰা জাত বা বেলেগ অঙ্গ স্বৰূপ চতুৰ্বৰ্ণও কাল্পনিক। আনহাতে গীতাত চতুৰ্বৰ্ণক গুণ-কৰ্ম অনুসাৰে ময়ে সৃষ্টি কৰিছোঁ বুলি বেলেগ বেলেগ বৰ্ণৰ বেলেগ বেলেগ লক্ষণ নিৰূপণ কৰিছে। চতুৰ্বৰ্ণৰ বিতং আলোচনা এই প্ৰবন্ধৰ উদ্দেশ্য নহয়। আমাৰ লক্ষ্য-- ভাগৱতে যে বেদৰ মত প্ৰকাশ কৰিছে তাৰ প্ৰতি পাঠকবৰ্গৰ দৃষ্টি আকৰ্ষণ কৰাহে। ভাগৱতৰ এটা শ্লোকৰ উদ্ধৃতি দি চতুৰ্বৰ্ণ বিষয় সামৰা হ’ব। শ্লোকটো হ’ল--

যস্য যল্লক্ষণং প্ৰোক্তং পুংসোবৰ্ণাভিব্যঞ্জকম্।
যদন্যত্ৰাপি দৃশ্যেত তং তেনৈব বিনিৰ্দিশেৎ।।

ভাগৱত ৭/১১/৩৫

অৰ্থ ঃ যি বৰ্ণৰ যি লক্ষণ নিৰূপিত, সেই লক্ষণ অন্য বৰ্ণত জন্ম হোৱা কোনো ব্যক্তিতো যদি দেখা যায়, সেইজন ব্যক্তিক সেই বৰ্ণৰ অন্তৰ্ভুক্ত বুলি ভাবিব লাগে। গতিকে চতুৰ্বৰ্ণ কাল-স্থান-পাত্ৰ-ধৰ্ম এই সকলোৰে অতীত; ই বিশ্বব্ৰহ্মাণ্ড ব্যাপক সনাতন চাৰিটা স্তৰ মাত্ৰ- শাস্ত্ৰজীৱী, অস্ত্ৰজীৱী, বাৰ্তাজীৱী আৰু সেৱাজীৱী।

ভগৱন্ত ভক্তসকলত এই চতুৰ্বৰ্ণ ব্যৱস্থা প্ৰযোজিত নহয় বুলি বেদব্যাসকো নতুন মতবাদ প্ৰকাশক ভাগৱত শাস্ত্ৰ প্ৰণয়নৰ কাৰণে প্ৰেৰণাদাতা নাৰদদেৱে ঘোষণা দিছে। ‘নাস্তি তেষু জাতি বিদ্যাৰূপকুলধন ক্ৰিয়াদি ভেদঃ’ (শ্ৰীনাৰদীয় ভক্তি সূত্ৰাণি-৭২) জাতি, বিদ্যা, ৰূপ, কুল, ধন, কৰ্ম-- একোৱে ভক্তৰ মাজত ভেদাভেদ আনিব নোৱাৰে।

পদ্মপুৰাণতো ঘোষণা দিছে-- ‘ন শূদ্ৰা ভগবদ্ভক্তাঃ’ ভগৱন্তৰ ভক্ত হ’লে তেওঁ কদাপি শূদ্ৰ নহয়। বৰ্ণাশ্ৰম ধৰ্মৰো ভক্তসকল বাহিৰ বুলি নামঘোষাই ঘোষিছে--

‘নোহো জানা আমি চাৰি জাতি/ চাৰিয়ো আশ্ৰমী নোহো আতি/ নোহো ধৰ্মশীল দান ব্ৰত তীৰ্থগামী। কিন্তু পূৰ্ণানন্দ সমুদ্ৰৰ/ গোপী-ভৰ্ত্তা পদ কমলৰ/ দাসৰো দাসৰো তান দাস ভৈলো আমি।।’

‘নাহং বিপ্ৰো ন চ নৰপতিৰ্নাপি বৈশ্যো ন শূদ্ৰো।
ন বা বৰ্ণী ন চ গৃহপতিৰ্ন বনস্তো যতিৰ্বা।
কিন্তু প্ৰোদ্যন্নিখিল পৰমানন্দ পূৰ্ণা মৃতাব্ধে--
গোঁপীভৰ্ত্তু পদকমলয়োৰ্দাসানুদাসঃ।।’

মুঠতে এতিয়া সমগ্ৰ পৃথিৱীত দুটা মতবাদ ঃ (১) সাম্যবাদ আৰু (২) অসাম্যবাদ। সাম্যবাদক দুটা ভাগত ভগাব পাৰি-- (ক) বস্তুবাদী সাম্যবাদ Material Communism আৰু (খ) আধ্যাত্মিক সাম্যবাদ Spiritual Communism.

ধৰ্মক্ষেত্ৰত অসাম্যবাদীসকলে চতুৰ্বৰ্ণ ব্যৱস্থা, চতুৰাশ্ৰমৰ ব্যৱস্থা অটুট আৰু কটকটীয়া কৰিবলৈ অহৰহ চেষ্টা কৰিয়েই আহিছে। তেওঁলোকৰ কোনো পথ-প্ৰদৰ্শক মহাপুৰুষ নাই; আনহাতে শ্ৰীকৃষ্ণৰ পৰা আৰম্ভ কৰি মহাপুৰুষ শঙ্কৰদেৱ, মাধৱদেৱ, দামোদৰদেৱ, বংশীগোপাল আদি আধ্যাত্মিক সাম্যবাদীসকলে অসাম্যবাদীলোকসকলৰ পৰা নানা নিৰ্যাতন ভোগ কৰিব লগা হৈছিল। এই আধ্যাত্মিক সাম্যবাদৰ শ্ৰেষ্ঠতম শাস্ত্ৰ শ্ৰীমদ্ভাগৱত শাস্ত্ৰ। এই মতবাদত বিশ্বাসী প্ৰত্যেক ব্যক্তিয়েই ভাগৱতৰ অধ্যয়নত, পাঠত ব্ৰতী হওক, এয়ে প্ৰাৰ্থনা।

শুনিয়োক সভাসদ মহাভাগৱত পদ
কৃষ্ণ কথা পৰম অমৃত।
ভুকুতি মুকুতি যত সৱে হোৱে উপগত
ইহ পৰলোকে মহা হিত।।
পূৰ্বতে নজানে কেৱে পৃথিৱীত শুকদেৱে
কলিযুগে কৰিলা প্ৰচাৰ।
বিচাৰি নিশ্চয় কৰি পিয়া আক কৰ্ণ ভৰি
মহা মহা ভাগ্য আছে যাৰ।।
সমস্ত শাস্ত্ৰৰ মত বেদ বেদান্তৰ তত্ত্ব
কৃষ্ণেসে পৰম ইষ্ট দেৱ।
পূজে যাক ব্ৰহ্মা হৰে কোননো পামৰ নৰে
তাঙ্ক আসি নকৰিবে সেৱ।।

-- মহাভাগৱত ■■

# ভাগৱত – ভক্ত আৰু ভগৱান

ত্ৰৈলোক্য নাথ গোস্বামী

কৃষ্ণ দ্বৈপায়ন ব্যাসদেৱ ভাগৱতৰ ৰচক। বেদ-বেদান্ত আদি অনেক শাস্ত্ৰ ৰচনা কৰি বা সঙ্কলন কৰিও তেখেতৰ মনত শান্তি নাছিল। তেখেতৰ মনত নিৰাশাৰ ভাৱ ফুটি উঠিছিল। এনে এক হতাশ মানসিক অৱস্থাত নাৰদৰ লগত এদিন হঠাৎ ব্যাসদেৱৰ সাক্ষাৎ হ'ল। ব্যাসদেৱৰ এনে অৱস্থা দেখি নাৰদে ব্যাসদেৱক এখন গ্ৰন্থ ৰচনা কৰিবলৈ ক'লে, আৰু এই গ্ৰন্থত ভগৱানৰ নাম-মহিমা, লীলা আৰু গৌৰৱৰ বৰ্ণনা কৰিবলৈ ক'লে। নাৰদৰ উপদেশ মতে ব্যাসদেৱে 'ভাগৱত' ৰচনা কৰে। এই ভাগৱত এক অমূল্য ধৰ্ম শাস্ত্ৰ। এই বিষয়ে দুই এটা আখ্যান আছে ; এবাৰ দেৱৰাজ ইন্দ্ৰই হাতত এটা অমৃতৰ পাত্ৰ লৈ শুকদেৱৰ সন্মুখত উপস্থিত হ'লহি আৰু তেওঁ অনা অমৃতৰ পাত্ৰ শুকদেৱলৈ আগবঢ়াই দি গ্ৰহণ কৰিবলৈ অনুৰোধ জনালে আৰু শুকদেৱৰ পৰা ভাগৱতখন বিচাৰিলে। শুকদেৱে ইন্দ্ৰৰ অনুৰোধ ৰক্ষা কৰিব নোৱাৰিলে আৰু ইন্দ্ৰৰ অমৃত গ্ৰহণ নকৰিলে। আন এটা আখ্যান আছে-- এবাৰ ব্ৰহ্মাই এফালে ভাগৱত আৰু আনফালে সকলো শাস্ত্ৰ দি ওজন কৰি দেখা পালে যে ভাগৱত আন সকলো শাস্ত্ৰতকৈ গধুৰ হ'ল। এই আখ্যানসমূহৰ পৰা আমি ইয়াকে বুজিব পাৰো যে ধৰ্মশাস্ত্ৰসমূহৰ ভিতৰত ভাগৱতৰ এক গুৰুত্বপূৰ্ণ আৰু বৈশিষ্ট্যপূৰ্ণ স্থান আছে।

ভাগৱত শাস্ত্ৰ পুৰাণৰ ভিতৰত ধৰা হয়। পুৰাণৰ সকলো বৈশিষ্ট্য ভাগৱত পুৰাণৰ ভিতৰত পোৱা যায়। এই ভাগৱত শাস্ত্ৰত ভগৱান বিষ্ণুৰ বিভিন্ন অৱতাৰৰ লীলা বৰ্ণনা কৰা হৈছে। ভগৱানৰ একৈশ অৱতাৰৰ কথা ইয়াত আছে। তাৰ ভিতৰত দশাৱতাৰেই প্ৰধান। একেই ভগৱান বিভিন্ন সময়ত বিভিন্ন ৰূপত অৱতাৰ হয়। সাকাৰ ৰূপ ধাৰণ কৰিলেও ঈশ্বৰৰ স্বতন্ত্ৰতা আৰু মাহাত্ম্য সীমিত নহয়। মৎস্য, কুৰ্ম, বৰাহ, নৰসিংহ আদি ভগনাৰ বিভিন্ন ৰূপ। সমস্ত ৰূপৰ ভিতৰত শ্ৰেষ্ঠ আৰু চমৎকাৰ ৰূপ হ'ল শ্ৰীকৃষ্ণৰ ৰূপ। ভগৱান শ্ৰীকৃষ্ণ হ'ল পূৰ্ণ অৱতাৰ। পুৰাণৰ লক্ষণ পাঁচবিধ-- সৰ্গ, প্ৰতিসৰ্গ, বংশানুৱৰিত, মন্বন্তৰ আৰু আশ্ৰয়। সৰ্গৰ তাৎপৰ্য হ'ল সৃষ্টিৰ কাৰ্য প্ৰক্ৰিয়া, সৰ্গ দ্বিতীয়, তৃতীয় স্কন্ধত; দ্বাদশ স্কন্ধত প্ৰতিসৰ্গ, নৱম স্কন্ধত বংশানুৱৰিত আৰু মন্বন্তৰৰ অৰ্থও ব্যাখ্যা কৰা হৈছে। প্ৰত্যেক মন্বন্তৰৰ ভগৱানৰ যি অৱতাৰ সেই প্ৰত্যেক মন্বন্তৰ আৰু অৱতাৰৰ বৰ্ণনা ভাগৱতত আছে। পুনৰ প্ৰত্যেক অৱতাৰৰ স্বকীয় বৈশিষ্ট্য আছে। ধৰ্ম সংস্থাপনৰ বাবে ভগৱান অৱতাৰ হয়। সৃষ্টিৰ মঙ্গলৰ বাবেই ভগৱান ব্যস্ত। ভগৱান কৃষ্ণ হ'ল পূৰ্ণ অৱতাৰ। দশম স্কন্ধ ভাগৱতত কৃষ্ণৰ জন্মৰ পৰা আৰম্ভ কৰি সমস্ত শিশুলীলা এনেভাৱে বৰ্ণনা কৰা হৈছে তাৰ তুলনা নাই। দশম স্কন্ধ ভাগৱত শ্ৰীমন্ত শঙ্কৰদেৱে ৰচনা কৰি আমাক দি থৈ গৈছে।

ভগৱান আৰু ভক্তৰ যি সম্বন্ধ, সেই সম্বন্ধৰ মাজত নিহিত হৈ থকা সমস্ত অনুভৱৰ বৰ্ণনাই হ'ল ভাগৱত। ঈশ্বৰে অনেক ৰূপ ধাৰণ কৰি অনেকবাৰ অৱতাৰ হৈছে আৰু কাৰ্যক্ষেত্ৰতো অনেক। যিজনে অৱতাৰক যি ৰূপত অনুভৱ কৰিছে আৰু তাৰ দ্বাৰাই নিজকে ভগৱানৰ হাতৰ যন্ত্ৰ স্বৰূপে জীৱন ব্যতিত কৰিছে আৰু ভগৱানৰ অনুগ্ৰহৰ পাত্ৰ হ'ব পাৰিছে। ইয়াৰ সকলো বৰ্ণনাই হ'ল ভাগৱত।

বৈদিক পণ্ডিতসকলে ভাগৱত পুৰাণক গভীৰ শ্ৰদ্ধাৰে গ্ৰহণ কৰে। ভাগৱত এক দৈবিক ঔষধ যি মানৱৰ শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক ত্ৰিতাপ

নিৰাময় কৰে। ভাগৱত পুৰাণ এক অমূল্য গ্ৰন্থ, ই মানৱ জীৱনৰ সাৰ। যিজনৰ সম্বন্ধ ভগৱানৰ লগত, যিজনে কেৱল ভগৱানকে বিচাৰে-- তেওঁ ভাগৱত তত্ত্বৰ মাজত লীন হৈ যায়।

যিসকল ঈশ্বৰ তত্ত্বৰ জিজ্ঞাসু, তেখেতসকলৰ আত্মাৰ মূৰ্ত প্ৰতীক হ'ল অৱতাৰৰ ৰূপ। এই ৰূপ ভক্তসকলৰ ভক্তিৰ মধুৰ ৰূপ। অৱতাৰ মানৱ ৰূপত আৱিৰ্ভাৱ। কিন্তু যেতিয়া যি ৰূপৰ প্ৰয়োজন তেনে ৰূপ ধাৰণ কৰিও ভগৱান আৰ্বিভূত হৈছে। কেতিয়াবা অংশ অৱতাৰ হৈছে, কেতিয়াবা পূৰ্ণ অৱতাৰ হৈছে। দৈৱকী-বসুদেৱৰ পুত্ৰ কৃষ্ণ, নন্দ-যশোদাৰ নন্দন কৃষ্ণও ভগৱানৰ পূৰ্ণ অৱতাৰ।

জন্ম ল'লেই এদিন মৃত্যু হ'বই। আমাৰ বুকুত কাণ দিলে আমি যি ধুপ ধুপ শব্দ শুনিবলৈ পাওঁ, সিয়েই আমাক এই কথা সকিয়াই আছে। আমি প্ৰতি মুহূৰ্ততে মৃত্যুৰ ফালে আগবাঢ়ি গৈ আছো। তথাপি আমি তাক পাহৰি যাওঁ আৰু শেষ মুহূৰ্ত অৰ্থাৎ মৃত্যুৰ সন্মুখীন হ'বলৈ আমাৰ উদ্যম নাই। মৃত্যু আমাৰ বাবে এক ভয়ানক অৱস্থা। মৃত্যুলৈ আমি ভয় কৰো। মৃত্যুৰ পাছত আমাৰ কি হ'ব, ভাবি একো উৱাদিহ নাপাওঁ। এনে পৰিস্থিতত সকলোৰে একমাত্ৰ আশ্ৰয় ভাগৱত। এই ভাগৱত শুকদেৱে পাঠ কৰিছিল আৰু পৰীক্ষিতে শুনিছিল। ব্যাসদেৱৰ পুত্ৰ শুকমুনি, তেখেতৰ দিব্য দিপ্ত ৰূপ। জন্ম মুহূৰ্তৰ পৰাই তেওঁ সকলো আকৰ্ষণৰ পৰা মুক্ত আৰু পূৰ্ণজ্ঞানী।

পৰীক্ষিত, সমীক পুত্ৰৰ অভিশাপত সাতদিনৰ ভিতৰত মৃত্যু দণ্ডেৰে দণ্ডিত, অভিমন্যু আৰু উত্তৰাৰ পুত্ৰ। পৰীক্ষিতৰ মৃত্যুলৈ মাত্ৰ সাতদিন বাকী। জীৱনৰ শেষ মুহূৰ্তত কি কৰা উচিত? কি কৰিলে মৃত্যু জয় কৰিব পাৰি, আদি অনেক চিন্তাৰে জৰ্জৰিত হৈ নিজ ৰাজ্য, পুত্ৰ জন্মেজয়ৰ হাতত গতাই সকলো আসক্তি ত্যাগ কৰি পৱিত্ৰ নদীৰ নিৰ্জন পাৰত বহিল। ৰাজ্যৰ ঋষি-মুনি, সাধু-সন্তসকলে এই সম্বাদ পাই ৰজাৰ কাষলৈ আহি পৰীক্ষিতৰ মঙ্গল কামনাৰে তাত অৱস্থান কৰিলেহি। এনে পৰিস্থিতিতে শুকদেৱ তাত উপস্থিত হ'লহি। পৰীক্ষিতে মুনিক সেৱা জনালে আৰু মুনিয়ে স্নেহেৰে তুলি বহুৱাই লৈ আশ্বাস দি ক'লে যে, তেওঁৰ মনৰ সকলো চিন্তা দূৰ হৈ যাব আৰু তাকে কৰিবলৈ তেওঁ পৰীক্ষিতৰ জীৱনৰ শেষ সময়ত উপস্থিত হৈছেহি। শুকে ভাগৱত তত্ত্বৰ জ্ঞান দিলে। একান্ত মনেৰে ভাগৱত পাঠ শ্ৰৱণ কৰি পৰীক্ষিতৰ অন্তৰ কৃষ্ণ ভক্তিত পৰিপূৰ্ণ হৈ পৰিল, কৃষ্ণ চৈতন্যত পৰীক্ষিত এক হৈ মিলি গ'ল।

অৱতাৰ আৰু ভক্তৰ অৱতাৰৰ কাষলৈ আগবাঢ়ি যোৱাৰ যি নাটক সিয়েই হ'ল ভাগৱতৰ বিষয়। গতিকে এই ভাগৱতক পাঠ শ্ৰৱণ কৰিলে, ভগৱানৰ কাষলৈ আগবাঢ়ি যোৱাত সুযোগ ওলায়। নিজে পাঠ কৰাতকৈ ভক্তৰ সঙ্গত থাকি ভাগৱত পাঠ শ্ৰৱণ কৰাটো বেছি ভাল। কিন্তু যিজনে পাঠ কৰে তেওঁ এনে এজন লোক হ'ব লাগে যিজন একান্ত ব্যাকুল জিজ্ঞাসু। যদি পাঠ কৰাজন বাস্তৱিক ভাগৱত অনুভৱপ্ৰাপ্ত হয়, তেনেজনৰ মুখে ভাগৱত শ্ৰৱণ কৰিবলৈ পোৱাটো সৌভাগ্যৰ কথা। যিসকলৰ মনত ঈশ্বৰমুখী ভাৱ উদয় হয়, সাধু-সঙ্গৰ প্ৰতি মন ধাৱিত হয় কোনো গুণী-জ্ঞানীৰ মুখে কৃষ্ণ কথা শুনিবলৈ হাবিয়াস হয়, সেই সকলৰ মনৰ পৰা ইন্দ্ৰিয় সম্ভোগ, কাম, ক্ৰোধ, লোভ, মোহ, মদ-মাৎসৰ্য আদি ছয় ৰিপু আঁতৰি যায় আৰু সাধু সঙ্গত ভাগৱত শ্ৰৱণ কৰি তেওঁলোকৰ অন্তৰ ভগৱত প্ৰেমেৰে পূৰ্ণ হয়। এই আনন্দৰ সমান আনন্দ আৰু ক'তো নাই।

প্ৰথমে শুনিব লাগে। কৃষ্ণ কথা শ্ৰৱণ কৰিলে ক্ৰমে মন ভগৱানৰ স্বভাৱ আৰু লক্ষণৰ প্ৰতি আকৰ্ষিত হৈ পৰিব আৰু নিজেই নিজৰ মুক্তিৰ পথ বিচাৰি পাব। এইদৰে সাধুৰ সঙ্গত নিৰন্তৰ শ্ৰৱণৰ অভ্যাস কৰিলে আমাৰ নিম্নস্তৰৰ ভাৱবোৰ মনৰ পৰা আঁতৰি যাব আৰু তাৰ ঠাইত দিব্য ৰশ্মিয়ে আমাৰ অন্তৰ পোহৰাই পেলাব। এনে মধুৰ পৰিৱেশত ভগৱানৰ গৌৰৱ কীৰ্তন শুনিলে ইয়েই আমাৰ অন্তৰৰ ইন্দ্ৰিয় বিষয়ক ইচ্ছাবোৰ বিনাশ কৰি পেলাব। এইদৰেই আমাৰ অন্তৰ পৱিত্ৰ হৈ আহিব আৰু শুভকাৰ্যৰ প্ৰতি অনুৰাগ বাঢ়ি যাব। এনে নিৰ্মল হৃদয় ভগৱানৰ প্ৰকৃত মন্দিৰ। এনে হৃদয়ত ভগৱান স্ব-প্ৰতিষ্ঠিত হয়। এনে হৃদয়ত সত্য আৰু প্ৰেম, যি মানুহৰ প্ৰকৃত স্বভাৱ সি পুনৰ প্ৰতিষ্ঠিত হয় আৰু আত্মজ্ঞান প্ৰাপ্ত

হয়, মায়া আৰু অজ্ঞানতা আঁতৰি যায়। মন ঈশ্বৰ তত্ত্বৰ সন্ধানত আগবাঢ়ি যায়।

মানুহৰ প্ৰকৃত স্বভাৱ 'প্ৰেম'। প্ৰেমৰ পৰা বঞ্চিত হৈ মানুহ এখন্তেকো থাকিব নোৱাৰে। এই প্ৰেমেই হ'ল জীৱনৰ সাৰ। নিৰ্মল হৃদয় প্ৰেমপূৰ্ণ। কিন্তু প্ৰেম বিলাবৰ বাবে প্ৰেমৰ পাত্ৰ লাগে। এই নীলবৰ্ণ। ভাগৱত শিশুৰ প্ৰতি ধাৱিত হয়। এই শিশু কৃষ্ণ পৱিত্ৰতা, সেৱা, ত্যাগ আৰু নিঃস্বাৰ্থতাৰ প্ৰতীক। যেতিয়া এই কৃষ্ণ আহি ভক্তৰ নিৰ্মল হৃদয়ত আৱিৰ্ভাৱ হয়, তেতিয়া ভক্তৰ আন একো বাহ্যিক আকৰ্ষণ নাথাকে। এই ভগৱান কৃষ্ণৰ প্ৰতি প্ৰেম ক্ৰমাত গভীৰতৰ হৈ গৈ থাকে আৰু শেষত কৃষ্ণ চৈতন্যত নিজ চৈতন্য বিলীন হৈ যায়।

ঈশ্বৰৰ প্ৰেম আৰু ঈশ্বৰৰ প্ৰতি প্ৰেম, এই দুয়ো অত্যন্ত মধুৰ আৰু পৱিত্ৰ। ভাগৱত আমাৰ সকলোৰে বাবে ভৱসাগৰ পাৰ হ'বৰ এক উত্তম উপায়।

**আশ্ৰয় – পুৰাণৰ অন্তিম বিষয়**

ভাগৱত মানৱৰ আশ্ৰয়। ব্ৰহ্মাণ্ডৰ আশ্ৰয় ভগৱান, একমাত্ৰ সহায় ভগৱান। পৰমাত্মাৰ পৰাই সকলো নিঃসৃত হৈছে। পৰমাত্মাতেই সকলো নিহিত হৈ আছে। জন্ম মৃত্যুৰ পৰা ত্ৰাণ পাবলৈ হ'লে তেওঁৰেই সহায় লাগে। যিসকলে আধি ভৌতিক, আধি-দৈৱিক, আধ্যাত্মিক এই তিনিটা কথা জানে তেখেতসকলে পৰমাত্মাকো জানে। শুকদেৱে পৰীক্ষিতক ভাগৱত ব্যাখ্যা কৰি শুনালে, পৰীক্ষিতৰ জীৱনৰ শেষ মুহূৰ্তত উদ্ভৱ হোৱা সকলো প্ৰশ্নৰ উত্তৰ তেওঁ পালে, সকলো সংশয় তেওঁৰ আঁতৰি গ'ল। পৰীক্ষিতে ভগৱানৰ চৰণ-কমলত আত্ম নিবেদন কৰিলে। এই ভাগৱত ব্যাখ্যা এই সংসাৰৰ সকলো মানুহৰ বাবে, কেৱল পৰীক্ষিতৰ বাবেই নহয়।

যিজনে প্ৰাণী সমুদায় আৰু বিশ্বৰ সকলোতে ভগৱানৰেই ভাৱ অনুভৱ কৰে, তেওঁৰ সেই অনুভৱেৰেই সকলো কৰ্ম কৰে তেওঁৰেই 'ভাগৱত' ধৰ্ম পালন কৰে।■■

বিশেষত মহন্তৰ ক্ষমাসে ভূষণ হোৱৈ
জানি মোত হুয়োক প্ৰসন্ন।
যদি নিন্দে দুষ্ট লোক তাত মোৰ নাহি শোক
আপোনাৰ দোষে হৈব ছন্ন।।
থাকোক ই কথাচয় ঘোৰ কলি বঢ়াৱয়
তাক তড়িবাৰ কৰা কাম।
কৃষ্ণৰ কিঙ্কৰ নিজ গোপাল চৰণ দ্বিজ
কহে দাকি বোল ৰাম ৰাম।।

-- ভাগৱত

# শঙ্কৰদেৱৰ দৃষ্টিত ভাগৱতৰ কৃষ্ণতত্ত্ব

ড° অৰুন্ধতী মহন্ত

ভাগৱত পুৰাণৰ প্ৰথম স্কন্ধৰ প্ৰথম শ্লোকত কোৱা হৈছে-- যাৰ পৰা এই সৃষ্টি, স্থিতি, লয়যুক্ত এই পৰিদৃশ্যমান জগতৰ জন্ম; যি নিজৰ প্ৰয়োজন সাধনত সক্ষম, যাৰ জ্ঞান স্বতঃসিদ্ধ, ব্ৰহ্মাৰ হৃদয়ত যি ইচ্ছামতে বেদৰ প্ৰকাশ ঘটাইছিল, যাৰ সত্তাত বিশ্বজগতৰ সত্তা বৰ্তমান আৰু যিজনে নিজৰ চিৎ শক্তিৰ প্ৰভাৱত মায়াৰ কপটতা দূৰ কৰিব পাৰে, সেই পৰম সত্যৰ মহিমা ধ্যান কৰাটোৰেই এই পুৰাণৰ উদ্দেশ্য ঃ

'জন্মাদস্য যতোহন্বয়াদিতৰতশ্চাৰ্থেস্বভিজ্ঞঃ স্বৰাট্।
তেনে ব্ৰহ্ম হৃদা য় আদিকৱয়ে মুহ্যন্তি যৎ সুৰয়ঃঃ
তেজোৱাৰিমৃদাং য়থা বিনিময়ো য়ত্ৰ ত্ৰিসৰ্গোহমৃষা।
ধাম্না স্বেন সদা নিৰস্তকুহকং সত্যং পৰং ধীমহি।।'

ভাগৱত পুৰাণে গ্ৰন্থৰ আদিতে কোৱা 'পৰম সত্য' যে, দৈৱকী সন্তানৰূপে জন্মগ্ৰহণ কৰা 'কৃষ্ণ' সেই কথাৰ স্পষ্টভাৱে প্ৰমাণ পোৱা হয়, উক্ত গ্ৰন্থৰে দশম স্কন্ধত বৰ্ণিত শ্লোকত। উদাহৰণ স্বৰূপে, 'নিৰ্গুণ-নিৰ্বিশেষে সত্তা' যেতিয়া কংসৰ কাৰাগাৰত দৈৱকীৰ গৰ্ভত আত্মমায়াৰে আৱিৰ্ভূত হ'ল, তেতিয়া ব্ৰহ্মাদি দেৱতা আৰু মুনিসকল দৈৱকীৰ সমীপত উপস্থিত হৈ যি স্তৱ গীত গাইছিল, সেই স্তৱগাঁথাৰ প্ৰথম ফাঁকিতেই সত্যস্বৰূপৰ অনুপম ব্যাখ্যা আগবঢ়োৱা হৈছিল ঃ

'সত্যব্ৰতং সত্যপৰং ত্ৰিসত্যং সত্যস্য যোনিং নিহিতঞ্চ সত্যে।
সত্যস্য সত্যং ঋতসত্যনেত্ৰং সত্যাত্মকং ত্বাং শৰণং প্ৰপন্নাঃ।।'
—১০/২/২৬

দৈৱকী গৃহত জন্মগ্ৰহণ কৰাজন 'কোন' আৰু 'কি'— এই কথা পুৰাণকাৰে আৰম্ভণিতে স্পষ্ট কৰি দিছে। এইখিনিতে প্ৰখ্যাত টীকাকাৰ শ্ৰীধৰস্বামীয়ে 'ভাগৱতভাৱাৰ্থদীপিকা' গ্ৰন্থত আগবঢ়োৱা ভাগৱতৰ দশম স্কন্ধৰ প্ৰথম অধ্যায়ৰ প্ৰথম শ্লোকৰ ব্যাখ্যা প্ৰণিধানযোগ্য ঃ

'দশমে দশমং লক্ষ্যমাশ্ৰিতাশ্ৰয়বিগ্ৰহম্।
শ্ৰীকৃষ্ণাখ্যং পৰং ধাম জগদ্ধাম নমামি তৎ।।'

অৰ্থাৎ যি আশ্ৰিতজনৰ আশ্ৰয়; যি সকলোৰে মূল আশ্ৰয় আৰু যি জগতৰ আশ্ৰয় (ভাগৱতৰ) দশম স্কন্ধৰ লক্ষ্য, সেই কৃষ্ণ নামৰ দশম পদাৰ্থক (আশ্ৰয়তত্ত্বক) নমস্কাৰ জনাওঁ। মন কৰিবলগীয়া যে, ভাগৱত পুৰাণৰ 'দশলক্ষণ'ৰ ভিতৰত দশম লক্ষণ হৈছে-- 'আশ্ৰয়তত্ত্ব'। উক্ত পুৰাণৰ মতে, ভাগৱত পুৰাণৰ সকলো বক্তব্যৰ অন্তিম 'বিন্দু' হৈছে-- 'আশ্ৰয়তত্ত্ব'। ত্ৰিগুণাত্মিকা প্ৰাকৃত জগতখন আৰু জীৱসমূহ য'ৰ পৰা সৃষ্টি হয় আৰু পুনৰ যি তত্ত্বত লয় পায়, সেই মূল পৰমতত্ত্বটোকে ভাগৱত-পুৰাণত 'আশ্ৰয়তত্ত্ব' বোলা হৈছে।

প্ৰাচীন ভাৰতীয় ঋষি প্ৰজ্ঞানৰ নিৰৱচ্ছিন্ন আধ্যাত্মিক সাধনাই যি পৰম সত্যক 'একতত্ত্ব', 'ব্ৰহ্মতত্ত্ব' ৰূপত প্ৰতিষ্ঠা কৰিছিল-- ভাগৱত পুৰাণে। সেই তত্ত্বকে প্ৰতিষ্ঠা কৰিছে 'কৃষ্ণ তত্ত্ব' ৰূপে। দৈৱকীগৃহত জন্মগ্ৰহণ কৰি আভীৰ বালকৰ দৰে গোচাৰণ কাৰ্যত ব্ৰতী 'কৃষ্ণ'ৰ সত্যৰূপ প্ৰত্যক্ষ কৰিছে ব্ৰহ্মাই 'সত্যজ্ঞানানন্তানন্দমাত্ৰৈকৰসমূৰ্ত্তয়', গোপালগোবৎসাদি সকলোৰে একৰূপ, সকলোৰে সচ্চিদানন্দস্বৰূপ, অনন্তৰূপ সকলোৰে। এৱেঁই অদ্বিতীয়-- সত্য, আত্মা, পুৰুষ, পুৰাণ, নিত্য, নিৰুপাধিক; অমৃত স্বৰূপ।[১] ভাগৱত

পুৰাণৰ তৃতীয় স্কন্ধতো কোৱা হৈছে-- নিত্যস্বৰূপে যি নিৰ্গুণব্ৰহ্ম, লীলা কাৰ্যত তেৱেঁই গুণ আৰু ক্ৰিয়াযুক্ত হয় ‘লীলয়া ৱাপি যুজ্যেৰণ নিৰ্গুণস্য গুণাঃ ক্ৰিয়াঃ’ (৭.২)।

শঙ্কৰদেৱৰ ধৰ্মীয় আদৰ্শ ভাগৱত পুৰাণৰ ওপৰত প্ৰতিষ্ঠিত আৰু এই পুৰাণৰ ওপৰত ভিত্তি কৰিয়েই ভাৰতত ‘কৃষ্ণ ভক্তি ধৰ্ম’ গঢ় লৈ উঠিছিল। মধ্যকালীন ভাৰতীয় বৈষ্ণৱ আচাৰ্যসকলৰ ভিতৰত ভাগৱত ধৰ্মৰ নিভাঁজ আদৰ্শ একমাত্ৰ শঙ্কৰদেৱৰ প্ৰসাৰিত আদৰ্শতহে প্ৰতিষ্ঠিত হৈছে বুলি ক’ব পাৰি।[২] ঋক্‌বেদৰ বিখ্যাত পুৰুষসূক্তৰ মন্ত্ৰদ্ৰষ্টা ঋষি নাৰায়ণৰ পৰা আৰম্ভ হোৱা যি ‘ভাগৱত পৰম্পৰা’ শুকমুনিলৈকে ‘ভাগৱত-পুৰাণ’ত অধিক স্পষ্ট ৰূপত প্ৰতিষ্ঠিত হৈছিল, মহাপুৰুষ শঙ্কৰদেৱে ভাগৱত-পুৰাণৰ যোগেদি অধিক বিকশিত ৰূপত অনুগামীসকলৰ ওচৰত দাঙি ধৰিছেঃ

শুনিয়োক সভাসদ মহা ভাগৱত পদ
কৃষ্ণ কথা পৰম অমৃত।
ভুকুতি মুকুতি যত সৱে হোৱৈ উপগত
ইহ পৰলোকে মহা হিত।।
পূৰ্ব্বতে নজানৈ কেৱে পৃথিৱীত শুকদেৱে
কলি যুগে কৰিলা প্ৰচাৰ।
বিচাৰি নিশ্চয় কৰি পিয়া আক কৰ্ণ ভৰি
মহা মহা ভাগ্য আছে যাৰ।।
-- ভাগৱত, ১/৪১৯

দ্বাদশ স্কন্ধ ভাগৱতৰ সংক্ষিপ্ত সাৰভাগ উদ্ধাৰ কৰি কৃষ্ণ চৰিত্ৰৰ পয়াৰ ৰচনা কৰা শঙ্কৰদেৱে ‘পৰম ঈশ্বৰ কৃষ্ণ দেৱ নাৰায়ণ। তানে মহা ভক্তি ইটো শ্ৰৱণ কীৰ্ত্তন।। ইহাক নজানি আন কৰ্ম কৰি মৰোঁ। কৈয়ো কৃষ্ণ কথা সুত সুখে যেন তৰোঁ।।’ বুলি কৈ ভাগৱত পুৰাণ প্ৰতিপাদিত পৰম সত্যস্বৰূপ ‘কৃষ্ণ’ই যে পৰম ‘উপাস্যদেৱ কৃষ্ণ’ শ্ৰৱণ-কীৰ্তনাদি মহাভক্তিয়েই তেওঁক প্ৰাপ্তিৰ শ্ৰেষ্ঠ সাধন আৰু জীৱাত্মাৰ সংসাৰ তৰণৰ, পৰমানন্দ লাভৰ উপায় কেৱল-- কৃষ্ণ চিন্তা, সেই কথা গ্ৰন্থৰ আৰম্ভণিতে সাৱলীল ভাষাত প্ৰকাশ কৰিছে।

মূল ভাগৱত-পুৰাণত কোৱা হৈছে, মহাভাগ ব্যাসদেৱৰ মহাকাব্য মহাভাৰতাদি ৰচনা কৰি উঠাৰ পিছতো যেতিয়া আত্মাই পৰিতৃপ্তি লভিব নোৱাৰিলে, তেতিয়া দেৱৰ্ষি নাৰদৰ পৰামৰ্শক্ৰমে ভগৱান বাসুদেৱৰ অনন্ত শক্তিৰ, কৃষ্ণৰ পৰম ৰূপৰ বৰ্ণনাৰে ভাগৱত পুৰাণ ৰচনা কৰিলে।[৩] মহাপুৰুষ শঙ্কৰদেৱৰ দৰে পৰম কৃষ্ণ ভক্তজনৰ কাণত এই কাহিনীৰ বৰ্ণনাই মূলৰ সৌন্দৰ্যকো যেন অতিক্ৰম কৰিছে।

মন কৰিবলগীয়া, ভাগৱতৰ প্ৰথম স্কন্ধৰ অনুবাদত শঙ্কৰদেৱে মূলৰ শ্লোকৰ সংখ্যাৰ বিস্তৃতি পৰিহাৰ কৰি সৰ্বমুঠ ঊনৈশটা অধ্যায়ৰ আঠশ তেৰটা শ্লোকৰ কথা মাথোন চাৰিশ বিশটা পদত ভাঙনি কৰিছে। এনে সংক্ষিপ্ত পৰিসৰতে চাৰিবেদ, অষ্টাদশ পুৰাণাদি ৰচনা কৰি ‘ব্ৰহ্মতত্ত্ব’ সম্পৰ্কে জ্ঞান অৰ্জন কৰাৰ পিছতো ব্যাসৰ অশান্ত উদ্বেলিত চিত্তৰ কিদৰে অবিৰত ভক্ত নাৰদৰ উপদেশত শান্তি লাভ হয় আৰু ‘কৃষ্ণ কীৰ্ত্তন প্ৰধান’ ভাগৱত পুৰাণ গোৱিন্দৰ নাম শ্ৰৱণ-কীৰ্তনৰ ওপৰত প্ৰাধান্য আৰু ‘সমস্ত শাস্ত্ৰৰে মত/বেদ বেদান্তৰো তত্ত্ব/কৃষ্ণেসে পৰম ইষ্ট দেৱ’ ৰ কথা অৰ্থাৎ ভাগৱতৰ প্ৰতিপাদিত বিষয় স্পষ্টকৈ ব্যক্ত কৰিছে। মূলৰ দৰেই নৈমিষাৰণ্যত সমবেত শৌণক প্ৰমুখ্যে আঠাইশ হাজাৰ ঋষিয়ে সুতৰ সৈতে সত্ৰ পাতি ভাগৱত শ্ৰৱণ কৰিছে আৰু যাৰ নাম উচ্চাৰণ কৰিলে কোটি পুৰুষৰ উদ্ধাৰ হয়, সেই ঈশ্বৰ কৃষ্ণকে মহাভক্তিৰে প্ৰণাম জনোৱা হৈছে।

সৃষ্টি, স্থিতি, লয়ৰ অধিষ্ঠাতা দেৱতা ঈশ্বৰ কৃষ্ণৰ নাম লৈয়েই চণ্ডাল পৰ্যন্ত পবিত্ৰ হ’ব পাৰে। মৃত্যুমুখী পৰীক্ষিত ৰজাৰ তেনেই সমীপত উপস্থিত হোৱা মৃত্যুৰ ভয়াবহ কৰাল ৰূপটোও কৃষ্ণৰ নাম শ্ৰৱণ-কীৰ্তনেৰে আচ্ছাদিত হ’ব পাৰে।[৪] পৰম দুৰ্লভ মনুষ্য জন্ম লাভ কৰি যিজনে কৃষ্ণত একশৰণ গ্ৰহণ কৰে, এক মুখে ৰাম-নাম কীৰ্তন কৰিব পাৰে, তেৱেঁ ৰজা পৰীক্ষিতৰ দৰে মৃত্যুভয় নাশ কৰিব পাৰে। ‘পৰীক্ষিতৰ মোক্ষকথা’ প্ৰধান দ্বাদশ স্কন্ধৰ অনুবাদক শঙ্কৰদেৱো ‘কৃষ্ণ চৰণৰ কিঙ্কৰ মাথোন।’

দৈৱকীনন্দন কৃষ্ণই ভগৱান, আত্মা, ব্ৰহ্ম। ভীষ্মদেৱৰ শৰশয্যাৰ সন্মুখত উপবিষ্ট 'কৃষ্ণ'তে তেওঁ 'পৰম তত্ত্ব'ৰ প্ৰত্যেক্ষ অনুভৱ কৰিছিল। দেহ ত্যাগৰ বাঞ্ছিত উত্তৰায়ণ কালত তেওঁ যেতিয়া বিষয়াদিৰ পৰা মনক সম্পূৰ্ণ প্ৰত্যাহৃত কৰি 'কৃষ্ণ'ত নিয়োগ কৰিছিল, তেতিয়াও তেওঁৰ নয়নযুগল নিমীলিত হোৱা নাছিল-- 'অমীলিতদৃগ্ব্যধাৰয়ৎ' (ভাগৱত, ১/৯/৩০)। শঙ্কৰদেৱেও ভীষ্মৰ মোক্ষৰ প্ৰসঙ্গত কৈছে-- 'চক্ষু মেলি সেহি/ কৃষ্ণৰ ৰূপতে/ থাপিয়া নিষ্কামে মন।' (১/১৫৮)। ভীষ্মৰ কৃষ্ণস্তৱৰ গাঁথাত দৈৱকীনন্দন কৃষ্ণই 'আত্মা' (কৃষ্ণে মোৰ আত্মা কৃষ্ণে সুহৃদ নিশ্চয়); কৃষ্ণই 'পৰম ঈশ্বৰ (কৃষ্ণকো চিনাইলা এন্তে পৰম ঈশ্বৰ); কৃষ্ণই 'ব্ৰহ্ম' (তুমিসি জগত/ পূজ্য জগজীৱ/ প্ৰত্যেক দেখিলো আমি)। মূল ভাগৱতত ভীষ্মদেৱেও কৈছে-- 'কৃষ্ণ এবং ভগৱতি', 'আত্মন্যাত্মানমাবেশ্য', 'ব্ৰহ্মণি নিষ্কলে' (১/৯/৪৩-৪৪)।

'অৱতাৰতত্ত্ব' বৈষ্ণৱ ধৰ্মৰ মূলমন্ত্ৰ। বৈষ্ণৱ অৱতাৰবাদক আটাইতকৈ উচ্চ পদত অভিষিক্ত কৰিছে-- ভাগৱত পুৰাণে। মূল ভাগৱতত কোৱা হৈছে-- অক্ষয় সৰোবৰৰ পৰা যিদৰে অসংখ্য জলপ্ৰবাহ নিৰ্গত হয়, তেনেকৈয়ে সত্ত্ব গুণৰ আকৰ ভগৱান কৃষ্ণৰ পৰা বিবিধ অৱতাৰৰ আবিৰ্ভাৱ ঘটে।[৫] ভাগৱতৰ এই শ্লোকত কৃষ্ণ 'সত্ত্বনিধি'। এই কৃষ্ণই সগুণ ব্ৰহ্মৰূপে অৱতাৰৰ উৎস। অচিন্ত্য শক্তিৰ প্ৰভাৱত তেওঁ এক মূৰ্তিতে অনন্তৰূপে বিৰাজ কৰিব পাৰে। কৃষ্ণই স্বয়ং ভগৱান 'কৃষ্ণস্তু ভগৱান্ স্বয়ম্' (১/৩/২৮)। অৱতাৰ গ্ৰহণৰ প্ৰয়োজন সম্পৰ্কেও কোৱা হৈছে এনেদৰে-- অবিদ্যাবশতঃ কামনা কলুষিত কৰ্মাদিত আসক্ত হৈ জীৱসকলে অশেষ ক্লেশ ভোগ কৰে, শ্ৰৱণ আৰু স্মৰণযোগ্য লীলা প্ৰকাশৰ দ্বাৰা অবিদ্যাপীড়িত জীৱসমূহক উদ্ধাৰ কৰিবৰ উদ্দেশ্যেই ভগৱান 'কৃষ্ণ'ৰ অৱতাৰ গ্ৰহণ হৈছে (ভাগৱত, ১/৮/৩৫-৩৬)। এই প্ৰসঙ্গতে শুকদেৱৰ উক্তি স্মৰণযোগ্য-- জীৱৰ মঙ্গল সাধনাৰ্থে তেওঁ মনুষ্য দেহ ধাৰণ কৰি ক্ৰীড়া কৰি থাকে আৰু জীৱাত্মাই সকলো লীলা কথা শ্ৰৱণ কৰি তাৰ প্ৰতি আকৃষ্ট হয়, ভক্তিমান হ'ব পাৰে।[৬] মহাপুৰুষ শঙ্কৰদেৱৰ দৃষ্টিতো লীলাময়জনৰ লীলাৰ অনুধ্যানেই (কীৰ্তন-শ্ৰৱণেই) শ্ৰেষ্ঠ সাধনা। তেওঁক বুজিবলৈ, পাবলৈ, অনুভৱ কৰিবলৈ ইয়েই প্ৰকৃষ্ট পথ।

'পূৰ্ণনন্দ দেৱ হৰি সমস্তে গোকুল ভৰি
লীলাভাৱে কৰন্ত বিহাৰ।
যোগীজনে চিন্তে যাক গৃহকে পাইলেক তাক
কিনো ভাগ্য ব্ৰজৰ প্ৰজাৰ।।'
-- ১০/১০/৪২১

..................................

'নমো নমো নাৰায়ণ নিৰাকাৰ নিৰঞ্জন
নাহি পূৰ্বাপৰ অন্ত যাৰ।
হেনয় কৃষ্ণক সেৱি ৰচিলা শঙ্কৰ কবি
মহাভাগৱত কথা সাৰ।।৪২৫
সাধু সঙ্গে যত্ন কৰি কৃষ্ণ কথা কৰ্ণ ভৰি
সমস্তে আপদ কৰা দূৰ।।'৪২৭

মন কৰিবলগীয়া ভাগৱত পুৰাণৰ প্ৰথম অধ্যায় মূলত থকা বিৰাট ৰূপৰ পৃথক বৰ্ণনা শঙ্কৰদেৱৰ অনুবাদ নাই। বৰঞ্চ যি বিৰাট পুৰুষে মায়াগুণ আদিৰ দ্বাৰা ব্ৰহ্মাণ্ডসৃজিলে সেইজনেই নন্দনন্দন; যাক যজ্ঞ-কৰ্ম-যোগ আদিৰ দ্বাৰা নাপায়; সেইজনেই বেদশিৰোৰত্ন ভজনীয় দেৱতা 'কৃষ্ণ'। এই পৰম পুৰুষ কৃষ্ণতে বৰাহ, হৰি, কপিল, দত্তাত্ৰেয়, সনক, সনন্দ, সনাতন, নৰনাৰায়ণ, পৃথু, কূৰ্ম, নৰসিংহ, বামণ, হংস, মনু, ধন্বন্তৰি, পৰশুৰাম, ৰাম অৱতাৰৰ কথা কোৱা হৈছে। মূলত যিদৰে 'ৰাম' আৰু 'কৃষ্ণ' অৱতাৰৰ লীলা কাহিনী বিস্তৃত সেইদৰে শঙ্কৰদেৱৰ ৰচনাত ৰাম আৰু কৃষ্ণাৱতাৰ কাহিনী বিস্তৃতভাৱে বৰ্ণিত।

মহাপুৰুষ শঙ্কৰদেৱৰ ভাগৱত-পুৰাণ 'আদি দশম' স্কন্ধই অসমৰ জনসাধাৰণৰ মনত অনবদ্য আসন অধিকাৰ কৰি আছে। অসমৰ ধৰ্মীয় চিন্তালৈ

মহাপুৰুষজনৰ এই অংশৰ ৰচনা অবিস্মৰণীয় সংযোগ। মূল ভাগৱত পুৰাণৰ দৰে দশম স্কন্ধৰ প্ৰথম অধ্যায়ত পৃথিৱীৰ ভাৰ উদ্ধাৰ কৰিবৰ বাবে ভগৱান নাৰায়ণ বসুদেৱ-দৈৱকীৰ সন্তানৰূপে জন্মগ্ৰহণ কৰিছে। ধীমান বসুদেৱে মূলত[৭] দেখাৰ দৰে 'পৰম অদ্ভুত' বালকক দেখা পাই উভয়ে বিস্ময়াভিভূত হৈছে আৰু ৰাজ্যবন্দী দুয়ো সদ্যজাত শিশুটি নিৰাকাৰ-নিৰঞ্জন বুলি উপলব্ধি কৰিব পাৰিছে যদিও চতুৰ্ভুজৰূপে বিষ্ণুৰ 'বিৰাট' ৰূপক সম্বৰিবলৈ প্ৰাৰ্থনা জনাইছে ঃ

'অদ্ভুত বালক বসুদেৱে দেখিলন্ত।।
মোহোৰ গৃহত উপজিলা নাৰায়ণ।
পৰম বিস্ময় ভৈল তবধ নয়ন।। ৬/৭৮-৭৯
.............................................
ইটো দিব্যৰূপ আৰে সম্বৰিয়ো বাপ।
তোমাসাক লাগি উদবেগ কৰে মন।।
শংখ চক্ৰ গদা পদ্ম ঢাকা নাৰায়ণ।।'৯০

ব্ৰজধামত মাজনিশা যে প্ৰকট হ'ল-- এয়া কোন? শঙ্কৰদেৱে কৈছে--

'পাপ সাগৰত তল গৈল হেন জানি।।
তাক উদ্ধাৰিবে মনে কৃষ্ণ কৃপাময়।
কৰিলা বিস্তাৰ নিজ পুণ্য কীৰ্ত্তিচয়।।
ভকতজনৰ অনুগ্ৰহৰ কাৰণে।
কৰিলা অনেক লীলা প্ৰভু নাৰায়ণে।।'
--৬/১০৯-১১০

ভাগৱত বক্তা শ্ৰীশুকদেৱেও কৈছে-- কৃষ্ণক যাৱতীয় আত্মাৰ আত্মা বুলি জানিবা। তেওঁ জগতৰ হিতৰ অৰ্থে মায়াযোগে এই পৃথিৱীত দেহীজনৰ দৰে জন্মগ্ৰহণ কৰিছে।[৮]

মূল ভাগৱত-পুৰাণত কৃষ্ণৰ লীলা মহিমাৰ 'ত্ৰিবিধ' বিভাব প্ৰকাশ পাইছে-- (১) প্ৰতাপঘন অসুৰ নিসূদক কৃষ্ণ, (২) প্ৰেমঘন ৰসময় কৃষ্ণ আৰু (৩) প্ৰজ্ঞান ঘন পৰম জ্ঞান গুৰু কৃষ্ণ। মহাপুৰুষ শঙ্কৰদেৱৰ তুলিকাতে 'কৃষ্ণস্তু ভগৱান্ স্বয়ম্'ৰ উক্ত তিনি মৌলিক ৰূপ স্পষ্টভাৱে প্ৰতিভাত হৈছে। গোকুল-বৃন্দাবনৰ 'প্ৰতাপঘন অসুৰ নিসূদক' আৰু 'প্ৰেমঘন ৰসময়' কৃষ্ণৰ ৰূপৰ সৈতে ভাগৱতকাৰে ভগৱান কৃষ্ণৰ জন্মৰ অন্তৰালত পৰিৱেশন কৰা কাহিনী[৯] সম্পৰ্কিত। কৃষ্ণৰ জন্মৰ উদ্দেশ্যও তাতে। গতিকে, পুতনা, তৃণাৱৰ্ত বধ কাৰ্যই গোকুলৰ আৰু ক্ৰমে বৃন্দাবনত বৎসাসুৰ, বকাসুৰ, অঘাসুৰ, অৰিষ্টাসুৰ আৰু কালিয় দমন' কৰি অসুৰ নিসূদক ৰূপৰ শ্ৰেষ্ঠ প্ৰকাশ। ব্ৰজলীলাৰ উপৰি মথুৰা-দ্বাৰকা লীলাতো কংস-শিশুপাল-জৰাসন্ধ-বাণ-পৌণ্ড্ৰক আদি নৃপাসুৰৰ 'বধ' প্ৰসংগতো কৃষ্ণৰ অপ্ৰেময় শক্তিৰ প্ৰকাশ ঘটিছে। কেৱল সেয়াই নহয়, ভূমণ্ডলৰ ভাৰ শেষ হৈও যেন শেষ নহয়, কিয়নো উদ্ধত 'যাদৱ কুল'ৰ এতিয়াও বিনাশ হোৱা নাই। সত্য সংকল্প ভগৱান কৃষ্ণ হৈ 'ব্ৰহ্মশাপচ্ছলে স্ববংশ ধ্বংস কৰিহে স্বধামলৈ ব্ৰহ্মাদি দেৱগুণ স্তুতিত গমন কৰিছে।

দৈৱকীনন্দন কৃষ্ণৰ পৰম ঐশ্বৰ্যময় দিশটো শৈশৱৰ বহুকেইটা কাৰ্যতে নিহিত, প্ৰকাশিত। জ্যেষ্ঠ ভ্ৰাতৃ বলৰামৰ গোচৰত সচা-মিছা প্ৰমাণ ল'বলৈ মাতৃ যশোদাই মুখ মেলি চালে-- 'যশোদা সুন্দৰী দেখন্ত পাছে। সমস্ত জগত গৰ্ভত আছে।' 'কালিয় দমন' কাৰ্যত কৃষ্ণ দেৱৰো দেৱ, পৰম দেৱ। তেওঁৰ ক্ৰোধ প্ৰশমিত কৰিবলৈ গন্ধৰ্ব, মুনি, দেৱাদিসকল আহিছে। স্বামীগতপ্ৰাণা কালিনাগৰ পত্নীসকলৰ স্তুতিত 'কৃষ্ণ তত্ত্ব'ৰ স্বৰূপ ফুটি উঠিছে। মূল গ্ৰন্থৰ দৰেই নাগপত্নীসকল সুধাবৰ্ষিণী আৰু দৰ্শন শাস্ত্ৰত সুপণ্ডিতা। এই স্তুতিত প্ৰাচীন পাঞ্চৰাত্ৰ পৰম্পৰাৰ 'চতুৰ্ব্যূহ' তত্ত্বৰ প্ৰভাৱো স্মৰ্তব্য-- 'যাৰ চাৰি মহা মুখ্য মূৰ্তি অনুপাম। সাম কাম, অনিৰুদ্ধ বাসুদেৱ নাম।'৬৫১

বাল্য লীলাৰ অন্যতম বিস্ময়কৰ-- 'গোবৰ্দ্ধন ধৰেন' কাৰ্য। ইন্দ্ৰযজ্ঞ নিবাৰণৰ হেতু অত্যন্ত ক্ৰুদ্ধ হৈ সাতদিন সাত ৰাতি হোৱা পৃষ্টিপাতত কৃষ্ণই গোবৰ্দ্ধন পৰ্বতকে ছত্ৰ ৰূপে আঁতুৰ ব্ৰজবাসীক সামৰি দাঙি ধৰিছে। কৃষ্ণৰ আশ্চৰ্য মহিমা প্ৰত্যক্ষ কৰি ব্ৰজবাসী

বিস্মিত। নন্দৰ ওচৰত প্ৰশ্নৰো অৱতাৰণা কৰিছে--

'তোমাৰ পুত্ৰৰ যেন যেন কৰ্ম্ম
মনুষ্য এন্তে নোহয়।
সাত বৰিষৰ শিশু কৃষ্ণে ইটো
দেখা কৰৈ যেন লীলা।'

গোপবেশী কৃষ্ণৰ পৰম প্ৰেমময় ৰূপটো ব্ৰজধামতে, শৈশৱ কালতে প্ৰকাশিত। মূল ভাগৱত পুৰাণৰ দশম স্কন্ধৰ ঊনবিংশ অধ্যায়ৰ পৰা ত্ৰয়োদশ অধ্যায়লৈকে বৰ্ণিত অধ্যায়েই বিখ্যাত 'ৰাসক্ৰীড়া পঞ্চাধ্যায়'। ইয়াৰ আগতে 'বেণুগীত' আৰু 'কাত্যায়নী, ব্ৰত পালন', বস্ত্ৰহৰণ নামৰ অধ্যায়-- উক্ত প্ৰসঙ্গৰ পৰিপূৰক হিচাপে বৰ্ণনা কৰা হৈছে। কিন্তু 'পঞ্চাধ্যায়'ৰ কাহিনীভাগ 'নটা' অধ্যায়ত বৰ্ণনা কৰিছে। মূলৰ দৰেই ইন্দ্ৰিয় কামনাযুক্ত ভাৱো কম-বেছি পৰিমাণে নিহিত হৈ আছে। কৃষ্ণৰ বাঁহীৰ সুৰৰ মূৰ্চ্ছনাত (সুস্বৰ মধুৰ কৰি হৰি গাইলা গীত)। পাৰ্থিৱ সমস্তকে ত্যাগ কৰি (নেদেখন্ত পুত্ৰ দাৰা বিষয়ক সুখ) শাৰদীয় পূৰ্ণিমাৰ নিশা ব্ৰজবধু বৃন্দাবন উদ্দেশ্যি, ধ্বনি নিৰীক্ষণ কৰি ঢাপলি মেলিলে। ভগৱানে জীৱৰ মঙ্গলাৰ্থে মনুষ্য দেহ ধাৰণ কৰি চিন্ময় লীলা প্ৰকাশ কৰে আৰু জীৱই সকলো শ্ৰৱণ দৰ্শন কৰি ভগৱদ্ পৰায়ণ হয়। ধৰ্ম ভয়, প্ৰাণ ভয় আৰু লোক অপবাদকো আওকাণ কৰি শ্ৰেষ্ঠ আৰু শ্ৰেষ্ঠজনৰ ওচৰত আত্মসমৰ্পণ ভগৱদ্ প্ৰেমৰ তুলনাবিহীন নমুনা! শঙ্কৰদেৱৰ অনুবাদত কৃষ্ণই গৃহলৈ উভতি যাবলৈ গোপীসকলক কোৱাৰ পিছত (নকৰা বিলম্ব সৰে মোহোৰ বচনে নতুন জানা শুনা হোন্তে চলিয়ো এমনে') গোপীসকলৰ মূৰত যেন ব্ৰজাঘাতহে পৰিল--

'গোপীৰ মুণ্ডত যেন পৰিল নিৰ্ঘাত।।
হেনয় বিপ্ৰিয় পাচে শুনি গোপীগণ।
পাইলেক দূৰত চিন্তা বিবৰ্ণ বদন।।
ওলমাইল মুখ আতি পায়া দুখভৰ।।১২৪৯
চৰণে ভূমিকা লিখৈ দেখৈ অন্ধকাৰ।

মনুষ্যাৱতাৰ গ্ৰহণ কৰোঁতা কৃষ্ণৰ ব্ৰজমধুৰ সৈতে অভিন্ন একাত্ম হৃদয়ৰ সম্বন্ধক 'দশম'ৰ ৰাসক্ৰীড়া অধ্যায়ে আঁৰ নলগাকৈ ব্যক্ত কৰিছে। ব্ৰজধামৰ বালক বৃদ্ধসকলে কৃষ্ণৰ গোবৰ্দ্ধন ধাৰণৰ পিছতহে 'ঐশ্বৰিকত্ব' উপলব্ধি কৰিছে যদিও 'ব্ৰজনাৰী'ৰ ক্ষেত্ৰত ব্যতিক্ৰম পৰিলক্ষিত হয়। এই প্ৰসংগতে গোবৰ্দ্ধন ধাৰণৰ আগতেই বিপ্ৰপত্নীসকলে স্বামীৰ নিষেধ আওকাণ কৰি ষড়ৰসযুক্ত অন্ন প্ৰদান কৰি কৃষ্ণ গুণ গাইছে, কোনো গৰাকীয়ে বাধাপ্ৰাপ্ত হৈ দেহ ত্যাগ কৰিছে।[১০] সেইদৰে কাত্যায়নী ব্ৰত পালনতো গোপীয়ে কৃষ্ণৰ ভগৱত্তা উপলব্ধি কৰিব পৰিছিল বাবেই কৃষ্ণৰ প্ৰতি অনন্য প্ৰেমভক্তি প্ৰদৰ্শন কৰিব পাৰিছিল; প্ৰেমময় বাঁহীৰ সুৰৰ গৰাকীৰ সৈতে একাত্মভাৱে মিলি যাব পাৰিছে আৰু জীৱাত্মা-পৰমাত্মাৰ চিৰন্তন সম্পৰ্কত জগতত স্থায়ী কৰিছে।

মথুৰাত কংস ৰাজৰ ৰংগশালাত সমজুৱাসকলে কৃষ্ণক নিজ চিন্তানুসৰি 'দহ প্ৰকাৰে' দেখা পাইছে। (১০/৪৩/১৭) শ্ৰীধৰ স্বামীয়ে ভাগৱতৰ এই শ্লোকৰ ব্যাখ্যাত কৈছে-- কৃষ্ণ যেতিয়া ৰংগশালাত প্ৰৱেশ কৰোতে 'দশ ৰস'ৰেই যুগপৎ আৱিৰ্ভাৱ আছিল, কিন্তু সকলোৰে দেখা পোৱা নাছিল- বৰঞ্চ যাৰ যি ভাৱ সেইমতেহে দেখা পাইছিল। মহাপুৰুষ শঙ্কৰদেৱেও কৈছে-- 'কৰিলা প্ৰকাশ ৰাম সমে সমজ্যাত। দেখৈ দশ প্ৰকাৰে কৃষ্ণক সিবেলাত।' সৰ্বশক্তিমান, সৰ্বভূত মনোহৰ সৰ্বৰসপূৰ্ণ এয়াই দশম স্কন্ধ বৰ্ণিত-- পৰম ঈশ্বৰ কৃষ্ণ। দশম স্কন্ধৰ অনুবাদ মহাপুৰুষজনে সম্পূৰ্ণ নকৰিলেও মূল ভাগৱত পুৰাণত প্ৰকাশ পোৱা ঐশ্বৰিকত্ব আৰু মানৱীয় গুণসম্পন্ন পৰম প্ৰেমময় কৃষ্ণৰ ব্ৰহ্মসত্তাক শঙ্কৰদেৱে ভক্তপ্ৰাণ বৈষ্ণৱ হিচাপে অকণো ম্লান নপৰাকৈ অঙ্কন কৰিছে।

পৃথিৱীত অধৰ্ম বিনাশি ধৰ্ম প্ৰতিষ্ঠা কৰি জগতৰ হিত সাধন কৰোঁতা আত্মাৰাম-পূৰ্ণকাম-ভগৱান কৃষ্ণৰ ওচৰত ব্ৰহ্মাদি দেৱসকলে জনোৱা প্ৰাৰ্থনাৰ অন্তত পৰম পুৰুষ কৃষ্ণদেৱে তেওঁৰ আদৰ্শ প্ৰতিষ্ঠিত হ'বৰ বাবে প্ৰয়াণৰ প্ৰাক্-মুহূৰ্তত 'ভাগৱত ধৰ্ম' সম্পৰ্কে জ্ঞান

উপদেশ আগবঢ়াইছে। এয়াই ভাগৱত বৰ্ণিত পৰম গূঢ় খণ্ড 'একাদশ স্কন্ধ'। জীৱাত্মাৰ সংসাৰ তৰণৰ উপায় হিচাপে জীৱৰ প্ৰতি অসীম দয়া, সকলোৰে প্ৰতি সমভাৱ পোষণ, জীৱাত্মাক পৰমাত্মাৰ অংশ বিশেষ বুলি ভাবি ভগৱান যেন জ্ঞান কৰা আৰু ভগৱদ্ চৰণত শৰণ কৰি মোক্ষ লাভ কৰিবলৈ নানা উপদেশ সংসাৰৰ মায়াপাশত আৱদ্ধ অজ্ঞ মানৱ সমাজলৈ আগবঢ়াইছে। এই স্কন্ধতে আজন্ম কৰ্মপ্ৰাণ অৱতাৰী পুৰুষ, মহাযোগীজনে দেহ ত্যাগ কৰাৰ কাহিনী বৰ্ণিত হৈছে। দ্বাদশ স্কন্ধৰ শেহৰ ফালে কলি যুগত পৃথিৱীৰ পৰা সততা, ন্যায়, ধৰ্ম আদিৰ বিপৰীতে ঈৰ্ষা, কপটতা, অধৰ্ম আদিয়ে গ্ৰাস কৰাৰ সময়ত 'কৃষ্ণ নাম ধৰ্ম'ই যে শ্ৰেষ্ঠ সাধন ৰূপে পৰিগণিত হ'ব সেই কথা প্ৰকাশ কৰা হৈছে।

শঙ্কৰদেৱে এইদৰে 'ভাগৱত-পুৰাণ'ত অৱতাৰী পৰম পুৰুষ কৃষ্ণৰ নিৰঞ্জন-নিৰাকাৰ আদি দেৱ পুৰাণ পুৰুষ পৰমব্ৰহ্ম ৰূপে প্ৰতিষ্ঠা কৰিছে। মূলৰ দৰেই মহাপুৰুষজনৰ বিশাল দৃষ্টিৰে পৰিৱেশিত 'কৃষ্ণ তত্ত্ব'ই ভগৱান বাসুদেৱৰ অনন্ত শক্তিৰ, প্ৰেমময়ী লীলাৰ, ৰহস্যময়তাৰ পৰম মঙ্গলময় যি ৰূপ পৰিৱেশন কৰালে, সিয়েই সমস্তৰে অন্তৰ কৃষ্ণ পৰায়ণ কৰাৰ লগে লগে ভগৱদ্‌লীলা প্ৰদৰ্শনেৰে কৰ্মপ্ৰবৃত্ত, দেহাভিমানী মূঢ় ব্যক্তিজনক মোক্ষ লাভৰ উপায়ো দিলে। ■■

---

<u>পাদটীকা</u> ঃ

১. ভাগৱত-পুৰাণ ১০/১৪/২৩। ভাগৱত-পুৰাণত বৰ্ণিত আধ্যাত্মিক তত্ত্বপূৰ্ণ আৰু ভক্তিৰস সমৃদ্ধ অসংখ্য স্তৱ গাঁথাৰ এইটো এটা উদাহৰণ মাত্ৰ।

২. বাপচন্দ্ৰ মহন্ত ঃ শঙ্কৰদেৱৰ দৰ্শন নামৰ গ্ৰন্থ। পৃঃ ১৪১

৩. ভাগৱত-পুৰাণ। ১/৫

৪. তুলনীয়, নুহি শাপ ইটো মোৰ পৰম প্ৰসাদ।
গৃহ শৰীৰৰো মোহ কৰিলে উচ্ছাদ।।
নেৰো আৰ বান্ধৱ কৃষ্ণৰ পাদ মূল।।৩৭৭

৫. ১/৩/২৬

৬. ভাগৱত, ১০/৩৩/৩৬

৭. ১০/৩/৯

৮. ১০/১৪/৫৫

৯. ১০/১/১৭-২৪

১০. দশম স্কন্ধত অনুবাদ ঃ পদ ৯৮২-৮৩

# বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টি ঃ বিজ্ঞান আৰু শঙ্কৰী সাহিত্য

ড° ৰাতুল চন্দ্ৰ বৰা

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনে সৃষ্টিতত্ত্বক তথা দৰ্শনক এক নতুন মাত্ৰা প্ৰদান কৰি ভাগৱতৰ দ্বিতীয় আৰু তৃতীয় স্কন্ধৰ ওপৰত ভেটি কৰি 'অনাদি পাতন ভাগৱত' নামে এখনি সৰু শাস্ত্ৰ লিখি উলিয়াইছিল। এই শাস্ত্ৰখনিত সৃষ্টিতত্ব, জ্যোৰ্তিবিদ্যা, ভূ-বিজ্ঞান আদি বৰ্তমান যুগৰ বিজ্ঞানৰ বিষয়ৰ অন্তৰ্ভুক্ত বহুতো তত্ব আছে। এই তত্ববিলাক বিজ্ঞান আৱিষ্কাৰৰ দ্বাৰা কেনেকৈ ব্যাখ্যা কৰিব পাৰি আৰু বিজ্ঞানৰ সূত্ৰবিলাকৰ লগত কিমান মিল আছে তাকে সামান্য চেষ্টা কৰা হৈছে। ভাগৱতৰ অন্যান্য স্কন্ধৰ পৰাও কিছু ৰচনা বিজ্ঞানৰ দৃষ্টিকোণেৰে বিচাৰ কৰি চোৱা হৈছে। এইটো কথা নিশ্চিত যে আধ্যাত্মিক বিষয় এটি সম্পূৰ্ণ বিজ্ঞানৰ সূত্ৰৰ সাঁচত পেলাই আলোচনা কৰিব নোৱাৰি। তথাপি সৃষ্টি তত্ত্বৰ বিষয়ে কিছু কথা বিজ্ঞানৰ দৃষ্টিৰে ব্যাখ্যা কৰাৰ চেষ্টা কৰা হৈছে। আমাৰ এই ব্যাখ্যা সম্পূৰ্ণ শুদ্ধ বুলি আমি ক'ব বিচৰা নাই। কিন্তু কিছু যুক্তি আৰু নিদৰ্শন দাঙি ধৰা হৈছে।

**বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টি**

**সৃষ্টি তত্ত্ব আৰু নভোপদাৰ্থ বিদ্যা ঃ**

**(Cosmology and Astrophysic)**

বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টিৰ বিষয়ে বিজ্ঞানীয়ে চিন্তা-চৰ্চা কৰি কেইটিমান সূত্ৰ দাঙি ধৰিছে। বিজ্ঞানীৰ মূল প্ৰশ্ন কেইটা হৈছে--

(ক) প্ৰকৃতিৰ সূত্ৰবিলাক বৰ্তমান পোৱাৰ দৰে কিয় হ'ল?

(খ) বিশ্বব্ৰহ্মাণ্ডত থকা বস্তুবোৰ এনেদৰে কিয় হ'ল?

(গ) এই বস্তুবোৰৰ উৎপত্তি কেনেকৈ হ'ল?

(ঘ) বিশ্বব্ৰহ্মাণ্ডখনে বৰ্তমানৰ শৃঙ্খলিত ৰূপটো কেনেকৈ পালে?

বিশ্বব্ৰহ্মাণ্ডৰ উৎপত্তিৰ বিষয়ে আগবঢ়োৱা বিজ্ঞানৰ সূত্ৰবিলাকৰ ভিতৰত মহানাদ সূত্ৰ (Big Bang Theory)- ই বৰ্তমালৈকে গুৰুত্ব লাভ কৰিছে।১৯০০ খ্ৰীঃৰ আগলৈকে বিশ্বব্ৰহ্মাণ্ডখন স্থিৰ আৰু অপৰিৱৰ্তিত বুলি অনুমান কৰা হৈছিল। কিন্তু ১৯০৫ চনত আৰু ১৯১৫ চনত মহান বিজ্ঞানী আইনষ্টাইনৰ গৱেষণা পত্ৰ প্ৰকাশৰ পিছৰ পৰা এই দিশত এক নতুন আৱিষ্কাৰৰ সূত্ৰপাত ঘটে। বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টিত মহানাদ সূত্ৰৰ পক্ষে বৰ্তমান প্ৰায়সকল বিজ্ঞানীয়ে হয়ভৰ দিয়া দেখা গৈছে।

মহানাদ সূত্ৰ অনুসৰি ১০ৰ পৰা ২০ বিলিয়ন বছৰৰ আগতে এক অকল্পনীয় বিৰাট বিস্ফোৰণ সংঘটিত হৈ এঠাইত থুপখাই থকা অসীম ঘনত্বৰ এক পিণ্ডৰ সম্প্ৰসাৰণ ঘটে। এই সম্প্ৰসাৰণৰলগে লগে স্থান আৰু কালৰ ব্যাপ্তি ঘটিল অৰ্থাৎ সেই পিণ্ডটিৰ প্ৰসাৰণৰ লগে লগে স্থান আৰু কালৰ সৃষ্টি হ'ল। সৃষ্টিৰ সময়ত কাল শূন্য আছিল। এই সম্প্ৰসাৰণৰ হাৰ অধ্যয়ন কৰি বৰ্তমান বিজ্ঞানীয়ে ঠাৱৰ কৰিছে যে বিশ্বব্ৰহ্মাণ্ডখন এই মহানাদৰ পৰা সৃষ্টি হৈছিল। আনহাতে বিশ্বব্ৰহ্মাণ্ডখনত পৰিপূৰ্ণ হৈ থকা পশ্চাৎ বিকীৰণ (Background radition) ৰ পৰাও এই ধাৰণা সঠিক বুলি ঠাৱৰ কৰা হৈছে। জন্মৰ সময়ৰ পৰাই বিশ্বব্ৰহ্মাণ্ডখনৰ ক্ৰমান্বয়ে সম্প্ৰসাৰণ আৰু ঠাণ্ডা হোৱা (expansion and cooling) প্ৰক্ৰিয়া চলি আছে। যদিও শূন্যকালৰ অৱস্থা বিজ্ঞানীয়ে ঠাৱৰ কৰিব পৰা নাই, তথাপি তেওঁলোকে কৈছে যে, জন্মৰ বা শূন্যকালৰ ১০$^{-৪৩}$ ছেকেণ্ডৰ পিছত মহাকৰ্ষণ শক্তি পৃথক হৈছিল (শূন্যকালত সকলো শক্তি আৰু পদাৰ্থ এক হৈ

আছিল)। বিশ্বব্ৰহ্মাণ্ডখন বিভিন্ন কণাৰ এক বহ্নিমান বিদ্যুৎ চুম্বকীয় চুৰুহা যেন আছিল। পিছত বিদ্যুত চুম্বক শক্তি আৰু দুৰ্বল শক্তি পৃথকৰূপে ব্যক্ত হয় আৰু কোৰ্ৰক লগলাগি প্ৰট'ন আৰু নিউটন নামৰ শক্তি কণাৰ সৃষ্টি হয়-তিনি মিনিটৰ পিছত প্ৰ'ট্ৰন আৰু নিউট্ৰন লগলাগি পৰমাণু কেন্দ্ৰ (atomicnuclie) ৰ সৃষ্টি হ'ল আৰু পিছলৈ ইলেক্ট্ৰনৰ লগ হৈ পৰমাণুৰ সৃষ্টি হ'ল। পৰমাণুৰ পৰা বিভিন্ন পদাৰ্থৰ সৃষ্টি, প্ৰথমে হিলিয়াম নামৰ পৰমাণুৰ সৃষ্টি হ'ল। বিজ্ঞানীৰ মতে মহাকালৰ শতকৰা ২৫ ভাগ হিলিয়াম আৰু ৭৫ ভাগ অন্য পদাৰ্থ থাকিব লাগে। ইয়াৰ ভিতৰত হাইড্ৰ'জেনৰ মাত্ৰ অধিক। বিশ্বব্ৰহ্মাণ্ডখন ক্ৰমে সম্প্ৰসাৰণ ঘটাৰ লগে লগে ইয়াৰ তাপ কমিবলৈ ধৰিলে। শুদ্ধ শক্তিৰ পৰা পদাৰ্থৰ সৃষ্টি হ'ল। উষ্ণতা হ্ৰাস হ'বলৈ ধৰিলে আৰু ক্ৰমে ঠাণ্ডা হৈ হৈ পদাৰ্থৰ সৃষ্টি হ'বলৈ ধৰে। পদাৰ্থ ঘন ঠাইবোৰৰ লগ হৈ প্ৰথমে নক্ষত্ৰপুঞ্জৰ সৃষ্টি হ'ল প্ৰায় ৮ বিলিয়ন বছৰৰ পিছত তাৰকাবিলাকৰ সৃষ্টি হ'ল। ইয়াৰ প্ৰায় ৬ বিলিয়ন বছৰৰ পিছত গ্ৰহবিলাক আৰু অন্য উপগ্ৰহাদিৰ সৃষ্টি হ'ল। এইদৰে সৌৰজগতৰ সৃষ্টি হ'ল। যেতিয়া বিশ্বব্ৰহ্মাণ্ডৰ তাপ কমিবলৈ ধৰিলে পদাৰ্থ কণিকাবিলাক ডাৱৰৰ নিচিনা অৱস্থাপ্ৰাপ্ত হৈ মহাকাৰ্ষণ শক্তিৰ বলত একোটি নক্ষত্ৰলৈ ৰূপান্তৰ হ'বলৈ ধৰিলে। এই নক্ষত্ৰবোৰ কালক্ৰমত চেঁচা হৈ একোটি বা ততোধিক গ্ৰহৰ সৃষ্টি হ'ল।

বিজ্ঞানীসকল বিশ্বব্ৰহ্মাণ্ডৰ এই সম্প্ৰসাৰণ চিৰদিন চলি থাকিবনে পুনৰ সংকোচন ঘটিব এই বিষয়ে এতিয়াও একমত হ'ব পৰা নাই। কিন্তু বিজ্ঞানীয়ে কৈছে যে প্ৰায় ৫০,০০০ মিলিয়ন বছৰৰ মূৰত বিশ্বব্ৰহ্মাণ্ডখনে বৰ্তমানৰ অৱস্থা পাইছেহি আৰু আন ১০,০০০ মিলিয়ন বছৰৰ পিছত পুনৰ আগৰ একলীয়তা অৱস্থা প্ৰাপ্ত হ'ব যিটো অসীম ঘনত্বযুক্ত অৱস্থা 'Molecules in planetary and stellar atmosphere and in intesteller space will begin to dissociate into their constituent atoms, and the atoms will breakup into free electrons and atomic nuclei. After another 700,000 yrs, the cosmic temperature will be ten million degrees, then stars and planets themselves will dissolve into a cosmic soup of radiation, electrons and nuclei. The temparature will rise to ten thousand million degrees in another 22 days. The nuclie will then begin to break up into their constituent protons and neutrons- after that, electrons and positrons will be created in great numbers in proton-proton collisins and the cosmic background of neutrinos and antinutrinos will regain thermal communion with the rest of the universe.' (Steven Weinberg)

বিশ্বব্ৰহ্মাণ্ডখনৰ যিদৰে এদিন আদিম অৱস্থাৰ পৰা বৰ্তমানৰ অৱস্থাপ্ৰাপ্ত হ'ল, সেইদৰে এদিন পুনৰ আগৰ অৱস্থালৈ পৰিৱৰ্তন হ'ব বুলি বিজ্ঞানীয়ে ধাৰণা কৰিছে। বহুতো বিজ্ঞানীয়ে ধাৰণা কৰিছে যে বিশ্বব্ৰহ্মাণ্ডখন অনন্তকাল ক্ৰমান্বয়ে সম্প্ৰসাৰণৰ হাৰ হ্ৰাস হৈ হৈ ই কম সক্ৰিয় হৈ এটা সময়ত একো নোহোৱা হ'ব। প্ৰায় এক মিলিয়ন বছৰৰ পিছত ই সম্পূৰ্ণৰূপে মৃত অৱস্থাপ্ৰাপ্ত হ'ব, মাত্ৰ মাজে মাজে কৃষ্ণ গহ্বৰৰ বিস্ফোৰণ ঘটি থাকিব। এটি তাৰকাৰ বিস্ফোৰণ ঘটি কৃষ্ণগহ্বৰৰ সৃষ্টি হয় যাক চকুৰে দেখা নাযায়। কিন্তু যিয়ে সকলো পদাৰ্থ আনকি পোহৰকো ইয়াৰ প্ৰৱল মহাকৰ্ষণ শক্তিৰ দ্বাৰা ধৰি ৰাখিব পাৰে।

**তালিকা - ১**

**বিশ্বব্ৰহ্মাণ্ড সৃষ্টিকালৰ ঘটনাক্ৰম**

| | | |
|---|---|---|
| শূন্যকাল | ঃ | সকলো শক্তি একগোট তাপ $১০^{২৭}$ ডিগ্ৰীৰ অধিক। |
| $১০^{-৪৩}$ ছেকেণ্ড | ঃ | মহাকৰ্ষণ এটা পৃথক শক্তি হিচাপে গঢ় ল'লে। |
| $১০^{-৩৪}$ ছেকেণ্ড | ঃ | স্ফীতিভৱন প্ৰক্ৰিয়া আৰম্ভ। |
| $১০^{-৩২}$ ছেকেণ্ড | ঃ | স্ফীতিভৱনৰঅন্ত, প্ৰৱল শক্তি, দুৰ্বল আৰু বিদ্যুত চুম্বকীয় শক্তিৰ পৰা বিচিন্ন। |
| $১০^{-৩২}$ ৰ পৰা $১০^{-৫}$ ছেকেণ্ড | ঃ | বিশ্বব্ৰহ্মাণ্ডখন এক ক্ষুদ্ৰ |

পাৰমাণৱিক কণাৰ উষ্ণ চুৰুহা (hot soup) লৈ ৰূপান্তৰ।

$১০^{-১২}$ ছেকেণ্ড ঃ দুৰ্বল আৰু বিদ্যুত চুম্বকীয় শক্তিৰ বিভাজন।

$১০^{-৬}$ ছেকেণ্ড ঃ কোৱাৰ্ক প্ৰটন আৰু নিউট্ৰনৰ লগত যুক্ত।

$১০^{-২}$ ছেকেণ্ডৰ পৰা

৩ মিঃ ঃ প্ৰটন আৰু নিউটন লগলাগি নিউক্লিয়াছৰ সৃষ্টি।

৩,০০,০০০ বছৰ ঃ নিউক্লিয়াছ ইলেক্ট্ৰনৰ লগত লগলাগি এট'মৰ সৃষ্টি।

১৫ বিলিয়ন বছৰঃ প্ৰসাৰিত বিশ্বত হাতীপতি, তাৰকাপুঞ্জৰ উৎপত্তি।

জ্যোৰ্তিবিদসকলে শূন্যকালৰ বিষয়ে কোনো ব্যাখ্যা আগবঢ়াব পৰা নাই। শূন্যকালত সকলো শক্তি একগোট হৈ আছিল।

এইদৰে বিজ্ঞানীয়ে বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টি আৰু লয়ৰ বিষয়ে এটি ধাৰণা দিবলৈ চেষ্টা কৰিছে। কিন্তু বিজ্ঞানীয়ে বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টিৰ বাবে কোনো এক অলৌকিক শক্তিৰ অধিকাৰী ঈশ্বৰৰ স্বীকাৰ নকৰে বা এক সৃষ্টিকৰ্ত্তাৰ স্বীকাৰ নকৰে-- কাৰণ প্ৰত্যক্ষ প্ৰমাণৰ দ্বাৰা ইবিলাকৰ অস্তিত্ব প্ৰমাণ কৰিব নোৱাৰি। কিন্তু ব্যক্তিগত ঈশ্বৰৰ কথা অস্বীকাৰ কৰিলেও কোনো কোনো বিজ্ঞানী যেনে আইনষ্টাইন আদিয়ে বিশ্বাস কৰে যে এক অকল্পনীয় আৰু অতিশক্তিয়ে সমগ্ৰ বিশ্বব্ৰহ্মাণ্ড তথা পৃথিৱীক নিয়ন্ত্ৰণ কৰি আছে। বৰ্তমান বিজ্ঞানীয়ে অতি শক্তি (super energy) বা অতি মহাকৰ্ষণ শক্তি (super gravigy) ৰ ধাৰণা কৰে।

**শঙ্কৰী সাহিত্যত সৃষ্টিতত্ত্ব ঃ**

সৃষ্টিতত্ত্বৰ বিষয়ে মহাপুৰুষ শঙ্কৰদেৱৰ ৰচনাৰ কেইবা ঠাইটো উল্লেখ পোৱা যায়। কিন্তু এইবিলাকৰ ভিতৰত ভাগৱতৰ দ্বিতীয় আৰু তৃতীয় স্কন্ধ বিশেষকৈ অনাদি পাতন ভাগৱতত এই বিষয়ে সবিশেষ বৰ্ণনা কৰি দাৰ্শনিক পণ্ডিতৰ বাবে সম্ভৱ পৃথকে ৰচনা কৰিছিল। ভাগৱতৰ মতে নাৰায়ণে ব্ৰহ্মাক বিশ্বব্ৰহ্মাণ্ড সৃষ্টিৰ জ্ঞান চাৰিটি শ্লোকত দিছিল। প্ৰথম শ্লোক মতে--

জগতৰ পূৰ্বে মই মাত্ৰ থাকো জান।
কাৰ্য কাৰণৰ কিছু নাছিলেক আন।।

মহাভাগৱতৰ শ্ৰোতা পৰীক্ষিত ৰজাৰ প্ৰশ্নত শুক মহামুনিয়ে সৃষ্টি তত্ত্বৰ বিষয়ে উত্তৰ দিছে। ৰজা পৰীক্ষিতে প্ৰশ্ন কৰিছে--

সম্প্ৰতি ছেদিয়ো ঋষি সংশয় মনৰ।
সৃষ্টিৰ মধ্যত এক পুৰুষ ঈশ্বৰ।।
কেৱলে থাকয় হৰি এক ব্ৰহ্ম তত্ত্ব।
কিমতে স্ৰজন্ত হৰি ইটো ত্ৰিজগত।।

-- অনাদি পাতন, ভাগৱত-৯

শুকমুনিৰ উত্তৰ--

সৃষ্টি স্থিতি লয় মাধৱৰ মোক্ষ লীলা।
আপুনি তৰিলা তুমি লোককো তাৰিলা।। ১৪

ভাগৱতৰ মতে এই বিশ্বব্ৰহ্মাণ্ড (অনন্ত কোটি ব্ৰহ্মাণ্ডৰ হৰি অধিকাৰী' (নাম-ঘোষা)ৰ পুনৰ সৃষ্টি আৰু লয় (পৰিৱৰ্তন) হৈ থাকে। লয়ৰ পিছত ভৌতিক কোনো বস্তু নাথাকে আৰু স্থান, কাল আদি একো নাথাকে। অতি সূত্ৰৰ কল্পনা কৰিছে যিয়ে বিশ্বৰ সকলো শক্তিৰ বা কাৰ্য কাৰণৰ ব্যাখ্যা দিব পাৰিব। কিন্তু সূত্ৰবিলাকৰ বা নীতিবোৰৰ সৃষ্টি কেনেকৈ হ'ল তাৰো ব্যাখ্যা থাকিব লাগিব। এইখিনিতে বিজ্ঞানে অস্বীকাৰ কৰা সৃষ্টিকৰ্তা বা নিয়ন্ত্ৰকৰ আৱশ্যকতা আহি পৰে। বিজ্ঞানে যাক Super Gravity বা Super Law ক কল্পনা কৰিছে হয়তো এইবিলাক এক বিশ্ব নিয়ন্তা বা পৰমব্ৰহ্মাৰ কাৰ্য হ'ব পাৰে।

ধ্বংস বা লয়ৰ সময়ত অতিশয় তাপ বৃদ্ধি হয় আৰু সকলো পদাৰ্থৰ নাশ পায়--

ব্ৰহ্মাণ্ডক দহিলেক বাহিৰে ভিতৰে।
তপত লোহাক যেন দেখি নিৰন্তৰে।।
ৰক্তময় ব্ৰহ্মাণ্ড বহ্নিৰ পায়া ছোট।
যেন দেখি দগ্ধ গোময় পিণ্ড গোট।।

অনাদি পাতন, ভাগৱত

বিজ্ঞানীয়ে লয় কালত বিশ্বব্ৰহ্মাণ্ড পুনৰ এঠাইত সকলো শক্তি গোট খোৱাৰ কথা কৈছে আৰু গোটেই বিশ্ব চৰাচৰ লীন যোৱা বুলি কৈছে আৰু অন্তত এই সকলোবোৰ পুৰুষত বা ঈশ্বৰ কৃষ্ণত লীন যায় বুলি

শাস্ত্ৰত উল্লেখ কৰিছে।

মহা বায়ু লীন গৈল মহা আকাশত।
আকাশো পশিল অহঙ্কাৰৰ গৰ্ভত।।
মহত্ব তত্বত লীন গৈল অহঙ্কাৰ।
মহত্বও পশিল প্ৰকৃতিত পুনৰ্বাৰ।।
মহা প্ৰকৃতিয়ো পুৰুষতে গৈল লীন।
নাথাকিল আন একো পুৰুষত ভিন।।
.........................................................
নাহি শীত উষ্ণ, ঋতু, নাহি ৰাত্ৰি দিন।
সমস্তে সংসাৰ গৈল ঈশ্বৰত লীন।।

মহাবায়ু-আকাশ-অহঙ্কাৰ-মহত্ব-প্ৰকৃতি-পুৰুষ (ব্ৰহ্ম-কৃষ্ণ)-- এই ক্ৰমত বিশ্বব্ৰহ্মাণ্ড পুনৰ লয় পায়। পুনৰ সৃষ্টি কালত বিপৰীত ক্ৰমত অৰ্থাৎ ঈশ্বৰ কৃষ্ণ বা তত্ত্বৰ প্ৰকাশ ঘটি পুনৰ সৃষ্টিৰ পাতনি মেলে।

সৃষ্টি কৰিবাক ঈশ্বৰৰ ইচ্ছা কায়।
পুৰুষৰ পৰা মহামায়া ভৈল বাজ।।
অনাদি ৰূপিনী ঈশ্বৰৰ অৰ্দ্ধ কায়।
ব্যক্ত ভৈলা মহামায়া সৃষ্টিক ইচ্ছায়।।
নাইজল নাই স্থল নাহিকে আকাশ।
নাই মহাবায়ু চন্দ্ৰ সূৰ্যৰ প্ৰকাশ।।
নাহি শীত উষ্ণ ঋতু নাহি ৰাত্ৰি দিন।
সমস্তে সংসাৰ গৈল ঈশ্বৰত লীন।।
প্ৰকৃতিৰো ঈশ্বৰ পুৰুষ স্বতন্ত্ৰৰ।
নাহি যিটো ব্ৰহ্মৰ বাহিৰ অভ্যন্তৰ।।
জগতৰ জীৱ উদৰত দিয়া বাস।
কেৱল ঈশ্বৰ কৃষ্ণ কৰন্ত প্ৰকাশ।।
অনাদি অনন্ত যিটো ব্ৰহ্ম নিৰঞ্জন।
জ্ঞানময় আনন্দ ৰসত মগ্ন মন।।

অনাদি পাতন, ৩৮-৪০

ওপৰৰ উদ্ধৃত পদৰ পৰা বুজা যায় যে আদিম অৱস্থাত কোনো বস্তুৰ প্ৰকাশ নাছিল, স্থান বা আকাশ নাছিল; চন্দ্ৰ, সূৰ্য নাছিল অৰ্থাৎ সময় নাছিল বা সময় নিৰ্দ্ধাৰণৰ ব্যৱস্থা নাছিল। মাত্ৰ অনন্ত কাল (ব্ৰহ্মাণ্ড বা পৃথিৱীৰ সময়ৰ সৈতে একে নহয়) যাৰ আদি অন্ত নাই সিহে বিৰাজ কৰিছিল। কোনো পদাৰ্থও নাছিল, কাৰণ পদাৰ্থত ব্যাপ্তি (dimension) আছে-- যাৰ বাবে স্থানৰ প্ৰয়োজন। একমাত্ৰ ব্ৰহ্মহে আছিল যাৰ বাহিৰ অভ্যন্তৰ নাই-- এক ব্ৰহ্মাই ঈশ্বৰ কৃষ্ণ যি অনন্ত, অনাদি পুৰুষ, 'প্ৰকৃতিৰো ঈশ্বৰ'।

বিজ্ঞানে কৈছে যে সৃষ্টিৰ আদিম অৱস্থাত বিশ্বব্ৰহ্মাণ্ডৰ সকলো শক্তি (পদাৰ্থ শক্তিৰ ৰূপান্তৰ) এঠাইত থুপখাই আছিল; যাৰ ঘনত্ব আছিল অসীম-- এনে অসীম ঘনত্বযুক্ত 'পিণ্ড'ৰ বিষয়ে অৰ্থাৎ বিশ্বব্ৰহ্মাণ্ডৰ আদিম অৱস্থাৰ বিষয়ে বিজ্ঞানৰ কোনো সূত্ৰই ব্যাখ্যা কৰিব নোৱাৰে। অৰ্থাৎ বিশ্বব্ৰহ্মাণ্ডৰ শূন্যকালৰ অৱস্থাৰ বিষয়ে বিজ্ঞান নীৰৱ। এই মহাজাগতিক অণ্ড (Cosmic Egg)ৰ যি ধাৰণা সি বিজ্ঞানীৰ একপ্ৰকাৰ কল্পনা মাত্ৰ।

'Scientists now believe that in the beginning there was only a singularity, an entity which had no volume but had a very high density. The result of this extreme, almost infinite compaction was very high temperature and almost unbearable pressure leading to an enormous explosion- the Big Bang.' (Life in the Univese'- M.S. Chadha and Bal Phondke); আগত মহানাদ সূত্ৰৰ বিষয়ে আলোচনা কৰি অহা হৈছে। যদি জ্যোৰ্তিবিজ্ঞানীৰ সৃষ্টিতত্ত্বৰ সূত্ৰ আৰু ব্যাখ্যাৰ লগত অনাদি-পাতন ভাগৱতৰ পদৰ সৃষ্টি তত্ত্বৰ বিৱৰণিৰ লগত মিলাই চোৱা হয়, দেখা যায় যে দুয়ো ক্ষেত্ৰতে মৌলিক তত্বটো প্ৰায় একে। বিজ্ঞানে কৈছে যে-- বিশ্বব্ৰহ্মাণ্ড এক শূন্যকালৰ পৰা এক মহাজাগতিক অণ্ডৰ বিৰাট বিষ্ফোৰণৰ ফলত স্থান, কাল, শক্তি, পদাৰ্থ আদিৰ হ'ল আৰু কালক্ৰমত পৰিৱৰ্তন হৈ নক্ষত্ৰ, তাৰকাপুঞ্জ আৰু পিছত গ্ৰহাদিৰ সৃষ্টি হ'ল। বিজ্ঞানীয়ে এইটোও কৈছে যে এদিন এই বিশ্বব্ৰহ্মাণ্ডৰ লয় হ'ব আৰু আকৌ আগৰ অৱস্থালৈ ঘূৰি আহিব পাৰে। অৰ্থাৎ পুনৰ একলীয়তা অৱস্থালৈ ঘূৰি যাব, যি অৱস্থাত স্থান, কাল আদি একো নাথাকিব।

অনাদি পাতন ভাগৱততো অনাদি অৱস্থাত স্থুল, কাল, আকাশ আদি নাছিল বুলি কোৱা হৈছে। 'নাই জল, নাই স্থল নাহিকে আকাশ।' এই অৱস্থাত মাত্ৰ এক অনাদি ব্ৰহ্মহে বিৰাজ কৰে বুলি কৈছে। কিন্তু বিজ্ঞানে সেই

আদিম বা শূন্য কালৰ বিৱৰণ দিব পৰা নাই। বিজ্ঞানে যি মহাজাগতিক অণ্ড বা পিণ্ডটিৰ কথা কৈছে, সেই পিণ্ডটিৰ উৎপত্তি কেনেকৈ হ'ল বা ইয়াৰ স্বৰূপ কি সেই বিষয়ে সঠিক ব্যাখ্যা দিব পৰা নাই। অণ্ডটি অস্থিৰ অৱস্থালৈ অহাৰ বিষয়ে মাত্র কৈছে যে পদাৰ্থ আৰু শক্তি পুনৰ সংকোচন ঘটি এঠাইত থূপখাই অতিশয় তাপৰ সৃষ্টি হয়— এই অৱস্থাত ই পুনৰ বিস্ফোৰণ ঘটে। কিন্তু বিশ্বব্ৰহ্মাণ্ড অনন্তকাল সম্প্রসাৰণ ঘটি থাকিবনে পুনৰ সংকোচন ঘটি আগৰ অৱস্থাপ্রাপ্ত হ'ব, এই বিষয়ত বিজ্ঞানীয়ে শেষ সিদ্ধান্ত এতিয়াও দিয়া নাই। অৱশ্যে প্ৰাৰম্ভিক পৰীক্ষা আৰু প্ৰমাণৰ পৰা বিশ্বব্ৰহ্মাণ্ডখন পুনৰ সংকোচন হ'ব বুলি কোৱা হৈছে। '.... We can imagine an cndless cycle of expansion and contraction stretching into the infinite past, with no beginning whatever' (The First Three Minutes - Steven Weinberg, pp 154) অৰ্থাৎ আমি এক অন্তহীন সম্প্রসাৰণ আৰু সংকোচনৰ কল্পনা কৰিব পাৰো-- যিটো আদি অন্তৰ্হীন।

বিজ্ঞানীয়ে স্বীকাৰ কৰিছে যে বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টি আৰু ইয়াত মানৱৰ আগমন এলানি দুৰ্বিপাক ঘটনাৰ ফলশ্ৰুতি মাত্র নহয়, বৰং ই এটি পূৰ্বপৰিকল্পিত প্ৰক্ৰিয়া মাত্র। বিজ্ঞানীৰ বাবে বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টি ৰহস্য দুৰ্বোধ্য হৈয়ে আছে। সেয়ে স্বীকাৰ কৰিছে যে-- 'It is ever harder to realize that this present ubiverse has evolved from an unspeakably unfamiliar early condition, and faces a future extiction of endless cold or intolarable heat. The more the universe seems comprehensible, the more it also seems pointless.' (ঐ, পৃঃ ১৫৪)।

ভাগৱতৰ মতে এই বিশ্বব্ৰহ্মাণ্ডৰ এগৰাকী সৃষ্টিকৰ্তা আছে-- যিয়ে নিজ শক্তি (মায়া)ৰ দ্বাৰা জগত সৃষ্টি কৰে, পালন কৰে আৰু প্ৰলয় কালত নিজ উদৰত সামৰি থয়। ভাগৱতে সৃষ্টিকৰ্তাজনক পৰমব্ৰহ্ম বা কৃষ্ণ বুলি কৈছে-- যাৰ দ্বাৰা বিশ্বব্ৰহ্মাণ্ডত সৃষ্টি, স্থিতি আৰু লয় হৈ থাকে।

সত্বৰে কৰিয়ো মায়া জগত প্ৰকাশ।
কৰো সৃষ্টিৰ লীলা তাতে বিনোদ বিলাস।।

.....................................................

ঈশ্বৰৰ কটাক্ষে দেৱী ভৈলা গৰ্ভাৱতী।
প্ৰকৃতিৰ পুত্ৰ ভৈলা মহত্ব উৎপত্তি।।

এইদৰে পুনৰ বিশ্ব চৰাচৰৰ পাতনি মেলি ইয়াত জীৱৰ সঞ্চাৰ কৰিলে। নানা তত্ত্বৰ যোগেদি বিনন্দীয়া বিশ্ব তথা সমগ্ৰ বিশ্বব্ৰহ্মাণ্ড, (যি অনন্ত কোটি) সৃষ্টি কৰিলে।

বিজ্ঞানীয়ে কৈছে যে, কৃষ্ণ গহ্বৰৰ পৰিধিত অৰ্থাৎ কৃষ্ণ গহ্বৰৰ পৰা পুনৰ পদাৰ্থৰ সৃষ্টি হয়। বিশ্বব্ৰহ্মাণ্ডত অহৰহ শক্তিৰ পৰা পদাৰ্থৰ সৃষ্টি হৈ আছে বুলি বিজ্ঞানীয়ে কৈছে, কাৰণ আইনষ্টাইনৰ সূত্ৰ মতে $E = mc^2$ (য'ত E = শক্তি, M = পদাৰ্থৰ ভৰ, C = পোহৰৰ গতিবেগ) অৰ্থাৎ পদাৰ্থ আৰু শক্তি এটা অৱস্থাৰ পৰা অন্যটো অৱস্থালৈ পৰিৱৰ্তন হ'ব পাৰে। বিশ্বব্ৰহ্মাণ্ডত বিকীৰণ শক্তি আছে আৰু এই শক্তিৰ পৰা পদাৰ্থলৈ ৰূপান্তৰ হৈ নক্ষত্ৰ, তাৰকা, গ্ৰহ আদিৰ উৎপত্তি হৈছে। অৰ্থাৎ চাক্ষুষ প্ৰত্যক্ষহীন অৱস্থাৰ পৰা চাক্ষুষ প্ৰত্যক্ষযুক্ত বস্তুৰ সৃষ্টি হয়। অৰ্থাৎ শক্তিৰ ৰূপান্তৰ হয়। ভাগৱতৰ ভাষাত মায়া প্ৰকৃতি এক শক্তি (ঈশ্বৰ ব্ৰহ্মৰ শক্তি) এই শক্তি নানা তত্ব যেনে মহত্ব, মহাকাল, মহাবায়ু আদিৰ যোগেদি ব্যক্ত হয়, পিছত তিনি গুণময় তত্ত্ব যেনে সত্ব, ৰজঃ আৰু তমঃ-- এই তিনি গুণৰ দ্বাৰা ক্ৰমে জীৱৰ দেহৰ নানা তত্ত্ববিলাকৰ সৃষ্টি হ'ল। যেনে তম বা তামস গুণৰ পৰা শব্দৰ সৃষ্টি, শব্দৰ পৰা আকাশ, আকাশৰ পৰা পৰশ, পৰশৰ পৰা বায়ু, বায়ুৰ পৰা ৰূপ, ৰূপৰ পৰা অগ্নিৰ উৎপত্তি। অগ্নিৰ পৰা ৰস, ৰসৰ পৰা জল, জলৰ পৰা গন্ধ, গন্ধৰ পৰা বসুমতী বা পৃথিৱীৰ সৃষ্টি। ৰাজসিকৰ পৰা দশোন্দ্রিয়ৰ সৃষ্টি আৰু সাত্বিকৰ পৰা দশ দেৱৰ উৎপত্তি, দশ দেৱৰ পৰা চক্ষু, কৰ্ণ, নাসিকা, বাক্য, চৰ্ম্ম, হস্ত, জিহ্বা আৰু গুহ্যৰ উৎপত্তি হ'ল। জীৱৰ মন-বুদ্ধি-অহঙ্কাৰ আৰু চিত্তই হৃদয়ত এক হৈ মানৱ শৰীৰতে ব্ৰহ্ম সাধনাৰ বা ঈশ্বৰ সাধনাৰ ব্যৱস্থা কৰিলে। (অঃ পাঃ ভাঃ, ৫৩-৬২)

বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টি আৰু লয় চিৰন্তন। ই ঈশ্বৰ কৃষ্ণৰ একলীলা মাত্ৰ। বিজ্ঞানীয়েও বিশ্বব্ৰহ্মাণ্ডৰ প্ৰসাৰণ আৰু সংকোচন এক চিৰন্তন প্ৰক্ৰিয়া বুলি অভিহিত কৰিব বিচাৰিছে। বিখ্যাত বিজ্ঞানী ফ্ৰিটজফ কাপ্ৰাৰ মতে- 'This idea of a periodically expanding and contracting universe, which involves a scale of time and space of vast proportions, has arisen not only in modern cosmology, but also in encient Indian mythology. Experiencing the universe as an organic and rhythmically moving cosmos, the Hindus were able to develop evolutionary cosmologies which come very close to modern scientific models. One of these cosmologies is based on the Hindu myth of **Lila**- the divine play - in which Brahman trancforms himself into the world. **Lila** is a rhythmic play which goes on in endless cycle, the One beoming the many and the many returning into the One.' (The Tao of Physics - Fritjof Capra, p: 220)

এইদৰে বিজ্ঞানীয়ে বৰ্তমান হিন্দুধৰ্মীয় শাস্ত্ৰত থকা ব্ৰহ্মাৰ ধাৰণাটিৰ এক বিজ্ঞানভিত্তিক ব্যাখ্যা আগবঢ়াইছে। এই ব্ৰহ্মাই হৈছে এক ঈশ্বৰ কৃষ্ণ-- যাৰ লীলাৰ দ্বাৰা জগতখন পৰিচালিত হৈছে। ঈশ্বৰৰ লীলাৰ যোগেদি অৰ্থাৎ মায়া শক্তিৰ যোগেদি জগতলৈ ৰূপান্তৰ হয় বুলি কোৱা হৈছে আৰু এই প্ৰক্ৰিয়া অনন্ত। ■■

নমো নমো কৃষ্ণদেৱ　　তযু পাৰে কৰো সেৱ  
মোক আসি পাইলে অন্তকাল।  
কেশচয় পকি গৈল　　দন্ত সব জীৰ্ণ ভৈল  
সোটোৰা সোটোৰি ভৈল ছাল।।  
নয়নে বহয় নীৰ　　শৰীৰ নুহিকে থিৰ  
বাক্য আৰ নবজাই ভাল।  
জীৱন ধনৰ আশ　　তথাপি নুহিকৈ নাশ  
নিছিণ্ডয় মোহমায়া জাল।।  
-- ভাগৱত

# প্ৰথম স্কন্ধ ঃ এক বিহঙ্গম দৃষ্টি

জীৱকান্ত নাথ

শ্ৰীমদ্ভাগৱতৰ প্ৰথম স্কন্ধৰ কাহিনীভাগ যোল্লটি অনুখণ্ডৰে আৱৰি আছে। মঙ্গলাচৰণ, সূত-শৌণক সংবাদ, প্ৰস্তাৱনা, ব্যাস-নাৰদ সংবাদ, মহাভাগৱত শাস্ত্ৰ, নাৰদৰ উপৰি জন্মৰ কথা, পৰীক্ষিতৰ জন্ম ৰহস্য, কুন্তীৰ কৃষ্ণ স্তুতি, ভীষ্ম-মোক্ষ উৎসৱ কথন, কৃষ্ণৰ মেলানি, পৰীক্ষিতৰ জন্ম, পাণ্ডৱৰ স্বৰ্গাৰোহন, ধৰ্ম-পৃথিৱী সংবাদ, কলি নিগ্ৰহ আৰু ধৰ্মৰক্ষণ, ব্ৰহ্মশাপত পতিত পৰীক্ষিত আৰু শুকৰ আগমন। কৃষ্ণ দ্বৈপায়ন ব্যাস প্ৰণীত ভক্তি শাস্ত্ৰৰ মুকুট শ্ৰীমদ্ভাগৱতৰ প্ৰথম স্কন্ধটিতেই সমগ্ৰ গ্ৰন্থখনৰ বীজ ৰোপিত হৈছে। কৃষ্ণ মহাপ্ৰভুৰ মহাভক্ত সূত-শৌণকৰ শ্ৰীমুখৰ যোগেদি সমগ্ৰ গ্ৰন্থভাগিৰ যোগেদি কৃষ্ণৰ গুণনামৰ মাহাত্ম্য প্ৰকাশিত হৈছে। শ্ৰীমদ্ভাগৱতৰ মূলতত্ত্ব ভক্ত অৰ্থাৎ সৎসঙ্গ মাহাত্ম্য প্ৰথম স্কন্ধটিতেই সূত-শৌণকৰ কথোপকথনৰ মাজত প্ৰকাশ লাভ কৰিছে। সূত শৌণকৰ মিলনত শৌণক পৰম আহ্লাদিত হৈছে আৰু কৃষ্ণ ভকতৰ সঙ্গৰ মহিমা ব্যক্ত কৰিছে--

'ইহাতেসে আহ্মাৰ মিলিল মহাভাগ।
তুমি হেন মহন্তক পাইলো ভাগ্যে লাগ।।
যত স্বৰ্গসুখ যিটো মোক্ষ সুখ মূল।
ভকতৰ সঙ্গৰ অল্পকো নুহি তুল।।'৯

সৎসঙ্গৰ মহামিলনৰ ফলতেই এই জগতত বহুজনে নৰতনু ধন্য কৰিছে। প্ৰহ্লাদে নাৰদক লগ পাই জীৱন ধন্য কৰাৰ দৰেই শ্ৰীমদ্ভাগৱত প্ৰণেতা কৃষ্ণ দ্বৈপায়ন ব্যাসেও নাৰদক লগ পাই মানৱী তনুৰ সাৰ্থকতা উপলব্ধি কৰিলে আৰু পৰম পথৰ সন্ধান পালে। গ্ৰন্থকাৰে সূত-শৌণকৰ মণিকাঞ্চন সংযোগৰ তাৎপৰ্য ব্যাখ্যা কৰাৰ পৰৱৰ্তী অনুখণ্ডটিতেই সেয়েহে শুক-পৰীক্ষিত আৰু ব্যাস নাৰদৰ মহামিলনৰ তাৎপৰ্যৰ ব্যক্ত কৰিছে। ব্যাস নাৰদৰ মণিকাঞ্চন সংযোগ নঘটাহেঁতেন ব্যাসৰ মানসিক যন্ত্ৰণাৰ যে অৱসান নঘটিলহেঁতেন, সেই কথা ব্যাসে উপলব্ধি কৰিয়েই নাৰদৰ পৰামৰ্শক্ৰমে শ্ৰীমদ্ভাগৱত ৰচনা কৰি ভকততত্ত্ব ব্যক্ত কৰিছে আৰু পুত্ৰ শুকক ভাগৱত অধ্যয়ন কৰোৱাই জগতৰ পৰম মঙ্গল চিন্তা কৰিছে। পিতৃ ব্যাস আৰু পুত্ৰ শুকৰ পাৰ্থিৱ প্ৰেমৰ সম্পৰ্ক অতিক্ৰম কৰি অপাৰ্থিৱ প্ৰেমৰ সম্পৰ্ক স্থাপন কৰি ভকত তত্ত্বৰ মহিমা নিজ জীৱনৰ আদৰ্শ স্বৰূপেই ব্যক্ত কৰিছে।

প্ৰথম স্কন্ধতেই পৰম ভক্ত নাৰদৰ যোগেদি প্ৰবৃত্তি মাৰ্গৰ অসাৰ্থকতা প্ৰতিপন্ন কৰিছে। ব্যাসে প্ৰবৃত্তি মাৰ্গৰ প্ৰচাৰ-প্ৰসাৰৰ যোগেদি জীৱনৰ আদি ভাগতে কৰা ভুলৰ কথা সোঁৱৰাই দিছে আৰু কেৱল কৃষ্ণৰ নামৰ মাহাত্ম্য প্ৰচাৰ কৰিবৰ বাবে পৰামৰ্শ প্ৰদান কৰিছে--

'নাৰদ বদতি শুনা মহামুনি ব্যাস।
তুমিসে কৰিলা সৱে জগতকে নাশ।।
নিৰন্তৰে পশুৰ লোৱাইলা তুমি প্ৰাণ।
নাহি মন্দ কৰ্ম্ম আৰ ইহাৰ সমান।।৩২
আকস্মিতে লোকক কৰাইলা হিংসা ধৰ্ম্ম।
নুবুজিলা তুমিয়ো বেদৰ তত্ত্ব মৰ্ম্ম।।
গহিৰিত কৰ্ম্মকো কহিলা ধৰ্ম্ম বুলি।
তোহ্মাৰ বচনে লোক নাশিল সমূলি।।৩৩
স্বভাৱে লম্পট বিষয়ত অনুৰাগ।
স্বৰ্গ পাইবো বুলি ৰঙ্গে কাটে হংস ছাগ।।
কৰৈ নানা হিংসা ধৰ্ম্ম নানা দেৱ পূজৈ।
পুণ্যক্ষয় ভৈলে দুনাই নৰকত মজৈ।।'৩৪

নৱবিধ ভকতিৰ ভিতৰত শ্ৰৱণ-কীৰ্তনৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন আৰু কৃষ্ণ মহাপ্ৰভুৰ গুণ-নামৰ মহাশক্তিৰ মহিমা প্ৰচাৰ-প্ৰসাৰৰ বাবে ব্যাসদেৱক সেয়েহে পৰামৰ্শ

প্ৰদান কৰিছে--

'যদ্যপি ভকতি নৱবিধ মাধৱৰ।
শ্ৰৱণ কীৰ্ত্তন তাতো মহাশ্ৰেষ্ঠত্বৰ।।
অৰ্চ্চন বন্দন ধ্যান সমস্ততে কৰি।
যশ কীৰ্ত্তনত আতি তুষ্ট হোন্ত হৰি।।৩৮
ভকতে যতেক গাৱৈ গুণ নামচয়।
তাৰ মালা গান্থিয়া পিন্ধন্ত কৃপাময়।।
হেন জানি ব্যাস ঋষি তুমি সৰ্ব্বজান।
নিৰ্ম্মিয়োক শাস্ত্ৰ কৃষ্ণ চৰিত্ৰ প্ৰধান।।'৩৯

নাৰদৰ পৰামৰ্শ পালন কৰাৰ ফলতেই কৃষ্ণ দ্বৈপায়ন ব্যাস প্ৰভুৰ কাপত নিগৰি আহিল কৃষ্ণৰ গুণ-নামৰ মহাসাগৰ আৰু সৃষ্টি হ'ল ভকতৰ হৃদয়ৰ ধন অজৰ-অমৰ ধ্ৰুপদী শিল্পকৰ্ম 'শ্ৰীমদ্ভাগৱত'। ভক্তি ৰসৰ মহাসাগৰত অৱগাহন কৰি পৰম সুখৰ সন্ধান লভিছে 'ধন্য ধন্য কলিকাল ধন্য নৰতনু ভাল, ধন্য ধন্য ভাৰত বৰিষ'ৰ আগণন ভক্তবৃন্দই। যাগ-যজ্ঞ, বলি-বিধান বিসৰ্জন দি কৃষ্ণৰ চৰণ ভজনা কৰি জীৱনৰ অমিয়া পান কৰিছে। ক্ষণভঙ্গুৰ জীৱন-জগতৰ অসাৰতা উপলব্ধি কৰিছে ভকতি ৰসত নিমজ্জিত হৈ। হনুমান, জাম্বৱান, বিভীষণ, উদ্ধৱ, বিদুৰ, মৈত্ৰেয়কে আদি কৰি ভক্তবৃন্দই আৰু ব্ৰহ্মা-মহাদেৱকে আদি কৰি বাৰজন বৈষ্ণৱে কৃষ্ণ মহাপ্ৰভুৰ গুণনামৰ অপাৰ শক্তিৰ মহিমা উপলব্ধি কৰি ভকতিৰ মহাসাগৰত নিজক নিমজ্জিত কৰি পৰম সুখৰ সন্ধান পাইছে। ভক্তি ৰসৰ মহাশক্তিৰ প্ৰভাৱতেই জীৱই সংসাৰৰ বন্ধন ছেদ কৰি পৰমশক্তিৰ লগত একাকাৰ হৈ পৰে। ভক্তিধৰ্মত জাত-পাত, ধনী-দুখীয়া, উচ্চ-নীচ, ক'লা-বগা, পুৰুষ-স্ত্ৰী নাই; ইয়াত সকলো সমান। প্ৰকৃতাৰ্থত ভগৱন্তই মানুহক মানুহ হিচাপেহে সৃষ্টি কৰিছে। ব্যৱধানবোৰ নৰ সমাজৰ। বিজ্ঞানৰ গৱেষণাগাৰত তেজ পৰীক্ষা কৰি উত্তৰ উলিয়াব নোৱাৰিব, কোনজন কোন ধৰ্মৰ লোক, অৰ্থাৎ হিন্দু নে মুছলমান নে খৃষ্টীয়ান, কোনজন জৈন, কোনজন বৌদ্ধ, কোনজন শিখ ইত্যাদি ইত্যাদি। বিজ্ঞানাগাৰত প্ৰমাণ কৰিব নোৱাৰিব কোনজন কোন সম্প্ৰদায় লোক-তথাকথিত উচ্চ নে নীচ। মাথোন প্ৰমাণ কৰিব পাৰিব ৰক্তৰ বৰ্গীকৰণ অৰ্থাৎ কোনজনৰ কি গ্ৰুপ। জীৱ-জন্তুৰ জগতখনতো একেই কথা। আজিৰ মানৱ সমাজে কুকুৰক কুকুৰ, মেকুৰীক মেকুৰী, শিয়ালক শিয়াল, কুলিক কুলি, কাউৰীক কাউৰী ইত্যাদি প্ৰাণীক এটা এটা জাতৰ বুলিয়েই গণ্য কৰে। কিন্তু ইয়াৰ বিপৰীতে মানুহক মানুহ হিচাপে গণ্য নকৰে। মানুহৰ মাজত জাত-পাত ধৰ্ম অনেক। শ্ৰীমদ্ভাগৱত গ্ৰন্থৰ আৰম্ভণিতেই আধুনিক বিজ্ঞানৰ যুগৰ নৱ সমাজৰ ঋণাত্মক ধ্যান-ধাৰণাৰ যুক্তি খণ্ডন কৰি ভক্তি ধৰ্মৰ মাহাত্ম্যৰ কথা ব্যক্ত কৰি সূতে শৌণকক কৈছে--

'হেন শুনি সূতে বিনাৱন্ত অৱনত।
আমি অকুলীন হেন আছিল মনত।।
তোমাসাৰ প্ৰশ্নে ভৈলো আজিসি পৱিত্ৰ।
শুনা যেন জানো কহো কৃষ্ণৰ চৰিত্ৰ।।১৮
.........................................................
কৃষ্ণ চৰিত্ৰত মোৰ মহা লাভ আছে।
কৃষ্ণৰ কীৰ্ত্তনে জাতি অজাতি নবাছে।।২০

শ্ৰীমদ্ভাগৱতৰ নানা স্থানত মধ্যযুগৰ ভক্তি আন্দোলনৰ দলত সৃষ্টি হোৱা গুৰুজনৰ কীৰ্ত্তন দশমকে আদি কৰি বিভিন্ন ধ্ৰুপদী গ্ৰন্থত এনে কথাৰ উল্লেখ দেখাৰ; এনে কথাৰ উদ্ধৃতি দি শেষ কৰিব নোৱাৰি। কিন্তু পৰিতাপৰ কথা যে মধ্যযুগৰ ভক্তি আন্দোলনে ভাৰতবৰ্ষত ভক্তিৰ ভাৱ জাগৃত কৰি বিজ্ঞানৰ যুগত আকাশত তথা মহাকাশত উৰি ফুৰা মানুহৰ মনত জাত-পাত নিঃশেষ কৰিব নোৱাৰিলে। ৰাষ্ট্ৰীয় একতাৰ তথা বিশ্বজনীন একতাৰ ভাৱ মানৱ মনত ৰোপণ কৰিবলৈ সক্ষম নহ'ল। কিন্তু জাম্বৱান, হনুমান, বিভীষণ আদি ভক্ত বৃন্দই ত্ৰেতা, দ্বাপৰ যুগতেই বিজ্ঞানৰ এনে সত্য প্ৰতিপন্ন কৰি গৈছে।

প্ৰথম স্কন্ধতেই নিগম মাৰ্গৰ জয়ধ্বজা উৰুৱাই আগম মাৰ্গৰ সাৰশূন্যতা প্ৰতিপন্ন কৰিছে শৌণক মুনিয়ে। হাজাৰ বছৰ যাগ-যজ্ঞ, পূজা-পাতল আদি প্ৰবৃত্তি মাৰ্গৰ পথ অবলম্বন কৰি শৌণক মুনিৰ সূতক লগ পাই কেনে উপলব্ধি হ'ল সেই কথা শৌণকে ব্যক্ত কৰিছে, এনেদৰে-

'শৌণক বদতি শুনা সূত মহামানী।
পৰম পাতকী কলি পাইলে হেন জানি।।

আৰম্ভিলো যজ্ঞ আমি সহস্ৰ বৎসৰ।
হোম ধূমে ধূম্ৰবৰ্ণ ভৈল কলেৱৰ।।৬
যিটো কৰ্ম্ম কতো আত নাহিকে বিশ্বাস।
আপোনাৰ আয়ুক কৰিলো ব্যৰ্থে নাশ।।
সম্প্ৰতি তুমিসি চিন্তিয়োক মহাহিত।
কৰায়োক পান কৃষ্ণ চৰিত্ৰ অমৃত।।৭

ভগৱান কৃষ্ণই শ্ৰীমদ্ভগৱত গীতাত ব্যক্ত কৰি যোৱা আত্মাৰ অমৰত্ব আৰু জীৱৰ কৰ্মফল অনুযায়ী পৰজন্ম পূৰ্বজন্মৰ ধাৰণা নিষ্পন্ন হৈছে মহাভক্ত মহৰ্ষি নাৰদৰ জীৱনত। ভাৰতীয় ধৰ্ম-দৰ্শনৰ এনে ধাৰণা ভগৱান কৃষ্ণই শ্ৰীমদ্ভগৱদগীতাত অৰ্জুনৰ আগত ব্যক্ত কৰি গৈছে। প্ৰথম স্কন্ধৰ 'নাৰদৰ উপৰি জন্মৰ কথা' অনুখণ্ডটিত দ্বিজদাসীৰ পুত্ৰ নাৰদে ভকতিৰ বলত পৰজন্মত ব্ৰহ্মাৰ মানস পুত্ৰ হৈ আত্মাৰ অমৰত্ব আৰু পৰজন্ম পূৰ্বজন্মৰ সত্যতা প্ৰতিপন্ন কৰিছে। নাৰদৰ শ্ৰীমুখেদি ব্যক্ত হৈছে--

'সেহি সময়ত আসি মিলিল প্ৰলয়।
প্ৰৱেশিলো গৈয়া মই ব্ৰহ্মাৰ হৃদয়।।
তাহানে মানস পুত্ৰ হুয়া ভৈলো জাত।
দেখা ভকতিৰ কিনো মহিমা সাক্ষাত।।২২
ভকতিৰ প্ৰভাৱ কহন্তে অদভূত।
ভৈলো অৱতাৰ মই হুয়া দাসীসুত।।'

'পৰীক্ষিত জন্ম ৰহস্য' অনুখণ্ডটিত প্ৰকাশিত হৈছে ভকতৰ শৰণাগতিৰ মহিমা আৰু মাতৃ হৃদয়ৰ স্বৰূপ। ভক্তি ধৰ্মত ভগৱন্ত মহাপ্ৰভুৰ চৰণত একান্তভাৱে কায়-বাক্য-মনে আত্মসমৰ্পণ কৰা মানসিক অৱস্থাটোৱেই হৈছে শৰণ। এনে অৱস্থাত ভক্ত আৰু ভগৱানৰ পাৰ্থক্য নাথাকে। 'তত্ত্বমসি' তুমিয়েই মই আৰু মইয়েই তুমি-- এই তত্ত্বটিয়েই হৈছে শৰণ। আত্মা-পৰমাত্মাৰ মিলন। বিশ্ব কবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ ভাষাত-- 'আমাৰ মধ্যে তোমাৰ প্ৰকাশ তাই এত মধুৰ।' এনে অৱস্থাত ভগৱন্তই ভকতক সংকটৰ মুহূৰ্তৰ পৰা উদ্ধাৰ কৰি ভকতৰ মনোবাঞ্ছা পূৰ্ণ কৰে। ভগৱান কৃষ্ণইসেয়ে অশ্বত্থামাৰ বিনাশকাৰী ব্ৰহ্মবাণৰ পৰা পাণ্ডৱ সহিতে দ্ৰৌপদীক আৰু পাণ্ডৱৰ নাতিবধূ উত্তৰা সহিতে গৰ্ভস্থিত পৰীক্ষিতক মৃত্যু কৱলৰ পৰা উদ্ধাৰ কৰিছে। অশ্বত্থামাৰ ব্ৰহ্মবাণৰ অগ্নিশিখাই উত্তৰাৰ পিনে খেদি অহাত উত্তৰাই--

'কৰা পৰিত্ৰাণ বন্ধু মাধৱ সম্প্ৰতি।।
হেৰা আসি পাইলে মোক দুৰন্ত মৰণে।
অভয় চৰণে প্ৰভু পশিলো শৰণে।।১০৫
অগতিৰ গতি মোক কৰা পৰিত্ৰাণ।
তুমি বিনে ৰাখন্তা নেদেখো নাথ আন।।
নাহি চিন্তা মৰো মই এহি শৰে ফুটি।
কৰিয়োক ৰক্ষা মাত্ৰ মোৰ গৰ্ভগুটি।।' ১০৬

বুলি শৰণ ভিক্ষা কৰাত প্ৰভুয়ে নিজ হাতে গদা ধাৰণ কৰি উত্তৰাক ৰক্ষা কৰাৰ লগতে গৰ্ভস্থ সন্তানক গৰ্ভত প্ৰৱেশ কৰি পৰীক্ষিতৰ প্ৰাণ দান কৰিছে--

'কোটি এক শশী সম শৰীৰ প্ৰকাশে।
ফুৰন্তে আছন্ত গদা ধৰি চাই পাশে।।
গদায়ে অস্ত্ৰৰ তেজ নিবাৰন্তে আছে।
দেখে ঈশ্বৰক শিশু আপোনাৰ কাছে।।১১৩
দেখন্ত অঙ্গত সিঞ্চে যেন শৰীৰত।
কোন ইটো বুলি শিশু গুণন্ত মনত।।'

মাতৃ হৃদয়ৰ স্বৰূপ প্ৰকাশ এই আখ্যানটিৰ অন্য এটা প্ৰধান দিশ। দ্ৰোণীয়ে প্ৰতিহিংসা পূৰণ কৰিবলৈ গৈ দ্ৰৌপদীৰ পঞ্চপুত্ৰৰ শিৰশ্চেদ কৰি বৃকোদৰৰ সমুখত দিয়াৰ পিছত দ্ৰৌপদীৰ কাতৰ অৱস্থা দেখি অৰ্জুনে গুৰুপুত্ৰ দ্ৰোণীৰ শিৰশ্ছেদ কৰি দ্ৰৌপদীক দিয়াৰ যি প্ৰতিশ্ৰুতি আছিল, সেই প্ৰতিশ্ৰুতি ৰক্ষা কৰিব নোৱাৰিলে কেৱল পাঞ্চালীৰ মাতৃ হৃদয়ৰ কৰুণাৰ কাৰণেই। অৰ্জুনে দ্ৰোণীক হাতে-ভৰিয়ে বান্ধি দ্ৰৌপদীৰ সন্মুখত পেলাই দিয়াত দ্ৰৌপদীৰ মাতৃ হৃদয় কান্দি উঠিল। মনত পৰিল গুৰুপত্নী গৌতমীলৈ। এগৰাকী মাতৃয়ে আন এগৰাকী মাতৃৰ একে যন্ত্ৰণা ভোগ কৰিবলৈ দিবলৈ ইচ্ছা নকৰিলে। দ্ৰৌপদীৰ বাধা পাই অৰ্জুনে চূড়ামণি সহিতে কেশ মুণ্ডন কৰি গতিয়াই দ্ৰোণীক দেশান্তৰী কৰিলে। এইবাৰ দ্ৰৌণী ৰক্ষা পৰিল একমাত্ৰ মাতৃ হৃদয়ৰ কৃপাত। এই দুটি প্ৰধান দিশ প্ৰথম স্কন্ধৰ অনুখণ্ডটিত প্ৰকাশ লগত কৰিছে।

প্ৰথম স্কন্ধটিৰ অন্যান্য চৰিত্ৰসমূহৰ মাজৰে এটি ব্যতিক্ৰমধৰ্মী চৰিত্ৰ হ'ল পৰম ভক্তা কুন্তী। এই কাৰণেই এই চৰিত্ৰটি ব্যতিক্ৰম যে মানুহে এই জগত আশা কৰে

সুখ-শান্তি আৰু সম্পদ; কিন্তু কুন্তীয়ে ইয়াৰ বিপৰীতে জীৱনত পাবলৈ আশা কৰিছে দুখ-যন্ত্ৰণা। তাৰ প্ৰধান কাৰণ হ'ল সম্পদৰ দিনত সাধাৰণতে ভগৱানলৈ মনত নপৰে, কিন্তু বিপদ কালত ভগৱানলৈ মনত পৰে, নৰ সমাজে তেওঁৰ নাম লয়, তেওঁক কাতৰ প্ৰাৰ্থনা জনায় বিপদৰ পৰা উদ্ধাৰৰ কৰিবৰ কাৰণে। 'কুন্তীৰ কৃষ্ণ-স্তুতি' অনুখণ্ডিত কুন্তীয়ে কৃষ্ণক প্ৰাৰ্থনা কৰিছে--

'সেহি সেহি আপদ আস্মাৰ অভিমত।
তোস্মাক দেখিবে পাওঁঞো যিটো আপদত।।১১৯
শ্ৰীভৈলে ভুলৈ মন কৰৈ নানা কাম।
সম্পদত নপাৰো লৈবাক তব নাম।।'

সেয়েহে কুন্তীয়ে সুদৃঢ়ভাৱে চিত্ত স্থিৰ কৰি মহাপ্ৰভু কৃষ্ণক প্ৰাৰ্থনা জনাইছে আৰু তেওঁৰ ৰাতুল চৰণ স্মৰণ কৰিছে--

আন দেৱ ধৰ্ম্মত নযাওক মোৰ মতি।
তোস্মাত কৰোহো মাত্ৰ নিৰন্তৰে ৰতি।।১২৬
যেন জাঁজি গঙ্গাক নিৰোধ কৰে যদি।
সাগৰত পৰয় তথাপি দেৱ নদী।।
সেহিমতে বিঘ্নিকো নগনি মোৰ মন।
সদায়ে স্মৰোক মাত্ৰ তোস্মাৰ চৰণ।।১২৭

চাৰিশ বছৰ পৰমায়ু ভোগ কৰা মহা পৰাক্ৰমী, শক্তিমন্ত, হিমালয় পৰ্বতসম মানসিক স্থিতিৰ অধিকাৰী সান্তনুনন্দন পৰম ভক্ত ভীষ্মই হ'ল এই স্কন্ধটিৰ কৃষ্ণৰ মহিমা প্ৰকাশক এটি উজ্জ্বল চৰিত্ৰ। মহাভাৰতৰ প্ৰবল প্ৰতাপী যৌৱনকালৰ দুৰ্দান্ত তথা দূৰন্ত গতিশীল মনৰ ভীষ্মক আমি শ্ৰীমদ্ভাগৱতত লগ নাপাওঁ; পাওঁ এজন পৰম ভক্তৰূপে যিজনে আজীৱন একান্ত ভকতি কৰি পৰম গতি লাভ কৰিছে। মৃত্যু সম্পৰ্কত ভাৰতীয় দৰ্শনৰ অভিমত হ'ল যে ই এটি কলা, ই এটি সুকোলম শিল্প। মৃত্যুৰ মুহূৰ্তত যন্ত্ৰণাৰ কাতৰ ধ্বনি মানৱৰ বাবে, পৰম ভক্তৰ বাবে কাম্য হ'ব নোৱাৰে; কাম্য হোৱা উচিত পৰম সুখ। পৰম ভক্তজনে সেই মুহূৰ্তত কামনা কৰে পিঞ্জৰাবন্ধ আত্মৰূপী পখীটি দূৰ দিগন্তলৈ উৰা মাৰি অসীম অনন্তজনৰ লগত একাত্মতা স্থাপন কৰক। মাধৱ মহাপুৰুষৰ ভাষাত--

'হে কৃষ্ণ তযু পাদপদ্ম পঞ্জৰ ভিতৰে মোৰ মন
ৰাজহংস পশি থাকোক প্ৰভু সৰ্ব্বথা।
প্ৰাণ প্ৰয়াণৰ সময়ত কফ বাত পিত্ত আদি যত
কণ্ঠ নিৰোধনে তোমাৰ স্মৰণ কথা।।
-- নামঘোষা

আৰু তাৰ পৰৱৰ্তী মুহূৰ্তত ভক্তজন পাৰ্থিৱ প্ৰেমৰ মায়াডোল ছিঙি মিলি যায় অপাৰ্থিৱ প্ৰেমৰ মহাসাগৰত-

'হে কৃষ্ণ পুত্ৰ পত্নী সঙ্গ তেজি তযু পদ চিন্তিনিত
গৰ্ব্বশূন্য সন্ত সৱৰ আশ্ৰমে যাইবো।
তাসম্বাৰ মুখ পদ্ম বাজ হুইবে তযু কথামৃত নদী
তাতে মগ্ন হুইয়া দেহাৰ হাত এড়াইবো।।

ভগৱন্ত কৃষ্ণই যেতিয়া পাণ্ডৱসকলক লগত লৈ শৰশয্যাত পৰি থকা ভীষ্মৰ কাষ পালেগৈ, তেতিয়া পৰম ভক্ত ভীষ্মই শঙ্খ চক্ৰ গদা পদ্ম ধাৰণ কৰোতে পুৰুষোত্তমজনৰ ৰূপ চাই চাই মিলি গ'ল পৰম পুৰুষৰ লগতেই। কৃষ্ণৰ সেই ৰূপ আনে নেদেখিলে, দেখিলে কেৱল ভক্তজনেহে। শৰৰ বেদনা ভীষ্মই লেখমানো অনুভৱেই নকৰিলে।

'হে কৃষ্ণ কৃষ্ণ আৰে মোহোৰ আগত।
যিটো চতুৰ্ভূজ ৰূপ কৰিছা বেকত।।
অৰুণ চৰণ চাৰু সুপ্ৰসন্ন মুখ।
পাসৰিলো শৰৰ বেদনা যত দুখ।।

এয়েই কলা, এয়েই শিল্প যি বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰ মতে-- 'মৃত্যু ৰে মম শ্যাম সমান।' ভীষ্মই শৰশয্যাত থাকোতে কাতৰ ভাৱে প্ৰাৰ্থনা জনালে যে মোৰ এই তনুৰ পৰা প্ৰাণ বাহিৰ হৈ নোযোৱালৈকে তুমিও যেন তোমাৰ সুন্দৰ ৰূপ পৰিহাৰ নকৰা। ভগৱন্তইও ভকতৰ কথা ৰক্ষা কৰিলে। ভীষ্মই তেতিয়া--

এহি বাক্য বুলি মন দৃষ্টি দিয়া
কৃষ্ণক কৰিয়া ধ্যান।
অৰুণ চৰণ মনে আলিঙ্গিয়া
ভীষ্মে এৰিলন্ত প্ৰাণ।।
পাইলা পাৰিষদী তনু তাৰক্ষণে
মিলিল ব্ৰহ্ম সম্প্ৰতি।
দেৱ সিদ্ধ ঋষি সৱেও দেখিলা
ভীষ্মে পাইলা মহাগতি।।১৭২

সেয়েহে মহামুনি ব্যাসে, ৰজা পৰীক্ষিতে, মহাপুৰুষ শঙ্কৰদেৱে মৃত্যুক এটি মহোৎসৱ ৰূপেহে গণ্য কৰিছে।

কলিকাল এফালেদি যেনেকৈ বহুজনৰ বাবে মহাকাল, ইয়াৰ বিপৰীতে বহুজনৰ বাবে, ভকতসৱৰ বাবে কলিকাল হ'ল পৰমকাল। ভকতসকলে ভাবে মহাপুণ্যৰ ফলত কলিকালত নৰতনু লাভ কৰে। ধৰ্মৰ মূল সম্পদ সত্য, শৌচ, দয়া, তপস্যা আদি কলিকালৰ নৰসমাজৰ হৃদয়ত দুৰ্ল্লভ হ'লেও এই কালতেই পৰম ভক্তজনে ভগৱন্তৰ নাম জপি পৰম গতি লাভ কৰে। কলিকালৰ এনে মহত্ত্বৰ কাৰণেই ৰজা পৰীক্ষিতে কলিক নিজ ৰাজ্যত আশ্ৰয় দিছিল। কলিকালৰ কলিৰ শক্তিয়ে পৰীক্ষিতক প্ৰভাৱিত কৰিলেও পৰীক্ষিতে এইয়া ভগৱন্তৰ কৃপা বুলিহে মানি লৈছে। 'হস্তীৰো পিচলে পাৱ সজ্জনৰো বুৰে নাও' হোৱাৰ বাবেই পৰীক্ষিতে শমীক মুনিৰ গলত সৰ্প মেৰিয়াই পুত্ৰ শৃংগীৰ দ্বাৰা অভিশপ্ত হ'বলগীয়া হৈছিল। কিন্তু পৰীক্ষিতে শৃংগীৰ এই অভিশাপ আশীৰ্বাদ ৰূপেহে গণ্য কৰিলে। কিয়নো পৰীক্ষিতৰ উপলব্ধিত--

'গৃহ অন্ধকূপত কৰিলো মই পাপ।
কৃষ্ণৰেসে প্ৰসাদত পাইলো ঋষিশাপ।।
জানন্ত বিফলে মৰে ভৃত্যৰ সন্ততি।
শাপ দিয়াই উপজাইলা মোৰ বিৰকতি।।৩৭৫

অৱশ্যে ইয়াৰ পূৰ্বে পৰীক্ষিতৰ কৃতকৰ্মৰ বাবে তেওঁৰ মনলৈ অনুশোচনা আহিছে। ঋষিক ডিঙিত সৰ্প মেৰিয়াই দি তেওঁ যে এটি অকাৰ্য কৰিলে, তাৰ ফলস্বৰূপে তেওঁ যে শাস্তি পোৱা উচিত, সেই কথা পৰীক্ষিতে উপলব্ধি কৰিছে। 'মই মহাপাপীৰ উচিত ভৈলা দণ্ড' বুলি অপৰাধৰ প্ৰায়শ্চিত্ত মূৰ পাতি লৈছে। অনুশোচনাই হৈছে প্ৰকৃত প্ৰায়শ্চিত্ত। মহৎ হৃদয়ৰ অধিকাৰীজনে, পৰম ভক্তজনে অনুশোচনাৰ দ্বাৰাই প্ৰায়শ্চিত্ত হোৱা বুলি অনুভৱ কৰে। প্ৰথম স্কন্ধটিত এনে প্ৰকৃত প্ৰায়শ্চিত্তৰ ধাৰণা লক্ষণীয়।

পৰীক্ষিতক তক্ষকে দংশন কৰি মৃত্যু ঘটাব বুলি বাতৰি প্ৰচাৰ হোৱাৰ লগে লগে ঋষি-মুনিসকল ৰজাৰ সাক্ষাৎ লাভ কৰিবলৈ আহিল আৰু পৰীক্ষিতে এনে মহাপাপৰ পৰিত্ৰাণৰ উপায় সোধাত নানা মুনিয়ে নানা মত প্ৰদান কৰিলে।

'শুনি মুনিসৱে বোলে যাৰ যেন মতি।
কেহো বোলৈ তপতে পৰম পাই গতি।।
কেহো বোলৈ মহাসিদ্ধি সাধে যজ্ঞ দানে।
কেহো বোলৈ পৰম মুকুতি তীৰ্থ স্থানে।।৩৯৫
কেহো বোলৈ মহাযজ্ঞে তৰৈ সংসাৰক।
কেহো বোলৈ এৰাই মহাজ্ঞানেসে নৰক।।
সবে হন্তে কহে আপোনাৰ নানা মত।
হেন শুনি স্বস্থ নোহে ৰাজাৰ মনত।। ৩৯৬

কিন্তু পৰম ভক্ত শুকৰ আগমনে সকলো সমস্যাৰ অন্ত পেলালে। পৰীক্ষিতে মনৰ কিংকৰ্তব্যবিমূঢ় অৱস্থাৰ উত্তৰ বিচাৰি পালে। শুকমুনিয়ে পৰম সত্য ঘোষণা কৰিলে পৰীক্ষিতৰ সমুখত--

'নাৰায়ণ স্মৰণেসে পৰম মঙ্গল।
এহিমানে জীৱনৰ জন্মৰ সাফল।।
অন্তকালে হৰি স্মৰে যিটো ভাগ্যৱন্ত।
তাহাৰ মহিমা কৰি কোনে পাৰে অন্ত।।৯

দ্বিতীয় স্কন্ধ

প্ৰথম স্কন্ধৰ ব্যাসদেৱকৃত শ্ৰীমদ্ভাগৱতৰ উনৈশটা অধ্যায়ৰ কথাখিনি মহাপুৰুষ শঙ্কৰদেৱে অতি সহজ-সৰল ভাষাৰে ভক্তি ধৰ্মৰ তত্ত্ব নৰসমাজত ব্যক্ত কৰিছে। ■■

# ভাগৱতৰ প্ৰথম চাৰি স্কন্ধৰ সংক্ষিপ্ত সাৰ

ড° মহেশ্বৰ হাজৰিকা

শ্ৰীমদ্ভাগৱতৰ প্ৰথম স্কন্ধত মুঠতে ঊনৈশটি অধ্যায় আছে। তাৰে প্ৰথম অধ্যায়টিত কোৱা হৈছে যে অনিমিষক্ষেত্ৰ নৈমিষত শৌণক প্ৰমুখ্যে ঋষিসকলে স্বৰ্গপ্ৰাপ্তিৰ উদ্দেশ্যে সহস্ৰ বৰ্ষীয় এক সত্ৰ অনুষ্ঠিত কৰি আছিল। তাতে এদিনাখন ঋষিসকলে সূতক (ৰোমহৰ্ষণৰ পুত্ৰ উগ্ৰশ্ৰৱা) সুধিলে 'তুমিতো সমস্ত ইতিহাস, পুৰাণ, ধৰ্মশাস্ত্ৰ অধ্যয়ন কৰিছা। এতিয়া একান্ত শ্ৰেয়ঃপ্ৰাপ্তিৰ সাধন কি বুলিনো তুমি নিশ্চয় কৰিছা, আমাক কোৱাচোন।' এই প্ৰশ্নৰ উপৰিও তেওঁলোকে সুধিলে (২) দৈৱকীৰ গৰ্ভত সাত্বতসকলৰ প্ৰতি ভগৱন্তই জন্ম গ্ৰহণ, কি কি লীলা কৰিলে। (৩) সৃষ্টি আদি বিভিন্ন লীলাৰ বৰ্ণনা কৰা (৪) হৰিৰ বিভিন্ন অৱতাৰৰ বৰ্ণনা কৰা (৫) বলভদ্ৰৰ সৈতে তেওঁ যি যি কৰ্ম কৰিলে তাক বৰ্ণনা কৰা, (৬) কৃষ্ণৰ বৈকুণ্ঠ গমনৰ পাছত ধৰ্মই ক'ত শৰণ ল'লে। এই ছটি বিষয়ত কৰা ঋষিসকলৰ প্ৰশ্নৰ উত্তৰত সূতে দ্বিতীয় অধ্যায়ত কৈছে ঃ (প্ৰথম প্ৰশ্নৰ উত্তৰ ঃ)

সৰৈ পুংসাংপৰো ধৰ্ম্মোমতো ভক্তিৰধোক্ষজে।
অহৈতুক্যপ্ৰতিহতা যয়াহহত্মা সংপ্ৰসীদতি।।

ইয়াৰ ব্যাখ্যা প্ৰসঙ্গত শ্ৰীধৰস্বামিপাদে কৈছে যে ধৰ্ম দুবিধ ঃ (১) প্ৰবৃত্তি লক্ষণ ধৰ্ম (২) নিবৃত্তি লক্ষণ ধৰ্ম। স্বৰ্গ আদিৰ নিমিত্তে কৰা ধৰ্ম হৈছে প্ৰবৃত্তি লক্ষণ ধৰ্ম। যি ধৰ্ম আচৰিলে শ্ৰৱণ-কীৰ্তন আদিৰ প্ৰতি আদৰ জন্মে, ভক্তি হয়, সেয়ে নিবৃত্তি লক্ষণ ধৰ্ম। এই ভক্তিত আত্মা সুপ্ৰসন্ন হয়। ভক্তি অবিহনে জ্ঞানো কেৱল শ্ৰমমাত্ৰ, ধৰ্ম কৰ্ম কামমোক্ষ ঃ এই চতুৰ্বৰ্গৰ ভিতৰত ধৰ্ম আচৰণ কৰিলে মোক্ষপ্ৰাপ্তিমাত্ৰ ঘটে। অৰ্থ আৰু কাম তাৰ পৰা লাভ নহয়। ই প্ৰবৃত্তিলক্ষণ ধৰ্মত নানা দেৱতাৰ পূজা বিহিত হয়। এনে ধৰ্মত কামনা থাকে; ধন-জন-পুত্ৰ-ভাৰ্যাদিৰ কামনা থকা ৰাজসিক আৰু তামসিকজনে ধন-সম্পদত পুত্ৰ-ভাৰ্যাৰ অৰ্থে নানা দেৱতাক ভজে। বাসুদেৱ কৃষ্ণমাত্ৰ মোক্ষদাতা ৰূপে স্বীকৃত হোৱা বাবে তেওঁত অহৈতুকী আৰু অপ্ৰতিহতা ভক্তিয়েই পুৰুষৰ পৰম নিঃশ্ৰেয়সপ্ৰাপ্তিৰ সাধনৰূপে সূতে ব্যক্ত কৰিছে।

তৃতীয় অধ্যায়ত ভগৱন্তৰ বাইশটা অৱতাৰৰ সংক্ষেপে বৰ্ণনা কৰা হৈছে ঃ (১) কুমাৰ (২) বৰাহ (৩) নাৰদ (৪)নৰনাৰায়ণ (৫) কপিল (৬) দত্তাত্ৰেয় (৭) যজ্ঞ (৮) ঋষভ (৯) পৃথু (১০) মৎস্য (১১) কূৰ্ম (১২) ধন্বন্তৰী (১৩) মোহিনী (১৪) নৰসিংহ (১৫) বামণ (১৬) পৰশুৰাম (১৭) ব্যাস (১৮) শ্ৰীৰাম (১৯) বলভদ্ৰ (২০) শ্ৰীকৃষ্ণ (২১) বুদ্ধ (২২) কল্কি

ঋষিসকলে প্ৰশ্ন কৰিলে যে কোন যুগত, কোন স্থানত, কি কাৰণত, কোনে ভাগৱত ৰচনা কৰিলে, কোনে কাৰ লগত কি প্ৰসঙ্গত ক'লে ইত্যাদি। এই প্ৰশ্নসমূহৰ উত্তৰত সূতে ক'লে যে, বেদ, পুৰাণ, ভাৰত আদি ৰচনা কৰি জগতৰ মঙ্গল সাধন কৰাৰ পাছতো মন সুপ্ৰসন্ন নোহোৱাত ব্যাসমুনিয়ে ছাটিফুটি কৰি আছিল। তেনে সময়তে হৰিগুণ গাই, বীণ বাই বাই দেৱৰ্ষি নাৰদে আহি তেওঁক জনালে যে যদিও ব্যাসদেৱে সমাধিত ব্ৰহ্মদৰ্শন লাভ কৰে, তথাপি তেওঁৰ অসন্তুষ্টিৰ কাৰণ হৈছে যে তেওঁ অন্যান্য সমস্ত ধৰ্মৰ ব্যাখ্যান কৰিলে যদিও ভগৱন্তৰ নিৰ্মল যশস্যা বাহুল্য কৰি নক'লে। ঠায়ে ঠাই ভগৱন্তৰ যশ কীৰ্তন কৰা হৈছে যদিও ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষৰ তুলনাত হৰিগুণ ব্যাখ্যান কৰা নহ'ল। তদুপৰি তেওঁ সকাম কৰ্মত অধিক গুৰুত্ব প্ৰদান কৰিলে। গতিকে সকাম কৰ্ম ত্যাগ কৰি হৰিগুণ বিস্তৰভাৱে

ক'বলৈ নাৰদে ব্যাসদেৱক উপদেশ দিলে, সন্তৰ সঙ্গ ল'লেহে যে হৰিকথা শ্ৰৱণ কীৰ্তন সফল হয়, তাকে বুজাবলৈ তেওঁ নিজৰ পূৰ্বজন্ম বৃত্তান্ত বিধিত কৰিলে। বিষয়ীলোকৰ সংসাৰ তৰণৰ উপায় যে কেৱল হৰি কীৰ্তন, সেই কথা পুনৰ দোহাৰি, হৰি যশ বৰ্ণনাৰ উপদেশ দি নাৰদে প্ৰস্থান কৰিলে।

নাৰদৰ উপদেশ পোৱাৰ পাছতে ব্যাসদেৱে ভাগৱত ৰচনা কৰিবলৈ ধৰিলে আৰু ৰচনাৰ অন্তত সেই ভাগৱত আপোন পুত্ৰ শুকক পঢ়ালে। এনেতে প্ৰশ্ন হ'ল যে বিষয়ীসকলৰ কাৰণে হৰি-কীৰ্তনৰ প্ৰসঙ্গ আহে; তেনেস্থলত আত্মাৰাম, বিষয় বিৰাগী শুকক ভাগৱত পঢ়োৱাৰ কাৰণ কি? তাৰ উত্তৰত কোৱা হৈছে যে আত্মাৰাম মুনিসৱেও হৰিভক্তি কৰে। সাধুসঙ্গ পাৱৰ নিমিত্তেই শুকে ভাগৱত পঢ়িছিল।

ইয়াৰ পিছত সূতে দ্ৰৌপদীৰ পঞ্চপুত্ৰক সুপ্তৱস্থাতে কেনেকৈ অশ্বত্থামাই বধ কৰিলে, অৰ্জুনে অশ্বত্থামাক বধ কৰি কেনেকৈ দ্ৰৌপদীৰ ওচৰলৈ লৈ গ'ল, তাৰ বৰ্ণনা দিয়া হৈছে। এই প্ৰসঙ্গত অশ্বত্থামাক দেখি তেওঁৰ প্ৰতি দ্ৰৌপদীয়ে কৰা ব্যৱহাৰ তাৎৰ্যপূৰ্ণ। তেওঁ ক'লে-- 'অতি শীঘ্ৰে এওঁক মুক্ত কৰি দিয়া। বিশেষতঃ ব্ৰাহ্মণ হৈছে আমাৰ গুৰু। এওঁৰ পিতাকৰ পৰাই তোমালোকে ধনুৰ্বেদৰ শিক্ষা পাইছা। তেৱেঁই এই পুত্ৰৰূপত বৰ্তমান।' তাতোকৈ ডাঙৰ কথা এযাৰ কৈছে দ্ৰৌপদীয়ে--

মা ৰোদীদস্য জননী গৌতমী পতিদেৱতা।
মথাহং মৃতবৎসাৰ্তা কোদিম্যশ্ৰুমুখী মুহুঃ।।

(মৰা পুত্ৰৰ শোকত মই যেনেকৈ চকুলো বোৱাই হিয়া ঢাকুৰি কান্দিছোঁ তেনেকৈ কান্দিবলৈ যেন এওঁৰ মাতৃ গৌতমীয়ে নাপাওক।) কৃষ্ণৰ ইঙ্গিতত অৰ্জুনে শিৰচ্ছেদ নকৰি চূড়ামণি সমন্বিতে অশ্বত্থামাৰ চুলি কাটি খেদি পঠিয়ালে।

পাণ্ডৱসকলে যুদ্ধান্তে মৃতকৰ প্ৰতি জলাঞ্জলি দিয়াৰ পিছত কৃষ্ণই দ্বাৰকালৈ প্ৰত্যাৱৰ্তন কৰাৰ উদ্দেশ্যে ৰথত আৰোহণ কৰিলে। এনেতে উত্তৰাৰ প্ৰাৰ্থনাত কৃষ্ণই অশ্বত্থামা নিক্ষেপিত ব্ৰহ্মাস্ত্ৰৰ পৰা উত্তৰাৰ গৰ্ভস্থ সন্তানটিক গদা ধৰি ৰক্ষা কৰিলে। ইয়াতে কুন্তীৰ কৃষ্ণস্তৱ উল্লেখযোগ্য। এই স্তৱক কুন্তীয়ে আপদ মাত্ৰ প্ৰাৰ্থনা কৰিছে--

ৱিপদঃ সন্তু নঃ শশ্বত্তত্ৰ তত্ৰ জগদ্গুৰো।
ভৱতো দৰ্শনং য়ৎস্যাদপুনৰ্ভৱদৰ্শনম্।।

বন্ধু বধৰ দুখত আতুৰ যুধিষ্ঠিৰে কৃষ্ণ আৰু ভাতৃসকল সমন্বিতে কুৰুক্ষেত্ৰ ৰণাঙ্গণত শৰশয্যাত পৰি থকা ভীষ্মৰ ওচৰলৈ গ'ল। কৃষ্ণক দেখা পাই ভীষ্মই স্তুতি আৰম্ভ কৰিলে, তেওঁৰ মতে কৃষ্ণই একমাত্ৰ ভজনীয় ঈশ্বৰ। কৃষ্ণক চিন্তি প্ৰাণত্যাগ কৰিলে-- যাবৰ সময়ত পুৰনাৰীসকলেও কৃষ্ণক ঈশ্বৰজ্ঞানে স্তুতি কৰিলে। কৃষ্ণই হাঁহি মাতি সকলোকে মোহিত কৰি দ্বাৰকালৈ যাত্ৰা কৰিলে।

কৃষ্ণই দ্বাৰকাত প্ৰৱেশ কৰাৰ পাছত হস্তিনাপুৰত উত্তৰাৰ এটি সন্তান জন্ম হ'ল। গৰ্ভতে ব্ৰহ্মাস্ত্ৰৰ পৰা বিষ্ণুৱে ৰক্ষা কৰিছিল কাৰণে সন্তানটিৰ নাম ৰখা হ'ল বিষ্ণুৰাৎ। শুক্লপক্ষৰ চন্দ্ৰৰ দৰে শিশুটি বাঢ়িবলৈ ধৰিলে। ককাকহঁতে তেওঁক চৌষষ্টি কলাৰ শিক্ষা দিলে। পাণ্ডৱসকলে মৰুত্তৰজাৰ যজ্ঞাৱশেষ আনি অশ্বমেধ যজ্ঞ সম্পাদন কৰিলে।

মৈত্ৰেয়ৰ পৰা কৃষ্ণতত্ত্ব জানি বিদূৰ কৃষ্ণ ভক্ত হৈ পৰিল আৰু হস্তিনালৈ আহি যুধিষ্ঠিৰ আদিৰ আতিথ্য গ্ৰহণ কৰি থাকিল। তেওঁৰ উপদেশমতে ধৃতৰাষ্ট্ৰ আৰু গান্ধাৰীয়ে ৰাজ্য এৰি হিমৱন্ত পৰ্বতলৈ যাত্ৰা কৰিলে, যুধিষ্ঠিৰ আদিয়ে তাৰ একো গমকে নাপালে। পিছত নাৰদ আৰু তুমুৰু ঋষি আহিলত নাৰদৰ মুখৰ পৰাহে তেওঁলোকে ধৃতৰাষ্ট্ৰাদিৰ নিৰ্গমনৰ বাতৰি পালে। নাৰদে এই জগতৰ ঈশ্বৰাধীনত্বৰ কথা কৈ কোনো কথাতে শোক নকৰিবলৈ যুধিষ্ঠিৰক উপদেশ দি নিজ স্থানে গমন কৰিলে।

আনহাতে ইতিমধ্যে কৃষ্ণৰ বাতৰি ল'বলৈ বুলি দ্বাৰকালৈ যোৱা অৰ্জুন সাত মাহেও উলটি নহাত যুধিষ্ঠিৰ মহা চিন্তাত পৰিল। এনে সময়তে শ্ৰান্ত ক্লান্ত হৈ অৰ্জুনে আহি যদুবংশ ধ্বংসৰ কাহিনী বিবৃত কৰিলে, কৃষ্ণ অবিহনে তেওঁৰ সমস্ত শক্তি সামৰ্থ নোহোৱা হ'লত নপুংসকৰ হাতত পৰাজিত হোৱাৰ বৃত্তান্ত বিবৃত কৰিলে। কৃষ্ণৰ পাদপদ্মস্মৰণৰ ফলত অৰ্জুন জীৱন্মুক্ত হৈ পৰিল। ৰজা যুধিষ্ঠিৰে নাতিয়েক পৰীক্ষিতক জম্বুদ্বীপৰ

অধিপতিৰূপে হস্তিনাপুৰত থাপন কৰিলে, সুৰসেন ৰাজ্যৰ বজ্ৰক দ্বাৰকাত স্থাপন কৰিলে আৰু ভাতৃসকলৰ সৈতে উত্তৰ দিশে গমন কৰিলে।

পৰীক্ষিতে ৰজা হৈ ধৰ্মপথে থাকি ৰাজ্য শাসন কৰি থাকিল। সেই সময়তে বৃষৰূপী ধৰ্ম আৰু গোৰূপী পৃথিৱীক শূদ্ৰৰূপ কলিয়ে নিপীড়িত কৰি থকাৰ থকা গম পাই মহাপৰাক্ৰমী ৰজা পৰীক্ষিতে কলিক নিগৃহীত কৰি ৰাজ্যৰপৰা বাহিৰ কৰি কেৱল, জুৱা, পাশা, স্ত্ৰী, সুৱৰ্ণ, মদ্যপান আৰু প্ৰাণী হিংসাৰ স্থানত মাত্ৰ তাৰ নিৱাস নিৰ্ধাৰণ কৰি দিলে।

এদিন ৰজা পৰীক্ষিতে ধনুশৰ ধৰি মৃগয়ালৈ গৈছিল। তৃষ্ণাতুৰ হৈ শমীক ঋষিৰ আশ্ৰমত পানী বিচাৰি সোমাল। কিন্তু সমাধিস্থ ঋষিয়ে কোনো দান-সমিধান নিদিয়াত মিছাকৈয়ে সমাধিস্থ হোৱা বুলি অৱজ্ঞা কৰি ঋষিৰ গলত মৰা সাপ এডাল আঁৰি দি গুচি গ'ল। ঋষিপুত্ৰ শৃঙ্গীয়ে আহি, পিতাকক তেনে অৱস্থাত দেখি সাত দিনৰ অন্তত ৰজাক তক্ষকে দংশন কৰিব বুলি অভিশাপ দিলে।

ৰজাই ঘৰলৈ গৈ নিজৰ অকৰ্মৰ কথা ভাবি খেদ কৰিবলৈ ধৰিলে আৰু ভৱিষ্যতে এনে অন্যায় 'নকৰোঁ' বুলি সিদ্ধান্ত কৰিলে। তেনেতে শমীকৰ শিষ্যই আহি ঋষিশাপৰ বিষয়ে তেওঁক অৱগত কৰিলে। অভিশাপৰ কথা শুনি ৰজা পৰম আনন্দিত হ'ল আৰু পুত্ৰ জন্মেজয়ক ৰাজ্যভাৰ অৰ্পণ কৰি গঙ্গাতীৰলৈ যাত্ৰা কৰিলে। তাতে আহি ঋষি মুনিসকলো উপস্থিত হ'ল। ৰজাই সকলোকে পাদ্য-অৰ্ঘ আদিৰে সৎকাৰ কৰি তেওঁলোকৰ পৰা হৰিকথা শ্ৰৱণ কৰাৰ ইচ্ছা বেকত কৰিলে আৰু সুধিলে ঃ মানুহে কোন সময়ত কি কৰা উচিত? কোনোবাই যোগৰ কথা কয়, কোনোবাই আকৌ যাগ, তপ, যজ্ঞ বা দানৰ কথা কয়। এইবোৰৰ ভিতৰত প্ৰকৃততে কোনটো কৰ্তব্য তাৰ কোনো সিদ্ধান্ত পোৱা নাযায়। আপোনালোকে কিবা এটি সিদ্ধান্ত দিয়ক।

তেনেতে অৱধূত বেশধাৰী ব্যাসপুত্ৰ শুক আহি উপস্থিত হ'ল। পৰীক্ষিতে সুধিলে ঃ

অতঃ পৃচ্ছামি সংসিদ্ধিং য়োগিনাং পৰম গুৰুম্।
পুৰুষস্যেহ য়ৎকাৰ্যং ম্ৰিয়মানস্য সৰ্বথা।।
য়চ্ছ্ৰোতব্যমথো জাপ্যং য়ৎকৰ্তব্যং নৃভিঃ প্ৰভো।
স্মৰ্তব্যং ভজনীয়ং য়া ব্ৰূহিয়দ্বা ৰিপৰ্যয়ম্।।

এইদৰে ভাগৱতৰ প্ৰথম স্কন্ধত ভাগৱতৰ শ্ৰোতা আৰু বক্তাৰ জন্ম কৰ্ম প্ৰসঙ্গপূৰ্বক বৰ্ণনা কৰা হ'লঃ

'উক্তঃ পূৰ্বমুপোদঘাতঃ সপ্ৰসঙ্গঃ শুকাগমঃ।
ৰাজ্ঞা পৃষ্টং নৃণাং কৃত্যমথাহ শুকসন্মুনিঃ।।(শ্ৰীধৰী)

দ্বিতীয় স্কন্ধত মুঠতে দহটা অধ্যায় আছে; ইয়াৰে প্ৰথম অধ্যায়ত সূক্ষ্ম ধাৰণাৰ কথা কোৱা হৈছে। ইতিমধ্যে প্ৰথম স্কন্ধৰ অন্তত মুমূৰ্ষু পুৰুষে কি কৰিব লাগে, সেই সম্পৰ্কে পৰীক্ষিতে কৰা প্ৰশ্নৰ উত্তৰত কি কৰিব নালাগে, সেই সম্পৰ্কত কোৱা হৈছে। স্বাভাৱিক ক্ৰিয়াসমূহ অনৰ্থৰ হেতু বুলি দেখুৱাবলৈ গৈ কোৱা হৈছে–

শ্ৰোতব্যদীনি ৰাজেন্দ্ৰ নৃণাং সন্তি সহস্ৰশঃ।
অপশ্যতামাত্মতত্ত্বং গৃহেষু গৃহমেধিনাম্।।

গৃহবাসীসকলৰ অনেক অকৰ্তব্য আছে। নিদ্ৰা, ধনাৰ্জন আদি কৰ্মৰ দ্বাৰা অনেক অনৰ্থ মাত্ৰ হয়। কেৱল ভগৱন্ত কৃষ্ণৰ শ্ৰৱণ-কীৰ্তন, স্মৰণ মাত্ৰ অভয়াকাংক্ষীসকলে আচৰণ কৰিব লাগে। অন্তকালত হৰিস্মৰণৰ ফলৰ কথাতো ক'বই নালাগে।

খট্বাঙ্গ নামৰ নৃপতিয়ে যেতিয়া গম পালে যে তেওঁৰ দুই দণ্ড মাত্ৰ আয়ু অৱশিষ্ট আছে, তেওঁ সমস্ত সঙ্গ ত্যাগ কৰি হৰিক চিন্তি পৰম গতি লাভ কৰিলে, এতেকে মুমুষুজনে নিজান আসন পাতি বহি, ইন্দ্ৰিয় দমন কৰি, প্ৰাণায়ামৰ দ্বাৰা মন থিৰ কৰি হৰিৰ বিৰাট ৰূপ ধাৰণা কৰিব লাগে।

দ্বিতীয় অধ্যায়ত সূক্ষ্ম ধাৰণাৰ কথা কোৱা হৈছে। ইয়াত সৰলতম জীৱন-যাপন কৰাৰ পৰামৰ্শ দিয়া হৈছে। বিৱেকীজনে আন কৰ্ম এৰি দেহ নিৰ্ব্বাহৰ অৰ্থে মাত্ৰ কৰ্ম কৰিব আৰু হৰিৰ পীতবসন পৰিহিত চতুৰ্ভূজ ৰূপ মাত্ৰ চিন্তি তাক ধাৰণ কৰিব। এই সূক্ষ্মৰূপ ধাৰণাত মন নবহিলে বিৰাট ৰূপৰো চিন্তা কৰিব পাৰে।

তস্মাৎ সৰ্বাত্মনা ৰাজন্ হৰিঃ সৰ্বত্ৰ সৰ্বদা।
শ্ৰোতব্যঃ কীৰ্তিতব্যশ্চ স্মৰ্তব্যো ভগৱন্মৃপাম্।।

এইদৰে মুমূৰ্ষু ব্যক্তৰ কৰ্তব্য সম্পৰ্কত হৰি ভজনকে একমাত্ৰ কৰ্তব্য বিধান দিয়াৰ পাছত একমাত্ৰ কৰ্তব্য

বিধান দিয়াৰ পাচত হৰি ভক্তিহীন ব্যক্তিৰ জীৱন কুকুৰ, গাহৰি, উট আৰু গাধৰ জীৱনৰ সতে তুলনীয় বুলি কোৱা হৈছে। পৰীক্ষিতৰ অনুৰোধত হৰিকথা ক'বৰ উদ্যোগ কৰি শুকে হৰিক সেৱা জনাই দ্বিতীয় স্কন্ধৰ পঞ্চম অধ্যায়ত হৰিলীলাৰ বৰ্ণনা কৰিছেঃ

নাৰদে এই অধ্যায়ত আত্মজ্ঞান আৰু জগতৰ স্বৰূপ সম্পৰ্কত প্ৰশ্ন কৰি নিজেই আকৌ কৈছে, তেওঁ ভালদৰেই জানে ব্ৰহ্মাই অকলেই সৃষ্টি-স্থিতি-সংহৰণ কাৰ্য সম্পাদন কৰি থাকে। কিন্তু তেওঁৰ তপস্যা দেখিহে মনতে শঙ্কা হয়। ব্ৰহ্মানো কাৰ অধীন, ক'ৰপৰানো তেওঁ জ্ঞান পায়?

ইয়াৰ উত্তৰত ব্ৰহ্মাই সৃষ্টিতত্ত্ব বিবৃত কৰিলে। ভগৱন্তই পুৰুষ ৰূপ লৈ মায়া বা প্ৰকৃতিত কটাক্ষ কৰাৰ ফলস্বৰূপে মহত্তত্ব, অহঙ্কাৰ ইত্যাদি ক্ৰমে বৈৰাজ পুৰুষৰ আৱিৰ্ভাৱৰ লগতে ভূলোক, দ্যুলোক ইত্যাদিৰ অৱস্থান সম্পৰ্কত ব্যাখ্যা কৰা হ'ল।

পঞ্চমে ব্ৰহ্মণা প্ৰোক্ত এক এৱেশ্বৰো হৰিঃ।
সৰ্বকৰ্তা সৰ্বভোক্তা সৰ্বাত্মা সৰ্বদৰ্শনঃ।।

ব্ৰহ্মাদি স্তম্বপৰ্যন্ত বৈৰাজ দেৱতাৰ হৃদয়ত বৰ্তমান। এই সমস্ত জগৎ নাৰায়ণতে আছে, যদিও ভগৱন্ত নিৰ্গুণ, তেওঁ নানা গুণ ধাৰণ কৰি থাকে। হৰি বিনে কোনো কাৰ্য কাৰণ সম্ভৱ নহয়।

সপ্তম অধ্যায়ত অৱতাৰ লীলা বৰ্ণোৱা হৈছে। বৰাহ, যজ্ঞ, কপিল, দত্ত, সনক-সনন্দাদি, নৰনাৰায়ণ, ধ্ৰুৱনিস্তাৰক হৰি, পৃথু, ঋষভ, হয়গ্ৰীৱ, মৎস্য, কচ্ছপ, নৰসিংহ, বামণ, হংস, ধন্বন্তৰি, পশুৰাম, ৰামচন্দ্ৰ, কৃষ্ণ, ব্যাস, বুদ্ধ আৰু কল্কি অৱতাৰৰ সংক্ষেপ বিৱৰণ এই অধ্যায়ত সন্নিবিষ্ট হৈছে। নৱম অধ্যায়ত ব্ৰহ্মাৰ প্ৰশ্নৰ উত্তৰত বৈকুণ্ঠস্থ নাৰায়ণে চাৰিশ্লোকে ভাগৱত কৈছে ঃ

ভাগৱতৰ দশ লক্ষণ হৈছে ঃ সৰ্গ, বিসৰ্গ, স্থান, পোষণ, উতি, মন্বন্তৰ, ঈশানুকথা, নিৰোধ, মুক্তি আৰু আশ্ৰয়। ইয়াত কোৱা হৈছে যে ইন্দ্ৰিয়সৱক অধ্যাত্ম বোলা হয়, ইন্দ্ৰিয়াধিষ্ঠাতা দেৱতাসৱক অধিদৈৱ, গোলক আৰু অন্যান্য বিষয়ক অধিভূত বোলা হয়। সপ্তাৱৰণযুক্ত বিৰাটেই হৰিৰ স্থূল ৰূপ। বিৰাটৰ কাৰণ হৰিৰ সূক্ষ্ম ৰূপো আছে। কিন্তু এই দুয়ো ৰূপেই মায়াময়। হৰিৰ নিজৰূপ অৱাংমনোগাচৰ।

ইয়ালৈকে পদ্মকল্পৰ কথা সামান্যভাৱে কৈ ভাগৱতৰ নাৰায়ণ সম্প্ৰদায় বা ব্ৰহ্ম সম্প্ৰদায়ৰ সংক্ষিপ্ত বিৱৰণ দিয়া হ'ল।

তৃতীয় স্কন্ধত মুঠতে তেত্ৰিশটা অধ্যায় আছে। ইয়াত বাহুল্যভাৱে অনন্ত সম্প্ৰদায় ভাগৱতৰ কথা বিস্তৰভাৱে কোৱা হৈছে। তাৰে চাৰি অধ্যায়ত বিদূৰ-উদ্ধৱ-সংবাদ, আঠ অধ্যায়ত সৃষ্টি, সাত অধ্যায়ত বৰাহ অৱতাৰ, এক অধ্যায়ত সৃষ্টি সংহাৰ, চাৰি অধ্যায়ত কপিল অৱতাৰ, ন অধ্যায়ত কপিলাখ্যান বিবৃত হৈছে।

তৃতীয় স্কন্ধৰ প্ৰথম অধ্যায়ত বিদূৰ উদ্ধৱ সংবাদ ক'বলৈ গৈ প্ৰথমতে বিদূৰৰ তীৰ্থযাত্ৰাৰ ইতিবৃত্ত দাঙি ধৰা হৈছে ঃ ধৃতৰাষ্ট্ৰই যেতিয়া দুষ্ট পুত্ৰ দুৰ্যোধনৰ পক্ষ লৈ পাণ্ডৱসকলক যতুগৃহত থৈ দাহ কৰিলে, কূট পাশা খেলাই অন্যায়েৰে পাণ্ডৱক জিনি দ্ৰৌপদীৰ কেশকৰ্ষণ কৰালে, তেৰ বছৰ বনবাস-অজ্ঞাতবাস খটাৰ পিছতো পাণ্ডৱক ৰাজ্য ঘূৰাই নিদিলে; তেতিয়া বিদূৰৰ মন্ত্ৰণা বিচৰাত-- বিদুৰে দুৰ্যোধনক ত্যাগ কৰি পাণ্ডৱক ৰাজ্যভাৰ দিবলৈ পৰামৰ্শ দিয়া বাবে বিদুৰ দুৰ্যোধনৰ হাতত অপদস্থ হ'বলগীয়া হয়। ইয়াতে দুখ পাই তেওঁ এবছৰ বিভিন্ন তীৰ্থ পৰ্যটন কৰাৰ অন্তত প্ৰভাসত উপস্থিত হৈ জানিব পাৰিলে যে কুৰুক্ষেত্ৰৰ যুদ্ধত কৌৰৱ-পাণ্ডৱ নষ্ট হৈছে। যুধিষ্ঠিৰে কৌৰৱক মাৰি একছত্ৰী ৰজা হৈ আছে। কুৰুক্ষেত্ৰতো তীৰ্থ কৰাৰ পাছত যমুনাতীৰত কৃষ্ণসখা উদ্ধৱক লগ পাই যদুবংশৰ বাতৰি সুধিলে, লগতে পাণ্ডৱসকলৰো কুশল বাৰ্তা সুধিলে আৰু কৃষ্ণকথা কীৰ্তন কৰিবলৈ অনুৰোধ কৰিলে ঃ

কৃষ্ণ সঙ্গতে ডাঙৰ দীঘল হৈ কৃষ্ণৰসে বৃদ্ধ হোৱা উদ্ধৱে দুই দণ্ডমান সময় নিশ্চুপ হৈ থাকি ধীৰে ধীৰে কৃষ্ণৰ বিৰহ দুখ বৰ্ণনা কৰিলে। এই প্ৰসঙ্গতে ব্ৰহ্মাৰ প্ৰাৰ্থনা মতে দৈৱকীৰ উদৰত জন্ম লৈ কংসৰ ভয়তে গোকুলত এঘাৰ বছৰ লুকাই থাকি পুতনা, তৃণাৱৰ্ত, অঘ, বক আদি বধ, বনাগ্নিপান, গোৱৰ্ধনধাৰণ ৰাসক্ৰীড়া আদিৰ কৰাৰ কথা উল্লেখ কৰা হৈছে।

তৃতীয় অধ্যায়ত কংসবধ, শিক্ষা লাভ, ৰুক্মিণী আদিৰ বিবাহ, নৰকাসুৰ বধ, পৌণ্ড্ৰক বধ শাল্ব

শিশুপাল, দন্তবক্ৰাদি বধ, কুৰুক্ষেত্ৰ যুদ্ধত সাৰথ্য, যদুকুল ধ্বংস আদিৰ সংক্ষিপ্ত উল্লেখ কৰা হৈছে।

চতুৰ্থ অধ্যায়ত যদুকুলৰ ক্ষয় আৰু উদ্ধৱৰ জ্ঞানলাভ বৰ্ণনা কৰা হৈছে। ইয়াত কোৱা হৈছে যে, যদুকুল সংহৰি কৃষ্ণে যেতিয়া বৃক্ষমূলক আসন পাতি বহি আছিল তাতে গৈ উদ্ধৱে তেওঁক বিচাৰি ওলালগৈ। চতুৰ্ভূজ ৰূপ ধাৰণ কৰি বহি থকা অৱস্থাতে মৈত্ৰেয়ৰ সাক্ষাতে উদ্ধৱক পৰম জ্ঞান দিম বুলি প্ৰতিশ্ৰুতি দিলে। উদ্ধৱেও 'অজনৰ জন্ম, অকৰ্তাৰ কৰ্ম, কালৰূপৰ ভয়-পলায়ন দেখি, আত্মাৰামৰো অনেক নাৰীত বিহাৰ দেখি মোৰ মনে খেদ কৰে আৰু মন্ত্ৰণা সময়ত অখণ্ড জ্ঞান হুয়ো মোত নজানা হেন মন্ত্ৰণা পোছা। তাক সুমৰিলে মোৰ মন অধিক মোহ যায়। এহি মোহ নিৰ্বাৰিবৰ অৰ্থে ব্ৰহ্মাণ্ডত যি জ্ঞান কহিছা, তাৰ যেৱে পাত্ৰ হঞো, তেৱে কহিয়োক, যাক জানি অনায়াসে সংসাৰ তৰিম।' এইদৰে কোৱাত কৃষ্ণ উদ্ধৱত নিজৰ স্বৰূপ জ্ঞান বিবৃত কৰিলে।

বিদুৰে উদ্ধৱৰ মুখে বন্ধুবধৰ সংবাদ পাই পৰম ব্যথিত হ'ল। কৃষ্ণে উদ্ধৱত বিবৃত কৰা পৰমতত্ত্ববিদুৰে জানিবলৈ বিচাৰোতে তেওঁ 'বিদুৰক জ্ঞান ক'বলৈ কৃষ্ণে মৈত্ৰেয়ক আজ্ঞা কৰিছে' বুলি কৈ নিজে কোৱাৰ পৰা বিৰত থাকিল।

ইয়াত জনা যায় যে কৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণৰ পিচতো উদ্ধৱ থাকি যোৱাৰ কাৰণ হ'ল-- হৰি অবিহনে হৰিভক্তি প্ৰৱৰ্তাই থাকিবৰ নিমিত্তে কৃষ্ণই তেওঁক আজ্ঞা দি গৈছিল। বিদুৰে উদ্ধৱৰ পৰা বিদায় লৈ গৈ গঙ্গাদ্বাৰত মৈত্ৰেয়ক লগ পাই হৰিভক্তি, অৱতাৰ লীলা, সৃষ্টি আদি সম্পৰ্কে জানিব বিচৰাত প্ৰথমে সৃষ্টিলীলা বৰ্ণনা কৰিলে। ইয়াত পুৰুষৰ ঈক্ষণত মায়াশক্তি দ্বাৰে মহত্তত্ত্বাদি সৃষ্টি বৰ্ণন কৰা হৈছে। দেৱতাৰ কৃষ্ণস্তুতি এই প্ৰসঙ্গত উল্লেখযোগ্য। (পঞ্চম অধ্যায়)

ষষ্ঠ অধ্যায়ত বিৰাটৰ সৃষ্টি, বৰ্ণিত হৈছে। লগতে হৰিনাম শ্ৰৱণ-কীৰ্তনেই বাক্-কৰ্ণৰ পৰম লাভ বোলা হৈছে।

এইখিনিতে বিদুৰৰ মনত সংশয় উপজিছে। তেওঁ মৈত্ৰেয়ক সুধিছে ঃ ঈশ্বৰ যদি নিৰ্গুণেই হয় তেন্তে সৃষ্টি আদি লীলা কেনেকৈ সম্ভৱ?

ব্ৰহ্মন কথং ভগৱতশ্চিন্মাত্ৰস্যাৱিকাৰিণঃ।
লীলয়া চাপি যুজ্যেৰন্ নিৰ্গুণস্য গুণাঃ ক্ৰিয়াঃ।।
-- ৩/৭/২

ইয়াৰ উত্তৰত মৈত্ৰেয়ই কৈছে যে যুক্তিৰ বিৰুদ্ধে যি যায় সেয়ে হ'ল মায়া। তৰ্কৰ অগোচৰেই হৈছে মায়া। মায়াৰ কাৰণেই নিৰ্গুণৰ গুণ সম্বন্ধ ঘটে।

সেয়ং ভগৱতো মায়া য়ন্নয়েন বিৰুধ্যতে।
ঈশ্বৰস্য ৱিমুক্তস্য কাৰ্পন্যমুত বন্ধনম্।।

জীৱত যি সংসাৰ লক্ষ্য কৰা যায়, সি মিছা। সপোনত নিজৰ শিৰশ্ছেদ দেখাৰ নিচিনা কথা। শিৰশ্চেদ মিছা। জলস্থ চন্দ্ৰ প্ৰতিবিম্বত জলকম্পনজনিত কম্পন তাৰ বিম্বত দেখা নাযায়। ঈশ্বৰত ভক্তি কৰিলে যেতিয়া সমস্ত ইন্দ্ৰিয় বৃত্তি ঈশ্বৰত লাগে, তেতিয়াই সংসাৰ ক্লেশ গুছে। হৰিগুণ শ্ৰৱণ-কীৰ্তন কৰিলেই সংসাৰ ক্লেশ গুছে। সপ্ৰেম ভক্তি হ'লেতো কথাই নাই।

অষ্টম অধ্যায়ত অনন্ত সম্প্ৰদায়ে ব্ৰহ্মাৰ তপ বৰ্ণনা কৰা হৈছে। বিদুৰৰ প্ৰশ্নৰ উত্তৰত মৈত্ৰেয়ই অনন্ত সম্প্ৰদায় অনুযায়ী কৈছে যে পূৰ্বতে সনৎ, সনন্দাদি চাৰিসিদ্ধে ভাগৱত শুনাৰ মনেৰে পাতাললৈ গ'ল আৰু তাতে বাসুদেৱক জানিবৰ মনেৰে অনন্তক সেৱা জনালে। অনন্তয়ো কৃপাদৃষ্টিৰে চাই তেওঁলোকক ভাগৱত ক'লে। তেওঁলোকে সাংক্যায়নক, সাংখ্যায়নে, পৰাশৰক পৰাশৰে মৈত্ৰেৰত সেই ভাগৱত ক'লে। ইয়াৰ পাছতে নাৰায়ণৰ নাভিকমলত ব্ৰহ্মাৰ জন্ম, হৃদয়তে নাৰায়ণ-দৰ্শন, ব্ৰহ্মাৰ কৃষ্ণস্তুতি, নাৰায়ণৰ উপদেশ পাই ব্ৰহ্মাৰ সৃষ্টি কৰ্ম আৰম্ভ কৰাৰ কথা ইয়াৰ পিছতে বৰ্ণনা কৰা হৈছে। মহত্তত্বৰ সৃষ্টিকে আদি দহবিধ সৃষ্টিৰ কথা কোৱা হৈছে।

একাদশ অধ্যায়ত কালৰ গতি বৰ্ণনা কৰা হৈছে। ত্ৰয়োদশ অধ্যায়ৰ পৰা বৰাহ অৱতাৰৰ জন্ম কৰ্ম, দিতিৰ গৰ্ভ সম্ভৱ বৈকুণ্ঠত জয়-বিজয়ৰ প্ৰতি চাৰিসিদ্ধৰ অভিশাপ, সিদ্ধক সান্ত্বনা, জয়-বিজয়ক অনুগ্ৰহ, হিৰণ্যাক্ষ বধ ইত্যাদি বৰ্ণনা ১৯ অধ্যায়লৈকে বিস্তাৰিত হৈ আছে। মনুকন্যা দেৱহূতিৰে কৰ্দম ঋষিৰ বিবাহ, কৰ্দম- দেৱহূতিৰ গৃহস্থাশ্ৰম, কপিলৰ জন্ম, কপিলৰ মুখে দেৱহূতিক ভক্তিযোগ কথন আদি পঞ্চবিংশ অধ্যায় পৰ্যন্ত কথিত হৈছে।

ভক্তিযোগ অধ্যায়ত কোৱা হৈছে যে পুৰুষৰ চিত্তই হৈছে বন্ধ-মোক্ষ দুয়োৰে কাৰণ।

চেতঃ খল্বস্য বন্ধায় মোক্ষায় চাত্মনো মনম্।
গুণেষু সক্তং বন্ধায় ৰতং ৱা পুংসি মুক্তয়ে।।

কোৱা হৈছে যে অহংতা মমতা আদিৰ পৰা উদ্ভুত কাম-ক্ৰোধ আদি জিনি যেতিয়া মন শুদ্ধ, শান্ত হয় তেতিয়াই পুৰুষে ব্ৰহ্ম লাভ কৰে। ব্ৰহ্মপ্ৰাপ্তিৰ কাৰণে আকৌ ভগৱন্তৰ প্ৰতি ভক্তিত বাদে অন্য সুগম উপায় নাই। ভগৱন্তত ভক্তি হ'বলৈ আকৌ সজ্জনৰ সঙ্গ একান্ত বাঞ্ছনীয়। সজ্জনৰ সঙ্গ লৈ হৰিগুণ শ্ৰৱণ-কীৰ্তন কৰিলে হৰিত শ্ৰদ্ধা ৰতি ভক্তি হয় ঃ

সতাং প্ৰসঙ্গান্মম ৱীৰ্যসম্বিদো
ভৱন্তি হৃৎকৰ্ণৰসানাঃ কথাঃ।
তজ্জোষণাদাশ্বপৱৰ্গৱৰ্ত্মনি
শ্ৰদ্ধাৰতিৰ্ভক্তিৰনুক্ৰমিষ্যতি।।

-- ৩/২৫/২৫

(প্ৰথমং শ্ৰদ্ধা ততো ৰতিস্ততো ভক্তিৰনুক্ৰমিষ্যতি, ক্ৰমেণ ভৱিষ্যতীত্যৰ্থঃ।) ভক্তি হ'লে বিষয়ৰ প্ৰতি বিৰাগ জন্মে। তেতিয়া চিত্ত স্থিৰ কৰি জ্ঞান পাই এই শৰীৰতে ভগৱন্তক লাভ কৰে। পুৰুষৰসমস্ত ইন্দ্ৰিয় নিষ্কাম ভাৱে হৰিত প্ৰবৃত্ত হ'লেই উত্তমা ভক্তি হোলা বুলি কয়। ইয়াকে ভাগৱতী ভক্তিও বোলে। এই ভক্তিত ভক্তজনে আন বাঞ্ছা নকৰেই, মুক্তিতো স্পৃহা নাথাকে। বাঞ্ছা নকৰিলেও কিন্তু তেওঁ মুক্তি লাভ কৰে। অষ্টাঙ্গ ঐশ্বৰ্য, বৈকুণ্ঠাদি সম্পত্তিও লাভ কৰে। ভগৱন্তত বিনে আন দেৱতাক ভজিলে কদাচিতো সংসাৰ নুগুচে।

ষড়বিংশ অধ্যায়ত সাংখ্যতত্ত্বৰ ব্যাখ্যান সন্নিবিষ্ট হৈছে। প্ৰকৃতিৰ পৰ নিৰ্গুণ আত্মাক পুৰুষ বোলা হয়। ত্ৰিগুণা প্ৰকৃতিৰ পৰা চৌবিশ তত্ত্বৰ জন্ম হ'ল। চৌৱিশ তত্ত্বত ভগৱন্ত প্ৰৱেশ কৰিলত চৌবিশ তত্ত্বৰ পৰাই ব্ৰহ্মাণ্ড হ'ল। ব্ৰহ্মাণ্ডৰে অনেক ছিদ্ৰত, ইন্দ্ৰিয়গণ আৰু দেৱতাগণে অধিষ্ঠান কৰিলে। ভগৱন্ত প্ৰৱিষ্ট হ'লত সেয়ে বিৰাট পুৰুষ চেতন হৈ পৰিল। এই প্ৰকৃতি আৰু পুৰুষৰ বিৱেকযোগৰ দ্বাৰাও মোক্ষপ্ৰাপ্তি ঘটে। এয়ে সাংখ্যযোগ।

অষ্টাবিংশ অধ্যায়ত যোগ পথৰ চমু বিৱৰণ বিধৃত হৈছে। সাংখ্যৰ লগত যোগ অৱিচ্ছেদ্য ভাৱে থাকে। যম, নিয়মাসন, প্ৰাণায়াম, প্ৰত্যাহাৰ-ধ্যান-ধাৰণা-সমাধি-- এই অষ্টাঙ্গ যোগৰ জৰিয়তে নিৰ্বাণপ্ৰাপ্তিৰ কথা কোৱাতকৈ হৰিৰ ৰূপ চিন্তি পৰমানন্দতাপ্ৰাপ্তিতহে এই যোগ পথত গুৰুত্ব প্ৰদান কৰা হৈছে।

এৱং হৰৌ ভগৱতি প্ৰতিলব্ধভাৱো
ভক্ত্যা দ্ৰৱদ্ধৃদয় উৎপুলকঃ প্ৰমোদাৎ
ঔৎকণ্ঠ্যবাষ্পকলয়া মুহুৰৰ্দ্যমান
মুচ্চাপি চিত্তবড়িশং শনকৈৰ্ৱিযুংক্তে।।
মুক্তাশ্ৰয়ং য়ৰ্হি নিৰ্ৱিৰ্ষয়ং ৱিৰক্তং
নিৰ্ৱানমৃচ্ছতি মনঃ সহসা য়থাৰ্চিঃ।
আত্মানসত্ৰ পুৰুষো ব্যৱধানমেক-
মন্বীক্ষতে প্ৰতিনিবৃত্তগুণপ্ৰৱাহঃ।।

-- ৩/২৮/৩৪-৩৫

ঊনত্ৰিংশ অধ্যায়ত একাশী বিধ সগুণা ভক্তিৰ কথা কোৱা হৈছে ঃ শ্ৰৱণ, কীৰ্তন, অৰ্চন, বন্দন, পাদসেৱন, স্মৰণ, দাস্য, সখীত্ব, আত্মনিৱেদন ইত্যাদি নৱধা ভক্তি প্ৰাকৃত-মধ্যম-উত্তমভেদে ত্ৰিপ্ৰকাৰ হ'লে ২৭ বিধ আৰু তাৰো তামস-ৰাজস-সাত্ত্বিকভেদে ত্ৰিপ্ৰকাৰ হ'লে একাশীতিপ্ৰকাৰ ভক্তি হয়। নিৰ্গুণা ভক্তিৰ কোনো ভেদ নাই।

মস্তণশ্ৰুতিমাত্ৰেণ ময়ি সৰ্ৱগুহাশয়ে।
মনোগতিৰৱিচ্ছিনা য়থা গঙ্গাম্ভোহম্বুধৌ।।
লক্ষণং ভক্তিয়োগস্য নিৰ্গুণস্য হ্যুদাহৃতম্।
অহৈতুক্যব্যৱহিতা য়া ভক্তিঃ পুৰুষোত্তমে।।

-- ৩/২৯/১১-১২

এই ভক্তি যোগৰ দ্বাৰা ভক্তৰ গুণাতিক্ৰমণ পূৰ্বক ব্ৰহ্মত্বপ্ৰাপ্তি ঘটে। সালোক্য-সামীপ্য-সাৰূপ্যেকত্বাদি পঞ্চপ্ৰকাৰ মোক্ষ দিলেও ভক্তিবিহীনে তাক ভক্তই গ্ৰহণ নকৰে। ভক্তৰ কৰণীয় সম্পৰ্কত কোৱা হৈছে ঃ

ভগৱন্তত অৰ্পণ কৰি নিষ্কামে স্বধৰ্ম পালন কৰিব। সমস্ত প্ৰাণীত বিষ্ণুবুদ্ধি কৰিব, বিষয়ত বিৰক্ত হ'ব, মহৎ জনক সন্মান জনাব, দীনজনক অনুকম্পা কৰিব, আত্মতুল্যজনক মিত্ৰতা কৰিব, যম আৰু নিয়ম পালন কৰিব, হৰিনাম শ্ৰৱণ-কীৰ্তন কৰিব।

ত্ৰিংশ অধ্যায়ত বিষয়াসক্তজনৰ অধোগতিৰ বৰ্ণনা

কৰা হৈছে। কৰ্মৰ বিপাকত জীৱে মাতৃ গৰ্ভত স্থান লৈ বিভিন্ন দুখ-কষ্ট ভোগ কৰা আৰু জীৱৰ হৰি বন্দন একত্ৰিংশ অধ্যায়ত সন্নিৱিষ্ট হৈছে। জীৱে জন্মৰ পিছতো নানা দুখ ভুঞ্জে।

যিজনে গৃহৰ ধৰ্মত থাকি হৰিত বিমুখ হৈ সকাম কৰ্ম কৰি নানা দেৱতাক ভজে, সি মৰি স্বৰ্গ পায়, পুণ্যক্ষয়বশতঃ স্বৰ্গবাস শেষ হ'লে পুনু পৃথিৱীত পৰে। যি নিষ্কামে হৰিক ভজে তেওঁ পৰম গতি পায়। সংসাৰত নপৰে আৰু সেয়েহে কায়-মনো-বাক্যে হৰিগুণ-শ্ৰৱণ-কীৰ্তন কৰি পৰমেশ্বৰত ভক্তি কৰিব লাগে। সমস্ততে সমদৃষ্টি হ'লে পুৰুষে সাক্ষাতে পৰম ঈশ্বৰক জানে। জ্ঞানযোগ আৰু ভক্তিযোগ, দুয়োৰে একে প্ৰয়োজন ঃ

জ্ঞানয়োগশ্চ মন্নিষ্ঠো নৈৰ্গুন্যো ভক্তিলক্ষণঃ।
দ্বয়োৰপ্যেক এৱাৰ্থো ভগৱচ্ছকলক্ষণঃ।।
য়থেন্দ্ৰিয়ৈঃ পৃথগ্দ্বাৰৈৰথৌ বহুগুণাশ্ৰয়ঃ।
একো নানেয়তে তদ্বদ্ভগৱাঞ্শাস্ত্ৰৱৰ্ত্মভিঃ।।

—৩/৩২/৩২-৩৩

চতুৰ্থ স্কন্ধত ৰুদ্ৰ-দক্ষবিৰোধ সম্পৰ্কত কোৱা হৈছে যে, প্ৰজাপতিসৱৰ সত্ৰলৈ সকলো দেৱতা আহি বহি আছিল। তেনেতে দক্ষ প্ৰজাপতি উপস্থিত হোৱাত সকলোৱে থিয় হৈ সন্মান প্ৰদৰ্শন কৰিলে। নকৰিলে কেৱল শিৱই, তাতে ৰুষ্ট হৈ দক্ষই অভিশাপ দিলে ঃ 'এই ৰুদ্ৰই অন্য দেৱতাৰ লগতে যজ্ঞ ভাগ নাপাওক।' শিৱক গণেও দক্ষক অভিশাপ দিলে। তেতিয়াৰ পৰাই শহুৰ-জোঁৱাই দক্ষ-শিৱৰ বিৰোধ আৰম্ভ হ'ল। মহাযজ্ঞ পাতিও দক্ষই জীয়েক শিৱ-পত্নী সতীক তালৈ নিমন্ত্ৰণ নজনালে। তথাপি শিৱৰ আজ্ঞা নোহোৱাকৈয়ে পিতাকৰ যজ্ঞলৈ গৈ দক্ষৰ মুখে শিৱ-নিন্দা শুনি সতীয়ে দুখতে দেহ ত্যাগ কৰিলে। সেই বাতৰি পাই শিৱৰ খং উঠিল আৰু বীৰভদ্ৰ নামে সেনাপতিৰ নেতৃত্বত ভূতগণ প্ৰেৰণ কৰি দক্ষযজ্ঞ ধ্বংস কৰিলে। ব্ৰহ্মাৰ বুজনিত শান্ত হৈ যেনিবা দক্ষাদিক পুনজীৱন দিলে। দক্ষয়ো হৰি-হৰ, দেৱসৱক অভেদে পূজা কৰি যজ্ঞ সাঙ্গ কৰিলে।

অষ্টমৰ পৰা ত্ৰয়োদশ পৰ্যন্ত ধ্ৰুৱৰ আখ্যান কথিত হৈছে। সপত্নী মাতৃ সুৰুচিৰ তিৰস্কাৰ শুনি মাক সুনীতিৰ উপদেশ মতে ধ্ৰুৱে হৰিক তপস্যাৰ সিদ্ধান্ত কৰিলে। (সকামে বা নিষ্কামে হৰিক মাত্ৰ ভজাৰ বাবে নাৰদেও তেওঁক উপদেশ দিলেঃ

পুংসামমায়িনাংসম্যগ্ভজতাং ভাৱবৰ্দ্ধনঃ।
শ্ৰেয়ো দ্বিশত্যভিমতং য়দ্ধৰ্মাদিষু দেহিনাম্।।
ৱিৰক্তশ্চেন্দ্ৰিয়খতৌ ভক্তিয়োগেন ভূয়সা।
তং নিৰন্তৰভাৱেন ভজেতাদ্ধা ৱিমুক্তয়ে।।

নাৰদৰ উপদেশ মতে সকামে ভজিও হৰিক তুষ্ট কৰি ধ্ৰুৱলোক লাভ কৰাৰ কাহিনী এই অধ্যায় কেইটাত বৰ্ণিত হৈছে। ইয়াতো ধ্ৰুৱৰ মুখে কোৱা হৈছে ঃ সকামে ভজিলে মানুহ ধ্ৰুৱৰ দৰেই হৰিৰ মায়াত মোহিত হয়। গতিকে সকাম ভক্তি গ্ৰহণীয় নহয়।

নূনং ৱিমুষ্টমতয়স্তৱ মায়যাতে
য়ে ত্বাং ভৱাপ্যয়ৱিমোক্ষণমন্যহেতোঃ।
অৰ্চন্তি কল্পকতৰুং কুণপোপভোগ্য
মিচ্ছন্তি য়ৎসাশজিং নিৰয়েলি নৃনাম।।

-- ৪/৯/৯

এই বৃত্তান্তত যে কৃষ্ণ-নাম-কীৰ্তনত যি সুখ পোৱা যায়, মোক্ষ বা অন্যান্য সম্পদ লাভত সেই সুখ পোৱা নাযায়। এতেকে নিষ্কামভাৱে হৰিনাম-শ্ৰৱণ-কীৰ্তনত মন দিবলৈ ধ্ৰুৱৰ আখ্যানত উপদেশ দিয়া হৈছে।

ধ্ৰুৱবংশী ৰজা অঙ্গৰ পুত্ৰ বেন শৈশৱৰে পৰা অধৰ্মী হোৱা বাবে ইচ্ছা নথকা সত্বেও ঋষিসকলে ৰজা পাতিলে যদিও নিজকে হৰিতকৈয়ো শ্ৰেষ্ঠ মানি হৰিকো নিন্দা কৰি ঋষিসমস্তৰ হিতোপদেশ নামানি স্বেচ্চাই প্ৰৱৰ্তা হেতুকে ঋষিসবে বেনক হত্যা কৰিলে। কিন্তু অৰাজকতাত চৌৰাদিৰ উপদ্ৰৱ দেখি তেওঁলোকেই বেনৰ উৰুমথি এক চণ্ডালৰ জন্ম দিলে। পিছত তেওঁৰ বাহু মথিলত দুই বৰ-কন্যা জন্ম হ'ল-- পৃথু আৰু অৰ্চ্চি। পঞ্চদশৰ পৰা ত্ৰয়োবিংশ অধ্যায় পৰ্যন্ত পৃথুৰ বৃত্তান্ত কথিত হৈছে। পৃথুৰ অভিষেকৰ পিছতে নিৰন্ন প্ৰজাসৱে আহাৰ বিচাৰি পৃথুক খাটনি ধৰিলে। পৃথিৱীয়ে সমস্ত শস্য গ্ৰাস কৰি প্ৰজাসৱক কষ্ট দিছে বুলি পৃথুৱে পৃথিৱীক বধিবলৈ উদ্যত হোৱাত বিপন্ন পৃথিৱীৰ কাকুতি-মিনতি শুনি তেওঁক ক্ষমা কৰিলে। আৰু পৃথিৱীক দোহন কৰি সৰ্বৰস আদায় কৰিলে। শত যজ্ঞ সম্পাদন কৰিলেও অন্তিম যজ্ঞৰ অশ্ব বাৰে বাৰে ইন্দ্ৰই অপহৰণ কৰি লৈ

যোৱাত পৃথুৰ আদেশমতে ঋষিসৰে ইন্দ্ৰবধৰ উদ্দেশ্যে যজ্ঞ আৰম্ভিলে। ব্ৰহ্মাৰ উপদেশত তেওঁ যজ্ঞ এৰি পাষণ্ডসকলক দমন কৰিলে আৰু ইন্দ্ৰৰ সৈতে মিত্ৰতা পাশত আৱদ্ধ হ'ল। তাতে সন্তুষ্ট হৈ বিষ্ণুৱে তেওঁক বৰ ল'বলৈ কোৱাত পৃথুৱে ক'লে-- 'ভজন্তাজনক বৰ বচনে তোমাৰ মোহিবাৰ যোগ্য নুই। সি আপুনি মায়ায়ে মোহিত হুয়া যাতো আন বৰ খোজে, যেন নুবুলিলেয়ো পিতৃ পুত্ৰৰ হিত কৰে, তেমনে তুমি আমাৰ কুশল কৰা।'

পৃথুৰ গৃহত সনকাদি চাৰিসিদ্ধ উপস্থিত হোৱাত পৃথুৱে তেওঁলোকক সংসাৰ তৰণৰ উপায় সম্পৰ্কে প্ৰশ্ন কৰাত সনৎকুমাৰে ক'লে--

ভগৱন্তত থকা ৰতিয়ে পুৰুষৰ কাম দূৰ কৰে। শ্ৰৱণ মাত্ৰে উত্তম অধিকাৰীত ঈশ্বৰত ৰতি আৰু বিষয়ত বিৰকতি হয়। আন অধিকাৰীৰ শ্ৰৱণ মাত্ৰকতে এনে নহয়। এনেজনে শ্ৰদ্ধা সহকাৰে হৰিত অৰ্পণ কৰ্ম কৰিব লাগে, সজ্জনৰ সঙ্গত থাকি হৰিকথা শুনিব লাগে, অৰ্থ-কামত ৰতি নাৰাখি পৰহিংসা, পৰনিন্দাৰ পৰা বিৰত থাকি হৰিভক্তি কৰিলে কৃষ্ণত ৰতি, বিষয়ত হয়। তেতিয়া গুৰুক উপাসা কৰি জ্ঞান পাই লিঙ্গদেহা দহি মুক্তি পায়।

পুৰঞ্জনৰ উপাখ্যানক কেন্দ্ৰ কৰি নাৰদৰ মুখে কোৱাইছে যে হৰিবিমুখ জীৱই সংসাৰত অনেক তাপ পায়, নানা কৰ্ম কৰি স্বৰ্গ-মৰ্ত্য-নৰক আদি স্থানত গমন কৰে, বিভিন্ন যোনিত জন্মগ্ৰহণ কৰে। কৰ্মৰ ফলতে এই সকলো হয়। ইয়াৰ পৰা নিষ্কৃতি পাবৰ নিমিত্তে ভগৱন্তত ভক্তি কৰিব লাগে। ভক্তিয়ে ঈশ্বৰৰ কথাক আশ্ৰয় কৰি থাকে। সেয়েহে হৰিকথা শ্ৰৱণ-কীৰ্তন কৰিলেহে হৰিভক্তিৰূপ ফল লাভ হয়। হৰিকথা শ্ৰৱণ-কীৰ্তনৰ কাৰণে সজ্জনৰ সঙ্গত থাকিব লাগে, অকলে কৰিলে আলস্যাদিয়ে হৰিভক্তিত বাধা আৰোপ কৰে। ভগৱন্তৰ অনুগ্ৰহ নোপোৱা বাবেহে ৱেদবাদীসকলে কৰ্মনিষ্ঠ হৈ থাকে। প্ৰকৃততে ৱেদসমূহ কৰ্মপৰ নহয়।

স্বং লোকং ন ৱিদুস্তে বৈ যত্ৰ দেৱো জনাৰ্দ্দনঃ।
আহুৰ্ধুম্ৰধিয়ো ৱেদং সকৰ্মকমতদ্বিদঃ।।

—৪/২৯/৪৮

আৰু কৰ্ম সম্পৰ্কে কৈছে ঃ তাকেহে কৰ্ম বোলা হয়, যাৰ দ্বাৰা হৰি তুষ্ট হয়, সিহে বিদ্যা যাৰ দ্বাৰা হৰিত মতি হয় ঃ

তৎ কৰ্ম্ম হৰিতোষং য়ৎ সা ৱিদ্যা তন্মতিৰ্য়য়া।

এইদৰে ভাগৱত পুৰাণৰ প্ৰথম চাৰিটা স্কন্ধৰ এক অৱলোকন কৰি দেখা পোৱা গৈছে যে এই পুৰাণ হৈছে ভগৱন্তৰ গুণানুবৰ্ণনক মুখ্য উদ্দেশ্য ৰূপে লোৱা এখনি ভক্তিপৰ শাস্ত্ৰ। শাস্ত্ৰখনিৰ বিষয়সূচীলৈ মন কৰিলে দেখা যায়, বিভিন্ন আখ্যান উপাখ্যানৰ সহায়ত কেৱল হৰিভক্তিৰ মাহাত্ম্য মাত্ৰ প্ৰদৰ্শন কৰা হৈছে। সৃষ্টি আদি লীলা সাংখ্যদৃষ্টিৰে বৰ্ণনা কৰিছে যদিও এই সাংখ্য নিৰীশ্বৰ সাংখ্য নহয়, সেশ্বৰ সাংখ্যহে।

গীতাৰ তাৎপৰ্যৰে সৈতে ভাগৱতৰ তাৎপৰ্যৰ মিল আছে। গীতা সম্পৰ্কত মাধৱদেৱে কৈছে--

কৃষ্ণ নিগদতি সব্যসাচী পৰমাৰ্থ তত্ত্ব লৈয়ো বাছি
সুদৃঢ় বিশ্বাসে শৰণ লৈয়ো আমাত।
মোতে মাত্ৰ সদা দিয়া চিত গায়ো মোৰ গুণ নাম গীত
সকলে শাস্ত্ৰৰ কহিলো সাৰ সাক্ষাত।।■■

'চাৰিয়ো বেদৰ সাৰ মহাভাগৱত শাস্ত্ৰ
পৃথিৱীত কৰিলো প্ৰচাৰ।
কলিৰ মলিন লোক শুনিসৰে নিস্তৰোক
অভিপ্ৰায় হেনসে আমাৰ।।

# বিৰাট সৃষ্টি আৰু বিৰাটৰ বিভূতি

ৰথীন্দ্ৰ দত্ত

ভাগৱতৰ দ্বিতীয় স্কন্ধৰ পঞ্চম অধ্যায়ত ব্ৰহ্মাই নাৰদৰ আগত বিৰাট সৃষ্টি সম্পৰ্কে ব্যাখ্যা কৰিছে। সেইখিনিৰ সৰল আৰু চমু ভাষাত বৰ্ণনা দাঙি ধৰাৰ প্ৰয়াস কৰা হ'ল।

পুত্ৰ নাৰদে এদিন সৃষ্টিকৰ্তা ব্ৰহ্মাক আত্মজ্ঞান দান কৰিবলৈ খাটনি ধৰিলে। লগতে এই জগত প্ৰপঞ্চৰ স্বৰূপ কি, জগতখননো কোনে প্ৰকাশ কৰি আছে, কোনে নিয়ন্ত্ৰণ কৰি আছে, কোনে স্ৰজন কৰিলে, অন্তিমত ক'ত লয় হ'বগৈ ইত্যাদি বিষয়েও সম্যকভাৱে জানিবলৈ বিচাৰিলে। নাৰদে ভাৱিছিল যে, তেওঁৰ পিতৃ ব্ৰহ্মাই এই জগতৰ হৰ্তাকৰ্তা, যিহেতু তেৰেঁই এই জগতখনৰ সৃষ্টিকৰ্মত ব্ৰতী হৈছে; কিন্তু ব্ৰহ্মাইও তপস্যা কৰা দেখি নাৰদৰ সংশয় উপজিল যে তেওঁতকৈও ডাঙৰ কোনোবা এজন নিশ্চয় আছে। এই কথা গুৰু শঙ্কৰে ভাগৱতৰ দ্বিতীয় স্কন্ধত লেখিছে--

মোৰ মনে তোহ্মাকে ঈশ্বৰ বুলি কয়।
তযু তপ দেখি তাতো সংশয় লাগয়।।
এতেকে তোহ্মাতো কৰি আছে শ্ৰেষ্ঠ দেৱ।
তাতেসে ভকতি ভাৱে কৰা নিতে সেৱ।।

-- ২/১২৮৫-৮৬

নাৰদৰ প্ৰশ্নত ব্ৰহ্মা আহ্লাদিত হ'ল; কিয়নো ভগৱন্তৰ মহিমাৰ কথা ক'বলৈ পোৱাটোও বৰ ভাগ্যৰ কথা। ব্ৰহ্মাই জনালে যে তেওঁক ঈশ্বৰজ্ঞান কৰাটোও একপ্ৰকাৰে ভুল হোৱা নাই, কিয়নো তেৰোঁ ঈশ্বৰৰ কৰ্মতে লিপ্ত হৈছে (সৃষ্টিকৰ্মত প্ৰবৃত্ত হৈছে)। তথাপি তেওঁৰ (ব্ৰহ্মাৰ) চিৰনমস্য বাসুদেৱ (বিষ্ণু)ৰ দ্বাৰাহে এই জগতৰ প্ৰকাশ ঘটিছে, জগতৰ কাৰ্য-কাৰণৰ তেওঁহে গৰাকী। তেওঁৰ দ্বাৰা প্ৰকাশিত জগতখনহে ব্ৰহ্মাই প্ৰকাশ কৰিছে, তেওঁৰ শক্তি লাভ কৰিহে ব্ৰহ্মাই জগতখন স্ৰজন কৰিছে। সেই ভগৱন্তৰ মায়াত মোহ গৈহে নাৰদে ব্ৰহ্মাকে (স্বতন্ত্ৰ) ঈশ্বৰ জ্ঞান কৰিছে--

তুমি সব সেহি মহামায়ায়ে ভুলিলা।
তাতেসে জগত গুৰু আমাক বুলিলা।।

-- ২/১২৯২

তেওঁৰ মায়াত মোহ গৈহে মানুহে অহঙ্কাৰ-মমকাৰ কৰে আৰু তেওঁক চিনি নাপায়। সেই ভগৱন্ত জগতৰ লোকৰ আৰু ব্ৰহ্মাৰো ঈশ্বৰ। কৃষ্ণদেৱ সৰ্বস্ব আদৰ্শৰ প্ৰতিভূ শঙ্কৰদেৱৰ কলমত ব্ৰহ্মাৰ বাণী--

মোৰ ইষ্টদেৱ দেৱ দৈৱকী তনয়।
কৃষ্ণ বিনে সেব্য আন দেৱ নাহিকয়।।

-- ২/১২৯০

কৃষ্ণৰেসে আজ্ঞা মই ধৰিয়া শিৰত।
নানামতে স্ৰজো ইটো সমস্তে জগত।।
হৰিৰ অধীন হুয়া হৰে সংহাৰন্ত।
জগতকে ভগৱন্তে আপুনি পালন্ত।।
সেহি কৃষ্ণদেৱ মাত্ৰ সেব্য জগতৰ।
কৃষ্ণ বিনে ভজনীয়া নাহিকে অপৰ।।

-- ঐ, পদ ঃ ১৩০৫-০৬

তাৰ পিছত ব্ৰহ্মাই ভগৱন্তৰ সৃষ্টি সম্পৰ্কে ক'বলৈ ধৰিলে। ভগৱন্তই পুৰুষৰূপ ধৰি মায়াত গৰ্ভাধান কৰে। তেওঁলোকৰ পৰা মহত্তত্ত্ব উপজে। মহত্তত্ত্বৰ পৰা অহঙ্কাৰৰ উৎপত্তি হয়। অহঙ্কাৰ তিনিবিধি-- সাত্ত্বিক, ৰাজসিক আৰু তামসিক। তামস অহঙ্কাৰৰ পৰা পঞ্চতন্মাত্ৰ-- ৰূপ, ৰস, গন্ধ, স্পৰ্শ আৰু শব্দ; আৰু পঞ্চমহাভূত-- পৃথিৱী (মাটি) বা ক্ষিতি, জল (পানী), তেজ (জুই, বায়ু আৰু আকাশৰ সৃষ্টি হয়। এইবিলাকৰ

সৃষ্টি এনে ধৰণৰ-- শব্দৰপৰা আকাশ, আকাশৰ পৰা স্পৰ্শ, স্পৰ্শৰ পৰা বায়ু, বায়ুৰপৰা ৰূপ, ৰূপৰপৰা তেজ, তেজৰ পৰা ৰস, ৰসৰপৰা জল, জলৰপৰা গন্ধ আৰু গন্ধৰপৰা পৃথিৱীৰ উৎপত্তি। সেইদৰে ৰাজস অহঙ্কাৰৰ পৰা পঞ্চজ্ঞানেন্দ্ৰিয় আৰু পঞ্চ কৰ্মেন্দ্ৰিয়ৰ উদ্ভৱ হয়। পাঁচোটা জ্ঞানেন্দ্ৰিয় হ'ল-- চক্ষু (চকু), শ্ৰোত্ৰ (কাণ), ঘ্ৰাণ (নাক), জিহ্বা (জিভা) আৰু ত্বক (ছাল)। সেইদৰে কৰ্মেন্দ্ৰিয় কেইটা হ'ল-- বাক (মুখ), পাণি (হাত), পাদ (ভৰি), পায়ু (গুহ্য) আৰু উপস্থ (লিঙ্গ)।

সাত্ত্বিক অহঙ্কাৰৰ পৰা উপৰুক্ত দহোটা ইন্দ্ৰিয়ৰ (পাঁচোটা জ্ঞানেন্দ্ৰিয় আৰু পাঁচোটা কৰ্মেন্দ্ৰিয়) অধিষ্ঠাতা দেৱতাসকলৰ উৎপত্তি। জ্ঞানেন্দ্ৰিয় আৰু কৰ্মেন্দ্ৰিয়ৰ ওপৰত দি অহা ক্ৰম অনুযায়ী ইবিলাকৰ অধিষ্ঠাতা দেৱতাসকল হ'ল যথাক্ৰমে-- সূৰ্য, দিশ, অশ্বিনীকুমাৰ, বৰুণ, বায়ু, অগ্নি, ইন্দ্ৰ, বিষ্ণু, মিত্ৰ আৰু প্ৰজাপতি।

এই মহাভূত, তন্মাত্ৰ, ইন্দ্ৰিয় আৰু দেৱতাসকলকক যদিও ব্ৰহ্মাণ্ড সৃষ্টিৰ বাবে সৃজন কৰা হ'ল, তথাপি এওঁলোক সেই কাম কৰিবলৈ সক্ষম নহ'ল। তেতিয়া তেওঁলোকে ভগৱন্তক স্তুতি কৰে আৰু ভগৱানো দয়াপৰবশ হৈ তেওঁলোকৰ হৃদয়ত প্ৰৱেশ কৰাত তেওঁলোকে ব্ৰহ্মাণ্ড সৃজন কৰিবলৈ সক্ষম হয়। কিন্তু এই ব্ৰহ্মাণ্ডও অচেতন অৱস্থাত এহেজাৰ বছৰ জলমগ্ন হৈ থাকিল। পিছত ভগৱানৰ কৃপাত তাৰপৰা বিৰাট শৰীৰৰ উৎপত্তি হ'ল। এই বিৰাট পুৰুষক কোনেও যত্ন কৰি জলৰপৰা উদ্ধাৰ কৰিব পৰা নাছিল। পিছত তেওঁৰ চিত্তত ভগৱন্তই প্ৰৱেশ কৰাত বিৰাট পুৰুষ সচেতন হৈ উঠিল আৰু তেওঁৰ মুখৰপৰা ব্ৰাহ্মণ, বাহুৰপৰা ক্ষত্ৰিয়, উৰুৰপৰা বৈশ্য আৰু পদৰপৰা শূদ্ৰ-- এই চাৰিবৰ্ণৰ উৎপত্তি হয়। এই বিৰাটৰ শৰীৰতে চৈধ্যভূৱন কল্পিত হৈছে। শৰীৰৰ নিম্নভাগত-- অতল, বিতল, সুতল, তলাতল, মহাতল, ৰসাতল, পাতাল-- এই সপ্তপাতাল আৰু শৰীৰৰ ওপৰভাগত ভূলোক, ভূৱলোক, স্বলোক, মহলোক, জনলোক, তপলোক আৰু সত্যলোক-- এই সপ্তস্বৰ্গই অৱস্থান কৰিছে। আনহাতে সনাতন বৈকুণ্ঠলোক ব্ৰহ্মাণ্ডৰ বাহিৰত।

বিৰাটৰ সৃষ্টিৰ বৰ্ণনা ইমানতে সামৰি এতিয়া আমি বিৰাটৰ বিভূতিৰ বিষয়ে আলোচনা কৰোঁ।

দ্বিতীয় স্কন্ধৰ ষষ্ঠ অধ্যায়ত বিৰাটৰ বিভূতিৰ কথা বৰ্ণিত হৈছে। বিৰাট পুৰুষ ভগৱন্তৰ বিভূতি বা ঐশ্বৰ্য হ'ল তেওঁৰেই কিছুমান শক্তি যিবিলাকৰ সহায়ত তেওঁ এই জগত বা ব্ৰহ্মাণ্ড সৃষ্টি কৰিছে। এনে বিভূতিবিলাক হৈছে-- পুৰুষ, প্ৰকৃতি, মহত্তত্ত্ব, অহঙ্কাৰ, সত্ত্ব, ৰজ, তম-- এই তিনিটা গুণ আৰু ইহঁতৰ পৰা উদ্ভূত ইন্দ্ৰিয়, দেৱতা, পঞ্চতন্মাত্ৰ, পঞ্চমহাভূত ইত্যাদি। এইবিলাকৰ উপৰিও সপ্তপাতাল, সপ্তস্বৰ্গ আদিও বিৰাটৰ দেহতে আছে।

বিৰাটৰ বিভূতি বৰ্ণনা কৰোঁতে ব্ৰহ্মাই নাৰদৰ আগত কৈছে যে ভগৱন্ত পুৰুষৰ অঙ্গতে ইন্দ্ৰিয়, দেৱতা আদিয়ে আশ্ৰয় লৈ আছে আৰু ব্ৰহ্মাৰপৰা অতি ক্ষুদ্ৰ প্ৰাণীলৈকে সকলোৰে হৃদয়ত বিৰাট পুৰুষ ভগৱন্ত বিৰাজ কৰি আছে। তেওঁ জীৱক কৰ্মফল প্ৰদান কৰোঁতা আৰু মোক্ষৰো গৰাকী।

ব্ৰহ্মাই কৈছে যে, তেওঁ যেতিয়া নাৰায়ণৰ নাভিপদ্মৰ পৰা উৎপত্তি হ'ল, তেতিয়া তেওঁ ভগৱন্তৰ অৱয়বটোৰ বাহিৰে অন্য যজ্ঞসম্ভাৰ চিনি নাপালে। ভগৱন্তৰ অবয়ব অৰ্থাৎ শৰীৰটোকে উপচাৰ হিচাপে লৈ ব্ৰহ্মাই তেওঁক যজিলে।

ভগৱান সৃষ্ট জগতখন তেওঁৰ শৰীৰতে বিৰাজ কৰিছে, যিহেতু নিৰ্গুণ ব্ৰহ্মই গুণক আশ্ৰয় কৰিয়ে ব্ৰহ্মাৰূপে জগত সৃজন কৰিছে, বিষ্ণুৰূপে পালন কৰিছে আৰু ৰুদ্ৰৰূপে সংহাৰ কৰিছে। সেয়েহে, ব্ৰহ্মা-বিষ্ণু-শিৱ (ৰুদ্ৰ)ক গুণাৱতাৰ বুলিও কোৱা হয়। কাৰ্যসাধনৰ উদ্দেশ্যে ভিন ভিন ৰূপে নিজকে নিয়োগ কৰিলেও ভগৱন্তৰ বাহিৰে জগতৰ কাৰ্য-কাৰণ আন একো নাই। সেই ভগৱন্তক তুষ্ট কৰিবলৈ ভক্তিহে সাৰ কথা, ভক্তি নহ'লে সকলো ব্যৰ্থহয়।

শ্ৰৱণ কীৰ্ত্তন ধৰ্ম্ম চাৰিয়ো বৰ্ণৰ।
নিজ পিতৃ কৃষ্ণে সেব্য জগতৰ।।

-- ঐ, পদ ঃ ১২৯৬

প্ৰেম-ভক্তিৰে ভগৱন্তক চিন্তা কৰি থকা বাবেহে, ব্ৰহ্মাৰো মন, বাক্য আৰু ইন্দ্ৰিয়জনিত কৰ্মবিলাক সৎ উদ্দেশ্যত প্ৰয়োগ হৈছে। ভক্তি উদয় নোহোৱা বাবে বেদ অধ্যয়ন, তপ আদি কৰি ব্ৰহ্মাই আত্মজ্ঞান লাভ কৰিব

নোৱাৰিলে। যি ভগৱন্তৰ চৰণত শৰণ ল'লে সংসাৰ চক্ৰৰপৰা পৰিত্ৰাণ পাব পাৰি; জীৱৰ কুশল হয়, যাৰ মায়া-বৈভৱৰ অন্ত নাই, যাৰ স্বৰূপ কোনেও বুজি অন্ত কৰিব নোৱাৰে, সেই ভগৱন্তৰ পৰম মঙ্গল চৰণত ব্ৰহ্মাই প্ৰণাম জনাইছে। ভগৱানৰ মায়াই মুহি থকা বাবে জীৱই এই বাহ্যিক জগতখনৰ বাদে আন একো চিনি নাপায়। আনকি অৱতাৰ চৰিত্ৰৰ কথা শ্ৰৱণ-কীৰ্তন কৰিও তেওঁৰ স্বৰূপ সম্পূৰ্ণৰূপে বুজি পোৱা জটিল। তেনেজন ভগৱন্ত পুৰুষক নমস্কাৰ কৰাৰ বাদে আন উপায় নাই।

প্ৰতি কল্পতে ভগৱানে অৱতাৰ ধাৰণ কৰি জগতৰ সৃষ্টি, স্থিতি আৰু সংহাৰ এই তিনিটা কাৰ্য চলাই থাকে। শান্তচিত্তময়ীসকলে এই পৰমেশ্বৰক বুজি পায়; কিন্তু যিবোৰে তৰ্কৰ দ্বাৰা তেওঁক জানিবলৈ বিচাৰে, সেই (কুতৰ্কী)সকলে তেওঁৰ স্বৰূপ বুজিব নোৱাৰে।

পৰমেশ্বৰৰ আদি অৱতাৰ হ'ল প্ৰকৃতিক নিয়ন্ত্ৰণ কৰোঁতা পুৰুষ। এহেজাৰ শিৰযুক্ত নাৰায়ণ হ'ল তেওঁৰ লীলা বিগ্ৰহ, প্ৰকৃতি হ'ল তেওঁৰ শক্তি, মহত্তত্ত্ব আদি তেওঁৰ কাৰ্য, ব্ৰহ্মা-বিষ্ণু-মহেশ-গুণাৱতাৰ, প্ৰজাপতি দেৱৰ্ষিসকল তেওঁৰ বিভূতি আৰু গোটেই জগতখনেই তেওঁৰ ৰূপ।

বিৰাট সৃষ্টি অধ্যায়ৰ তাৎপৰ্য হ'ল চকুৰে দেখা বা অস্তিত্ব থকা বিবিধ বস্তুৰে ভৰা এই জগতখন ভগৱন্তৰ শৰীৰ মাত্ৰ। সকলোতে ভগৱানৰ অনন্ত শক্তিৰ স্পৰ্শ বিদ্যমান। সকলোটি তেওঁৰ ইচ্ছাতে যথানিয়মে পৰিচালিত হৈ আছে।

সেইদৰে বিৰাটৰ বিভূতি অধ্যায়টোৰ তাৎপৰ্য হ'ল-- সমস্ত জগত পৰমপুৰুষৰ ক্ৰীড়াস্থলী। ভক্তিৰ দ্বাৰাহে আত্মজ্ঞানৰ অধিকাৰী হ'ব পাৰি আৰু ঈশ্বৰকো উপলব্ধি কৰিব পাৰি। আত্ম-উপলব্ধিৰ দ্বাৰা ঈশ্বৰক চিনি নাপালে তৰ্কৰ দ্বাৰা তেওঁক চিনাটো অসম্ভৱ। ■■

সহায়ক গ্ৰন্থ ঃ

১। হৰিনাৰায়ণ দত্ত বৰুৱা ঃ (সম্পা.) শ্ৰীশঙ্কৰ ব্যাক্যামৃত ঃ ২য় প্ৰকাশ, ১৯৬৪

২। হৰিনাথ শৰ্মাদলৈ আৰু গুৰুকৃষ্ণ গোস্বামী ঃ (সম্পা.) কথা-ভাগৱত ঃ ১ম প্ৰকাশ, ১৯৮৭, বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্য ৰচিত।

আপুনি সহিতে আনো আছয় যতেক।
সমস্তকে সৃষ্টিকৰে দেখিলা প্ৰত্যেক।।
গুচিলেক দুখ সেহিৰূপে দিয়া মতি।
কৰযোৰে স্তুতি আৰম্ভিলা প্ৰজাপতি।।
--ভাগৱত

# ‘অনাদি পাতন’ত সৃষ্টিতত্ত্ব বৰ্ণন

**দীপক কুমাৰ বৰা**

মহাপুৰুষ শঙ্কৰদেৱৰ ‘ভক্তি প্ৰদীপ’, ‘ভক্তি ৰত্নাকৰ’ (সংস্কৃত), ‘অনাদি পাতন’ আৰু ‘নিমি-নৰসিদ্ধ সংবাদ’ নামৰ পুথি চাৰিখনক ভক্তিতত্ত্ব প্ৰধান ৰচনা বুলি কোৱা হয়। কাৰণ এইপুথি কেইখনত কাব্যৰসৰ পৰিৱৰ্তে দাৰ্শনিক তথা তত্ত্বমূলক কথাহে সহজভাৱে নিৰূপণ কৰা হৈছে। ‘ভক্তি প্ৰদীপ’ শঙ্কৰদেৱৰ আগবয়সৰ ৰচনা। ইয়াত কৃষ্ণাৰ্জুনৰ কথোপকথনৰ দ্বাৰা ভক্তিতত্ত্বৰ প্ৰাঞ্জল ব্যাখ্যা পোৱা যায়। বাকী তিনিখন শঙ্কৰদেৱৰ শেষ বয়স অৰ্থাৎ কোবিহাৰত কটোৱা কালৰ (১৪৬৫-৯০শক) ৰচনা। ‘ভক্তি ৰত্নাকৰ’ শঙ্কৰদেৱৰ একমাত্ৰ সংস্কৃত পুথি। ইয়াক প্ৰকৰণ গ্ৰন্থ বুলিও কোৱা হয়। ভাগৱত আদি বৈষ্ণৱ শাস্ত্ৰৰ পৰা চয়ন কৰা শ্লোকৰ সংগ্ৰহ এই গ্ৰন্থখন। ৩৮ টা মাহাত্ম্যত বিভক্ত এই পুথিখন বিষ্ণুপুৰী সন্ন্যাসীৰ সংস্কৃত ‘ভক্তি ৰত্নাৱলী’ৰ লগত তুলনা কৰিব পাৰি। অনাদি পাতন সৃষ্টিতত্ত্ব, বৰ্ষচক্ৰ, জ্যোতিশ্চক্ৰ। চৌৰিশতত্ত্ব, দেহতত্ত্ব, নৰক বৰ্ণনা আদি কথাৰে সমৃদ্ধ। সেইদৰে ‘নিমি নৰসিদ্ধ সংবাদ’ত আছে পৰম তত্ত্বজ্ঞ নিমি ৰজাই নজন সিদ্ধৰ প্ৰতি কৰা নটা প্ৰশ্ন যেনে-- অত্যান্তিক সুখ, ভক্তৰ লক্ষণ, মায়া, মায়া তৰণৰ উপায়। একাগ্ৰ ভকতি, কৰ্মযোগ, অৱতাৰবাদ, অভক্তৰ গতি আৰু ভগৱন্ত সেৱা বিধি ইত্যাদি আৰু নৱসিদ্ধৰ উত্তৰ দান।

আমাৰ আলোচ্য ‘অনাদি পাতন’ ৩০১টা পদৰ নাতিদীৰ্ঘ পুথি। পুথিখন তৃতীয় স্কন্ধ ভাগৱত আৰু বামণ পুৰাণৰ কথাবস্তুৰ আলমত ৰচিত বুলি কবিয়ে উল্লেখ কৰিছে--

মহাভাগৱত কথা অমৃত সাক্ষাত।
বামন পুৰাণ কিছু মিশ্ৰ দিলো তাত।।
দুয়ো কথা নিবন্ধিলো একত্ৰ মিসলে।
মধু সমে দুগ্ধ যেন আতি স্বাদ বোলে।।
শুনা সাৱধানে মনে সৱে সভাসদ।
তৃতীয় স্কন্ধৰ মহা ভাগৱত পদ।। --৬-৭

যদিও পুথিখন তৃতীয় স্কন্ধ আধাৰিত তথাপি কবিয়ে মূলৰ সকলো কথা সামৰা নাই। ‘যেন মতে ভৈলস ইটো অনাদি পাতন’ৰ কথা ক’বলৈ বুলি কবিয়ে মূলৰ কথা বঢ়া-টুটা কৰি মৌলিকতা আৰোপ কৰিছে। অন্যাহাতে মূলৰ প্ৰসঙ্গত কবিয়ে বামন পুৰাণৰ কথা ক’লেও বৰ্তমানে প্ৰচলিত বামন পুৰাণৰ লগত অনাদি পাতনৰ কোনো সাদৃশ্য নাই। প্ৰসঙ্গক্ৰমে ক’ব পাৰি যে ভক্তি প্ৰদীপৰে মূল বুলি নিৰ্দেশিত বৰ্তমানৰ গৰুড় পুৰাণতো তাৰ বিষয়বস্তু পোৱা নাযায়। হয়তো এসময়ত সংস্কৃত বামন পুৰাণ, গৰুড় পুৰাণ আদি পুথিৰ কেইবাটাও প্ৰাচীন পাঠ আছিল আৰু ইয়াৰ কোনো পাঠৰ লগত উক্ত পুথিৰ পাঠৰ সম্পৰ্ক আছিল। কিবা কাৰণত সেই পাঠৰ বিলুপ্তি ঘটাত বৰ্তমানৰ অৰ্বাচীন পাঠৰ লগত গ্ৰন্থদ্বয়ৰ বিশেষ মিল নাই। এইখিনিতে ক’ব পাৰি যে, ৰামসৰস্বতীৰ বধকাব্যসমূহৰ মূল বুলি উল্লিখিত হংসকাকি, শিৱ ৰহস্য আদি পুথিও সম্প্ৰতি দুষ্প্ৰাপ্য।

যি হওক, তৃতীয় স্কন্ধৰ ভাগৱতত সৃষ্টি তত্ত্বৰ কথাই বেছি। সৃষ্টি হ’ল, অনাদি অনন্ত। এই ‘অনন্ত কোটি ব্ৰহ্মাণ্ড’ ব্ৰহ্মৰূপী সনাতন’তেই লুকাই থাকে। প্ৰজাপতি ব্ৰহ্মাই মাথো যথাসময়ত প্ৰকাশ বা পাতনহে (স্থাপন) কৰে। এয়ে অনাদি পাতন। সেই হিচাপে পুথিখনৰ নামটো সাৰ্থক। এই পুথিখন ৰচনা প্ৰসঙ্গত ‘গুৰুচৰিত কথা’ত পোৱা যায় আৰু বুঢ়া দৈৱজ্ঞ আতৈৰ চোৱা-চিন্তা জ্যোতিষত বৰ আস্তিক দেখি গুৰুজনে বোলে--

'অনাদৰি আনধৰ্ম কৰ্মক প্ৰতি। একচিত্তে কৰা হৰি কীৰ্তনে ৰতি।।' ..... তাৰে পৰা চাবৰ এৰিলে ঃ তেও মন চলে তাপৰিব নপাৰি পাছফালে চাইচিন্তি থাকে ভাবি গপি ঃ ....... তেহে তৃতীয় অনাদি পাতন ভাগৱতৰ মূল তাতে জ্যোতিস ভাঙ্গি মিশ্ৰ দি কৰিলেঃ' (ছেদ-২০৬) অৰ্থাৎ এজন বুঢ়া দৈৱজ্ঞৰ জ্যোতিষত বৰ বিশ্বাস আছিল। গুৰুজনে তাৰ পৰিৱৰ্তে হৰি কীৰ্তনহে মনোনিৱেশ কৰিবলৈ কোৱাতো তেওঁৰ মনকো জ্যোতিষৰ পৰা আঁতৰি নহাত তৃতীয় স্কন্ধৰ কথাৰে জ্যোতিষৰ কথা মিলাই অনাদি পাতনৰ পদ কৰে। ইয়াৰ পৰা বুজা যায় যে পুথিখন উদ্দেশ্যমুখী ৰচনা।

ভাগৱতৰ সৃষ্টিতত্ত্বৰ কথাবোৰ জটিল। তথাপি মহাপুৰুষৰ কাপত পৰি এই জটিল কথাবোৰো সহজে বোধগম্য হৈ পৰিছে। এতিয়া তাৰে বুজ ল'বলৈ প্ৰয়াস কৰা হৈছে। গ্ৰন্থাৰম্ভতে ৰজা পৰীক্ষিতে শুকমুনিক প্ৰশ্ন কৰিছে-- 'কিমতে স্ৰজন্ত হৰি ইটো ত্ৰিজগত।'(৯) বুলি। ইয়াৰ প্ৰত্যুত্তৰত শুকে হৃদয়ত কৃষ্ণৰ চৰণ চিন্তি 'পুৰাতন কথা' ক'বলৈ আৰম্ভ কৰিলে। সেইমতে পৃথিৱীৰ অধোদেশে সাত পাতালৰ তলৰ পৱিত্ৰ জলত ব্যাপকভাৱে কূৰ্মৰূপী হৰি বিৰাজমান। এই কূৰ্মৰ ওপৰত আকৌ সহস্ৰ ফণা মেলি আছে অনন্তৰূপী হৰি। এই ভয়ঙ্কৰ সৰ্পৰ আঠো দিশে থকা আঠটা ফণাৰ ওপৰত আছে আঠটা দিগ্‌গজ (হাতী)। বাৰ হাজাৰ প্ৰহৰৰ পথৰ সমান কলেৱৰৰ এই হাতীকেইটাই ধাৰণ কৰা আঠখন পৰ্বতৰ ওপৰতে সসাগৰা পৃথিৱীৰ অৱস্থান।

এই বিৰাট সৃষ্টিখনো ধ্বংস হয় ব্ৰহ্মাৰ শতেক বছৰত। তেতিয়া 'ৰুদ্ৰৰূপে হৰে কৰে জগত সংহাৰ।।' এই ৰুদ্ৰৰূপ অতি ভয়ঙ্কৰ, 'অন্তকৰো অন্তক যমৰো মহাযম।' তেনে দুৰ্দিনত একেৰাহে বাৰ বছৰ অনাবৃষ্টি হয়। ফলত বাৰটা সূৰ্যৰ সমান পৃথিৱীৰ উত্তাপ বাঢ়ি যায়। ইফালে অনন্ত নাগৰ মুখৰ বিষবহ্নিয়ে চৈধ্য ভুৱন দহি ছন্ন কৰাত ব্ৰহ্মাণ্ড ৰক্তবৰ্ণ লোহাৰ পিণ্ডলৈ পৰিণত হয়। এই অৱস্থাৰ পিছত আকৌ একেৰাহে বাৰ বছৰ ধৰি মূষল ধাৰে হোৱা বজ্ৰবৃষ্টিত চৰাচৰ তল যায়। এনেকৈয়ে এদিন বায়ু-বহ্নি আদি সমস্ত সত্তা মহাকাশত (মহাশূন্য) লীন হৈ পৰিলে। এই মহাকাশো আকৌ কালৰ বিক্ৰমত অহঙ্কাৰৰ গৰ্ভত আৰু অহঙ্কাৰ মহত্তত হেৰাই গ'ল। এইবাৰ মহত্ত্ব মহা প্ৰকৃতিত আৰু সদৌ শেষত মহাপ্ৰকৃতিও পুৰুষতে অন্তৰ্হিত হ'ল-- 'নাথাকিল আন একো পুৰুষত ভিন।' এয়ে অদ্বৈত তত্ত্ব। জল, থল, আকাশ, বতাহ সকলো অনাদি ঈশ্বৰত লীণ গৈ বাহিৰে-ভিতৰে কেৱল ব্ৰহ্মময় হৈ পৰিল। অনাদি ব্ৰহ্মাই তেতিয়া যোগ নিদ্ৰাত নয়ন কমল মুদি সহস্ৰ বছৰ পাৰ কৰিলে। পিছে অব্যক্ত সৃষ্টিয়ে শোভা নকৰাত বিনোদ বিলাস কৰিবৰ মনেৰে অনাদি ঈশ্বৰে নয়ন পদ্ম মেলি গৰ্ভৰ পৰা মহামায়াক বাজ কৰিলে। ফলত 'ঈশ্বৰৰ অৰ্দ্ধকায়' মহামায়াৰ পৰা পুনৰ 'মহত্ত্ব' (গুণ)ৰ জন্ম হ'ল। এই মহত্ত্বৰ তিনি পুত্ৰৰূপী তিনি গুণ বা তিনি তত্ত্ব। ইয়াক তিনি অহঙ্কাৰ বুলিও কোৱা হয়। সেয়া হ'ল-- তামসিক, ৰাজসিক আৰু সাত্ত্বিক অহঙ্কাৰ। তামসিক অহঙ্কাৰৰ পৰা ক্ৰমে শব্দ, আকাশ, পৰশ (স্পৰ্শ) বায়ু, ৰূপ, অগ্নি, ৰস, জল, গন্ধ, বসুমতী আদি পঞ্চতন্মাত্ৰ (শব্দ, স্পৰ্শ, ৰূপ, ৰস, গন্ধ) আৰু ক্ষিতি (মাটি, বসুমতী), অপ (পানী), তেজ (অগ্নি), মৰুৎ (বায়ু), ব্যোম (আকাশ) এই পঞ্চভূতৰ সৃষ্টি হ'ল। এই তত্ত্বটো এইদৰেও কোৱা হয়-- অহঙ্কাৰৰ (তিনিগুণ) পৰা আকাশ, আকাশৰ পৰা বায়ু, বায়ুৰ পৰা অগ্নি, অগ্নিৰ পৰা জল আৰু জলৰ পৰা পৃথিৱীৰ সৃষ্টি হৈছে। আকাশৰ গুণ হ'ল শব্দ, বায়ুৰ গুণ শব্দ আৰু স্পৰ্শ, অগ্নিৰ গুণ শব্দ, স্পৰ্শ আৰু ৰূপ, জলৰ গুণ শব্দ, স্পৰ্শ, ৰূপ, ৰস আৰু গন্ধ আৰু ক্ষিতিৰ গুণ হৈছে স্পৰ্শ, ৰূপ আৰু ৰস।

এইবাৰ ৰাজসিক অহঙ্কাৰৰ পৰা সৃষ্টি হ'ল দহ ইন্দ্ৰিয়ৰ। এই দহেন্দ্ৰিয় হ'ল পঞ্চ জ্ঞানেন্দ্ৰিয় (চকু, কাণ, নাক, জিভা, ছাল) আৰু পঞ্চ কৰ্মেন্দ্ৰিয় (বাক, পাণি, পাদ, গুহ্য আৰু লিঙ্গ)। সাত্ত্বিক অহঙ্কাৰৰ পৰা উদয় হ'ল দহেন্দ্ৰিয়ৰ অধিষ্ঠাতা দেৱতাসকলৰ। এই দহ দেৱতা হ'ল-- বায়ু, বহ্নি, বিষ্ণু, ইন্দ্ৰ, দিক্‌পাল, প্ৰজাপতি, অশ্বিনী কুমাৰ, মিত্ৰ, আদিত্য আৰু বৰুণ। এই দেৱতাসকলৰ অধিষ্ঠান হ'ল-- বায়ুৰ চৰ্ম, বহ্নিৰ বাক্য, বিষ্ণুৰ পদ, ইন্দ্ৰৰ হস্ত, দিক্‌পালৰ কৰ্ণ, প্ৰজাপতিৰ লিঙ্গ, অশ্বিনী কুমাৰৰ নাক, মিত্ৰৰ গুহ্য, আদিত্যৰ চকু আৰু বৰুণৰ জিভা।

এতিয়া আহিল স্বতন্ত্ৰ ইন্দ্ৰিয় মনৰ কথা। জীৱৰ

হৃদয়তে থাকি ভাল বেয়া কাম কৰোঁৱা মনৰ সম্পূৰ্ণ স্বৰূপ হ'ল-- মন, বুদ্ধি, অহঙ্কাৰ আৰু চিত। মনৰ অধিষ্ঠাতা হ'ল চন্দ্ৰ, বুদ্ধিৰ ব্ৰহ্মা, অহঙ্কাৰৰ ৰুদ্ৰ আৰু চিত্তৰ বাসুদেৱ। মনৰ ধৰ্ম হ'ল-- নানা কাৰ্যৰ পৰিকল্পনা কৰা। বুদ্ধিয়ে সদায়, সঙ্কল্প-বিকল্প কৰ্ম কৰে। অহঙ্কাৰৰ ধৰ্ম হ'ল নিজক লৈ গৰ্ব কৰা আৰু চিতৰ ধৰ্ম সদায় সৎ কৰ্মত মতি দিয়া। তদুপৰি মনৰ স্বৰূপ আৰু চাওক --

মনৰ কল্পনা ইটো সমস্তে সংসাৰ।
জাগন স্বপন নিদ্ৰা তিনি বৃত্তি সাৰ।।
..................................................
মনতেসে আছে জানা চৈধ্যয় ভুৱন।।
মনে পাপ পুণ্য স্বৰ্গ মনেসে নৰক।
মনেসে কৰিছে ভেদ আপোন পৰক।।
.......................................................
যাৱে নানা দেৱধৰ্ম মনৰ প্ৰবন্ধ।
তাৱে বন্দী থাকে জীৱ নেৰাই কৰ্মবন্ধ।। ৬৬-৭১

মনৰ এই চঞ্চল ধৰ্মৰ বাবেই মহৎ আদি তত্ত্ব (গুণ)সমূহে ব্ৰহ্মাণ্ড স্ৰজিবলৈ অপৰাগ হৈ অনাদি ব্ৰহ্মক স্তুতি কৰিবলৈ ধৰিলে। তেতিয়া ব্ৰহ্মাই অন্তৰ্যামীৰূপে চৌৰিশ তত্বত অৰ্থাৎ প্ৰকৃতি মহৎ আৰু অহঙ্কাৰ-- এই তিনিগুণ, পঞ্চভূত, পঞ্চতন্মাত্ৰ আৰু একাদশ ইন্দ্ৰিয় (পঞ্চতৰ্মেন্দ্ৰিয়, পঞ্চজ্ঞানেন্দ্ৰিয় আৰু মন)ত প্ৰৱেশ কৰিলে। ফলত এই সকলোবোৰ একত্ৰ হৈ ব্ৰহ্মাণ্ডৰ সৃষ্টি হ'ল। ইতিমধ্যে প্ৰলয় জলত উপঙি ফুৰা ব্ৰহ্মাণ্ডক প্ৰকৃতি (ক্ষিতি), মহাজ্যোতি, বায়ু, আকাশ, মহাঅহঙ্কাৰ, মহত্ব আৰু মহামায়াই আৱৰি ধৰিলে। স্বাভাৱিকতে সকলোৰে মধ্যত বিৰাজমান ব্ৰহ্মৰূপী সনাতনে তেতিয়াও চৰাচৰ জীৱৰ সৃষ্টি নোহোৱাত মহামায়াৰ প্ৰতি অসন্তুষ্টি হৈ কটাক্ষপাত কৰিলে। তেতিয়া প্ৰকৃতিদেৱী ভয়ত কম্পমান হৈ চৈধ্যভুৱন সৃষ্টিত লাগিল। এই চৈধ্যভৱন হ'ল ভূলোক, ভূৱলোক, স্বলোক, মহলোক, জনলোক, তপলোক আৰু সত্যলোক-- এই সাত স্বৰ্গ আৰু অতল, সুতল, বিতল, তলাতল, মহাতল, ৰসাতল আৰু পাতাল-- এই সাতখন পাতাল। ভূলোক হ'ল কিন্নৰ আৰু মানুহৰ স্থান। সেইদৰে ভূৱলোকত গন্ধৰ্বসকল, স্বলোক ইন্দ্ৰ, মহলোকত নাৰায়ণ আৰু ধ্ৰুৱ, জনলোকত মুনিসকল, তপলোকত মহাসিদ্ধসকল আৰু সত্যলোকত থাকে ব্ৰহ্মাদি তিনি দেৱতাসকল। সত্যলোকৰ ব্ৰহ্মাৰ ওপৰত শিৱৰ আৰু তাৰো ওপৰত বিষ্ণুৰ পৰম ৰত্নময় স্থান। এই সবাৰো ওপৰত আকৌ 'কৃষ্ণৰ নিবাস'। 'দেৱৰ দুৰ্গম' এই স্থানত পাৰিষদসকলে অহৰ্নিশে কৃষ্ণৰ কীৰ্ত্তন কৰি থাকে। তাত সেয়ে মহাকালৰ বিক্ৰম নাই। সাত পাতালৰ অতলত ময়দানৱৰ পুত্ৰদ্বয় মহাবলী, মায়াবী আৰু দুন্দুভি, সুতলত বলি, বিতলত হৰ-পাৰ্বতী, তলাতলত বিশ্বকৰ্মা, মহাতলত তক্ষকাদি সৰ্পগণ, ৰসাতলত দৈত্য-দানৱ আৰু পাতালত বাসুকী নাগ ৰখীয়া হৈ থাকে। এই পাতালৰ সহস্ৰ যোজন তলত কচ্ছপৰ ওপৰত সহস্ৰ ফণা মেলি ভয়ঙ্কৰ ৰূপত থাকে অনন্ত নাগ, যি এটা ফণাতেই সপ্তদ্বীপ ধাৰণ কৰিব পাৰে। এইবাৰ সৃষ্টি হ'ল সপ্তদীপা পৃথিৱী। এই সপ্তদ্বীপ হ'ল-- জম্বু, প্লক্ষ, কুশ, ক্ৰৌঞ্চ, শাক, শাল্মলী আৰু পুষ্কৰ। এই সপ্ত দ্বীপক লোণ (লৱণ) সাগৰ, গুড় (ইক্ষু), সুৰা, ঘৃত দধি, দুগ্ধ আৰু জলসাগৰে আগুৰি আছে। সপ্তদ্বীপৰ মাজত জম্বুদ্বীপেই শ্ৰেষ্ঠ। এই দ্বীপৰ মাজভাগত আছে 'অধে উৰ্দ্ধে এক লক্ষ প্ৰহৰ প্ৰমাণ' মেৰু পৰ্বত। মেৰু পৰ্বতৰ মূলত আছে বৈকুণ্ঠ, কুসুম, শৃঙ্গ, কুৰু, বক, ত্ৰিকূট, শিশিৰ, শংখ, কপিল, বৈদুৰ্য, জাৰুবি, নাশ, কৃপত, সনিখা, কালকুঞ্জ আৰু নাৰদ আদি পৰ্বত। সমগ্ৰ মেৰু পৰ্বতৰ চৌপাশে আছে আকৌ সুপাৰ্শ্ব, কুমুদ, মন্দাৰ আৰু মন্দৰ নামৰ অন্য চাৰি পৰ্বত। এই চাৰি পৰ্বতত আছে ক্ৰমে কদম্ব, বট, জম্বু (জামু?) আৰু আম-- এই চাৰিজোপা অনুপম বৃক্ষ। মন্দাৰ পৰ্বতৰ জম্বুফলৰ ৰসেৰে যেন মনোৰম জম্বুনদীৰ সৃষ্টি হৈছে। এই মনোৰম সপ্তদ্বীপা পৃথিৱীতে আছে ভাৰত, কিম্পুৰুষ, হৰি, কেতুমালা, ভদ্ৰাশ্ব, ইলাবৃত, ৰম্যক, উত্তৰা আৰু কুৰু নামৰ নখন বৰিষ (দেশ)। ইয়াৰ মাজে মাজে আছে হেমৱন্ত, হেমকূট, নৈষেধ, নীল, শ্বেত, শৃঙ্গ, গন্ধমাদন আৰু মালাৱন্ত নামৰ আঠখন প্ৰধান গিৰি। নৰমূৰ্ত্তি ধৰি হৰি বিৰাজিত নখন বৰিষৰ মাজত 'সবাতো অধিক ইটো ভাৰত বৰিষ।' আৰু সেয়ে 'যাত জন্ম লভিবাক দেৱৰো হৰিষ।।'

সপ্তদ্বীপ আৰু সপ্তসাগৰৰ সিপাৰে আছে সূৰ্য-

চন্দ্ৰহীন মহা ঘোৰ অন্ধকাৰ। তাৰো সিপাৰে আছে জলেৰে আবৃত এক মহাৰত্নময় মহাজ্যোতিপুঞ্জ। তাতেই অনন্ত শয্যাত থকা অনাদি নাৰায়ণে ত্ৰিজগত সৃষ্টিৰ পিছত চৰাচৰ সম্পূৰ্ণ কৰিবলৈ তমঃ গুণৰ পৰা পঞ্চানন শিৱ, ৰজঃ গুণৰ পৰা প্ৰজাপতি ব্ৰহ্মা আৰু সত্বগুণৰ পৰা পঞ্চবৰ্ণ মালাধাৰী বিষ্ণুক স্ৰজন কৰিলে। এই তিনিওজনে কোনেও কাকো সম্ভাষণ নকৰাত অনাদি ঈশ্বৰে ৰহস্যময় হাঁহি মাৰি 'মেঘৰ গম্ভীৰ ধ্বনি'ৰে ব্ৰহ্মাক স্ৰজন, বিষ্ণুক পালন আৰু শিৱক সংহাৰ কৰিবলৈ আজ্ঞা দিলে। এই প্ৰসঙ্গতে অনাদি ঈশ্বৰে শিৱক মহাকাল গণনাৰ কথাও ব্যক্ত কৰিলে। সেইমতে মহাকালৰ (সময়) হিচাব এনে ধৰণৰ-- মানুহৰ ৬০ নিশ্বাসত হয় এক দণ্ড, ৬৪ দণ্ডত এক প্ৰহৰ আৰু ৮ প্ৰহৰত দিন-ৰাতি হয়। এনেকৈ ৩০ দিনে এমাহ, দুই মাহে এক ঋতু, তিনি ঋতুৰে এক অয়ন আৰু দুই অয়নত মনুষ্যলোকৰ এক বছৰ সম্পূৰ্ণ হয়। চাৰিযুগ-- সত্য, ত্ৰেতা, দ্বাপৰ আৰু কলিৰ পৰিমিত সৰ্বমুঠ কাল হ'ল ৪৩ লাখ ২০ হাজাৰ বছৰ। এই চাৰি যুগ মিলি হয় দেৱলোকৰ এক যুগ। আনহাতে দেৱতাৰ সহস্ৰ যুগে হয় ব্ৰহ্মাৰ এদিন। ব্ৰহ্মাৰ এনে অকল্পনীয় একো দিনত চৈধ্য ইন্দ্ৰ আৰু চৈধ্য মনুৰ পতন হয়। ব্ৰহ্মাৰ দিনান্তত ৰুদ্ৰই প্ৰলয় ঘটায় আৰু বৰ্ষান্তত মহাপ্ৰলয় সংঘটিত হয়। ইয়াৰ পিছত ব্ৰহ্মাই পুনৰ চৈধ্য ইন্দ্ৰ আৰু চৈধ্য মনুসহ জগত সৃষ্টি কৰে। অনাদি ঈশ্বৰেও ভূমিৰ ভাৰ হৰণ কৰিবলৈ মৎস্য, কূৰ্মাদি চৌবিশ অৱতাৰ লয়। এয়ে পৰমেশ্বৰে মহেশ্বৰ শিৱক ব্যক্ত কৰা মৰ্ত্ত্যলোক আৰু ব্ৰহ্মলোকৰ কাল নিয়মৰ কথা।

এইবাৰ আদি নিৰঞ্জনে ব্ৰহ্মাক 'আঠাৰ পুৰাণ স্মৃতি আঠাৰ ভাৰত।' কণ্ঠাগত হ'বলৈ আশীৰ্বাদ দিলে। এনেতে গৰুড় বাহনত বিষ্ণুলোকলৈ, বৃষভত চড়ি শিৱ কৈলাসলৈ আৰু ব্ৰহ্মা হংসযানেৰে ব্ৰহ্মলোকলৈ গতি কৰিলে। নিজ স্থানলৈ গৈ 'হৰিসে পৰম গুৰু জানি প্ৰজাপতি'য়ে পুনৰ নিজৰ কৰ্মত লাগিল। তেওঁ প্ৰথমে চাৰিসিদ্ধ (সনক, সনন্দ, সনাতন, সনত কুমাৰ) মানস পুত্ৰ নাৰদ আৰু নৱ-প্ৰজাপতিৰ সৃষ্টি কৰিলে। এই নৱ প্ৰজাপতিসকল হ'ল-- মৰীচি, অত্ৰি, অঙ্গিৰা, পুলস্ত্য, পুলহ, ক্ৰতু, দক্ষ, বশিষ্ঠ আৰু ভৃগুমুণি। প্ৰজাপতি মৰীচিৰ পৰা কাশ্যপ ঋষিৰ জন্ম হ'ল। কাশ্যপ ঋষিয়ে দক্ষৰ সোতৰ গৰাকী কন্যা-- অদিতি, দিতি, দনু, কাষ্ঠা, অধিষ্ঠা, সুৰেসা, পুৰঞ্জ, তাম্ৰা, ইলা, ক্ৰোধবসা, সুৰভী, সৰমা, তিমি, পতঙ্গী, যামিনী, বিনতা আৰু কদ্ৰুক বিবাহ কৰিলে। ঋষিৰ ঔৰষত অদিতিৰ গৰ্ভত বিৱস্বান, ত্বষ্টা, পূষা, ভগ, অৰ্যমা, সৱিতা, শত্ৰু, মিত্ৰ, ধাতা, উৰুক্ৰম, বৰুণ, আৰু বিধাতা-- এইবাৰ দেৱতাৰ (সূৰ্য) জন্ম। সেইদৰে দিতিৰ পৰা বায়ুগণ, দনুৰ পৰা দানৱ কাষ্ঠাৰ পৰা ঘোঁৰা, অধিষ্ঠাৰ পৰা গন্ধৰ্ব, সুৰেসাৰ পৰা ৰাক্ষস, পুৰঞ্জৰ পৰা অপস্বৰা, তাম্ৰাৰ পৰা গৃধ্ৰ (শগুণ), ইলাসৰ পৰা তৰু (গছ), ক্ৰোধবসাৰ পৰা সৰ্পকুল, সুৰভীৰ পৰা ধেনু (গৰু), সৰমাৰ পৰা কুকুৰ, তিমিৰ পৰা জলচৰ প্ৰাণী, পতঙ্গীৰ পৰা চৰাই-চিৰিকতি, যামিনীৰ পৰা পতঙ্গৰ, বিনতাৰ পৰা আৰুণ আৰু গৰুড় আৰু কদ্ৰুৰ পৰা কালী আদি সৰ্পৰ জন্ম হ'ল। কাশ্যপৰ বংশই এইদৰে 'সামৰাজ' জুৰি পেলালে। ইয়াৰ পিছত ব্ৰহ্মাৰ শৰীৰৰ পৰা অষ্টবসুৰ (দ্ৰোণ, প্ৰাণ, ধ্ৰুৱ, অৰ্ক, অগ্নি, দান, বাস্তু, আৰু বিভাবসু বা আপ, ধ্ৰুৱ, সোম, অনিল, অনল, ধৰ, প্ৰত্যুষ আৰু প্ৰভৱ) উদয় ঘটে।

এইবাৰ ব্ৰহ্মাদেৱে চৈধ্য শাস্ত্ৰ ৰচনা কৰিলে। এই চৈধ্য শাস্ত্ৰ হ'ল-- চাৰিবেদ আৰু শিক্ষা, কল্প, জ্যোতিষ, মীমাংসা, ন্যায়, ব্যাকৰণ, পুৰাণ, নিৰুক্ত, ছন্দ আৰু স্মৃতি শাস্ত্ৰ। ইয়াৰ পিছৰ ৰচনা হ'ল-- ব্ৰহ্ম, পদ্ম, শিৱ, মৎস্য, বিষ্ণু, স্কন্ধ, কূৰ্ম, গৰুড়, মাৰ্কণ্ডেয়, বামন, বৰাহ, অগ্নি, লিঙ্গ, ভৱিষ্য, ব্ৰহ্মাণ্ড, নাৰদী, ভাগৱত আৰু ব্ৰহ্মবৈৱৰ্ত্ত-- এই অষ্টাদশ পুৰাণ। পুৰাণসমূহৰ পিছত ৰচিত হয় অষ্টাদশ দল পদ্ম স্বৰূপ অষ্টাদশ পৰ্ব মহাভাৰত।

এইবাৰ প্ৰজাপতি ব্ৰহ্মাই ঈশ্বৰৰ প্ৰিয়তম নৰতনু স্ৰজিবলৈ গৈ নিজৰ মুখপদ্মৰ পৰা ব্ৰাহ্মণ, বাহুৰপৰা ক্ষত্ৰিয়, উৰুৰ পৰা বৈশ্য আৰু পদৰ পৰা শূদ্ৰ-- এই চাৰিবৰ্ণৰ জন্ম দিলে। ব্ৰহ্মাণ্ডৰ চৌৱিশ তত্ব আদি সমস্ত গুণ এই মনুষ্য শৰীৰতে আছে। সেই হিচাপে মনুষ্য পৃষ্ঠদেশত মেৰুমণ্ডল, উৰ্দ্ধে সূৰ্য মণ্ডল আৰু অধে চন্দ্ৰমণ্ডল। শৰীৰৰ নৱদ্বাৰৰ সাতখন সূৰ্য মণ্ডলত আৰু দুখন চন্দ্ৰমণ্ডলত অৱস্থিত। মানৱ দেহত 'যোল যোল

গোটা অস্থিৰ পাঞ্জৰত' সত্তৰ হাজাৰ নাড়ী থাকে। এই নাড়ীসমূহতেই পান, অপান, ব্যান, সমান, উদান, নাগ, কূৰ্ম, কৃকৰ, দেৱদত্ত আৰু ধনঞ্জয়-- এই দহ বায়ু সঞ্চাৰি ফুৰে। নাড়ীসমূহৰ ভিতৰত সুষুম্না, পিঙ্গলা আৰু ইড়া-- এই তিনিগছ নাড়ীয়েই প্ৰধান। ইয়াৰ ভিতৰতো আকৌ সূৰ্যমণ্ডলত বিয়পি থকা সুষুম্না নাড়ী অতি উত্তম। ই মেৰুমজ্জাৰ ভিতৰত থাকে আৰু তাৰ মুখতে থাকে কুণ্ডলিনী শক্তি। নাড়ীৰ বাহিৰেও শৰীৰত ছয় চক্ৰ বা পদ্ম থাকে। সেয়া হ'ল-- নাভিত থাকে দহদল পদ্ম, হৃদয়ত অষ্টাদশ দল, তালুত ষোড়শদশ, ললাটত আৰু লিঙ্গত ছয়দল পদ্ম বিদ্যমান। এয়ে যোগশাস্ত্ৰৰ ছয়চক্ৰ। আশ্বৰ পুৰুষৰ স্থান অষ্টাদশদল হৃদয় কমল। সেইদৰে চৈধ্য ইন্দ্ৰিয় চৈধ্যজন দেৱতাৰ অধিস্থান। যথা- চকুত আদিত্য, নাকত অশ্বিনী কুমাৰ, জিভাত বৰুণ, বাক্যত অগ্নি, কৰ্ণত দিশ, চৰ্মত বায়ু হস্তত ইন্দ্ৰ, পদত বিষ্ণু, গুহ্যত মিত্ৰ, লিঙ্গত ব্ৰহ্মা, চিত্তত বাসুদেৱ, অহঙ্কাৰত ৰুদ্ৰ, মনত চন্দ্ৰ আৰু বুদ্ধিত বিধি।

এইবাৰ আহিল সূৰ্যমণ্ডল, চন্দ্ৰ মণ্ডল, গ্ৰহ-নক্ষত্ৰ আৰু দশদিগ্পাল আদি জ্যোতিষচক্ৰৰ কথা। লক্ষ প্ৰহৰৰ ওপৰত সূৰ্য মণ্ডলত সূৰ্যৰ অৱস্থান। সূৰ্যই প্ৰতিমাহে ক্ৰমে মেষ, বৃষ, মিথুন, কৰ্কট, সিংহ, কন্যা, তুলা, বৃশ্চিক, ধনু, মকৰ, কুম্ভ আৰু মীন-- এইবাৰ ৰাশি প্ৰদক্ষিণ (আলোকিত) কৰে। এইদৰে দুই লাখ যোজন উচ্চতাৰ চন্দ্ৰমণ্ডলত চন্দ্ৰৰ অৱস্থিতি। সূৰ্যৰ অযুত যোজন তলত ৰাহু আৰু কেতুৰ স্থান। সূৰ্যৰ পৰা সাত লাখ যোজন দূৰত শুক্ৰ স্থিত। সেইদৰে বুধ ন লাখ, মঙ্গল এঘাৰ লাখ, বৃহস্পতি তেৰ লাখ আৰু শনি পোন্ধৰ লাখ যোজন দূৰত বিদ্যমান। উপৰি উক্ত পাঁচটা গ্ৰহ আৰু সূৰ্য, চন্দ্ৰ, ৰাহু, কেতু-- এই সকলো মিলি ভাৰতীয় জ্যোতিষচক্ৰ মতে নৱগ্ৰহ। (বিজ্ঞানৰ মতে অৱশ্যে সূৰ্য, চন্দ্ৰ, ৰাহু, কেতু গ্ৰহ নহয়) নক্ষত্ৰ মণ্ডলৰ ত্ৰিশ লাখ যোজন দূৰত সপ্তৰ্ষিমণ্ডল আৰু তিৰাল্লিশ লাখ যোজন দূৰত ধ্ৰুৱৰ অৱস্থান।

অনাদি ঈশ্বৰৰ নিৰন্ধ মতে দশ দেৱতাই দহোদিশে থাকি ঈশ্বৰৰ আজ্ঞা সততে পালন কৰি থাকে। সেই মতে দেৱতা ইন্দ্ৰ পূৱত, পশ্চিমত বৰুণ, উত্তৰত কুবেৰ, দক্ষিণত যম, ঈশানত শিৱ, অগ্নিকোণত অগ্নি, নৈঋত কোণত নিঋত, বায়ব্যকোণত বায়ু, উৰ্দ্ধত বিধাতা আৰু অধঃত অনন্ত সদা দণ্ডায়মান।

এইখিনিতে অনাদি পাতললৈ আহিছে পদ্মকল্পৰ শশধৰ চন্দ্ৰৰ জন্ম আৰু তেওঁৰ বিবাহৰ কথা। চন্দ্ৰ হ'ল ঋষি অত্ৰিৰ পুত্ৰ। চন্দ্ৰই দক্ষৰজাৰ সাতাইশ গৰাকী কন্যাক (নক্ষত্ৰ) বিবাহ কৰে। কন্যাসকল হ'ল-- অশ্বিনী, ভৰণী, আৰ্দ্ৰা, কৃত্তিকা, ৰোহিনী, মৃগশিৰা, মঘা, পুষ্যা, পূৰ্ব ফাল্গুনী, উত্তৰ ফাল্গুনী, পুনৰ্বসু, অনুৰাধা, হস্তা, চিত্ৰা, স্বাতী, বিশাখা, অশ্লেষা, শ্ৰৱণা, ধনিষ্ঠা, জেষ্ঠা, মূলা, শতভিষা, অপৰ, উত্তৰষাঢ়া, পূৰ্বষাঢ়া, পূৰ্বভাদ্ৰপদ, উত্তৰভাদ্ৰপদ আৰু ৰেৱতী। এই সাতাইশ গৰাকী চন্দ্ৰ পত্নী বা নক্ষত্ৰৰ দৰে সাতাইশ বিধ যোগো আছে। যথা-- বিকুম্ভ, অসৃক, আয়ুস্মান, শূল, প্ৰীতি, সৌভাগ্য, শোভন,অতিগণ্ড, গণ্ড, ধৃতি, হৰষণ, বৃদ্ধি, দ্ৰুৱ, পৰিঘ, ব্যাঘাত, সিদ্ধ, সাধ্য, বজ্ৰ, বৰিয়ান, ব্যতিপাত, শিৱ, শুক্ৰ, শুভ, সুকৰ্ণ, ব্ৰহ্ম, ইন্দ্ৰ আৰু বৈধৃতি।

কালৰ আৱৰ্তনত লাহে লাহে এই সৃষ্টি পাতন ব্ৰহ্মাৰ হিচাপেৰে পঞ্চাশ বছৰ অতিবাহিত হোৱাত পুনৰ প্ৰলয় সূচনা হ'ল। তেতিয়া ব্ৰহ্মৰূপী ঈশ্বৰে সমস্তকে নিজৰ উদৰত স্থান দিলে। এইদৰে সহস্ৰ যুগ যোৱাৰ পিছত পুনৰ পৰমেশ্বৰৰ নাভি মকলৰ পৰা ব্ৰহ্মাৰ জন্ম হ'ল। ব্ৰহ্মাই সৰ্বত্ৰ প্ৰলয় জল দেখি বিমোহিতভাৱে চাৰিওদিশে চালে। ফলত ব্ৰহ্মা চতুৰানন হৈ পৰিল। এয়া নৱপদ্ম কল্পৰ কথা। তেতিয়াও ব্ৰহ্মাই সৃষ্টি পাতনৰ কোনো আতিগুৰি ধৰিব নোৱাৰি পদ্মনলাৰে বুৰ দিলে যদিও কোনোমতেই সেই পদ্মৰ মূল বিচাৰি নেপালে। সেয়ে অসন্তোষ মনে বহি থাকোতে হঠাৎ মহাকাশত ‘তপ' ধ্বনি শুনিবলৈ পালে। সেই কথাৰ গুঢ়াৰ্থ বুজি ব্ৰহ্মাই তপস্যা আৰম্ভ কৰিলে। ব্ৰহ্মাৰ তাপস্যাত ঈশ্বৰ পুৰুষ সন্তুষ্ট হৈ তেওঁৰ পুনৰবাৰ সৃষ্টি পাতনৰ আজ্ঞা দিলে। সেয়ে পূৰ্বৰ দৰে ব্ৰহ্মাই আকৌ মানস পুত্ৰ চাৰিজনক স্ৰজিলে। ইয়াৰ পিছত তেওঁৰ ললাটত ৰুদ্ৰ, কোলাত নাৰদ, আঙুলিত দক্ষ, প্ৰাণত বশিষ্ঠ, নাভিত পুলহ, ছালত ভৃগু, কাণত পুলস্তি, হস্তত ক্ৰতু, মুখত অঙ্গিৰা, চকুত অত্ৰি, মনত মৰীচি, সোঁস্তনত ধৰ্ম, পিঠিত

অধৰ্ম, হৃদয়ত কাম, ভ্ৰৱমূলত ক্ৰোধ, অধৰত লোভ, অণ্ডকোষত সপ্তসাগৰ, গুহ্যত নৈঋতি আৰু ছায়াৰ পৰা কৰ্দমৰ জন্ম হ'ল। ইপিনে স্বায়ম্ভুৱ মনুয়ে মনুষ্য সৃষ্টি কৰিবলৈ স্থান বিচাৰি নোপোৱাত ব্ৰহ্মাৰ প্ৰাৰ্থনামতে অনাদি ঈশ্বৰে 'দিব্য যজ্ঞ বৰাহ' ৰূপে প্ৰলয় জলৰ পৰা হিৰণ্যাক্ষক বধ কৰি পৃথিৱী উদ্ধাৰ কৰে। ইয়াৰ লগে লগে চৰাচৰ পুনৰ আৰম্ভ হ'ল।

এইদৰে নৰপদ্ম কল্পত সৃষ্টি পাতনৰ পিছত স্বাভাৱিকতে আহি পৰিল পাপ আৰু পুণ্যৰ কথা। কাজেই মহাঘোৰ চৌৰাশী নৰকৰ সৃষ্টি হ'ল। ইয়াৰ ভিতৰত মুখ্য আঠাইশখন নৰক। সেইবোৰ হৈছে-- তামিশ্ৰ, অন্ধতামিশ্ৰ, ৰৌৰৱ, মহাৰৌৰৱ, কুম্ভীপাক, কালসূত্ৰ, অসিপত্ৰ, শুকৰমুখ, অন্ধকূপ, কৃমিভোজন, সন্দৰ্শ, তপ্তসূচী, ৰজ্ৰকূট, বৈতৰণী, পুৰ্ষঁদ, প্ৰাণনিৰোধন, বিসুধন (বৈসয়) অৰঃপান (আয়ুষ্মান), লালভক্ষ, শাল্মলী (সাৰমেয়াদ), অবিচি, ক্ষাৰ-কৰ্দম, ৰাক্ষোগণ ভোজন, শূলপুট, দণ্ডশূক, নিৰোধন, সূচীমুখ আৰু পুঁযবহ।

উপৰি উক্ত নৰকবোৰত সংসাৰ চক্ৰত পৰি মন্দমতি নৰে সদায় ভ্ৰমি ফুৰিব লাগে। বিশেষকৈ পৰৰ ধন আৰু ভাৰ্যা হৰিলে জীৱৰ তামিশ্ৰ আৰু আনক বঞ্চিত কৰি খালে অন্ধতামিশ্ৰত গতি হয়। হিংসুকৰ ৰৌৰৱ আৰু বন্যপশু বধ কৰি খাওঁতাৰ মহাৰৌষৰত বাস হয়। পোহনীয়া জীৱ মাৰি খালে কুম্ভীপাক নৰক আৰু ব্ৰহ্মবধৰ ফল হ'ল কালসূত্ৰ নৰক। পাষণ্ডজনৰ ঠাই অসিপত্ৰ নৰক। ব্ৰাহ্মণক প্ৰহাৰ কৰোতাৰ স্থান শূকৰমুখ। তেজ খোৱা কীট মাৰিলে ফল অন্ধকূপ, আপোন পেটীয়াৰ কৃমি ভোজন আৰু বিপ্ৰৰ ধন হৰণ কৰাজন গতি সন্দৰ্শ নৰক। অগম্যাগমন আৰু পৰমপুৰুষৰ ৰতিৰ ফল তপ্তসূচী নৰক। কামুক জনৰ গতি বজ্ৰকূট। বৈতৰণীত পৰে বেদ পন্থ ছন্ন কৰাজন। সুৰাপায়ী বামুণৰ স্থান পুঁযদ নৰক। যাঠীৰে খুচি প্ৰাণী বধ কৰিলে প্ৰাণ নিৰোধন আৰু তামসিকভাৱে পশুবলি দিলে বৈযয় (বিসুধন) নৰক লাভ হয়। ক্ষত্ৰিয়ৰ সুৰাপানৰ ফল অৰঃপান আৰু পৰৰ তিৰি বেয়াভাৱে চোৱা বামুণৰ গতি লালভক্ষ নৰক। শাল্মলী নৰক হ'ল পৰৰ গৃহ দাহ কৰাজনৰ ঠাই। মিছা সাক্ষীৰ গতি অবিচি নৰক। বিদ্যাগৰ্বীজন ক্ষাৰ কৰ্দম আৰু প্ৰাণী হিংস্যুক ৰক্ষোগণ ভোজনত পৰে। ফান্দপাতি পশু ধৰিলে ফললাভ শূলপুট আৰু প্ৰাণীক ভয় দেখুৱালে গতি দণ্ডশূক নৰক। জীৱ জীয়াই জীয়াই গাতত পুতিলে ফল নিৰোধন নৰক। আলহি দেখি অসুখী হোৱাজন পুঁযবহ আৰু কৃপনৰ গতি হ'ল সূচীমুখ নৰক।

এনে অনেক নৰক থাকিলেও 'প্ৰাণবন্ধু কৃষ্ণৰ চৰণে' একান্তমনে চিত্ত দিলে পাপীজনেও পৰম্পদ লাভ কৰিব পাৰে। এয়া 'পুৰাণৰ সূৰ্য' ভাগৱতৰ মত। অনাদি পাতনৰো প্ৰতিপাদ্য বিষয় এয়ে।

পুথিখনৰ মূল বুলি নিৰ্দেশিত ভাগৱত আৰু বামণ পুৰাণৰ ভিতৰত বৰ্তমানৰ বামণ পুৰাণৰ লগত যে ইয়াৰ কোনো কথাৰ মিল নাই তাক ইতিপূৰ্বেই কোৱা হৈছে। আনহাতে ভাগৱততো উপৰি উক্ত সমুদায় কথা পোৱা নাযায়। মানে অনাদি পাতনৰ কিছু কথা ভাগৱত বা অন্য কোনো মূলৰ হ'লেও-- বাকী সৰহখিনি কথা 'পৰম ৰসিক সুজান' ভক্ত কবিৰ নিজা কল্পনা প্ৰসূত আৰু দিব্যা দৃষ্টিগত। কবিয়ে ভাগৱতৰ কথাও নিজা অনুক্ৰমে সজাই লৈছে।

সৃষ্টিতত্ত্বৰ জটিল কথাবোৰ সূক্ষ্মভাৱে বিচাৰ কৰি কাব্যৰূপ দিয়াতো কম কথা নহয়। এয়া সম্ভৱ হৈছে মহাপুৰুষৰ সহজ তত্ত্বোপলব্ধি আৰু অমৃত হাতৰ পৰশত। সেয়ে সৃষ্টিতত্ত্ব জিজ্ঞাসুজনৰ বাবে 'অনাদি পাতন' হ'ল হাত পুথি স্বৰূপ। আনহাতে এই পুথিখনৰ সৃষ্টিতত্ত্বই পাঁচালী কবিসকলৰ মনসা সাহিত্য আৰু ৰমাই পণ্ডিতৰ শূন্য পুৰাণতো প্ৰভাৱ পেলোৱা দেখা যায়।

অনাদি পাতনৰ সৃষ্টিতত্ত্বৰ ৰহস্য পৰম তত্ত্বময় বাবেই ইয়াৰ আলমত পিছলৈ সত্ৰাদিত কেইবাখনো বিখ্যাত আৰু বিমূৰ্ত্ত পুথিচিত্ৰও অঙ্কিত হয়।■■

# চতুঃশ্লোকী ভাগৱতত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ দৰ্শনৰ ৰূপৰেখা

উমেশ বড়া

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ দাৰ্শনিক মত সম্পৰ্কে বিগত শতিকাটোত অনেক পণ্ডিতে অনেক আলোচনা-পৰ্যালোচনা আগবঢ়াই গৈছে। সেইসকলৰ ভিতৰত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা, পণ্ডিত প্ৰৱৰ ডিম্বেশ্বৰ নেওগ, ড° বিৰিঞ্চি কুমাৰ বৰুৱা, ড° বাণীকান্ত কাকতি, ড° মহেশ্বৰ নেওগ আদিয়েই প্ৰধান। ইয়াৰ উপৰিও ৰাধানাথ ফুকন, ড° যোগীৰাজ বসু আদি পণ্ডিতে গুৰুজনাৰ দৰ্শনক জ্ঞানমাৰ্গীয় আচাৰ্য শঙ্কৰৰ অদ্বৈতবাদ বা ৰামানুজাচাৰ্যৰ বিশিষ্টা দ্বৈতবাদৰ আধাৰত প্ৰতিষ্ঠিত বুলিও ক'বখোজে। কিছু পণ্ডিতে আকৌ বল্লভাচাৰ্যৰ শুদ্ধাদ্বৈতবাদৰ লগত মিল থকা যেন দেখা পাইছে। মুঠ কথা কংসৰ ৰাজসভাত বালক কৃষ্ণ প্ৰৱেশ কৰাৰ সময়ত ভিন্ন লোকে বুদ্ধি অনুসাৰে দহ প্ৰকাৰে দেখা পোৱাৰ দৰে শ্ৰীমন্ত শঙ্কৰদেৱৰ দৰ্শনকো ভিন্ন প্ৰকাৰে উপলব্ধি কৰাটো একো আচৰিত কথা নহয়। মুঠতে 'শঙ্কৰদেৱ হৈহে শঙ্কৰদেৱক যজিবা' আপ্তবাক্যটিৰ গুঢ়াৰ্থইহে গুৰুজনাৰ দৰ্শনৰ শুদ্ধ নিৰ্ণায়ক হ'ব।

যি নহওক, মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ দৰ্শন মূলতঃ ভাগৱত কেন্দ্ৰিক। যিহেতু 'নিখিল বেদৰ সাৰ মহাভাগৱত, বেদান্তৰো পৰম তত্ত্ব' সেয়েহে বেদান্ত দৰ্শনৰ লগত ভাগৱতৰ দৰ্শনৰ সাসৃশ্য থকাটো খুবেই স্বাভাৱিক। কিন্তু নিশ্চিত সত্যটো হ'ল এয়েহে যে--

'বেদৰ পৰোক্ষবাদ পণ্ডিতে নুবুজৈ।
মূৰ্খেও জানয় যদি গোবিন্দক ভজৈ।।'

-- বেদস্তুতি

দৰাচলতে শ্ৰীমন্ত শঙ্কৰদেৱৰ দৰ্শন আপাততঃ অন্যান্য বৈদান্তিকবাদসমূহৰ লগত সাদৃশ্য থকা যেন লাগিলেও ই এক স্বকীয় দৰ্শন। এই দৰ্শনৰ আধাৰ হ'ল শ্ৰীমদ্ভাগৱত মহাপুৰাণ।

শ্ৰীমদ্ভাগৱতৰ দৰ্শন-তত্ত্ব প্ৰচলন সম্পৰ্কে এক পৰম্পৰাৰ উল্লেখ পোৱা যায় এনেদৰে-- প্ৰথমে নাৰায়ণে ব্ৰহ্মাক সমস্ত ভাগৱতৰ মূল দাৰ্শনিক তত্ত্ব মাত্ৰ চাৰিটা শ্লোকত দান কৰিছিল। এই শ্লোকসমূহৰ প্ৰতিপাদ্য বিষয়সমূহো পৰম কৃপালু নাৰায়ণেই নিজ মুখে ব্যক্ত কৰিছে এনেদৰে--

'জ্ঞানং পৰমগুহ্যং মে যদ্ ৱিজ্ঞান সমন্বিতম্।
স ৰহসং তদঙ্গং চ গৃহাণ্ গদিতং ময়া।।২/৯/৩০

অৰ্থাৎ- (ব্ৰহ্মাৰ প্ৰতি ভগৱন্তৰ উক্তি) 'মই তোমাক পৰম গোপনীয় জ্ঞানৰ কথা কম, য'ত বিজ্ঞান, ৰহস্য আৰু ইয়াৰ অঙ্গসমূহ (তৎ + অঙ্গ = তদঙ্গ) নিহিত হৈ আছে।' ব্ৰহ্মাই নাৰদক, নাৰদে ব্যাসক আৰু ব্যাসদেৱে মহৰ্ষি শুকক একো সালসলনি নোহোৱাকৈ তত্ত্বসমূহ যথাযথ ভাৱে দিছে--

ব্ৰহ্মাদিলা নাৰদক ইটৌফল ৰহস্যক
নাৰদে ব্যাসক আনি দিলা।
নগৈল তিলেক ভাগি ইডালে সিডালে লাগি
শুকমুখে ভূমিত পৰিলা।।

এই পৰম্পৰাত নাই কোনো সংযোজন, নাই কোনো বিয়োজন। অপৰিৱৰ্তিত ভাৱেই ভাগৱতৰ দৰ্শন-তত্ত্ব অনুধাৱন কৰিলে নাৰদ-ব্যাস-শুক বা সুত। এই তত্ত্বসমূহ নৰ সমাজত প্ৰচলন কৰিবৰ অৰ্থে মাধ্যম ৰূপে অৱতীৰ্ণ হ'ল পৰীক্ষিত আৰু শৌণক আদি আঠাইশ

হাজাৰ ব্ৰহ্মজ্ঞ ঋষি। ভাগৱতৰ দৰ্শনত উদ্ভৱ হোৱা বিভিন্ন প্ৰশ্নোত্তৰৰ পৰিণতিয়েই হ'ল দ্বাদশ স্কন্ধ মহাভাগৱত।

এই কথা সৰ্বজন প্ৰতীত যে বেদৰ ব্ৰহ্মতত্ত্বসমূহ, যেনে-- প্ৰজ্ঞানম ব্ৰহ্ম (ঋগ্বেদ), অহংব্ৰহ্মাস্মি (যজুৰ্বেদ), তত্ত্বমসি ব্ৰহ্ম (সামবেদ), অয়মাত্মা ব্ৰহ্ম (অৰ্থৰ্ববেদ) আদি মন্ত্ৰসমূহে যদিওবা ব্ৰহ্ম আৰু জীৱজগতৰ সম্পৰ্ক নিশ্চিত ভাৱেই আগবঢ়াই গৈছে, তথাপি এই তত্ত্বসমূহৰ ওপৰত বিতৰ্কৰ অন্ত নাই। এনেবোৰ বিতৰ্কৰ পৰাই উদ্ভৱ হৈছে বিভিন্ন বৈদান্তিকবাদসমূহ-- অদ্বৈতবাদ, দ্বৈতবাদ, বিশিষ্টাদ্বৈতবাদ, দ্বৈতাদ্বৈতবাদ, অচিন্ত্য ভেদাভেদবাদ; বিবৰ্তনবাদ, পৰিণামবাদ। কিন্তু শ্ৰীমদ্ভাগৱতৰ দৰ্শন এই সকলোবোৰৰে সিদ্ধান্ত স্বৰূপ সুস্পষ্ট তথা অবিতৰ্কিত। সাগৰ সদৃশ বৈদিক গ্ৰন্থসমূহৰ দাৰ্শনিক তত্ত্ব কেৱল মাত্ৰ চাৰিটা শ্লোকতে প্ৰকাশ কৰা শ্ৰীমদ্ভাগৱত মহাপুৰাণ সঁচাকৈয়ে 'সৰ্বশাস্ত্ৰ শিৰোৰত্ন' অভিধাৰ যোগ্যতম মহাগ্ৰন্থ। ভাৰতীয় দৰ্শনৰ সৰ্বশেষ সিদ্ধান্তৰ মহত্তম শ্লোক চাৰিটাৰ দৰ্শননো কি, মহাপুৰুষ গুৰুজনাই এই দৰ্শননো কেনেদৰে গ্ৰহণ কৰিছে, সংক্ষেপে ইয়াত আলোচনা কৰা হ'ব।

শ্ৰীমদ্ভাগৱৎ মহাপুৰাণৰ দ্বিতীয় স্কন্ধৰ নৱম অধ্যায়ত থকা চাৰিটা শ্লোক যথাক্ৰমে--

১। অহমেবাস মেবাগ্ৰে নান্যদ্ সদসদ্ পৰম্।
পশ্চাদহং যদেতশ্চ যোঅৱশিষ্যতে সোহস্ম্যহম্।।
২/৯/৩৩

ভাৱাৰ্থ-- সৃষ্টিৰ পূৰ্বে একমাত্ৰ ভগৱন্তৰ বাহিৰে অন্য কোনো সৎ (স্থায়ী) বা অসৎ (অস্থায়ী) বস্তু নাছিল। সৃষ্টি সমাপ্তি (ধ্বংস বা প্ৰলয়)ৰ পাছতো কেৱল ভগৱন্তহে অৱশেষ ৰূপে থাকিব। অৰ্থাৎ সৃষ্টিৰ পূৰ্বেই কালাতীত ৰূপে থকা ভগৱন্ত সৃষ্টিৰ মধ্য আৰু শেষতো একেদৰেই থাকিব। চিৰকাল এই তত্ত্বই পৰম সত্য তত্ত্ব।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে ইয়াৰ অনুবাদ কৰিছে এনেদৰে--

'জগতৰ পূৰ্বে মঞি মাত্ৰ থাকো জান।
কাৰ্য্যকাৰণৰ কিছু নাছিলেক আন।।২২৭
মোক মাত্ৰ দেখিয়োক সৃষ্টিৰ মধ্যত।
দেখা শুনা মানে সবে মঞি বিচাৰত।।
মই মাত্ৰ অৱশেষে থাকোহো অন্তত।
কুণ্ডল ভাঙ্গিলে যেন সোণা স্বৰূপত।।'২২৮

ইয়াত অদ্বৈতবাদৰ প্ৰতিফলন ঘটিছে যদিও শঙ্কৰাচাৰ্যৰ জ্ঞানমাৰ্গীয় অদ্বৈতবাদৰ লগত ইয়াৰ মৌলিক প্ৰভেদ আছে। বিবৰ্তবাদৰ পৰিৱৰ্তে শ্ৰীমন্ত শঙ্কৰদেৱৰ এই অনুবাদত পৰিণামবাদৰহে প্ৰভাৱ সুস্পষ্ট হৈছে।

২। ঋতেহৰ্থং যৎপ্ৰতীয়েত ন প্ৰতীয়েত চাত্মণি।
তদ্ ৱিদ্যাত্মনা মায়াং তথা ভাসো যথা তমঃ।।
-- ২/৯/৩৪

ভাৱাৰ্থ-- বাস্তৱিকত দৃষ্টিৰে যিবোৰ জাগতিক দ্ৰব্য দৃশ্যমান হয় সেইবোৰ দৰাচলতে অস্তিত্বহীন আন্ধাৰ ভাসমান হোৱাৰ নিচিনা; থকা অৱস্থাতো আত্মা দৃশ্যমান নহয়। দৃশ্যমান দ্ৰব্যসমূহেই সত্য বুলি ভবা ধাৰণাটোৱেই হ'ল ভগৱন্তৰ মায়া।

এই শ্লোকটো গুৰুজনাই এনেদৰে অনুবাদ কৰিছে--
'অবস্তুক দেখাৱয় বস্তুক আৱৰি।
সেহিসে মোহোৰ মায়া জানা নিষ্ঠ কৰি।।
নথাকিতো দেখি যেন চন্দ্ৰমা দুতয়।
থাকিতো ৰাহুক যেন কেহো নেদেখয়।।২২৯
এহিমতে মায়া আৰ কৰি ঈশ্বৰক।
আশাৰ বিষয় তাক দেখাৱে জীৱক।।'

লক্ষণীয় যে, মূল শ্লোকৰ ভাৱাৰ্থ অনুবাদত গুৰুজনাই অধিক প্ৰাঞ্জলভাৱে ঈশ্বৰ, জীৱ আৰু মায়াৰ সম্পৰ্ক প্ৰকাশ কৰিছে। ইয়াত দাৰ্শনিক পণ্ডিতসকলে বিশিষ্ট দ্বৈতবাদৰ গোন্ধ পালেও ই হুবহু তেনে নহয়। ই ভাগৱতৰ এক স্বকীয় দৰ্শন, ইয়াৰ প্ৰমাণ একে গ্ৰন্থৰে অনেক ঠাইত পোৱা যায়।

৩। যথা মহান্তি ভূতানি ভূতেষুশ্চাৱসেস্বন্ধ।
প্ৰৱিষ্টান্যং প্ৰৱিষ্টানি তথা তেষু ন তেম্যহম্।।
-- ২/৯/৩৫

ভাৱাৰ্থ-- ভৌতিক উপাদানসমূহ (প্ৰাণীদেহ সহ) যিদৰে পঞ্চ মহাভূতেৰে সম্পৃক্ত, সেইদৰেই অন্যান্য জাগতিক দ্ৰব্যসমূহত ব্যাপকৰূপে ভগৱন্ত থাকিলেও (অৰ্থাৎ ব্ৰহ্মৰ পৰিণাম প্ৰপঞ্চ হ'লেও) সেই দ্ৰব্যসমূহ ভগৱান নহয়। গুৰুজনাৰ অনুবাদ--

'যেন মহা পঞ্চভূতে কৰিয়া নিবাস।
স্থাৱৰ জঙ্গম সদা কৰয় প্ৰকাশ।।২৩০

ময়ো সেহিমতে আছো জগতকে ব্যাপী।
তাৰ দোষ গুণে মোক নোছোৱে তথাপি।।

ইয়াত পৰিণামবাদৰ প্ৰকাশ ঘটিছে। ব্ৰহ্মৰ পৰিণাম মহাপঞ্চভূতকে আদি কৰি সমস্ত বিশ্ব চৰাচৰ হ'লেও জাগতিক গুণসমূহৰ অন্তৰ্গত ব্ৰহ্ম বা ঈশ্বৰৰ নহয়।

৪। এতাৱদেৱ জিজ্ঞাস্যং তত্বজিজ্ঞাসুনাত্মনঃ।
অন্বয় ব্যতিৰেকাভ্যাং যৎ স্যাৎ সৰ্বত্ৰ সৰ্বদা।।

-- ২/৯/৩৬

ভাৱাৰ্থ-- তত্ত্ব জিজ্ঞাসু লোকসকলে (কৃষ্ণৰ একান্ত ভকত) অনুৰূপ বিপৰীত সকলোতে সৰ্বকালতে মোক জানি মোৰ সাক্ষাত অনুভৱ কৰে। এই শ্লোকত গুৰুজনাৰ ভাৱানুবাদে তাৰাৰ দৰ্শন সম্পূৰ্ণ কৰিছে, যথা--

'হেন মোক বিচাৰিবে সাধুৰ সঙ্গত।
জ্ঞান বিজ্ঞান তেবে হৈবেক বেকত।।২৩১
শ্ৰৱণ কীৰ্ত্তন মোৰ ৰহস্য ভকতি।
আকেসে কৰিবা মাত্ৰ বিবক্ষ্যা সম্প্ৰতি।।
যিটো তনু তযু আগে কৰিছো বেকত।
এহি মোৰ নিজ ৰূপ কৈলো স্বৰূপত।।২৩২

এই পদত নামধৰ্ম প্ৰধান ভক্তিবাদ স্পষ্টৰূপে প্ৰকাশ পাইছে। মোক্ষ সুখতকৈয়ো অধিক শ্ৰেষ্ঠ ভকতৰ (সাধুৰ) সঙ্গসুখ। ইয়াতেই সিদ্ধ হোৱা পৰম ব্ৰহ্মতত্ত্ব স্বৰূপ জ্ঞান, বিজ্ঞান, ৰহস্য আৰু এইবোৰৰ অঙ্গাঙ্গী স্বৰূপ ভকতি সুদৃঢ়ৰূপে প্ৰতিষ্ঠিত হৈছে।

শ্ৰীমদ্ভাগৱতৰ সমস্ত আখ্যান-উপাখ্যান, তত্ত্ব-কথা এই চাৰিশ্লোকৰ সাৰ বস্তু সৰ্ব সাধাৰণ লোকৰ সহজবোধ্য হোৱাকৈ ৰচিত হৈছে। গতিকে চতুঃশ্লোকী ভাগৱতত নিহিত জ্ঞান, বিজ্ঞান, তদঙ্গ আৰু ৰহস্যহে মূল তত্ত্ব। অনেকে আকৌ ক'ব খোজে যে নাৰায়ণে ব্ৰহ্মাক চাৰি শ্লোকত দিয়া ভাগৱত ব্ৰহ্মাই নাৰদক ছয় শ্লোকত, নাৰদে ব্যাসক আঠ শ্লোকত, ব্যাসে শুকক দহোটা শ্লোকত আৰু শুকে পৰীক্ষিতক বাৰটা শ্লোকত দান কৰিছিল। এই বাৰটা শ্লোকৰ সমষ্টিয়েই দ্বাদশ স্কন্ধ ভাগৱতৰ সৃষ্টি। এই মৌখিক তথ্যৰ সত্যতা অৱশ্যে ক'তো পাবলৈ নাই। ভিত্তিহীন তথ্যৰ মাজেদি ভাগৱত হেন মহাগ্ৰন্থৰ আলোচনা নকৰি প্ৰকৃত তত্ত্ব বিশ্লেষণ আৰু প্ৰকাশ কৰাহে কল্যাণকৰ। তদুপৰি, জ্ঞান, বিজ্ঞান, তদঙ্গ আৰু ৰহস্যৰ পাছত অনেকে জাতি, দ্ৰব্য, গুণ, ক্ৰিয়া, মায়া তৰুণ, জীৱ, ঈশ্বৰ আদি অনেক উপকৰণ সংযোগ কৰা দেখা গৈছে। এইবোৰো ভ্ৰান্ত পাণ্ডিত্য প্ৰকাশৰ বাবে কৰা অশাস্ত্ৰীয় প্ৰচেষ্টা মাথোন। মূল তত্ত্ব চাৰিটাৰ উৰ্দ্ধত বা অতিৰিক্ত অন্য কোনো তত্ত্ব থাকিব নোৱাৰে। কিয়নো এই চাৰিতত্ত্বই ভাগৱত দৰ্শনৰ সমস্ত তত্ত্বকে ব্যাপক ৰূপে আগুৰি আছে।

বৈদিক আচাৰ্যসকলৰ প্ৰধান বিৰোধৰ বিষয় এইবোৰৰ--

১। ব্ৰহ্ম সবিশেষ নে নিৰ্বিশেষ?
২। জীৱ ব্ৰহ্মৰ অংশ নে পূৰ্ণব্ৰহ্ম?
৩। জগত সত্য নে মিথ্যা?
৪। মোক্ষৰ স্বৰূপ কি?

এনেবোৰ বিতৰ্কত ভাগৱতৰ সিদ্ধান্ত অতি স্পষ্ট, যাক মহাপুৰুষ গুৰুজনাই অধিক স্পষ্টৰূপে দাঙি ধৰিছে-

১। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ মতে বেদান্তৰ ব্ৰহ্মই ভাগৱতৰ কৃষ্ণ। তেওঁ নিৰ্বিশেষে হৈয়ো সবিশেষ; নিৰ্গুণ নিৰাকাৰ হৈয়ো সগুণ সাকাৰ--

'তুমি হৰি নিৰ্গুণ গুণৰ সীমা নাই।
নিৰ্গুণ হোৱয় জীৱে সোহি গুণ গাই।।

-- বৰগীত

ব্ৰহ্ম আৰু ঈশ্বৰ ব্যতিৰেক নহয়--

'প্ৰথমে প্ৰণামো ব্ৰহ্ম ৰূপী সনাতন।
সৰ্ব অৱতাৰৰ কাৰণ নাৰায়ণ।।'

-- কীৰ্ত্তন

'তুমি পৰমাত্মা জগতৰে ঈশ এক।' -- কীৰ্ত্তন

২। আত্মা পৰমাত্মা অভিন্ন, সৰ্বব্যাপক। জীৱসমূহ পৰমাত্মাৰ অংশ--

'জীৱ অংশে তুমি প্ৰৱেশিলা গাৱে গাৱে।'
'তোমাৰেসে অংশ আমি যত জীৱ জাক।।'

-- বেদস্তুতি

জীৱ যদি পূৰ্ণব্ৰহ্ম হয়, তেনেহ'লে ভক্তি বা মুক্তিৰ প্ৰশ্নই থাকিব নোৱাৰে। সাগৰত পানীৰ কণিকা ব্যাপ্ত হৈ থকাৰ পাছত ইয়াৰ স্বকীয়তাও বিলীন হৈ যায়।

৩। জগত সত্য নে মিথ্যা, ইয়াৰ উত্তৰ গুৰুজনাই

এনেদৰে দিছে--

'তুমিসে কেৱলে সত্য মিছা সবে আন।'

-- হৰমোহন

'তুমি সত্যব্ৰহ্ম তোমাত প্ৰকাশ
জগত ইটো অসন্ত।।

-- বেদস্তুতি

'অসন্ত জগতখন তোমাতে উদ্ভৱ ভৈলা
সন্ত হেন প্ৰকাশে সদায়।।' -- বেদস্তুতি

প্ৰণিধানযোগ্য যে, ভাগৱতৰ 'অসন্ত' শব্দ শঙ্কৰাচাৰ্যৰ অধ্যাসবাদৰ মিথ্যা বা মায়া নহয়। ৰছীত সৰ্পভ্ৰমৰ দৰে জগতখনৰ কথা ভাগৱতে কোৱা নাই। ভাগৱতে কৈছে যে ভগৱন্তহে সত্য, চিৰ শাশ্বত; ইয়াৰ ব্যতিৰেকে অন্যান্য সকলো অসত্য, অনিত্য বা অসাৰ। গতিকে অনিত্য বস্তুত মনোনিবেশ কৰাৰ পৰিৱৰ্তে স্থায়ী, নিত্য-সত্যবস্তু ভগৱন্তত ভক্তি কৰাহে বিধেয়।

'হৰিসে কেৱলে সত্য সবে মায়াময়।
জানি হৰি ভকতিত কৰিও আশ্ৰয়।।'

-- ভাগৱত

'যত দেখা শুনা মায়াময় স্বপ্ন সম।
হৰি ময় দেখি দূৰ কৰা মতি ভ্ৰম।।' -- ভাগৱত

৪। মহাপুৰুষ গুৰুজনাই মৃত্যুৰ পাছত জীৱ মোক্ষ লাভতকৈ জীৱন কালতেই মোক্ষ সুখতকৈয়ো অনেক গুণে শ্ৰেষ্ঠ এটি সুখৰ উল্লেখ কৰিছে--

'যত স্বৰ্গ তাতো মোক্ষ সুখ মূল।
ভকতৰ সঙ্গৰ অল্পকো নুহি তুল।।'

-- ভাগৱত

'নলাগে লীন মুকুতিকো তথা।
নাহি হৰিপদ পঙ্কজ যথা।।

-- হৰমোহন

ভকতৰ সঙ্গত জীৱন কালতে হৰিভক্তি সাধন কৰাসকলৰ পৃথকে মোক্ষ সাধনৰ পুৰুষাৰ্থ নিষ্প্ৰয়োজন। এই সকলৰ ওচৰত আনকি মুক্তিয়েও 'মোক লোৱা, মোক লোৱা' বুলি পাছে পাছে কাকুতি কৰি ফুৰে--

'মূৰ্ত্তিমন্ত হুয়া পাঞ্চ প্ৰকাৰ মুকুতি।
মোক লৈয়ো বাপ বুলি কৰয় কাকুতি।।'

সৰ্বশেষত পৰম সত্য এয়েহে যে, শ্ৰীমদ্ভাগৱতৰ দৰ্শনেই সকলো বেদান্তৰ, সকলো বাদ-বিতৰ্কৰ স্থিৰ নিৰ্ণায়ক দৰ্শন, যাক কেৱল ভাৰতবৰ্ষতেই নহয়, সমগ্ৰ পৃথিৱীতেই অবিতৰ্কিতভাৱে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱেহে পোন প্ৰথমে বুজি পাই প্ৰচাৰ কৰিছিল।

'শঙ্কৰেসে শুদ্ধমত ঈশ্বৰ ভক্তিৰ তত্ত্ব
প্ৰচাৰিলা শাস্ত্ৰ সাৰ জানি।।'

-- নামঘোষা ■■

ব্ৰহ্মাৰ প্ৰাৰ্থনা শুনি কৃষ্ণ নিগদতি।
চতুঃশ্লোকে ভাগৱত লোৱা প্ৰজাপতি।।
জগতৰ পূৰ্ব্বে মঞি মাত্ৰ থাকো জান।
কাৰ্য্য কাৰণৰ কিছু নাছিলেক আন।।

--- ভাগৱত

# বৈকুণ্ঠৰ কল্পতৰু

**বলোৰাম নেওগ**

ধৰ্ম শব্দৰ অৰ্থ অতি ব্যাপক। অভিধানৰ মতে ধৰ্মৰ অৰ্থ হ'ল-- 'সজ কাম বা আচাৰ, পুণ্যৰ কাম, কৰিবলগীয়া কাম, সু-নীতি; প্ৰচলিত সামাজিক আচাৰ-অনুষ্ঠান বা শাস্ত্ৰ নিৰ্ধাৰিত কাম-কাজ; কোনো বিশেষ পন্থা অনুযায়ী ৰীতি-নীতি; পৰকাল; ঈশ্বৰ আদি সম্বন্ধে মত; সাধনাৰ মাৰ্গ। স্বভাৱ, গুণ, শক্তি।'

ধৰ্ম মানুহৰ এটা মৌলিক প্ৰয়োজন হয়নে নহয় ঠাৱৰ কৰি কোৱা মস্কিল। তথাপি ক্ষণভঙ্গুৰ অস্তিত্বত মানৱ জীৱন মহিমামণ্ডিত কৰি তুলিবলৈ অৰ্থাৎ এটা সুস্থিৰ চিন্তাধাৰাৰ ভেটি গঢ়িবলৈ, কিবা এটা নিশ্চয় প্ৰয়োজন আছে। এই কিবাটোৱেই হ'ল আন অৰ্থত ধৰ্ম। পিছে এইখিনিতে কথা আহিল, কেনে ধৰ্ম মানুহৰ আৱশ্যক।

বিখ্যাত দাৰ্শনিক পণ্ডিত সৰ্বপল্লী ৰাধাকৃষ্ণণৰ মতে-- 'যি ধৰ্ম মানৱীয় দুখ-দৈন্য আৰু সামাজিক অপৰাধৰ প্ৰতি অচেতন, তেনে ধৰ্মৰ প্ৰতি আজিৰ মানুহ আকৰ্ষিত নহয়। যি ধৰ্মই বিভাজন, বৈষম্য, বিচ্ছিন্নতা আৰু সংহতি, পৰস্পৰ বুজা-পৰা আৰু সু-সঙ্গতিক আপডাল নকৰে, সেই ধৰ্ম কাফেৰৰ হাতৰ পুতলা হয়।'

আজিৰ বৈজ্ঞানিক যুগত সত্যৰ সন্ধানৰ পিছত দৌৰা মানুহৰ এক প্ৰকাৰ নিচা হৈ পৰিছে। সত্য সন্ধান মানে ভগৱানৰ দ্বাৰা সৃষ্ট বিশ্বব্ৰহ্মাণ্ডখনৰ বিষয়ে জনাৰ হেঁপাহ। আগৰ ঋষি-মুনিসকলেও অৰ্থাৎ দ্ৰষ্টা পুৰুষসকলেও নিজ নিজ দক্ষতাৰে বিভিন্ন অনুসন্ধানত ব্ৰতী হৈছিল। পাৰ্থিৱ সম্পদৰাশিৰ অনেক কথাই উদ্‌ঘাটন কৰিবলৈ তেওঁলোক সক্ষমো হৈছিল হেজাৰ হেজাৰ বছৰ পূৰ্বেই। মানুহৰ মাজত, ভয়, উপকাৰ আৰু শ্ৰদ্ধাৰ সঞ্চাৰ কৰি সেইবোৰৰ অনেকেই দেৱতাৰূপে প্ৰতিষ্ঠিত হয়। তেতিয়ালৈকে কিন্তু ব্ৰহ্মৰ সম্বন্ধে উপলব্ধি হোৱা নাছিল। ব্ৰহ্মৰ উপলব্ধ হয় উপনিষদৰ কালতহে। বাক্-বিতণ্ডাৰ অন্ত পেলাই এই বিশ্বব্ৰহ্মাণ্ডৰ এজন যে সৰ্বময় কৰ্তা আছে মানি লোৱা হয়। বেদৰ অন্তত হোৱা কাৰণে উপনিষদক বেদান্ত বুলিও কোৱা হয়। এই বেদান্তৰ সাৰখিনিয়েই হ'ল ইহলোক পৰলোকৰ বিত্ত সঞ্চয় কৰি ৰখা ভঁৰাল- ভাগৱত।

বেদে নিজৰ গৰ্ভত নানা কথাই ধৰি ৰাখিছে। বিদ্ ধাতুৰ পৰা বেদ শব্দ উৎপন্ন হৈছে। বিদ্ ধাতুৰ অৰ্থ জনা। সেয়ে বেদ শব্দৰ অৰ্থ জ্ঞান। বেদ ইহলোক আৰু পৰলোক, জাগতিক আৰু আধ্যাত্মিক সকলো জ্ঞানৰ ভঁৰাল। পিছে মাৰ্গ (বাট) তিনিটাই পথিকক বিভ্ৰান্তত পেলালে। মাৰ্গ তিনিটা হ'ল-- কৰ্মমাৰ্গ, জ্ঞানমাৰ্গ আৰু ভক্তিমাৰ্গ। সুগম পথ বিচাৰি মানুহ ভ্ৰমত পৰে।

শ্ৰীমন্ত শঙ্কৰ গুৰুৰ আদৰ্শত ভাগৱত শাস্ত্ৰৰ স্থান সকলোতকৈ উৰ্দ্ধত। ভাগৱত দৰ্শনেৰে এজনৰ জীৱনৰ সকলো দিশতে প্ৰতিভাত কৰি ল'ব পৰাটো সৌভাগ্যৰ কথা। ইয়াৰ বাবে লাগিব গুৰুজনাৰ আশিষ। ভাগৱতৰ মতে উপাস্য দেৱতা হ'ল কৃষ্ণ। তেওঁ মানৱ সমাজলৈ আগবঢ়াই যোৱা বাণীসমূহ পৱিত্ৰ শ্ৰীমদ্ভাগৱত গ্ৰন্থই ধৰি ৰাখিছে। সেয়ে ই এক অনাবিল অনুপ্ৰেৰণাৰ উৎস বুলি গুৰুজনাই বাৰম্বাৰ কৈ গৈছে উপদেশৰ চলেৰে।

এই ভাগৱত শাস্ত্ৰভাগি ৰচনা কৰাৰ আঁৰত এটি কাহিনী নিহিত আছে। মহামুনি ব্যাসদেৱে মহাভাৰত, পুৰাণাদি নানা শাস্ত্ৰ ৰচনা কৰিও মনত শান্তি পোৱা নাছিল। এদিন তেওঁ উগুল-থুগুল মন এটা লৈ বহি চিন্তা কৰি থাকোতে হঠাৎ নাৰদ আহি তেওঁৰ সন্মুখত উপস্থিত হ'লহি।

হাতে দিব্য বীণা-যন্ত্ৰ মুখে ৰাম।
হৃদয়ত কৃষ্ণ মূৰ্ত্তি স্ফুৰ্টি অবিশ্ৰাম।।

-- ভাগৱত

ব্যাসৰ অশান্তিৰ মূল কাৰণ নাৰদে ধৰি পেলালে। ভগৱান শ্ৰীকৃষ্ণৰ গুণ-লীলা সম্বলিত পৰম ৰসময়ী আৰু পৰম পৱিত্ৰ শ্ৰীমদ্ভাগৱত গ্ৰন্থ ৰচনা কৰিবলৈ উপদেশ দিলে। ব্যাসে নাৰদৰ উপদেশ শিৰোধাৰ্য কৰি ভাগৱত শাস্ত্ৰ ৰচনা কৰিলে।

ভাগৱত তত্ত্বটোৰ এটা যে ধাৰাবাহিক পৰম্পৰা নাছিল এনে নহয়, কিন্তু ভাগৱতত এই বিষয়ে উল্লেখ আছে তলত দিয়া ধৰণে--

পদ্ম কল্পে নাৰায়ণে ব্ৰহ্মাত কহিলা।
ব্ৰহ্মা নাৰদত তেহো ব্যাসত জনাইলা।
ব্যাসো অধিকাৰী দেখি শুকত কহিলা।
শুকে কৃপা কৰি পৰীক্ষিতক শুনাইলা।।

-- ভাগৱত

মাধৱদেৱৰ ভাষাত ভাগৱত নিগম কল্পতৰু। ভাগৱত তত্ত্বভূমিত (পৃথিৱীত) বেকত হোৱাৰ বিষয়ে তাৰাই ঘোষাত লিখিছে--

সকল নিগম কল্পতৰু তাৰ ফল মহাভাগৱত
শুক মুখে আসি ভূমিত ভৈলা বিদিত।
ৰসত চতুৰ যিটো জন কৃষ্ণৰ চৰণে দিয়া মন
পৰম সন্তোষে পিয়োক ৰস অমৃত।।

আকৌ ভাগৱত প্ৰশংসা কৰি আন এঠাইত লিখিছে--

ভাৰত পুৰাণ আদি যত প্ৰকাশ কৰয় নানামত
যত মহাজন সৱৰ সভা মধ্যত।
পৰম আনন্দ ৰসময় কোটি সূৰ্য সম প্ৰকাশয়
মহা ভাগৱত নোহন্ত যাৰে বেকত।।

-- নামঘোষা

ভগৱানে নিজে নৰৰূপ ধাৰণ কৰি বসুদেৱ দৈৱকীৰ পুত্ৰৰূপে পৃথিৱীত অৱতীৰ্ণ হ'লহি। সেয়ে কৃষ্ণই স্বয়ং ভগৱান। এই পৰম সত্যটো প্ৰতিপন্ন কৰিবলৈ ভাগৱতে বিভিন্ন আখ্যান-উপাখ্যান আদিৰ আশ্ৰয় লোৱা পৰিলক্ষিত হয়।

হিন্দুধৰ্মই মূল উদ্দেশ্যত উপনীত হ'বলৈ জীৱক তিনিটা মাৰ্গৰ ব্যৱস্থা দি গৈছে। এই বিষয়ে আগতে উনুকিয়াই অহা হৈছে। শ্ৰীমন্ত শঙ্কৰদেৱে কৰ্মমাৰ্গ আৰু জ্ঞান মাৰ্গক উপেক্ষা কৰি ভক্তি মাৰ্গক আশ্ৰয় কৰি ল'বলৈ উপদেশ দি গৈছে।

কৃষ্ণৰ চৰিত্ৰ আৰে শুনা সাৱধানে।
নেৰিবা ভকতি যাৱে প্ৰাণ থাকে মানে।।

-- ভাগৱত

ভগৱানত একান্ত অনুৰাগেই হ'ল ভক্তি।

এতিয়া আহোঁ ভাগৱতৰ মহত্বৰ বিষয়ে ভাগৱতৰ নিজস্ব কথালৈ। শোকসন্তপ্ত পৰীক্ষিতে শুকক প্ৰশ্ন কৰিছে-- 'ম্ৰিয়মান লোকে কি কৰ্ম কৰা উচিত? কাৰ কথা শুনিব লাগে, কাক জপিব লাগে? স্মৰণেই বা কৰিব লাগে কাক? যোগ্য ভজনীয় দেৱতাই বা কোনজন?'

উত্তৰত শুকে পৰীক্ষিতক মোক্ষৰ সাধন কৰাই মানুহৰ প্ৰধান বাঞ্ছা হোৱা দৰকাৰ বুলি দৃঢ়ভাৱে জনাইছে।

হেন জানি যাৰ ইচ্ছা মোক্ষক সৰ্বথা।
পৰীক্ষিত তেবে শুনিয়োক কৃষ্ণ কথা।।

-- ভাগৱত

কৃষ্ণৰ গুণ নাম কীৰ্তনত চিত্তক নিবিষ্ট কৰা সকলোৰে কাম্য হোৱা উচিত। মনে যাতে সদায় কৃষ্ণৰ পাদপদ্ম স্মৰণ কৰে সজাগ থকা দৰকাৰ। ই পৰম মঙ্গল আৰু হিতকাৰী কাম।

'পৰম মঙ্গল ৰূপ মাধৱ মাধৱ নাম
যিটো মহাজনে উচ্চৰয়।
তাৰ অমঙ্গল ৰূপ গুচয় সংসাৰ ভয়
মাধৱৰ নিকট পাৱয়।

-- নাম-ঘোষা

এই ব্যৱস্থাই জীৱক জীৱন্ততে জনম সাফল্য কৰি তোলে। অন্তকালত হৰিক স্মৰণ কৰিব পৰাটো ভাগ্যৰ কথা। বৈকুণ্ঠৰ শাস্ত্ৰ ভাগৱতে নামৰ প্ৰকাশ ঘটাইছে প্ৰখ্যাত স্বৰূপে। 'হৰি গুণ নাম ধৰ্ম অতি সুখকৰ। স্ত্ৰী, বাল্য, বৃদ্ধ সমস্তৰে সম অধিকাৰ।'

কলিত নামহে পৰম ধৰ্ম। এই বিষয়ে ভাগৱতে নিজৰ স্থিতি সুদৃঢ় কৰি ৰিঙিয়াই আছে--

শ্ৰৱণ কীৰ্ত্তন মাত্ৰ কৃষ্ণক আৰাধে।
মহাসুখ পথ একো বিঘিনি নবাধে।।

**নাম-ধৰ্ম**

যাত হন্তে হোৱে ৰতি কৃষ্ণৰ চৰণে।
নাহিকে সুগম আত পৰে ত্ৰিভূৱনে।।
পূৰ্বতে ব্ৰহ্মায়ে এক চিত্তে তিনিবাৰ।
বেদত বিচাৰি এহি মাত্ৰ পাইলা সাৰ।।
শ্ৰৱণ কীৰ্ত্তন মাত্ৰ সুগম ভকতি।
অল্পতে উপজে গোবিন্দৰ প্ৰেমৰতি।।
হেন জানি মহাযত্নে কৃষ্ণক সৰ্বথা।
শ্ৰৱণ কীৰ্ত্তন কৰি ত্যাজি আন কথা।

-- ভাগৱত

সেয়ে কৃষ্ণই (ভগৱন্তই) অৰ্জুনক পৰম ৰহস্য ক'বলৈ গৈ কৈছে--

অসন্মুঢ়ভাৱে যিটোজনে উত্তম পুৰুষ মোক মানে
তাকে সৰ্ববেত্তা বুলিয় সখি অৰ্জুন।
সিটো সমস্তকে পৰিহৰি কায় বাক্য মনে যত্ন কৰি
ভজয় আমাক পুৰুষ সিটো নিপুণ।।

-- নামঘোষা

যো মামেৰম সন্মুঢ়ো জানাতি পুৰুষোত্তমম্।
স সৰ্ববিদ্ভজতি মাং সৰ্বভাৱেন ভাৰত।।

-- ভগৱদ্গীতা ■■

জানি শুনা কৃষ্ণকথা জন্মক নকৰা বৃথা
সমস্ত শাস্ত্ৰৰ ইসে সাৰ।
কৃষ্ণকথা পৰিহৰি ফুৰৈ আন কৰ্ম্ম কৰি
সিটো চিন্তে আপোনাৰ মাৰ।।
যাৰ নাম মাত্ৰে তড়ি হেনয় বান্ধৱ হৰি
কৰি আছা হিয়াত নিৰাস।
তাঙ্ক কৰি অনাদৰ অধম অবোধ নৰ
কৰৈ আন কৰ্ম্মত বিশ্বাস।।

-- ভাগৱত

# ভাগৱত ঃ আধ্যাত্মিক তত্ত্ব প্ৰকাশক অদ্বিতীয় প্ৰদীপ

**ধীৰেণ চন্দ্ৰ বৰুৱা**

বৈকুণ্ঠৰ কল্পতৰু সৰ্বশ্ৰুতি শিৰোৰত্ন, বেদ-বেদান্তৰ সাৰ, বেদান্তৰ পৰম তত্ত্ব, পুৰাণসূৰ্য বুলি খ্যাত মহাভাগৱ শাস্ত্ৰখনি মহামুনি ব্যাসদেৱ ৰচিত অষ্টাদশ পুৰাণৰ ভিতৰত অন্তিম পুৰাণ। সাধাৰণতে শেষৰ পৰিণামটি ভাল হয়। এই 'ভাল' কাৰণে ইয়াক 'সাৰ' বোলা যায়। বাস্তৱিকতে ভাগৱত গ্ৰন্থভাগি সৰ্বশাস্ত্ৰৰ সাৰ। এই গ্ৰন্থত ব্যাসদেৱে বেদান্তই জিজ্ঞাসা কৰা ব্ৰহ্মক উপাসনাৰ ভগৱানলৈ নমাই আনি ভক্তিপথ উন্মোচন কৰিছে। জ্ঞান, বিজ্ঞান, তদংগ, ৰহস্য, জাতি, দ্ৰব্য, গুণ, ক্ৰিয়া, জীৱ, ঈশ, মায়া, তৰণ-- এই বাৰটা তত্ত্বৰে বাৰটা স্কন্ধত ৰচিত, তিনিশ পয়ত্ৰিশটা অধ্যায় সম্বলিত ওঠৰ হাজাৰ শ্লোকেৰে ব্যাসদেৱে বৰ কৌশলগত ভাৱে সৰ্গ, বিসৰ্গ, স্থান, পোষণ, উতি, মন্বন্তৰ, ঈশানুকথা, নিৰোধন, মুক্তি, আশ্ৰয় আদি দহ লক্ষণ সন্নিৱিষ্ট কৰি মানৱৰ মুক্তিৰ কাৰণে আগবঢ়োৱা সৰ্বশ্ৰেষ্ঠ পৰমহংস স্বৰূপ মহাভক্তসকলৰ মুক্তিৰ শাস্ত্ৰ। ভাগৱতে হংস (ভকত)ৰ পৰা পৰমহংস (মহাভকত)লৈ উন্নীত হোৱাৰ পথ প্ৰশস্ত কৰিছে। পৰমহংসসকলৰ সাধনাৰ মূল বস্তু হ'ল মুক্তিৰ সিপাৰৰ 'পঞ্চম পুৰুষাৰ্থ' 'ভক্তি'। ভাগৱত নিজেই ঈশ্বৰ। ই মানৱৰ জীৱন-গ্ৰন্থ, জীৱনৰ সাৰথি, জীৱনৰ অৱলম্বন। জীৱক শিৱ কৰা, মনুষ্যক দেৱত্বলৈ নি অমৃতত্ব প্ৰদান কৰাই নহয় পৰমক সাক্ষাত কৰোৱা এক মহান গ্ৰন্থ। এই শাস্ত্ৰই জীৱনক মহান আৰু মৰণক মহীয়ান কৰিবলৈ মানৱক শিক্ষা প্ৰদান কৰে। শ্ৰীকৃষ্ণ বৈকুণ্ঠ গমনৰ ক্ষণত উদ্ধৱক দিয়া আশ্বাস মতে-- বৈকুণ্ঠ প্ৰয়াণৰ লগে লগে তেওঁৰ সমস্ত তেজ, বল, বিক্ৰম, শক্তি ভাগৱতত স্থাপন কৰিছে আৰু বৈকুণ্ঠলৈ গমন কৰিছে যদিও ইতিমধ্যে তেওঁ ভাগৱতত প্ৰৱেশ কৰিছে আৰু তদ্ক্ষণৰ পৰাই ভাগৱত কৃষ্ণৰ বাঙ্ময় মূৰ্তি হ'ল। তদুপৰি এই শাস্ত্ৰ সেৱন, শ্ৰৱণ, পঠন আনকি স্পৰ্শ কৰিলেও পাপ নাশ হয় বুলি 'ভাগৱত মাহাত্ম্য'ত উল্লেখ আছে।

ভাগৱত মহাগ্ৰন্থখন ভাৰতীয় সনাতন ধৰ্ম তথা ভক্তিবাদৰ আধাৰ গ্ৰন্থ। মহাপুৰুষ শঙ্কৰদেৱ প্ৰৱৰ্তিত 'একশৰণ হৰিনাম ধৰ্ম'ৰো ভাগৱতেই আধাৰ গ্ৰন্থ। সেয়েহে গুৰুজনে এই শাস্ত্ৰৰ পদ্যানুবাদ নিজে কৰিছে। অৱশ্যে গুৰুজনৰ নিৰ্দেশ আৰু তত্ত্বাৱধানত অন্যান্য ব্ৰাহ্মণ পণ্ডিতেও কোনো কোনো স্কন্ধ, অধ্যায় অনুবাদ কৰিছে। সংস্কৃতেই হওক বা অসমীয়া, বঙলা, হিন্দী যি ভাষাৰেই নহওক, ভাগৱতত চকু ফুৰালে এই শাস্ত্ৰৰ মহত্বৰ ওপৰত নিৰ্ভৰ কৰি শাস্ত্ৰকাৰে কিছু অভিধা প্ৰদান কৰা পোৱা যায়। সেই অভিধা বা উপাধি বিলাকৰ ভিতৰত কোনো কোনো ভকতৰ মুখেৰেও দুই এটি ব্যক্ত হৈছে। যেনে-- কল্পতৰু, মহাভাৰত, মহন্ত পুৰাণ, পুৰাণ সংহিতা, পুৰাণ তিলক, পুৰাণসূৰ্য, পৰমহংস সংহিতা, বাঙ্ময় মূৰ্তি, বেদান্তৰ সাৰ-তত্ত্ব, সৰ্বশ্ৰুতি শিৰোৰত্ন, অধ্যাত্মদীপ ইত্যাদিয়েই বিশিষ্ট। এই লেখত শেষৰটি অৰ্থাৎ 'অধ্যাত্মদীপ' অভিধাৰ ওপৰতে আলোকপাত কৰাৰ নম্ৰ প্ৰয়াস কৰা হৈছে।

সংস্কৃত ভাগৱতৰ প্ৰথম স্কন্ধৰ দ্বিতীয় অধ্যায়ৰ তৃতীয় শ্লোকত ভাগৱতকাৰে ভাগৱতক 'অধ্যাত্মদীপ' বুলি উল্লেখ কৰিছে। এই অধ্যায়টিৰ বিষয় হ'ল 'ভগৱৎ কথা আৰু ভগৱদ্ভক্তিৰ মাহাত্ম্য'। নৈমিষাৰণ্যত সমবেত আঠাইশ হাজাৰ বেদত পাৰ্গত ঋষিৰ আগত ভাগৱত কথনৰ প্ৰাক্-মুহূৰ্তত পৃথিৱীত প্ৰথম ভাগৱত ব্যক্ত কৰোতা মহামুনি শুকক প্ৰণিপাত জনাবৰ অভিপ্ৰায়ে ভাগৱতৰ মহিমা উল্লেখ কৰি সুতৰ মুখে এই শ্লোকটি ব্যক্ত কৰোৱা হৈছে। শ্লোকটি হ'ল--

যঃ স্বানুভাৱমখিল শ্ৰুতিসাৰমেক
মধ্যাত্মদীপমতিতিতীৰ্যতাং তমোঅন্ধম।

সংসাৰিণাং কৰুণয়াআহ পুৰাণগুহ্যং
তংব্যাসসুনুমুপয়ামি গুৰুং মুনীনাম।।
-- ভাগৱত, ১/২/৩

অৰ্থ ঃ এই ভাগৱত ভগৱানৰ স্বৰূপ অনুভৱ কৰাব পৰা সমস্ত বেদৰ সাৰ। সংসাৰ গৰ্ভত আৱদ্ধ হোৱা যিসকল লোকে এই ঘোৰ অন্ধকাৰ অতিক্ৰম কৰিব বিচাৰে, তেওঁলোকৰ কাৰণে এই ভাগৱত আধ্যাত্মিক তত্ত্ব প্ৰকাশকাৰী এক অদ্বিতীয় প্ৰদীপ। বাস্তৱিকতে সেইসকলৰ ওপৰত কৰুণা কৰিয়েই মহান মহান ঋষিসকলৰ গুৰু শুকদেৱে এই শাস্ত্ৰ বৰ্ণনা কৰিছে। মই সেই শুকদেৱৰ চৰণত শৰণ লৈছো।

অধ্যাত্ম মানে আত্মতত্ত্ব বা ব্ৰহ্মজ্ঞান; দীপ মানে চাকি বা প্ৰদীপ। অৰ্থাৎ আত্মতত্ত্ব যাৰ পোহৰত দৰ্শন হয় সেয়ে অধ্যাত্মদীপ। গুৰুজনৰ অনুবাদত অধ্যাত্মদীপ শব্দ পোৱা নাযায়। অৱশ্যে-- 'বৈকুণ্ঠৰ শাস্ত্ৰ যিটো বেদান্তৰো তত্ত্ব, 'বৈকুণ্ঠৰ শাস্ত্ৰ ইটো মহাভাগৱত।।' আদি পদ পোৱা যায়। যি কি নহওক, সংস্কৃত ভাগৱতৰ আলমতে বিষয়টি আলচ কৰা হওক।

এই সংসাৰখন মায়াৰ ৰচনা। ই অসত্য। অবিবেক বা অজ্ঞানতাই মায়া। ইয়াকে অবিদ্যাও বোলে। অবিদ্যাই অন্ধকাৰ। মায়াৰ স্বৰূপ দুটা-- আৱৰণ আৰু বিক্ষেপণ। সৎ বস্তুক ঢাকি ৰখাই আৱৰণ আৰু অসৎ অসাৰ বস্তুটোক সৎ যেন দেখোৱাই বিক্ষেপণ। আন্ধাৰত যিকোনো বস্তু দেখা নোপোৱাৰ দৰে অজ্ঞানৰূপ অন্ধকাৰত আচ্ছন্ন হৈ থকাৰ হেতু জীৱৰ আত্মদৃষ্টি বা অন্তৰ্দৃষ্টি উন্মীলিত নহয় আৰু তেনে অৱস্থাত আত্মতত্ত্ব বা ভগৱৎ দৰ্শন অসম্ভৱ হৈ পৰে। অজ্ঞানবশতঃ দেহকে আত্মা বুলি জীৱ ভ্ৰমত পৰে। মাধৱদেৱৰ ভাষাত--

দুৰ্বাৰ দুঃসংগ দুৰ্বাসনা দুষ্ট হৰি হৰি হৰি হৰি এ
অনাদি অবিদ্যা আপুনি ভৈলো মোহিত
অনাত্মা দেহক আত্মাবুদ্ধি কৰি হৰি হৰি হৰি হৰি এ
তুমি পৰমাত্মা ঈশ্বৰে ভৈলো বঞ্চিত।।
-- নামঘোষা, ৭৫২

উল্লিখিত ঘোষাৰ আগৰ জনাত কৈছে--

তুমিসে কেৱলে আত্মা মোৰ।
হৰি হৰি তুমিসে পৰম আত্মা মোৰ।।
তোমাক নজানি জড় মিছা শৰীৰক মই
প্ৰাণ প্ৰভু পীতাম্বৰ এ
আত্মা বুলি ভৈলো সেৱাচোৰ।
প্ৰাণবন্ধু কিনো মই অজ্ঞানী দুৰ্ঘোৰ হৰি এ।।

আকৌ--

তোমাৰ মায়ায়ে মন মোহি আছে হৰি এ
অজ্ঞান আন্ধাৰে পৰিয়া পাৰ নপাঁও ৰাম ৰাম।
অভয় চৰণে শৰণ পশিলো হৰি এ
তুৱা গুণনাম ভকতি প্ৰদীপ চাওঁ ৰাম ৰাম।।

গতিকে আন্ধাৰ আঁতৰাবৰ কাৰণে আলোকৰ প্ৰয়োজন হ'ল। কৃষ্ণৰ অভয় চৰণত শৰণ লৈ নাম-গুণ শ্ৰৱণ-কীৰ্তন কৰিলে ভক্তি কৰা হয়। ভকতিৰ বীজ প্ৰস্ফুতিত হ'লে, হৃদয়ত ভকতিৰ চাকি জ্বলিব, ঈশ্বৰ তুষ্ট হ'ব; জ্ঞানৰূপ চৈতন্য আদিত্য হৃদয়ত প্ৰকাশিত হ'ব আৰু মায়াৰ কুহেলিকা আঁতৰি বিদ্যাৰ আলোকেৰে অন্তৰ উদ্ভাসিত হ'ব। ঈশানুভূতিয়েই অধ্যাত্ম জ্ঞান। ইয়াকে আত্মতত্ত্ব, ব্ৰহ্মজ্ঞান, দিব্যজ্ঞান আদি পদেৰে প্ৰকাশ কৰা হয়। বিজ্ঞানমনুভৱঃ। ঈশ্বৰৰ তত্ত্বানুভূতি লাভেই আধ্যাত্মিক জ্ঞান লাভ কৰা। বুদ্ধিক সত্বস্থ কৰি হৃদয়ত জ্ঞানৰ শলিতা জ্বলাব পাৰিলেই সেই পোহৰত আত্মাতে ঈশ্বৰ দৰ্শন হ'ব। দেহত থকা আত্মাবোধ নাইকিয়া হ'ব। ইয়াকেই ভাগৱতত 'অধ্যাত্মদীপ' বুলিছে। শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনে ইয়াকে 'ভকতি প্ৰদীপ' আখ্যা দিছে। মাধৱদেৱে 'বিজ্ঞান প্ৰদীপ' বুলি উল্লেখ কৰিছে। অজ্ঞান তিমিৰ/ নাশিয়া বিজ্ঞান/ প্ৰদীপ প্ৰভু দিয়োক।। (নামঘোষা) চৈতন্য আদিত্য/ ঈশ্বৰ যাহাৰ/ হিয়াত ভৈলা প্ৰকাশ। কালমেঘ প্ৰায়/ অবিদ্যা আন্ধাৰ/ তাহাৰ হোৱে বিনাশ।। (নামঘোষা)

ভাগৱত ভকতি কৰিলে বা ভাগৱত ধৰ্ম আচৰণ কৰিলে ভগৱানৰ কৃপাত হৃদয়ৰ কলুষতা আঁতৰ হৈ যি আত্মতত্ত্ব দৰ্শন হয়, ঈশদৰ্শন হয়, সেয়ে অধ্যাত্মদীপ। অৰ্থাৎ আধ্যাত্মিক জ্ঞান-বন্তিৰে হৃদয় উদ্ভাসিত হ'লে আত্মদৰ্শন বা ভগৱৎ উপলব্ধি সুলভ হৈ পৰে। এই অধ্যাত্ম প্ৰদীপৰ দ্বাৰা হৃদয়ৰাজ্য প্ৰকাশমান হোৱাৰ লগে লগে সমস্ত জগতকে বিষ্ণুময় দৰ্শন হ'ব। এনে দৰ্শন কৃষ্ণভক্তি কৃষ্ণ কৃপা, কৃষ্ণজ্ঞান বা বৈষ্ণৱী জ্ঞান অবিহনে আন কাৰো দ্বাৰা সম্ভৱ নহয় কাৰণে 'অদ্বিতীয়' বোলা হৈছে। ভাগৱতেই কৃষ্ণ, কৃষ্ণই ভাগৱত, কৃষ্ণ জ্ঞানেই

ভাগৱত জ্ঞান। এতেকে ভাগৱতেই সংসাৰ অন্ধকাৰ আঁতৰোৱাৰ একমাত্ৰ আধ্যাত্মিক প্ৰদীপ। অধ্যাত্মদীপ সম্পকীয় উল্লিখিত শ্লোকটিৰ পদৰ ভাঙনি মহাপুৰুষ মাধৱদেৱকৃত ভক্তি ৰত্নাৱলীত এইদৰে পোৱা যায়--

নিখিল বেদৰ সাৰ মহাভাগৱত।
সদ্য ভক্তিপ্ৰদ যাৰ অতুল মহত।।
এতেকেসে সমস্ত বেদত শ্ৰেষ্ঠতৰ।
পৰম গোপনি ইটো সমস্ত শাস্ত্ৰৰ।।
মহা অন্ধকাৰময় দুৰ্ঘোৰ সংসাৰ।
আক তৰিবাক প্ৰতি ইচ্ছা আছে যাৰ।।
তাক কৃপা কৰি যিটো মহামুনি শুকে।
পৃথিৱীত ব্যক্ত আনি কৰিলা উৎসুকে।।
আত্মা প্ৰকাশক ইটো প্ৰদীপ সাক্ষাত।
ভকতি অমৃত ৰস পৰিপূৰ্ণ যাত।।
আকে শুনি অজ্ঞলোকে তৰোক সংসাৰ।
হেন শুক গুৰু পদে কৰো নমস্কাৰ।। --১১-১৩

সংস্কৃত ভাগৱতৰ দশম স্কন্ধৰ তৃতীয় অধ্যায়ৰ চতুৰ্বিংশ শ্লোকত কৃষ্ণক 'অধ্যাত্মদীপ' বোলা হৈছে--

'ৰূপং যৎ তৎ প্ৰাহুৰমাদ্যং
ব্ৰহ্মজ্যোতিনিৰ্গুণং নিৰ্ব্বিকাৰম্
সত্ত্বা মাত্ৰং নিৰ্ব্বিশেষং নিৰীহং
স ত্বং সাক্ষাদবিষ্ণুৰধ্যাত্মদীপঃ।।
-- ভাগৱত, ১০/৩/২৪

কংসৰ কাৰাগাৰত অজব্ৰহ্মই জন্ম লৈ চতুৰ্ভুজ ৰূপ ধাৰণ কৰিলে। অন্ধকাৰ আঁতৰ হৈ কাৰাগাৰ আলোকিত হ'ল বিষ্ণুজ্যোতিৰে। বসুদেৱ দৈৱকীৰ হৃদয়াকাশৰ মোহান্ধকাৰ দূৰ কৰিলে মহাজ্যোতিস্মান ভাস্কৰে। উভয়েই আৰম্ভ কৰিলে ঈশস্তুতি। প্ৰথমতে বসুদেৱে, পাছত দৈৱকীয়ে।

পাছে নিজৰূপে উপজিলা নাৰায়ণ।
দেখি পিতৃ-মাতৃ স্তুতি কৰিলা বিস্তৰ।।
-- লীলামালা

গুৰুজনে ভাগৱতত লিখিছে--

এহি বুলি বসুদেৱ মৌন হুয়া আছে।
দৈৱকীয়ো পুত্ৰমুখ দেখিলন্ত পাছে।।১০৭৩৬
মহাপুৰুষৰ চিহ্ন জানি মহাসতী।
পৰিস্তুতি কৰিলন্ত বিস্ময় হুয়া আতি।।
যিটো ব্ৰহ্মৰূপ নিৰাকাৰ নিৰঞ্জন।
তেন্তে তুমি সাক্ষাতে জানিলো নাৰায়ণ।।১০৭৩৭

উদ্ধৃত শ্লোক মতে মাতা দৈৱকীয়ে এইদৰে তুতি কৰিলে 'হে প্ৰভু! বেদে তোমাৰ অব্যক্ত আৰু সকলোৰে কাৰণ বুলি যিৰূপ বৰ্ণনা কৰিছে; যাক ব্ৰহ্ম বুলি কোৱা হয়, যি জ্যোতিস্বৰূপ, সমস্ত গুণৰহিত, বিকাৰহীন, যাক বিশেষণৰহিত, অনিৰ্বচনীয়, নিস্ক্ৰিয় আৰু বিশুদ্ধ সত্য বুলি কোৱা হয়; তুমিয়েই সেই বুদ্ধি আদিৰ প্ৰকাশক সাক্ষাৎ 'অধ্যাত্মদীপ' বিষ্ণু।' বেদে ঈশ্বৰক অব্যক্ত বুলিছে। অৰ্থাৎ আকাৰ বৰ্জিত। পদ্মপুৰাণৰ এটা শ্লোক মহাপুৰুষ মাধৱদেৱে এইদৰে অনুবাদ কৰিছে--

অব্যক্ত ঈশ্বৰ হৰি কিমতে পূজিবা তাঙ্ক
ব্যাপকত কিবা বিসৰ্জন।
-- নামঘোষা

তেওঁ সকলোতে ব্যাপি আছে। বেদান্তই কয় 'সৰ্বং খল্বিদং ব্ৰহ্ম।' পুৰাণে কয় 'ইদং বিষ্ণুময়ং জগত।' ভাগৱত মহাপুৰাণত ভগৱানৰ সাকাৰ নিৰাকাৰ উভয় উপাসনাৰ বৰ্ণনা আছে। সাকাৰ সগুণ উপাসকে ভগৱানৰ অষ্ট প্ৰকাৰ মূৰ্তিৰ যিকোনো একোটি মূৰ্তিত সেৱা আৰু গুণ কীৰ্তন কৰি ঈসোপাসনা কৰে। বেদে কোৱা নিৰাকাৰ ব্ৰহ্মই তেওঁলোকৰ সেৱ্য, ধ্যানৰ তত্ব। এই ব্ৰহ্মই সৰ্বকাৰণৰো কাৰণ।

ঈশ্বৰ পৰম কৃষ্ণ সচ্ছিদানন্দ বিগ্ৰহ।
অনাদিৰাদি গোবিন্দ সৰ্বকাৰণম।।

চতুঃশ্লোকী ভাগৱতৰ প্ৰথম শ্লোকত ইয়াৰ প্ৰতিধ্বনি হৈছে। শঙ্কৰদেৱে পদ্যানুবাদ কৰিছে--

জগতৰ পূৰ্বে মই মাত্ৰ থাকো জান।
কাৰ্যকাৰণৰ কিছু নাছিলেক আন।।

কীৰ্ত্তনত লিখিছে--

প্ৰথমে প্ৰণামো ব্ৰহ্ম ৰূপী সনাতন।
সৰ্ব অৱতাৰৰ কাৰণ নাৰায়ণ।।

'কীৰ্ত্তন'ৰ হৰমোহনত কৈছে--

তুমি কাৰ্য্য কাৰণ সমস্ত চৰাচৰ।
সুৱৰ্ণ কুণ্ডলে যেন নুহিকে অন্তৰ।।

দশমৰ উক্ত শ্লোকটিৰ প্ৰতিধ্বনি নামঘোষাতো নোহোৱাকৈ থকা নাই। ভক্তিত গদ্‌গদ্ চিত্ত হৈ ভক্ত কবিয়ে গাইছে--

'ৰামকৃষ্ণ নাৰায়ণ/ নিৰঞ্জন নিৰাকাৰ / নিৰ্ব্বিকাৰ নিৰাময় হৰি। চিদানন্দ সদানন্দ/ পুৰুষ পৰমানন্দ/ ভজো তুৱা চৰণত ধৰি।।'

হৰি ৰাম বিভু প্ৰভু অনন্ত দৈত্যাৰী।। (৬৯৮)

এই নামসমূহৰ তাত্ত্বিক ব্যাখ্যাও নামান্বয় পটলত দিছে। যি নহওক, এই নিৰ্গুণ নিৰাকাৰ অবাংমনোগোচৰ, আনন্দময়, জ্যোতিস্বৰূপ সনাতন পৰম ব্ৰহ্মই বেদৰ প্ৰতিপাদ্য বস্তু। বেদে সৎ, চিৎ, আনন্দ, অৰ্থাৎ সচ্ছিদানন্দ বুলিয়েই ভগৱানৰ অস্তিত্ব স্বীকাৰ কৰে। সেয়েহে সনাতন বেদসমূহে স্তুতি কৰিছে--

আনন্দ ব্ৰহ্মাক যিটো ভজে স্বামী।
তাহাৰ মহিমা আৰ কি কহিবো আমি।।

-- কীৰ্ত্তন, বেদস্তুতি

সেয়ে হ'লেও সমস্ত শাস্ত্ৰৰ সাৰ ভাগৱতে, ভকতৰ বাক্য ৰক্ষা আৰু জগতৰ কল্যাণৰ কাৰণে, দুষ্টক দমন, সন্তক পালন-ৰক্ষণ আৰু লুপ্ত ধৰ্ম সংস্থাপনৰ উদ্দেশ্যে, ভগৱানে যুগে যুগে বিভিন্ন ৰূপত অৱতাৰ হয় বুলি কৈছে। ভগৱানে অজ হ'লেও ভক্তৰ প্ৰতি অনুগ্ৰহ প্ৰদৰ্শনৰ কাৰণে নৰৰূপে লীলা কৰে। শ্লোকটিত উল্লিখিত ব্ৰহ্মজ্যোতি, নিৰ্গুণ, নিৰ্বিকাৰ, নিৰ্বিশেষ, নিৰীহ আদি পদবোৰে নিৰাকাৰ ব্ৰহ্মকে বুজাইছে। জ্যোতি মানে পোহৰ। পোহৰত কলঙ্ক নাথাকে, বিশুদ্ধ, পৰম নিৰ্মল। যি নিজ দ্যুতিস্বৰূপ, সিয়ে আনক পোহৰাব পাৰে আৰু সিয়ে বিশুদ্ধ। যি নিজে নিৰ্মল, আনকো শুদ্ধ, পৱিত্ৰ কৰিব পাৰে, সিয়ে বিশুদ্ধ সত্তা। ঈশ্বৰযে শুদ্ধ, বুদ্ধ, নিত্য, নিৰ্মল, শাস্ত্ৰসমূহত সেই কথা বৰ্ণিত আছে। এইজন ভগৱানেই গুণৰহিত, নিৰ্গুণ বা গুণাতীত।

তুমি প্ৰভু নিৰ্গুণ গুণেৰ সীমা নাই।
নিৰ্গুণ হোৱয় জীৱ সোহি গুণ গাই।। --বৰগীত

ঈশ্বৰ নিৰাকাৰ অৱস্থাত নিৰ্গুণ। কিন্তু সাকাৰ অৱস্থাত সগুণ। সগুণ মানে কিন্তু সত্ব, ৰজ, তম গুণৰ বশৱৰ্তীতা নুবুজায়। তিনিগুণৰ অতীতহে বুজায়। ঈশ্বৰ বিকাৰহীন, ভেদহীন। নিৰীহ পদে বাঞ্ছাহীনতাক বুজায়। বাঞ্ছা বা কামনা থাকিলে কাৰ্যত প্ৰবৃত্ত হ'ব লাগে আৰু কৰ্তৃত্বপ্ৰাপ্ত হয়। অৰ্থাৎ 'কৰ্তা' উপাধি পায়। ঈশ্বৰ সৰ্বকামনাহী, পূৰ্ণকাম। তেওঁ অকৰ্তা, তথাপি--

সহজে অকৰ্ত্তা কৰ্ম্ম কৰা অপৰ্য্যন্ত।
সোহি কৰ্ম্মে জীৱৰ কৰম কৰা অন্ত।।-- বৰগীত

-- বুলি শাস্ত্ৰত বৰ্ণনা আছে। গতিকে দৈৱকীয়ে তেওঁৰ সন্মুখত চতুৰ্ভুজ মূৰ্তি ধাৰণ কৰি থিয় হৈ থকা অভূতপূৰ্ব মূৰ্তিকেই বেদত প্ৰখ্যাত সেই পৰম ব্ৰহ্ম বিষ্ণু স্বৰূপ 'অধ্যাত্মদীপ' বুলি স্তুতি কৰিছে। এয়া লীলাময়ৰ বিনোদ ৰূপ।

ভাগৱতৰ প্ৰথম স্কন্ধত ভাগৱতক 'অধ্যাত্মদীপ' আৰু দশম স্কন্ধত কৃষ্ণক 'অধ্যাত্মদীপ' বোলাৰ তাৎপৰ্য এয়ে যে ভাগৱত আৰু কৃষ্ণ অভৈদ। ভাগৱত মহাপুৰাণ কৃষ্ণৰ হৃদয়ৰ পৰা সৃষ্টি হৈছে। যি ভাগৱত সি কৃষ্ণ, যি কৃষ্ণ সিয়ে ভাগৱত। সেয়েহে ভাগৱত মাহাত্ম্যৰ ৪ৰ্থ অধ্যায়ৰ তৃতীয় আৰু চতুৰ্থ সংখ্যক শ্লোকত সুতে ঋষিসকলক কৈছে--

শ্ৰীমদ্ভাগৱতস্যাথ শ্ৰীমদ্ভগৱতঃ সদা।
স্বৰূপমেকমেবাস্তি সচ্চিদানন্দলক্ষণং।।
শ্ৰীকৃষ্ণাসক্ত ভক্তানাং তন্মাধুৰ্যপ্ৰকাশম্।
সমুজ্জৃম্ভতি যদ্বাক্যং বিদ্ধি ভাগৱতং হি তত্।।

অৰ্থাৎ-- শ্ৰীমদ্ভাগৱত আৰু শ্ৰীভগৱানৰ স্বৰূপ সদায় এক হে, সি হ'ল- সচ্ছিদানন্দময়'। ভগৱান শ্ৰীকৃষ্ণ যাৰ প্ৰতি সদয় হয়, সেই ভাবুক ভক্তৰ হৃদয়ত ভগৱানৰ যি মাধুৰ্য্যভাৱ অভিব্যক্ত কৰোতা, তেওঁৰ দিব্য মাধুৰ্যৰস আস্বাদন কৰোৱা যি সৰ্বোৎকৃষ্ট কথা, সেয়া ভাগৱত বুলি বুজিবা।

পূৰ্বতে উল্লেখ কৰা হৈছে যে ভাগৱত ভগৱান কৃষ্ণৰ বাণীস্বৰূপ মূৰ্ত্তি। ভকত আৰু ভগৱানৰ ভিন্নতা নথকাৰ দৰে ভাগৱত আৰু কৃষ্ণৰো ভিন্নতা নাই। গতিকে উভয়কে 'অধ্যাত্মদীপ' বুলি অভিহিত কৰাত উভয়ৰে একত্ব প্ৰতিপন্ন হোৱাৰ উপৰি ভাগৱতৰ গুৰুত্ব বৃদ্ধি আৰু 'অধ্যাত্মদীপ' বিশেষণটিয়েও সাৰ্থকতা লাভ কৰিছে। জ্ঞান ভক্তি বৈৰাগ্যৰ সুগভীৰ সমুদ্ৰ ভাগৱতত অৱগাহন কৰিলে মানুহৰ আধ্যাত্মিক জ্ঞান হয় আৰু সেই জ্ঞানৰ বন্তিৰ আলোকে হৰিভক্তি ৰাজমাৰ্গটি আলোকিত কৰি পৰমাত্মাৰ কাষলৈ যোৱাত বা প্ৰাপ্ত কৰাত সহায় হয়। ইয়াত মুখ্য ভূমিকা থাকে সৎসঙ্গৰ। ■■

# পৰীক্ষিতৰ মোক্ষ সাধন

বোধেশ্বৰ কাকতি

ভাগৱত শাস্ত্ৰৰ আৰম্ভণি শ্লোকত মহামুনি শুকদেৱ ভাৰতীয় ষড়দৰ্শনৰ প্ৰতিপাদ্য বিষয়সমূহৰ অৱতাৰণা কৰি আসন্ন মৃত্যুমুখী ৰজা পৰীক্ষিতৰ সমীপত বৰ্ণিত ভগৱন্তৰ যি পৰম তত্ত্ব তাক ঐকান্তিক ভক্তিযোগৰ দ্বাৰা যে সুলভ্য সেই তত্ত্ব সম্যকৰূপে বৰ্ণিত হৈছে।

'জন্মাদ্যস্য যতোহয়াদিতৰতশ্চাৰ্থেস্বভিজ্ঞঃ স্বৰাট্।
তেন ব্ৰহ্ম হৃদা য আদিকৱয়ে মহ্যন্তি যৎ সূৰযঃ।।
তেজোবাৰিমৃদাং যথা বিনিময়ো যত্ৰ ত্ৰিসৰ্গোহমৃষা।
ধাম্না স্বেন সদা নিৰস্তকুহকং সত্যং পৰমংধীমহি।।'
-- ভাগৱত, শ্লোক-১

এই দৃশ্যমান জগত-- যাৰ ইচ্ছা মাত্ৰেই এই জগত সৃষ্টি হৈছে; অখিল বিশ্বৰ সৃষ্ট বস্তু যাৰ সত্তাই 'সৎ' ৰূপে বৰ্তমান আৰু যাৰ সত্তা সম্বন্ধে জ্ঞানৰ অভাৱে অৱস্তু মাত্ৰেই 'অসৎ' ৰূপে প্ৰতীয়মান হয়, যি গৰাকী স্বৰাট্, (যি স্বতঃপ্ৰকাশিত বা স্বতঃসিদ্ধ জ্ঞানস্বৰূপ), যিগৰাকী নিজ মহিমা প্ৰভাৱেৰে সৎ চিৎ আৰু আনন্দময়-- সেইপৰম সত্যক আমি ধ্যান কৰোঁ।'

ভাগৱতৰ মূল প্ৰতিপাদ্য বিষয় আৰম্ভণিৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় শ্লোকতে ইষ্টদেৱৰ মঙ্গলাচৰণৰূপে সন্নিবিষ্ট কৰি গ্ৰন্থকাৰে তাৰ দ্বাৰা মূলতত্ত্ব নিৰূপণ কৰিছে।

প্ৰথম শ্লোকত জগতৰ আধাৰ স্বৰূপ পৰম ব্ৰহ্ম বা পৰমতত্ত্ব (Absolute Reality)ৰ স্বৰূপ আৰু তটস্থ লক্ষণ (Transcendence) আৰু বিশ্বানুগ (Immanence) লক্ষণক বুজাইছে। স্বৰূপ লক্ষণ যাতে ব্ৰহ্ম তত্ত্ব হৈছে সৎ, চিৎ আৰু আনন্দ, সত্যজ্ঞান আৰু অনন্ত, নিৰ্গুণ, নিৰাকাৰ, নিৰ্বিকাৰ, আনন্দ স্বৰূপ, মায়াতীত ইত্যাদি। তটস্থ লক্ষণ মতে ব্ৰহ্মতত্ত্ব মায়িক, সগুণ, সাকাৰ, বিশ্বৰ স্ৰষ্টা, নিয়ন্তা, সংহৰ্তা, লীলাময়, ৰসময়, পিতা, স্বামী, সৰ্বগুণাধাৰ আৰু একমাত্ৰ শৰণ্যবস্তু। জ্ঞানীয়ে এই তত্ত্ব জ্ঞানযোগে উপলব্ধি কৰি আত্মাৰাম ৰূপে বিচৰণ কৰে। তত্ত্ব জিজ্ঞাসু ভক্তই ভক্তি যোগৰ দ্বাৰা এই তত্ত্বৰ লীলাময় ৰূপত নিমগ্ন হৈ পৰমানন্দ লাভ কৰে।

দ্বিতীয় শ্লোকটো 'ধৰ্ম্মঃ প্ৰোজ্ঝিতকৈতবোহত্ৰ'ৰে আৰম্ভ কৰি 'শুশ্ৰূষুভিস্তৎক্ষণাৎ'ৰে সমাপ্ত কৰিছে। ইয়াত ধৰ্মৰ স্বৰূপ কি বুজাইছে; অৰ্থাৎ নিষ্কামভাৱে যি ধৰ্ম পালন কৰা হয় সেয়ে ধৰ্মৰ স্বৰূপ। যদি কোনো ফল সিদ্ধিৰ অৰ্থে ধৰ্ম আচৰণ কৰা হয় তেনেহ'লে এই ধৰ্মক কপট ধৰ্ম বোলা হয়। কপট ধৰ্ম পৰিত্যাগ কৰি, হিংসা-দ্বেষ আদি বিবৰ্জিত পৰম সাধুসকলৰ ভগৱৎ আৰাধনা ৰূপ যি পৰম মঙ্গলময় ধৰ্ম তাক নিৰূপণ কৰি পালন কৰাৰ ব্যৱস্থা দিছে। পুৰুষাৰ্থ সাধনত নিষ্কাম ধৰ্ম পালন কৰিলে মনুষ্যৰ তাপত্ৰয় অৰ্থাৎ আধিদৈৱিক, আধিভৌতিক আৰু আধ্যাত্মিক দুখৰ অৱসান ঘটে।

তৃতীয় শ্লোকটো 'নিগমকল্পতৰোৰ্গলিতং'ৰে আৰম্ভ 'ৰসিক ভুবি ভাবুকাঃ'ৰে শেষ কৰিছে। ইয়াত কোৱা হৈছে-- 'বেদৰূপী কল্পবৃক্ষৰ অমৃত-ৰসপূৰ্ণ ফল এই ভাগৱত আত্মাৰাম মুনি শুকদেৱৰ মুখৰ পৰা সৰি ভূমিত পৰিছে। ৰসিকসকলক সম্বোধন কৰি কৈছে যে-- 'হে ৰসিসৰ, আপোনাসৱে এই ৰসময় ভাগৱত সুপক্ক ফল আস্বাদন কৰক।' বেদ এজোপা বিশাল বটবৃক্ষ আৰু কল্পতৰু সদৃশ। ইয়ে মনুষ্যৰ নানা প্ৰকাৰ অভীষ্ট ফল প্ৰদান কৰিব পাৰে। যিদৰে কল্পবৃক্ষই বহুপ্ৰকাৰ মনোকামনা পূৰণ কৰে; সেইদৰে কল্পবৃক্ষ বেদৰ সুপক্ক ৰসময় সুস্বাদ ফল হৈ নিগম কল্পতৰু শ্ৰীমদ্ভাগৱত

শাস্ত্ৰৰূপে প্ৰকাশ পাইছে।

বেদত প্ৰবৃত্তি আৰু নিবৃত্তি-- এই দুই মাৰ্গৰে বৰ্ণনা পোৱা যায়। কিন্তু বেদব্যাসে তেওঁৰ দিব্য জ্ঞানেৰে সৰ্বসাধাৰণ লোকৰ কল্যাণৰ অৰ্থে আত্মাৰাম পৰম বিৰক্ত মুনি শুকদেৱৰ দ্বাৰা অমৃত স্বৰূপ ভাগৱতৰূপী ফলৰ ৰস চিন্তাশীলসকলৰ বাবে যুগুত কৰি পান কৰাৰ সুবিধা কৰি গৈছে। মহামুণিকৃত এইপৰম ৰসৰ ভাণ্ডাৰ ভাগৱত শাস্ত্ৰৰ বাহিৰে অন্য শাস্ত্ৰত পাবলৈ নাই; কাৰণ এই শাস্ত্ৰ শ্ৰৱণ-কীৰ্তন আৰু স্মৰণ কৰিবলৈ ইচ্ছা কৰা পুণ্যবান লোকসকলে শ্ৰৱণ-কীৰ্তন কালতেই ঈশ্বৰক অন্তৰত ধাৰণ কৰিবলৈ সমৰ্থ হয়। সেই কাৰণে মনুষ্যসকলে এই শাস্ত্ৰ শ্ৰৱণ-কীৰ্তন কৰি পৰম পুৰুষাৰ্থ লাভ কৰিব পাৰে।

‘শ্ৰৱণং কীৰ্ত্তনং ধ্যানং হৰেৰদ্ভুতকৰ্মনঃ।
জন্ম কৰ্ম্ম গুণানাংচ তদৰ্থেহখিলচেষ্টিতম্।।’

-- ভাগৱত, ১১/৩/২৭

ভগৱন্ত কৃষ্ণৰ উক্তি ঃ

তাৱৎ কৰ্ম্মানি কুৰ্ব্বীত ন নিৰ্ব্বিদ্যেত যাৱতা।
মৎ কথা শ্ৰৱণাদৌ বা শ্ৰদ্ধা যাৱন্ন জায়তে।।

-- ভাগৱত, ১১/২০/৯

অৰ্থ ঃ ‘যিজন মোৰ কথাৰ প্ৰতি অন্তৰত শ্ৰদ্ধা-ভক্তি জন্মিছে; অথচ কৰ্মৰ ফল ত্যাগ কৰিব পৰা নাই, সেইজনে মোৰ কথা, নাম শ্ৰৱণ-কীৰ্তন আৰু স্মৰণৰ দ্বাৰা মোৰ প্ৰতি সপ্ৰেম ভক্তিৰে কৰ্ম ফলৰ আশা ত্যাগ কৰি পৰম শান্তি লাভ কৰিব পাৰে।’

ঈশ্বৰৰ প্ৰতি ঐকান্তিক ভক্তিৰে মনুষ্যৰ অন্তৰৰ বাসনা বিলোপ হয়, হৃদয়ৰ গ্ৰন্থি (অহমত্ব) ছিঙি যায়, সকলো প্ৰকাৰৰ সংশয় আঁতৰি যায়, কৰ্মফলাকাঙ্খা ক্ষয় হয় আৰু সমগ্ৰ প্ৰাণীতে ঈশ্বৰ দৰ্শন কৰি পৰমানন্দ লাভ কৰে। ভগৱন্তত ভক্তিযুক্ত আৰু আত্ম সমৰ্পিত যোগীয়ে ইহলোকত কৰ্ম ফল ভোগ, বৈৰাগ্যকো শ্ৰেষ্ঠৰূপে ধাৰণ নকৰে, ভক্তিহে বিচাৰে। ভক্তি যোগৰ শ্ৰেষ্ঠতা দৰ্শাই আকৌ কৈছে যে কৰ্ম, তপস্যা, জ্ঞান, বৈৰাগ্য, তীৰ্থ ব্ৰতাদি শুভকৰ্মৰ দ্বাৰা যি অভীষ্ট সিদ্ধি নহয়, সেইটো শ্ৰীভগৱন্তত ভক্তি যোগৰ দ্বাৰা ভগৱদ্ভক্তৰ অনায়াসে লাভ হয়। ভক্তই ইচ্ছা কৰিলে স্বৰ্গ, অপবৰ্গ (Desired goal) নাইবা ভগৱন্তৰ সালোক্য মুক্তি পৰ্যন্ত লাভ কৰিবলৈ সক্ষম হয়।

শ্ৰীমদ্ভাগৱত শাস্ত্ৰৰ প্ৰতিপাদ্য বিষয় হ’ল-- শ্ৰৱণ-কীৰ্তনেই পৰম ভকতি। ভগৱন্ত কৃষ্ণৰ গুণ-নাম-লীলা-চৰিত্ৰ শ্ৰৱণ কীৰ্তনেই কেৱল মনুষ্যৰ শাশ্বত ধৰ্ম। ভাগৱত তত্ব প্ৰদান কৰোঁতে ভগৱন্তই ব্ৰহ্মাক জনালে--

সাৱধানে মনে মোৰ ধৰা এহি মত।
শ্ৰৱণ কীৰ্ত্তন কৰি তৰোক জগত।।
কৰিয়ো প্ৰচাৰ এহি ভাগৱত গ্ৰন্থ।
লোকত বিদিত হৌক মোৰ ভক্তি পন্থ।।

ভাগৱত, ২য় স্কন্ধ

আকৌ কৈছে--

জ্ঞানং পৰমং গুহ্যং যে যদ্‌বিজ্ঞান সমন্বিতম্।
স ৰহস্যং তদঙ্গ গৃহান্ সদিতং ময়া।।

ভাগৱত, ২য় স্কন্ধ

‘হে ব্ৰহ্মা, মই তোমাৰ জ্ঞান, বিজ্ঞান, তদঙ্গ আৰু ৰহস্যৰ বিষয়ে উপদেশ দিওঁ শুনা, মোৰ পৰম গোপনীয় বিজ্ঞানৰ সহিত জ্ঞান, ৰহস্যৰ সহিত তদঙ্গ তুমি গ্ৰহণ কৰা।’

এই জ্ঞান, বিজ্ঞান, তদঙ্গ আৰু ৰহস্য কি? সংক্ষেপতে-- ‘জ্ঞান শাস্ত্ৰোত্থম, বিজ্ঞানং অনুভৱঃ, তদঙ্গ সাধনম ৰহস্য ভক্তি।’ জ্ঞান আৰু বিজ্ঞানৰ স্তৰত উপনীত হ’বলৈ একমাত্ৰ উপায় ভকতি বুলি কৈছে। ভকতিও মাত্ৰ হৰিনামহে। ‘হৰিনাম ভকতৰ কেৱল ভকতি।’ (নাম-ঘোষা)

নাৰদে স্ব-অভিজ্ঞতাৰে ভগৱন্তৰ পৰম তত্ব অৱগত হৈ ব্যাসদেৱক তেওঁৰ মানসিক বিষাদ নাশ কৰিবলৈ সম্বোধন কৰি কৈছিল, ‘হে সৰ্বশাস্ত্ৰজ্ঞ ব্যাসদেৱ, তুমি ভগৱান শ্ৰীহৰিৰ যশোৰাশি কীৰ্তন কৰা, যাক শ্ৰৱণ কৰি সুধীসকলৰ জ্ঞান পিপাসাৰ পৰিতৃপ্তি হ’ব আৰু নিৰন্তৰ দুখ-কষ্টৰ দ্বাৰা নিপীড়িত জীৱসকল ক্লেশ সন্তাপ নাইকিয়া হ’ব। ভগৱান শ্ৰীহৰি নিৰন্তৰ গুণ কীৰ্তন ব্যতিৰেকে জীৱৰ ভৱ বন্ধন মোচনৰ সহজ উপায় নাই।’

নাৰদৰ এই ভাগৱত তত্ব-জ্ঞান উপদেশ আৰু তেওঁৰ পূৰ্ব জন্মৰ ইতিবৃত্ত শুনিবলৈ পাই ব্যাসদেৱৰ মন প্ৰশান্ত হ’ল আৰু ধ্যান-ধাৰণাৰ দ্বাৰা শ্ৰীহৰিৰ অনন্ত

যশোৰাশি আৰু লীলা বৰ্ণনাৰ লগতে জীৱ, জগত আৰু ঈশ্বৰৰ স্বৰূপ বৰ্ণনাৰে নিগম শাস্ত্ৰৰ কল্পতৰু শ্ৰীমদ্ভাগৱত শাস্ত্ৰ প্ৰকাশ কৰিলে। এই ভাগৱত ব্যাসদেৱে সৰ্বপ্ৰথমে তেওঁৰ প্ৰিয় পুত্ৰ পৰমভাগৱত মহামুনি শুকদেৱক অধ্যয়ন কৰায়। শুকদেৱে ভক্ত চূড়ামুনি আসন্ন মৃত্যুমুখী মহাৰাজ পৰীক্ষিতক পৰম পাৱনী গঙ্গাৰ তীৰত ভাগৱত শ্ৰৱণ কৰায়। গঙ্গানদীৰ পাৰৰ শুকৰ তল বা শুকৰ গাদীত (বৰ্তমান উত্তৰ প্ৰদেশৰ মজফ্ফৰ নগৰত) ভাগৱত পাঠ অনুষ্ঠিত হৈছিল। এই অনুষ্ঠানত শুকদেৱ নিজেই বক্তা আছিল আৰু ধৰ্মৰাজ পৰীক্ষিত, তেওঁৰ অসংখ্য প্ৰজাবৰ্গ আৰু বহুতো ঋষি-মুনি তাত উপস্থিত আছিল।

ৰজা পৰীক্ষিতৰ জন্ম ৰহস্যজনক। পৰীক্ষিতৰ পিতৃ মহাবীৰ অভিমন্যু, পিতামহ মধ্যম পাণ্ডৱ অৰ্জুন। তেওঁৰ মাতৃ মৎস্যৰাজ বিৰাটৰ দুহিতা উত্তৰা। অশ্বত্থামাই পিতৃ বধৰ প্ৰতিশোধ ল'বলৈ শুই নিঃপালি দি থকা পাণ্ডৱ শিবিৰত প্ৰৱেশ কৰি পাণ্ডৱ পুত্ৰসকলক বধ কৰে। তেওঁক বধিবলৈ কৃষ্ণাৰ্জুন যোৱা দেখি দিব্যাস্ত্ৰ 'ব্ৰহ্মশিৰ' বাণ প্ৰয়োগ কৰে। পৰীক্ষিত তেতিয়া মাতৃ গৰ্ভত। 'ব্ৰহ্মশিৰ' অস্ত্ৰই পাণ্ডৱৰ বিশেষ অনিষ্ট কৰিব নোৱাৰিলে। পুনৰ উত্তৰাৰ গৰ্ভত থকা সন্তানটিৰ প্ৰতি অশ্বত্থামাই এই অস্ত্ৰ প্ৰয়োগ কৰে। ব্যাসদেৱে এই অস্ত্ৰ প্ৰয়োগ কৰিবলৈ বাৰণ কৰা সত্বেও নিৰুপায় হৈ অশ্বত্থামাই এইদৰে কৈছিল-- 'ভগৱান মই এডাল খাগৰিৰ মাৰফত এই অস্ত্ৰ প্ৰয়োগ কৰিম, উত্তৰাৰ গৰ্ভ নষ্ট কৰি পাণ্ডৱক বংশহীন কৰি খোজো।' অশ্বত্থামাই উত্তৰাৰ গৰ্ভপাত কৰিবলৈ সেই অস্ত্ৰ নিক্ষেপ কৰিলে। কৃষ্ণই তেতিয়া অশ্বত্থামাক কৈছিল যে গৰ্ভস্থ সন্তান মৃত হৈ জন্ম হ'লেও দীৰ্ঘায়ু হ'ব। কিন্তু শিশু হত্যাকাৰী বুলি অশ্বত্থামাৰ কুখ্যাতি কেতিয়াও আঁতৰ নহয়।' উত্তৰাৰ গৰ্ভত মৃত সন্তান জন্ম হোৱা দেখি সুতিকা গৃহত উত্তৰাৰ কৰুণ ক্ৰন্দনত দয়া-পৰৱশ হৈ কৃষ্ণই সন্তানটিক জীয়াই দিবলৈ মনস্থ কৰি কৈছিল-- 'যদি মই সত্য আৰু ধৰ্মত প্ৰতিষ্ঠিত আছোঁ, তেন্তে মোৰ সত্য আৰু ধৰ্মৰবলত এই শিশুটি জী উঠক।' কৃষ্ণই এইদৰে কোৱাৰ পিছত শিশুটি পুনৰ জীৱিত হ'ল। অভিমন্যু তনয় পৰিক্ষীণ বংশত জন্ম গ্ৰহণ কৰাৰ কাৰণে তেওঁৰ নাম পৰীক্ষিত। বিষ্ণুৰ দ্বাৰা জীৱন দান দিয়া হৈছিল কাৰণে তেওঁৰ অন্য নাম বিষ্ণুৰাত।

পৰীক্ষিত এগৰাকী পাণ্ডৱ বংশৰ সৰ্বগুণসম্পন্ন ৰজা আছিল। তেওঁ ছত্ৰিশ বছৰ অতি সুখ্যাতিৰে ৰাজ্য শাসন কৰিছিল; তেওঁৰ দেহ ত্যাগৰ কাহিনী অতিশয় দুখলগা আছিল। এদিন মৃগয়া কৰিবলৈ গৈ পিয়াহ লগাত ওচৰতে থকা শমীক নামৰ ঋষিৰ আশ্ৰমত পানী বিচাৰি যায়। ঋষিৰ কুটীৰৰ ওচৰত তেওঁ কেইবাবাৰো পানী বিচাৰি মাত লগায়। ঋষি তেতিয়া ধ্যানস্থ অৱস্থাত, মাত নিদিলে। খং উঠি ৰজাই ওচৰতে পৰি থকা মৰা সাপ এডাল ঋষিৰ ডিঙিত মেৰিয়াই থৈ গুচি আহে। মুনিয়ে মৌনতা ভঙ্গ নকৰি সাপডাল ডিঙিত লৈয়ে ধ্যানস্থ অৱস্থাত বহি থাকিল। ঋষিপুত্ৰ শৃঙ্গী অতি তেজস্বী আৰু খঙাল আছিল। ৰজাক অভিশাপ দিলে, 'মোৰ নিৰপৰাধী পিতৃৰ ডিঙিত যিজনে মৰাসাপ আঁৰি দি অপমান কৰিছে, তেওঁক তক্ষক নাগে সাত দিনৰ মূৰত দংশন কৰি মৃত্যু ঘটাব।' মহামুণি সমীকে এই কথা পাছত জানিব পাৰি পুতেকক তিৰস্কাৰ কৰি ৰজালৈ খবৰ পঠালে যাতে ৰজা সাতদিন অতি সাৱধানে থাকে। কিন্তু সাৱধানে থকা সত্বেও সাতদিনৰ মূৰত তক্ষকৰ দংশনত পৰীক্ষিতৰ মৃত্যু হয়। পৰীক্ষিতে সমীকৰ শিষ্যৰ মুখৰ পৰা অভিশাপৰ সম্বাদ পাই ব্যাসৰ উপদেশ মতে পৰমহংস শুকদেৱৰ মুখৰপৰা ভগৱৎ-তত্ত্ব সাতদিন ধৰি শ্ৰৱণ কৰে। পৰীক্ষিত এজন ধৰ্ম পৰায়ণ, প্ৰজাৰঞ্জক ৰজা আছিল। মৃত্যুৰ আগমুহূৰ্তত ঋষি সমীকৰ প্ৰতি কৰা অশোভনীয় আচৰণৰ বাহিৰেক তেওঁৰ চৰিত্ৰত অন্য দোষ দেখা নাযায়।

ব্ৰহ্মাশাপগ্ৰস্ত মুমুৰ্ষুজীৱী মহাৰাজ পৰীক্ষিতৰ ওচৰলৈ দৈৱক্ৰমে শিৰোমণি শুকদেৱৰ আগমন হ'লত তেওঁ মুনিৰাজক প্ৰশ্ন কৰিছে-- 'প্ৰভু আপুনি সৰ্বাৰ্থ, পৰিপূৰ্ণ আৰু যোগীশ্ৰেষ্ঠ; সেইবাবে আপোনাৰ ওচৰত প্ৰশ্ন এটি উত্থাপন কৰিব খুজিছোঁ-- আসন্ন-মৃত্যু লোকৰ বাবে মৰণ সময়ত কৰ্তব্য কি?

মুনিয়ে মহাৰাজ পৰীক্ষিতৰ এই প্ৰশ্নটিৰ ভূয়সী প্ৰশংসা কৰি উত্তৰ দিলে--

'ৰৰীয়ানেষ তে প্ৰশ্নঃ কৃতো লোকহিতং নৃপ।
আত্মৱিৎ সন্মতঃ পুংসাং শ্ৰোতব্যদিষু যঃ পৰঃ।।
-- ভাগৱত, ২/২

'মহাৰাজ অতি উত্তম প্ৰশ্নকেই কৰা হৈছে। কাৰণ প্ৰশ্নৰ উত্তৰখিনিয়ে সাধাৰণ বদ্ধ-জীৱৰ পৰা আৰম্ভ কৰি মুক্ত আত্মাৰাম পৰ্যন্ত সকলোকে আনন্দ দান কৰিব।'

জীৱ মাত্ৰেই মৃত্যুমুখী। এইবৃথা জীৱনত মিছা অভিমান, অহঙ্কাৰ আদিৰ বশ নহৈ, মৰণক ভালদৰে আঁকোৱালি লোৱাই শ্ৰেয়। মৰণৰ বিভীষিকাৰ হাত সাৰিবলৈ আমৰণ ভগৱদ্ভক্ত হৈ, নিজৰ সৰ্বশ্ৰ পৰম পিতাৰ শ্ৰীচৰণত অৰ্পণ কৰিব পাৰিলেই মৰণ দুঃখকৰ নহৈ সুখকৰ হোৱাৰ আশা থাকে। সেইবাবে মহামুনি শুকদেৱে মহাৰাজ পৰীক্ষিতক বুজাইছে, ভগৱানৰ নাম-গুণ শ্ৰৱণ-কীৰ্তন কৰাই মুমূৰ্ষু লোকৰ একমাত্ৰ কৰ্তব্য আৰু পৰম ধৰ্ম। কৰ্মী, যোগী আৰু জ্ঞানী সকলোৰে এয়ে মত। সনক, সনৎকুমাৰ, নাৰদ আদি জীৱনমুক্ত মুনিসকলে নিজ নিজ সাধনাৰ বলেৰে নানা ধৰণৰ বিধি নিষেধ আৰু কৈঙ্কৰ্যৰ অতীত হৈও কৃষ্ণ নামত কিয় ইমান আসক্ত হৈ পৰে। সেইবাবে ভাগৱত শাস্ত্ৰত কোৱা হৈছে যে আসন্ন মৃত্যু জীৱৰ বেলিকাও গোৱিন্দৰ শ্ৰীচৰণত আত্ম নিৱেদন কৰাৰ বাহিৰে অইন কৰ্তব্য নাই। মহামুনি শুকেও মহাৰাজ পৰীক্ষিতক, সকলো ধৰণৰ উপাচাৰযুক্ত অনুষ্ঠান ত্যাগ কৰি একমাত্ৰ সৰ্বফলদাতা পৰম পুৰুষৰ শ্ৰীচৰণত নিজকে উচৰ্গা কৰিবলৈ পৰামৰ্শ দিছে। আসন্ন মৃত্যু জীৱৰ বাবে কৰ্তব্য নিৰ্ধাৰণৰ ক্ষেত্ৰত তেওঁ কৈছে যে শ্ৰৱণ, কীৰ্তন আৰু স্মৰণ-- এই তিনিবিধ অঙ্গৰ দ্বাৰাই শ্ৰীকৃষ্ণক ভক্তি কৰাই একমাত্ৰ পথ।

দ্বাদশ স্কন্ধ ভাগৱতত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে নাম-মাহাত্ম্য প্ৰকাশক ভাগৱত শ্ৰৱণৰ ফলত পৰীক্ষিতৰ ব্ৰহ্মজ্ঞান লাভৰ কথা বহলাই বৰ্ণনা কৰিছে। 'পৰীক্ষিতৰ ব্ৰহ্মজ্ঞান লাভ' শীৰ্ষক অধ্যায়ত শাপগ্ৰস্ত পৰীক্ষিতে নিৰ্গুণ কৃষ্ণৰ গুণ নাম যশ শ্ৰৱণ কৰি মোক্ষ লাভ কৰিলে বুলি গুৰুজনাই দাঙি ধৰিছে।

শুকদেৱে ৰজাক জনালে যে মৃত্যুমুখী ব্যক্তি যদি ভক্তি পৰায়ণ হয়, তেনেহ'লে তেওঁ মৰণলৈ ভয় নকৰি কেৱল পৰম পুৰুষ কৃষ্ণৰ চিন্তাতে নিমগ্ন হৈ পৰে। সংসাৰত তিনি ৰকমৰ লোক পোৱা যায়, সুবুদ্ধি সম্পন্ন, বুদ্ধিমান আৰু নিৰ্বোধ।ইয়াৰ ভিতৰত সুবুদ্ধি সম্পন্ন লোকসকল কেৱল হৰিভজনত, বুদ্ধিমান লোকসকল মোক্ষ সাধনত আৰু নিৰ্বোধ লোকসকল কেৱল ভোগ বিলাসত মত্ত হৈ থাকে। যিসকল নিৰ্বোধ, তেওঁলোকে নানা ধৰণৰ ভোগ-বিলাসৰ বশৱৰ্তী হৈ ব্ৰহ্ম তেজ, ইন্দ্ৰিয়শক্তি আদি লাভ কৰিবলৈ বেদপতি ব্ৰহ্মা, ইন্দ্ৰ আদি দেৱতাসকলক আৰাধনা কৰে। এইসকল লোকে নিজ সাধনাৰ ফলস্বৰূপে নিজ নিজ কাম্য বস্তু লাভ কৰিবও পাৰে। কিন্তু অনিত্য ভোগ্যবস্তুৰ লালসাত আসক্ত হোৱাত তেওঁবিলাকৰ বুদ্ধিহীনতাৰহে পৰিচয় পোৱা যায়। আনহাতে, যিসকল বুদ্ধিমান তেওঁলোকে মোক্ষসাধনৰ বাবে নানা ধৰণৰ তপ-জপ আদিৰ আশ্ৰয় লয়। এইদৰে পুণ্য সঞ্চয় কৰি কেতিয়াবা তেওঁলোকে স্বৰ্গ লাভ কৰিবও পাৰে। কিন্তু সঞ্চিত পুণ্যখিনি ক্ষয় গ'লে তেওঁৰ পৃথিৱীলৈ পুনৰাগমন ঘটে। আনহাতে, সুবুদ্ধিসম্পন্ন ব্যক্তিসকলে সকলো সময়তে আৰু সকলো স্তৰতে একমাত্ৰ পৰম পুৰুষৰ চৰণত নিজকে উৎসৰ্গা কৰে। তাতেই তেওঁ সকলো ধৰণৰ সুখৰ সন্ধান মিলে। কাৰণ তেওঁলোকৰ অন্তৰত ভগৱদ্‌বাণী সদায় অন্তঃসলীলা ফল্গুৰ দৰে বৈ থাকে।

শুকদেৱৰ ভাগৱত-সপ্তাহ কথনত পৰীক্ষিতে ব্ৰহ্মজ্ঞান লাভ কৰি পুৰুষাৰ্থ সাধন কৰিবলৈ সক্ষম হ'ল। মোক্ষ সাধনৰ প্ৰসঙ্গত শুকদেৱে ভাগৱত মাহাত্ম্য কথন, পঠনৰ গুৰুত্ব শাস্ত্ৰীয় যুক্তিৰে দেখুৱাইছে। তপস্যা, যোগ, সমাধিৰ দ্বাৰা যি ফল লাভ কৰিব নোৱাৰি কলিযুগত কেৱল হৰি-কীৰ্তনৰ দ্বাৰাই লাভ কৰিব পাৰি ঃ

'যৎ ফলং নাস্তি তপসা ন যোগেন সমাধিনা।
তৎ ফলং লভতে সম্যক্ কলৌ কেশৱ কীৰ্ত্তনাৎ।।'
-- ভাগৱত, ১/৬৮

শ্ৰীমদ্ভাগৱত সাক্ষাত ব্ৰহ্ম স্বৰূপ-- 'ইদং ভাগৱতং নাম পুৰাণং ব্ৰহ্ম সম্মিতম্।।'-- ভাগৱত, ২/৭১

জীৱৰ মোক্ষ সাধনকাৰী কলিযুগত ভগৱন্তৰ শ্ৰীচৰণত একান্ত শৰণ্য আৰু ভক্তিয়েই মূল।■■

# ভৈলন্ত শঙ্কৰ প্ৰভু তাৰ চিকিৎসক

পদ্মৰাম মহন্ত

'ভৈলন্ত শঙ্কৰ প্ৰভু তাৰ চিকিৎসক।' শ্ৰীমদ্ভাগৱতৰ চতুৰ্থ স্কন্ধৰ 'শিৱ দক্ষৰ বিৰোধ' এটি একশৰণ তত্ত্বৰ প্ৰণিধানযোগ্য কাহিনী। কবি কলাপ চন্দ্ৰ, বিষ্ণু ভাৰতী, ৰত্নাকৰ মিশ্ৰ আদি গ্ৰন্থকাৰসকলে উক্ত স্কন্ধটি চয়ন কৰিছে।

কি ৰোগৰ চিকিৎসক বাৰু ভোলানাথ শঙ্কৰ?

কি এনে সংক্ৰামক ৰোগত আক্ৰান্ত হৈছিল পৃথিৱীৰ মানৱসকল। যাৰ বাবে চিকিৎসক হ'বলগা হ'ল শঙ্কৰ মহাদেৱ।

পদ্ম কল্পত ভগৱানৰ নাভি কমলৰ পৰা ব্ৰহ্মাৰ সৃষ্টি বুলি ভাগৱতত উল্লেখ পোৱা যায়। 'তযু নাভি কমলত ব্ৰহ্মা ভৈলা জাত' ব্ৰহ্মাৰ সৃষ্টিত পৃথিৱীৰ চাৰিমুঠি জীৱ। উৰণ, বুৰণ, গজন, ভ্ৰমণ। জীৱশ্ৰেষ্ঠ মানৱ। মূল ব্ৰহ্মা বা হৰিৰ পৰা উদ্ভৱ হেতু প্ৰাণী প্ৰধান মানৱসকল আছিল সেই যুগত ব্ৰহ্মাময় বা হৰি পৰায়ণ।

'সত্য যুগ আছিল পূৰ্বত।
সবে ভৈল হৰিৰ ভকত।।

-- সহস্ৰ নাম বৃত্তান্ত

ভয়াতুৰ দেৱসকল মহাচিন্তাত পৰিল। সাধাৰণ মানুহেও দেৱ পূজা নকৰি, হৰিনাম লৈ গতি পোৱা দেখি বিষ্ণুৰ ওচৰত আবেদন জনালে।

'যজ্ঞ ভাগ ভুঞ্জিবাক নাপাওঁ আমি কেৱ।
ৰাখিয়ো জীৱিকা প্ৰভু পাৱে কৰো সেৱ।।'

দেৱতাসৱৰ আকুল আকুতি ৰক্ষা কৰি মহাদেৱক কিছুমান আগম শাস্ত্ৰ ৰচনা কৰিবলৈ নিৰ্দেশ দিলে প্ৰভু ভগৱন্তই।

'আমাৰ বচনে তুমি হেন কৰিয়োক।
শাস্ত্ৰ কৰি মনুষ্যৰ লোভ বঢ়ায়োক।।
আমাৰ ভকতি পন্থ সৰে হৌক চন্ন।
আন দেৱ পূজাত সৱাৰো হৌক মন।। ৬৮

নাৰায়ণৰ আদেশানুযায়ী অনিচ্ছা সত্ত্বেও মহাদেৱে কিছুমান আগম শাস্ত্ৰ ৰচনা কৰিলে। তেতিয়াৰ পৰাই জীৱ শ্ৰেষ্ঠ মানৱে পূজা পাতল, যাগ-যজ্ঞৰ উপৰি ভূত, প্ৰেত, যশ-ৰক্ষ, শিল-গছ আদি পূজা কৰা পদ্ধতি যুগ যুগ ধৰি চলি আছে। তদুপৰি বহুতে আকৌ ঘৰ সংসাৰ ত্যাগ কৰি পৰিয়াল পোষণৰ পৰা অব্যাহতি পাবলৈ নখ, দাড়ি ৰাখি গাত ভস্ম সানি বিবস্ত্ৰ হৈ জঁটাধাৰী বেশেৰে গছৰ তলত বা শিলৰ গুহাত আশ্ৰয় লৈ জীৱন অতিবাহিত কৰে।

এইবোৰ সম্বন্ধে ভাগৱতৰ চতুৰ্থ স্কন্ধত থকা এটি কাহিনী অতি প্ৰণিধানযোগ্য।

এসময়ত প্ৰজাপতি ব্ৰহ্মাই এটা ডাঙৰ যজ্ঞ পাতিলে। যজ্ঞলৈ সিদ্ধমুনি, গন্ধৰ্ব, কিন্নৰ, ৰজা, মহাৰজা সকলো আহিল। সকলোৰে অন্তত ব্ৰহ্মাৰ নন্দন দক্ষ, মধ্যাহ্ন ভাস্কৰৰ দৰে উপস্থিত হ'ল যজ্ঞস্থলিত। দক্ষৰ উপস্থিতিত সকলোৰে থিয় হৈ সম্বৰ্দ্ধনা জনালে। মাত্ৰ আসন ত্যাগ নকৰিলে ভোলানাথ শঙ্কৰে।

শঙ্কৰৰ এনে গুৰু গোসাঁই নমনা ব্যৱহাৰত দক্ষ ৰজা অগ্নিশৰ্মা হৈ উঠিল। তেওঁৰ মুখ গহ্বৰৰ পৰা জুইৰ ফিৰিঙতিৰ দৰে উত্তপ্ত বাক্যবাণ উদ্‌গিৰিত হ'বলৈ ধৰিলে।

'শুনা সভাসদ বৰ্গ আমাৰ বচন।
দেৱমুনি বিদ্যাধৰ আৰাসিদ্ধ গণ।।
আনিলা শঙ্কৰে দেৱতাৰ মিলিঙ্কাৰ।
সংসাৰে থাপিলা আনি দুৰ্যশা অপাৰ।। ১০৬

নাহি কুল ক্ৰিয়া সৌচাচাৰ ব্যৱহাৰ।
নেৰৈ সৰ্বদায় তথাপিতো অহংকাৰ।।
শঙ্কৰে কৰিলা বেদপন্থ চয়হীন।
দেখা দেখি লোকেও ধৰিব এই চিন।।'

এনেদৰে বহুতো তিৰস্কাৰ কৰাৰ পাছতো হৰৰ কোনো ভ্ৰুভঙ্গ নোহোৱাত দক্ষই শাপ দিবলৈ আৰম্ভ কৰিলে--

সভা সদ লোক বোলো শুনিয়োক
শঙ্কৰক কৰো দণ্ড।
দেৱতো অধম স্বভাৱে বিষম
দুৰ্জন ইটো প্ৰচণ্ড।।
ইন্দ্ৰ চন্দ্ৰ অগ্নি বৰুণ উপেন্দ্ৰ
আনো নানা দেৱ যত।।
তাসম্বাৰ সঙ্গে তব কদাচিত
নাথাকোক ভাগ যজ্ঞত।। ১৩৯

দক্ষই কি শাপ দিলে বাৰু? যেন কোনো দেৱতাৰ সঙ্গত মহাদেৱৰ যজ্ঞ ভাগ থাকিব নোৱাৰে। স্বয়ং ৰুদ্ৰৰ ওপৰত এনে নিদাৰুণ শাপ দিয়াত মনু আৰু অন্যান্য প্ৰজাপতিসকল সভাৰ পৰা 'চলি গৈলা প্ৰজাপতি' আৰু এই সভাত 'শঙ্কৰৰ সাক্ষাতত থাকিবে নুহি যুগুতি।।' বুলি কৈ উঠি গুচি গ'ল। থাকিল মাত্ৰ মহাদেৱ আৰু তেওঁৰেই এৰাব নোৱাৰা মুখ্য পাৰিষদ নন্দী আৰু অন্যান্য প্ৰমথগণ। দাসৰ সমুখত গুৰুৰ এনে তীব্ৰ অপমান নন্দীয়ে কোনোমতে সহ্য কৰিব নোৱাৰিলে।

'ক্ৰোধে আৰকত' হৈ দক্ষৰ লগতে সতীৰ্থ ব্ৰাহ্মণ সকলোকো 'প্ৰভুৰ আক্ষেপ জানি শাপিলন্ত মহামানী।' যি মহাশাপ আজি কলিৰ যুগতো এচাম ব্ৰাহ্মণে এৰাব পৰা নাই। এইশাপ কি বাৰু?

'হুয়া মহা অজ্ঞ কৰিলা অযোগ্য
ৰুদ্ৰক উপেক্ষা কৰি।
কি কাৰণে আৰ কৰো প্ৰতিকাৰ
থাকোক তাক সুমৰি।।
নজানোকো তত্ত্ব বৈষ্ণৱৰ মত
ব্ৰহ্মাত হৌক বিমুখ।
কূটা বুদ্ধি ভ্ৰষ্ট নুগুচোক কষ্ট
দেহক আত্মা মানোক।
..................................

মাগিয়া ফুৰোক সংসাৰে ভ্ৰমোক
মৌণ হুয়া ৰহিলন্ত।।

ভাগৱত, ১৪৫-১৫৪

নন্দীৰ এই ব্ৰাহ্মণ বিদ্ৰোহী শাপত ব্ৰাহ্মণ শ্ৰেষ্ঠ ভৃগুৰ বত্ৰিশ নাড়ী কপি উঠিল। ক্ৰোধত কম্পমান হৈ প্ৰতিশোধৰ অগ্নিত জ্বলি উঠি পুনৰ নন্দীক শাপ দিলে--

'কৰো প্ৰতিকাৰ আজি ইটো অন্যায়ৰ।
দিবো চণ্ডশাপ যেন দুষ্কৰ লোকৰ।।
হৌক মহাপাষণ্ড লোকৰ গৰিহিত।
লোকত ভ্ৰমোক হুয়া পৰম মোহিত।।
শাস্ত্ৰ পন্থ এৰি ভিন্ন পন্থ মিলোক।
বিধি এৰি নিষেধক সদা আচোৰক।।১৫৯-১৬০

শঙ্কৰৰ পৰম ভক্ত নন্দী আৰু প্ৰমথ গণৰ প্ৰতি ব্ৰাহ্মণশ্ৰেষ্ঠ ভৃগুৰ কি প্ৰচণ্ড অভিশাপ! অকল সেয়ে নহয়, নেত্ৰানলৰ পৰা জ্বলন্ত বাষ্প বাহিৰ কৰি আকৌ শাপ দিব ধৰিলে--

'বান্ধিব মাথাত ঘোৰ জঁটাৰ পটল।
ঢাকিব ভস্মৰ ধূলি শৰীৰ সকল।।
ভৈৰৱৰ মন্ত্ৰচয় লোকত দিবেক।
নানা দ্ৰব্য চয় মিলাই পূজা পাতিবেক।।
.........................................................
নজানোক আনদেৱ ভূত নাথ বিনে।
ভৈৰৱ নাথক মাত্ৰ আৰাধোক মনে।।
হৌক একাকাৰ মদ্য মাংস ভক্ষ কৰি।
শাস্ত্ৰ মত নজানোক ভৱ ব্ৰত ধৰি।।-১৬৯-৭০

মহাৰাজদক্ষই স্বয়ং মহাদেৱক শাপ দিয়াত তেওঁৰ কোনো ক্ষতি নহ'ল। বৰং ক্ষুদ্ৰ দেৱতাবোৰৰ সঙ্গ ত্যাগ কৰাৰ ফলত তেওঁৰ সন্মান অধিক বাঢ়িলহে। কিন্তু নন্দী আৰু ভৃগুৰ তীব্ৰ অভিশাপত জগত আজিও অস্থিৰ। ৰোগাক্ৰান্ত।

তাতোকৈ দুষ্কৰ শাপ দিলে ভৃগুমুনিয়ে। যি কাল শাপত আজি জীৱশ্ৰেষ্ঠ মানৱে পাষণ্ড আচাৰ গ্ৰহণ কৰি, মূৰত জঁটা বান্ধি, কোনোৱে আকৌ চুলি খুৰাই গাৰ্হস্থ্য ধৰ্ম ত্যাগ কৰাকে পৰম ত্যাগী বুলি মানিলৈ গছ আৰু শিলৰ মাজত আশ্ৰয় লোৱা দেখা যায়। অনেকে আকৌ নানা প্ৰাকৃত দ্ৰব্যৰ উপৰিও 'কৰিবে নৈবেদ্য বহুবিধ মদ্যচয়।'

মদ্য মাংসৰে যক্ষ ৰক্ষ গছ শিল আদিক পূজা কৰি ক্ষুদ্ৰ কামনাত ব্যস্ত হৈ পৰিল।

হায়! ঘৃণ্ড আৰু নন্দী, তোমালোকৰ অন্যায় যুঁজৰ বাবে শুদ্ধ সনাতন ধৰ্ম ভাঙি-ছিঙি টুকুৰা-টুকুৰ হৈ গ'ল। হাতী ম'হৰ যুদ্ধত নল-খাগৰিৰ মৰণ হ'ল।

হে মানৱ! পৃথিৱীৰ জীৱশ্ৰেষ্ঠ মানৱ! ভৃগু আৰু নন্দীৰ মহাশাপত আজি পৃথিৱীৰ প্ৰত্যেক মানৱে সংক্ৰামত ৰোগত ভুগিব লগা হৈছে। তাৰ পৰা কাৰো ৰক্ষা নাই। চিন্তান্বিত হ'ল দেৱাদিদেৱ মহাদেৱ।

'পাচে দেৱতাৰ দেৱ শিৱ পশুপতি।
শুনিলন্ত শাপ নন্দী ভৃগুৰ সম্প্ৰতি।।
ভৈলন্ত বিস্ময় মনে লোকক সুমৰি।
ইটো চণ্ড শাপ এৰাইবেক কেন কৰি।।
সমস্তকে পাইলা ভৃগু নন্দীশ্বৰ শাপে।
নপাইবে লোকক সবে কিমতে ই তাপে।।
—১৭১-১৭২

এই তাপ আৰু শাপৰ পৰা কাৰো ৰক্ষা পাৱৰ উপায় নাই যদিও ভোলানাথ মহাদেৱে এই সংক্ৰামক ৰোগৰ মহৌষধ দি থৈছে। জগতবাসীৰ উপকাৰৰ অৰ্থে।

'এহি বিমৰষি ভূতনাথ ত্ৰিনয়ণ।
বুলিলা সবাকে চাই মধুৰ বচন।।
যদ্যপি দুষ্কৰ শাপ নন্দীৰ ভৃগুৰ।
তথাপিতো কৰো সীমা সবে হোৱা স্থিৰ।।'

শঙ্কৰে কি ক'লে-- সকলোকে স্থিৰ হ'বলৈ ক'লে। কিয় বাৰু? এইদুষ্কৰ শাপৰ পৰা ৰক্ষা পাব কেনেদৰে--

যিটো লোকে মাধৱক কৰয় আশ্ৰয়।
অৰুণ চৰণ দুইত তাহাৰ ভজয়।।
..................................................
এহি বুলি শঙ্কৰ উঠিল তাৰক্ষণে।
আপোনাৰ গণে সমে সভা বিদ্য মানে।।'
-- ১৭৩-১৭৪

এই শাপা-শাপিৰ বাবেই জগতত অদ্যপিও ব্যাভিচাৰী ধৰ্ম প্ৰৱৰ্তিত হৈ আছে। এই ব্যভিচাৰ-অনাচাৰ ৰোগৰ পৰা মুক্ত হৈ, এক পৰম ব্ৰহ্মা শ্ৰীকৃষ্ণৰ ওচৰ চাপিবলৈ চিকিৎসকৰূপী মহাদেৱে সভাসদসকলক দঢ়াই দঢ়াই কৈ গৈছে।

'শুনা সভাসদ আৰে আমাৰ বচন।
সাধিবাক খোজা যদি আত্মা প্ৰয়োজন।।
নন্দীৰ প্ৰচণ্ড শাপে জগতক পাইল।
হেন নাহি একোজন তাহাক এৰাইল।।
কৰিয়ো বিচাৰ এবে তাহাৰ ঔষধি।
যেন মতে তৰা যাবে শাপময় ব্যাধি।।২১৭-২১৮

এই শাপময় ব্যাধিৰ প্ৰধান চিকিৎসক কোন বাৰু?

'ভৈলন্ত শঙ্কৰ প্ৰভু তাৰ চিকিৎসক
কৰিলন্ত দায়া অতি সমস্তে লোকক।।
কৰিলা সভাৰ মাজে লোকত বেকত।
তৰিবেক শাপ সেৱা কৰি মাধৱত।।
কৃষ্ণ পদ পঙ্কজক হৃদয়ত ধৰি।
যদ্যপি দুষ্কৰ শাপ তথাপিতো তৰি।।
হেন জানি লৈয়ো কৃষ্ণ পদত শৰণ।
তেৰেসে নন্দীৰ শাপ হৈব নিস্তাৰণ।।২১৯-২২০

এনেদৰে বিভিন্ন কাৰণত নানা যাগ-যজ্ঞ, পূজা-পাতলৰ প্ৰভাৱত হিন্দুধৰ্ম বা সনাতন ধৰ্মত কলঙ্কসনা প্ৰমাণ শাস্ত্ৰত ভুৰি ভুৰি পোৱা যায়।

সেয়ে ধৰ্মৰ নামত আৱেগতকৈ যুক্তি প্ৰমাণৰ অত্যন্ত প্ৰয়োজন। আজি বিজ্ঞানৰ যুগ। দৰ্শনৰ যুগ। যুক্তি আৰু প্ৰমাণৰ দ্বাৰা সকলো কথা চিন্তা কৰি চাইহে মানি লোৱা কৰ্তব্য।

মহান দাৰ্শনিক ড° ৰাধাকৃষ্ণণে তেখেতৰ 'জীৱন আদৰ্শবাদ' নামৰ গ্ৰন্থত লিখিছে-- 'কল্পিত দেৱতাৰ প্ৰতি আমাৰ যি ধৰ্মভাৱ, সি আমাৰ নিৰ্বোধ প্ৰকৃতিৰ কিছুমান ক্ৰিয়া মাথোন।' গতিকে পুৰণি অন্ধবিশ্বাস আৰু ধৰ্মৰ নামত সত্যক জলাঞ্জলি দিয়া কাৰো কৰ্তব্য নহয়। নতুন প্ৰজন্মই নতুনক চিন্তা কৰাহে উচিত।■■

# আদৰ্শ পুৰুষ মহাৰাজ পৃথু

সভাৰাম ভৰালী

দেৱৰ্ষি নাৰদৰ উপদেশ ক্রমে দ্বৈপায়ন ব্যাসে যি ভাগি উত্তম গ্রন্থ ৰচনা কৰি কৃপাবশতঃ মনুষ্যজাতিলৈ এৰি থৈ গ'ল, অধ্যাত্মদ্বীপ বুলিলে যিখনি গ্রন্থক বুজা যায়, ভুল কৰা ব্যক্তিৰ ভ্রান্তি ভঞ্জনৰ অপূৰ্ব অমৃত কথা য'ত ৰোমন্থন হৈছে, মনুষ্য জীৱনৰ লক্ষ্য, কৰ্তব্য আৰু ধৰ্মৰ বিষয়ে য'ত সমাধান পোৱা যায়, যি ভাগি মহাপুৰাণত বক্তা-শ্রোতাৰ সাতটি জোৰাৰ নাম সন্নিবষ্ট হৈ আছে, সেই মহান শাস্ত্ৰভাগিকে বোলা হয় 'শ্রীমদ্ভাগৱত'। আমাৰ পৰম গুৰু শ্রীমন্ত শঙ্কৰদেৱে এই গ্রন্থক 'বেদান্তৰ ভাষ্য ইটো মহাভাগৱত' বুলি উক্তি দিছে। পুনৰ ভক্ত হৃদয়ৰ উত্তম ভকতে 'ভাগৱতক বুদ্ধিবাদীৰ গ্ৰন্থ নহয়, কিন্তু ই হৃদয়ৰ গ্রন্থ' বুলি মন্তব্য কৰিছে। অৰ্থাৎ ভাগৱত হৃদয়ে হৃদয়ক কোৱা গ্রন্থ। আমি সৎসঙ্গ, সাধনা আৰু সম্পূৰ্ণ সমৰ্পণ ভাৱনাৰে স্বয়ং ভাগৱত হৈ যাব পৰাৰ ইঙ্গিত এই মন্তব্যত স্পষ্ট হৈছে।

ওঠৰ হাজাৰ শ্লোকেৰে বৰ্ণিত এই ভাগৱতত অনেক ভকত, বৈষ্ণৱ, মহাপুৰুষৰ ভিতৰত ঈশ্বৰৰ নিজ অংশ স্বৰূপ শ্ৰেষ্ঠ অৱতাৰ হ'ল 'পৃথু মহাৰাজ'। স্বয়ং ভাগৱতত কোৱা হৈছে--

শুনা সভাসদ পদ পৃথুৰ চৰিত্ৰ।
পৰম মঙ্গল ইটো পৰলোক মিত্ৰ।।

-- ভাগৱত

সঁচা অৰ্থত এজন ব্যক্তি আন এজনৰ সুহৃদ বা মিত্ৰ হ'ব পৰাটো এক মহান কাম, তাতোতকৈ মহান কাম হ'ব কোনোৱে পৰলোকৰ মিত্ৰ লাভ কৰাটো। সেয়ে ভাগৱত বৰ্ণিত অলেখ সাধু, মহন্তৰ মধ্যে নৃপবৰ পৃথুৰ চৰিত্ৰৰ মাহাত্ম্য যৎকিঞ্চিত সাধ্যানুসৰি স্মৰণ কৰিবলৈ প্ৰয়াস কৰা হৈছে। যিহেতু ঋষিগণে স্বয়ং ঘোষণা দিছে-- 'ঈশ্বৰৰ অংশ তুমি (পৃথু) দেৱতা প্ৰধান।'

মহাভক্ত ধ্রুৱৰ ঐতিহ্যপূৰ্ণ বংশতেই নাৰায়ণৰ জন্ম হ'ল। পৃথুৰ ককাকৰ নাম আছিল 'অঙ্গ'। অঙ্গ নিজে এজন প্ৰজাৰঞ্জক আৰু সু-প্ৰশাসক ৰজা আছিল। ৰজা অঙ্গৰ সম্পৰ্কে কথিত আছে যে তেওঁ পুতেক বেনক উপদেশ দিছিল এই বুলি-- 'ৰজাৰ বাবে প্ৰজাই হ'ব লাগে ভগৱান, অপুত্ৰক অঙ্গ ৰজাই 'পুৰোডাশ যজ্ঞ' সম্পন্ন কৰি পুত্ৰ বেনক লাভ কৰিছিল। তেনে এজন যোগ্য ৰজাৰ পুত্ৰ 'বেন', পিতৃ অঙ্গৰাজৰ সম্পূৰ্ণ বিপৰীত চৰিত্ৰৰ আছিল। মহামন্দমতি, পৰম দুৰ্জন বেনে ৰজা হৈয়ে প্ৰজাৰ আগত ঘোষণা দিছিল এই বুলি-- 'প্ৰজাৰ বাবে ৰজাই একমাত্ৰ ভগৱান।' স্বভাৱৰ ফালৰ পৰা পিতৃৰ বিপৰীত বিন্দুত স্থিত হোৱা অত্যাচাৰী বেন ৰজাৰ অত্যাচাৰত অতিষ্ঠ হৈ পিতৃ অঙ্গ ৰাজ তপোবনলৈ যাব লগা হৈছিল। বেন ৰজাৰ কু-শাসনত প্ৰজাবৰ্গৰ পানীত হাঁহ নচৰা অৱস্থা হোৱা কাৰণেই মুনিবৰ্গই বেনক শাপ দি মাৰিব লগা হৈছিল। সেয়ে নহয়, পিতৃ অঙ্গই একমাত্ৰ পুত্ৰ বেনৰ অত্যাচাৰ আৰু অবিচাৰত সংসাৰ বিমুখী হৈ মন্তব্য দিছিল এইদৰে--

যাৰ পুত্ৰ নাহি সেই লোক পুণ্যৱন্ত।
ঈশ্বৰকো ভজিল সেহিসে ভাগ্যৱন্ত।।

-- ভাগৱত

প্ৰজাগণৰ দুৰ্গতি দেখি ঋষিগণে ৰাজ্যত শান্তি প্ৰতিষ্ঠাৰ মানসেৰে বেন ৰজাৰ দক্ষিণ বাহু মথি পৃথুক

জন্ম দিব লগা হৈছিল। এই সম্পৰ্কে ভাগৱতত বৰ্ণিত আছে এইদৰে--

পাচে মুনিবৰ্গে তাক শাপি মাৰিলন্ত।
তাহান দক্ষিণ হস্তখান মথিলন্ত।।
অৰাজক ভয়ে পীড়া মিলিল প্ৰজাৰ।
ঈশ্বৰৰ অংশ ভৈল পৃথু অৱতাৰ।।

-- ভাগৱত

এই কথাৰ দ্বাৰাই এই কথা দৃঢ়ভাৱে প্ৰতিয়মান হৈছে যে, দুষ্টক দমন কৰি শান্তক পালন কৰাৰ উদ্দেশ্যেই ভগৱানে যুগে যুগে অৱতাৰ ল'ব লগা হয়। এই সম্পৰ্কে ভাগৱতত পুনৰ বৰ্ণিত হৈছে এই বুলি-- 'পৃথুৰূপে অৱতৰী আছা বনমালি।' অন্যহাতে এই অৱতাৰ বিলাকৰ ভিতৰত 'পৃথু অৱতাৰ' যে শ্ৰেষ্ঠ অৱতাৰ, তাৰ ঘোষণা দিয়ে ভাগৱতে এইদৰে--

মৎস্য আদি অৱতাৰ যতেক তোম্ভাৰ।
তাহাৰ মধ্যত শ্ৰেষ্ঠ ইটো অৱতাৰ।।

-- ভাগৱত

প্ৰজাগণে ভালকৈ বুজিছিল যে, দুৰ্মতি বেনৰ কবলৰ পৰা কেৱল ভগৱান পৃথুয়েহে ৰক্ষা কৰিব পাৰিব। প্ৰজাৰ ইচ্ছা অনুসৰিয়ে ৰজা হৈয়ে বিচাৰমতি পৃথুৱে প্ৰজাসকলক পুত্ৰৱত ভাৱনাৰে পালন কৰি ককাক অঙ্গ-ৰজাৰ আদৰ্শ অটুত ৰাখিছিল আৰু প্ৰজায়ো তেওঁৰ প্ৰতি পিতৃবোধ ভাৱনা পোষণ কৰিছিল। অঙ্গ ৰজাৰ দৰেই নাতি পৃথুৱে ৰজাৰ ধৰ্ম কি হোৱা উচিত তাক বাৰুকৈয়ে যে হৃদয়ঙ্গম কৰিছিল সেই সম্পৰ্কে ভাগৱতে স্পষ্ট ইঙ্গিত দিছে এইদৰে--

'বিশেষত ৰাজা বৰ্গৰ প্ৰজাক
পালনেসে নিজ ধৰ্ম।
আত ব্যতিৰেক নৃপতি সবৰ
সম নুহি আন ধৰ্ম।।

-- ভাগৱত

অন্যহাতে ৰজা পৃথুৱে আদৰ্শ দেখুৱাইছিল যে যাক দণ্ড দিয়া অনুচিত তাক কেতিয়াও দণ্ড নিদিয়া আৰু যাক দণ্ড বিহাৰ যোগ্য সি নিজ পুত্ৰ হ'লেও দণ্ড দিয়া উচিত। সেয়ে নহয়, পৃথু মহাৰাজ ৰজাৰ স্ব-ধৰ্ম সম্পৰ্কে স্পষ্ট ধাৰণা পোষণ কৰিছিল এনে ধৰণে--

যদি লোক ৰক্ষা ছাড়িয়া নৃপতি
আন ধৰ্মে ৰত হয়।
লৱে কৰচয় সৱে পাপময়
শাস্ত্ৰৰ এহিসে নয়।।

-- ভাগৱত

আকৌ বিষ্ণুৰ চতুৰ্ভূজ ৰূপ দৰ্শনৰ অন্তত ৰজা পৃথুৱে চূড়ান্ত সিদ্ধান্ত দিছে এইদৰে--

কোননো পুৰুষ আছে পশু ব্যতিৰেক।
তযু কথা অমৃতক এৰি থাকিবেক।।

-- ভাগৱত

পৃথুৰ ৰাজ্যাভিষেকৰ সময়ত মহাগিৰি হিমালয়, আদি বৃক্ষ কল্পতৰু, কামধেনু, মহাপক্ষী গৰুড়, মৃগৰাজ সিংহ, পৃথিৱীকে আদি কৰি য'ত সুন্দৰী নাৰীৰ উপস্থিতিয়ে পৃথুৰ ঈশ্বৰীয় গুণৰ ধাৰণা প্ৰকট কৰাৰ লগতে মহা মহা মুনিগণে স্ব-উচ্চাৰিত সুমঙ্গল স্তোত কৰাৰ কথা ভাগৱতত উল্লেখ আছে এইদৰে--

ব্ৰহ্মা আদি দেৱগণ ভৈল যেন তুষ্ট মন
ঈশ্বৰৰ অংশক জানিলা।
মহা মহা ঋষি সমে দেৱগণ অনুক্ৰমে
অভিযেক বিধি আৰম্ভিলা।।

-- ভাগৱত

অন্যহাতে পৃথুৰাজাৰ আধ্যাত্মিক প্ৰশ্নৰ উত্তৰত ব্ৰহ্মা নন্দন চাৰি সিদ্ধই কৃষ্ণ-ভকতি সম্পৰ্কে তত্ত্বোপদেশ দিলে এনে ধৰণে--

নৱ বিধ হৰি ভকতিক ধৰি
ছাড়িয়া বিষয় ৰতি।
হৰি ভকতৰ সঙ্গক লাগিয়া
কৰিব সদায়ে মতি।।
গুৰু উপদেশ লৈবেক নিশেষ
শাস্ত্ৰৰো বুজিব তত্ত্ব।
এহি নিষ্ঠা মতি কৰিব ভকতি
ঈশ্বৰ কৃষ্ণ দেৱত।।

-- ভাগৱত, ১৬৮৯/৯০

কৃষ্ণ কথা বা ৰাম নামৰ দ্বাৰাই যিদৰে যমপুৰীৰ হাত এৰাব পাৰি, ঠিক সেইদৰে পৃথুৰ জন্ম কৰ্মচয় শুনি নৰই সংসাৰ তড়ি যাব পাৰে। যি জনা পৃথু ঈশ্বৰৰ পৰা

## নাম-ধৰ্ম

ব্ৰহ্মাৰ নন্দন সনত কুমাৰকে ধৰি চাৰিয়েও জ্ঞান লৈছিল, সেই জনাৰ মহত্ত্ব বখানি ভাগৱতত কোৱা হৈছে--

‘পৰম পৱিত্ৰময় পৃথুৰ চৰিত্ৰচয়
ভাগৱত মধ্যে সাৰ।।

আকৌ কৈছে--

‘পৃথুৰ চৰিত্ৰ পৰম পৱিত্ৰ
কথা মধ্যে নিৰূপম।’

সেয়ে নহয়, পৃথু ৰজাৰ প্ৰতি ধেনুৰূপা পৃথিৱীয়েও স্তুতি কৰিছে এই বুলি--

বুলিলন্ত নম্ৰহুয়া বিনয় বচন।
ত্ৰাহি মহাৰাজ লৈলো তোহ্মাত শৰণ।।
সমস্ত ধৰ্ম্মক জানা আপুনি ঈশ্বৰ।
পৰম বৎসল তুমি প্ৰপন্ন লোকৰ।।

-- ভাগৱত, ১৩০৬

এই প্ৰসঙ্গত পৃথুৰ প্ৰতি বিষ্ণুৰ উপদেশ হ’ল--

তুমি মোৰ অংশ জানা আপোনাক
নাহিকে কিছু অন্তৰ।
পৃথিৱীক পালি দুষ্টক নিকালি
পালা লোক নিৰন্তৰ।।’

এইজনা পৰম পুৰুষ পৃথু মহাৰজাৰ সীমাহীন উজ্জ্বল চৰিত্ৰ বৰ্ণনা নতুন প্ৰজন্মৰ বাবে আদৰ্শ হওক।■■

পাচে পৃথু মহাশয় কৰি আতি নম্ৰ কায়
বুলিলন্ত আনন্দ কৰন্তে।
কৰ্ণৰো আনন্দ মিলে মনৰো উৎসৱ কৰে
যেহেন অমৃত বৰিষন্তে।।
কিবা মধু ধাৰাময় নৃপতিৰ বাক্যচয়
অৰ্থতো গহীন চমৎকাৰ।
হস্ত দুই যোৰ কৰি আতি নম্ৰ ভাৱ হুই
সবাকো বুলিলা বাৰম্বাৰ।।

-- ভাগৱত

# ভক্তি শাস্ত্ৰ শ্ৰীমদ্ভাগৱত

অপৰাজিতা বৰকাকতী

সংস্কৃত সাহিত্যৰ উজ্জ্বলতম নক্ষত্ৰ স্বৰূপ শ্ৰীমদ্ভাগৱত পুৰাণতকৈ অধিক প্ৰসিদ্ধ, জনপ্ৰিয়তা আৰু সৰ্বশ্ৰেষ্ঠ ভক্তিগ্ৰন্থৰূপে অন্য কোনো পুৰাণে অৰ্জন কৰিব পৰা নাই। ভাৰতৰ বৈষ্ণৱ সম্প্ৰদায়ৰ প্ৰিয় গ্ৰন্থ ভাগৱতত বিষ্ণু চৰিত্ৰ সকলোতকৈ অধিক চৰ্চিত হৈছে। বিষ্ণুৰ অৱতাৰসমূহৰ পৰিপূৰ্ণ অৱতাৰ ভগৱান শ্ৰীকৃষ্ণৰ গুণানুকীৰ্তন য'ত কৰা হৈছে, তেনে শাস্ত্ৰ সৰ্বোত্তম। অৱশ্যে একেজন গ্ৰন্থকাৰৰে ৰচিত বিষ্ণু পুৰাণতো বিষ্ণুৰ চৰিত্ৰ চৰ্চিত হৈছে। 'বিষ্ণোঃপুৰাণং ভাগৱতং পুৰাণং সত্ত্বোত্তমে চাহুৰাৰ্য্যাঃ'। অৰ্থাৎ বিষ্ণু চৰিত্ৰ য'ত সকলোতকৈ বেছি চৰ্চিত হৈছে, সেয়েই সৰ্বোত্তম, যেনে ভাগৱত। শ্ৰীমদ্ভাগৱতৰ দশম স্কন্ধত বৰ্ণিত কৃষ্ণ-কাহিনীৰ মিল বিষ্ণু পুৰাণতো আছে। কিন্তু ভাগৱতত কৃষ্ণৰ শৈশৱ, কৈশোৰৰ যি মধুৰ লীলা, যি মাধুৰ্য্যৰে মদন মোহন কৃষ্ণই জগতক যুগে যুগে মোহি ৰাখিছিল, সেয়া অপূৰ্ব, সেয়া বিস্তৃত, যিখিনি বিষ্ণু-পুৰাণত সংক্ষিপ্ত। দুয়োখনতে কৃষ্ণ চৰিত্ৰই মূল উপজীব্য। সত্যৱতী সুত মহৰ্ষি ব্যাসদেৱৰ হস্তপদ্মে নিঃসৰিত হোৱা অষ্টাদশ পুৰাণৰ ভিতৰত অন্যতম উত্তমশ্লোকসমৃদ্ধ, ভক্তিসৰোবৰ স্বৰূপ গ্ৰন্থ হ'ল শ্ৰীমদ্ভাগৱত পুৰাণ।

ভাৰতীয় বিভিন্ন ভাষাত ভাগৱতৰ অনুবাদে আৰু ইয়াৰ ওপৰত বহু টীকাকাৰসকলৰ টীকা-প্ৰণয়নে এই গ্ৰন্থৰ জনপ্ৰিয়তাকে প্ৰকাশ কৰে। বিভিন্ন ভাৰতীয় ভাষাৰ উপৰিও ইউৰোপীয় ভাষাতো এই অমূল্য গ্ৰন্থখনি পোন প্ৰথমে অনুবাদ কৰা হয়। এই গ্ৰন্থখনিক অৱলম্বন কৰি প্ৰসিদ্ধ বৈয়াকৰণ বোপদেৱে 'মুক্তাফল' নামৰ এখনি গ্ৰন্থ ৰচনা কৰে আৰু সেই পুৰাণৰেই অনুক্ৰমে 'হৰিলীলা' নামৰ গ্ৰন্থ ৰচিত হয়। সেয়েহে পাশ্চাত্যৰ অনেক পণ্ডিতে বোপদেৱকে ভাগৱত ৰচয়িতা বুলি ক'ব খোজে। অন্যান্য পুৰাণতকৈ শ্ৰীমদ্ভাগৱত পুৰাণৰ পদ-পয়াৰৰ বিষয়বস্তুৰ ধাৰাবাহিকতা, কাব্যাংশৰ উৎকৰ্ষতা আৰু ভাষা, ৰীতি, ছন্দ, অলঙ্কাৰৰ মধুৰ ব্যৱহাৰে গ্ৰন্থখনিক এক বৈশিষ্ট্য দান কৰিছে।

ভক্তি-শাস্ত্ৰ বা গ্ৰন্থ বুলিলে ঘাইকৈ বৈষ্ণৱৰ উপাসনাৰ প্ৰণালী, ভক্তিৰ স্বৰূপ নিৰ্ণয়, মূল ভক্তিৰ পৰা নিঃসৰিত ধাৰাসমূহ আৰু পৰম বৈষ্ণৱ মহাপুৰুষসকলৰ দ্বাৰা প্ৰৱৰ্তিত বিভিন্ন ধৰ্ম সম্প্ৰদায়বিলাক আৰু সেইসকলৰ মহামূল্যৱান উপদেশসমূহ নিহিত থকা গ্ৰন্থকে বুজায়। এই সকলো বৈষ্ণৱ সম্প্ৰদায়ৰে নিজৰ নিজৰ ভক্তিপৰ সাহিত্য আছে, টীকা-ভাষ্য আছে, সিয়ো চাবলৈ গ'লে অপাৰ সমুদ্ৰ-গভীৰ সাহিত্য। হ'লেও সকলো সম্প্ৰদায়ে সমভাৱে মান্যতা প্ৰদান কৰিছে ভক্তিৰ আধাৰ গ্ৰন্থ শ্ৰীমদ্ভাগৱতক।

'প্ৰাচীন হৈও যি নিত্যনতুন বা নবীন' সেয়েই পুৰাণ। 'ঋচঃ সামানি ছন্দাংসি পুৰাণং যজুষা সহ' (অৰ্থৰ বেদ) অৰ্থাৎ যজ্ঞৰ উচ্ছিষ্টৰ পৰা (অৱশেষৰ পৰা) যজ্ঞ প্ৰধান যজুৰ্বেদৰ লগতে ঋগ্, সাম, ছন্দ, পুৰাণ সৃষ্ট হৈছে। অৱশিষ্ট বা অৱশেষ শব্দই সকলো পদাৰ্থৰ অৱসান ঘটিলে কেৱল পৰমাত্মাহে থাকে এই অৰ্থত ব্যৱহৃত হৈছে। 'সৰ্বেষাং ভূত ভৌতিকানামাৱসানে শিষ্ট উৰ্বৰিত পৰমাত্মা' শয়ন। দ্বিতীয় স্কন্ধ ভাগৱতত শ্ৰীমন্ত শঙ্কৰদেৱে লেখিছে--

'মই মাত্ৰ অৱশেষ থাকোহো অন্তত।
কুণ্ডল ভাঙিলে যেন সোনা স্বৰূপত।।'

এই অৱশেষ শব্দটো পৰমাত্মাৰ তুল্য হ'লে বেদৰ দৰে পুৰাণকো অপৌৰুষেয় বুলি স্বীকাৰ কৰিব পাৰি।

ভগৱন্তৰ অৱতাৰ স্বৰূপ ব্যাসদেৱে বেদৰ মন্ত্ৰসমূহ সংকলিত কৰি ঋক্ সাম যজু অথৰ্ব বেদ ভাগ কৰাৰ পাছত একেজন সত্যজ্ঞানী লোকে সপ্তদশ পুৰাণসমূহ ৰচনা কৰিলে। ইতিহাস, বেদাঙ্গ, মহাভাৰত মহাকাব্যৰ নিচিনা মহৎ শাস্ত্ৰসমূহ ৰচনা কৰিও কিন্তু পৰাশৰ সুতে মনত প্ৰসন্নতা লাভ কৰিব নোৱাৰি সমাধিস্থ অৱস্থাতো ক্ষণে ক্ষণে ব্ৰহ্মক সাক্ষাৎ কৰা সিদ্ধ পুৰুষজনে মানসিক শান্তি বিচাৰি হাবাথুৰি খোৱাৰ সময়ত ত্ৰিভুৱন পৰিব্ৰকাৰী, মানৱকুলৰ আধ্যাত্মিক কল্যাণকাৰী অৱধূত নাৰদ ঋষিয়ে ব্যাসদেৱৰ মনৰ অৱস্থা জানিব পাৰি বদৰিকাশ্ৰমত উপস্থিত হৈ মহৎ উপদেশেৰে ব্যাসৰ শান্তি ঘূৰাই আনিলে। দেৱৰ্ষি নাৰদৰ মুখে বেদ উপনিষদৰ সাৰোদ্ধাৰ ভাগৱত গ্ৰন্থৰ মাহাত্ম্য শ্ৰৱণ কৰি সেই ভক্তি-শাস্ত্ৰখনিৰ ৰসামৃত মৰ্ত্ত্যৰ ভক্তবৃন্দক পান কৰাবৰ মানসেৰে ভাগৱত ৰচনা কৰে। 'সৰ্বেবেদান্ত সাৰং হি শ্ৰীভাগৱতমিষ্যতে। তদ্ৰসামৃততৃপ্তস্য নান্যত্ৰ মাদ্ৰতিঃ ক্কচিৎ।' ভাগৱত পুৰাণ, ১২/১৩/১৫। যিখনি শাস্ত্ৰত একান্ত ভকতৰ পৰম ভকতিৰে পৰম পুৰুষ কৃষ্ণদেৱৰ চৰিত্ৰ, য'ত 'তেওঁৰ বিশ্ববিমোহন লীলা-মাধুৰী, বেণু মাধুৰ্যৰে ত্ৰিজগতক যুগে যুগে মোহি ৰাখিবলৈ সক্ষম, যাৰ অলৌকিক চৰিত্ৰ আৰু ভক্তসকলৰ ভকতিৰ মহিমাৰে মহিমামণ্ডিত হোৱা এই গ্ৰন্থ পৰমানন্দ ভক্তি সুখৰ।

এয়া গ্ৰন্থই নহয়, এয়া ভাগৱত কৃষ্ণৰ বাণীময় মূৰ্তি। কৃষ্ণদেৱে ভূমিভাৰ হৰণ কৰি নিজ ধামলৈ যোৱাৰ প্ৰস্তুতি চলাওঁতে, কৃষ্ণৰ পৰম ভক্ত, অনুৰক্ত শিষ্য বান্ধৱ উদ্ধৱেহে একমাত্ৰ সেই অভিপ্ৰায় বুজিব পাৰি অতিকৈ বিষাদিত হৈ বিৰলস্থানত ভগৱন্তক লগ ধৰি এইদৰে সুধিলে--

'ত্বদ্ বিয়োগেন তে ভক্তাঃ কথং স্থাস্যন্তি ভুতলে।
নিৰ্গুণোপাসনে কষ্টমতঃ কিঞ্চিদ্বিচাৰয়ঃ।।'

-- ভাগৱত, ৩/১৫

'হে কৃষ্ণ! তোমাৰ বিয়োগ বা অবিহনত তোমাৰ ভক্তসকল কিদৰে বা কাক ভজনা কৰি এই ভূ-তলত দিন কটাব। কিয়নো নিৰ্গুণ ব্ৰহ্ম উপাসনা কৰাটো অতিশয় কষ্টকৰ; কিছু বিচাৰ কৰিব, (ভক্তসকলক উদ্ধাৰ কৰা)। ভকতবৎসল কৃষ্ণই প্ৰভাস ক্ষেত্ৰত উদ্ধৱৰ এই কৰুণ বচন শুনি কিছু চিন্তান্বিত হৈ ক'লে যে ভক্তসকলৰ এটা অৱলম্বনৰ কাৰণে 'মই' ব্যৱস্থা কৰিব লাগিব। ভগৱন্তই তেওঁৰ নিজৰ সকলো শক্তি ভাগৱতত থাপিলে আৰু তেওঁ অন্তৰ্দ্ধান হৈ ভাগৱত সমুদ্ৰত প্ৰৱেশ কৰিলে।

'স্বকীয়ং যদ্ভবেত্তেজস্তচ্ছ ভাগৱতেৎদধ্যাৎ।
তিৰোধায় প্ৰবিষ্টোৎয়ং শ্ৰীমদ্ভাগৱতাৰ্ণৱম্।।'

-- ভাগৱত, ৩/৬১

সেইবাবেই এই শাস্ত্ৰ পুৰাণৰ সূৰ্য, বৈকুণ্ঠৰ কল্পতৰু, সাক্ষাৎ ভগৱন্তৰ বাঙ্ময়ী মূৰ্তি। এই শাস্ত্ৰ সেৱা কৰি, শ্ৰৱণ কৰি পাঠ বা কীৰ্তন কৰি, আনকি দৰ্শন মাত্ৰকে মনুষ্যৰ সকলো পাপ নষ্ট হৈ যায়।

'তেনয় বাঙ্ময়ী মূৰ্ত্তি প্ৰত্যক্ষাৱৰ্ত্ততে হৰেঃ।
সেৱনাচ্ছ্ৰৱনাৎ পাঠদ্দৰ্শনাৎ পাপনাশিনী।।'

-- ভাগৱত, ৩/৬২

ব্যাসদেৱে ভাগৱতৰ আৰম্ভণিতে পৰম সত্যক ধ্যান কৰি মঙ্গলাচৰণ কৰিছে, কিয়নো সৃষ্টিৰ আদি মধ্য অন্তত সেই সত্যই স্বমহিমাৰে বা স্বতেজেৰে মায়াক নিৰস্ত কৰি ৰাখে।

'ধাম্না স্বেন সদা নিৰস্ত কুহকম্
সত্যম্ পৰম ধীমহি।।'

- মঙ্গলাচৰণৰ প্ৰথম শ্লোকৰ চতুৰ্থ শাৰী

পুনৰ ভাগৱতৰ দশম স্কন্ধত ব্ৰহ্মাদি দেৱতাসকলৰ স্তুতিত পৰম সত্যই যে ভগৱান (কৃষ্ণস্তু ভগৱান স্বয়ং) সেয়া প্ৰকাশ পাইছে-- 'হে প্ৰভু, তুমি সত্য সঙ্কল্প, সত্যইহে তোমাৰ প্ৰাপ্তিৰ শ্ৰেষ্ঠ সাধন। সৃষ্টিৰ পূৰ্বত, অন্তত আৰু সংসাৰৰ স্থিতিৰ কালতো এই অসত্যৰ মাজত তুমি সত্যৰূপে অৱস্থান কৰা। ভগৱান! তুমি সত্য স্বৰূপ, আমি তোমাত শৰণ লৈছো।' সত্যাত্মকম্ ত্বাম্ শৰণম প্ৰপনাঃ।' ভাগৱত, ১০/২/২৬

এই অনুপম ভক্তি শাস্ত্ৰখনি প্ৰথমে অসমীয়া ভাষাত শ্ৰীমন্ত শঙ্কৰদেৱে অনুবাদ কৰি উলিয়াই তদানীন্তন অসমীয়া সমাজখনক ভক্তিৰসৰ তেজাল জ্যোতিৰে জ্যোতিস্মান কৰিলে। শ্ৰীমদ্ভাগৱতৰ মাধ্যমেৰে একশৰণ হৰিনাম ধৰ্ম প্ৰৱৰ্তন কৰি এখন ভাগৱতী সমাজৰ নিষ্ঠা, কাষ্ঠা আৰু আস্থা দি থৈ গ'ল অক্ষয়, অমৰ ৰূপত।

'ভাগৱত গ্ৰন্থ বিপৰীত' যত উত্তম শ্লোকৰ মহিমা গুণানুকীৰ্তন কৰিলে, নিৰ্গুণত স্থিত মহাযোগী, বীতৰাগী শুকদেৱে একান্ত সেৱক উত্তৰানন্দন মূমুৰ্ষ পৰীক্ষিতক। পিতৃ ব্যাসদেৱে নাৰদৰ পৰা পৰম উৎকৃষ্ট ভাগৱত জ্ঞানলব্ধ হৈ জীৱৰ মোক্ষৰ কাৰণ কৃষ্ণ-ভক্তিৰ মাহাত্ম্য স্মৰি ভাগৱত শাস্ত্ৰ পুত্ৰ শুকদেৱক কলিকালৰ সন্ধ্যাত পঢ়ালে। পৰীক্ষিত নৃপতিৰ সংসাৰতে সাৰ প্ৰশ্নসমূহৰ উত্তৰসমূহেই শুকদেৱৰ মুখহন্তে বিন্দু বিন্দু মধুক্ষৰণ হ'ল।

গুৰুজনা ৰচিত ভাগৱতৰ প্ৰথম স্কন্ধ আৰম্ভ হৈছে- মঙ্গলাচৰণৰ পাছত বছৰৰ পিছত বছৰ ধৰি যজ্ঞ কৰি সুফল নোপোৱা হতাশাগ্ৰস্ত শৌণকাদি ঋষিসকলৰ একান্ত অনুৰোধত প্ৰসিদ্ধ পুৰাণ বক্তা উগ্ৰশ্ৰৱাই 'পুৰাণ তিলক' ভাগৱত শাস্ত্ৰৰ প্ৰথম শ্ৰোতা আৰু বক্তা 'শুকদেৱ আৰু পৰীক্ষিত'ৰ সংবাদ আৰু মহাতত্ত্বমূলক ব্যাখ্যা কৰিবলৈ ল'লে। শ্ৰেয়ৰ কথা অৱতাৰণা কৰি সুতে বৰ্ণনা কৰিলে যে যিহৰ পৰা ভগৱন্তত ভক্তি ওপজে সেয়ে পৰম ধৰ্ম। সকল নিগম শাস্ত্ৰই যাক বিচাৰি নাপায় সেই পৰম তত্ত্বক ভক্তিৰ বলতে ভক্তই অনায়াসে লাভ কৰে। ভক্তি লাভৰ প্ৰথম খোজ সৎসঙ্গ বা একান্ত বৈষ্ণৱসকলৰ লগত কৃষ্ণ কথা শ্ৰৱণ-কীৰ্তন কৰা। এনে ভকতিৰ প্ৰভাৱত ক্ৰমান্বয়ে মনৰ কলুষতা, কামনা-বাসনা, ক্ৰোধ-লোভ মোহ ৰহিত হৈ মন চিত্ত অন্তৰ নিৰ্মল হ'ব, এনে নিৰ্মল হৃদয়ত ভগৱন্ত প্ৰকাশ পায়। বিষ্ণুৰ দশ অৱতাৰকে মুখ্য কৰি চতুৰ্বিংশতি অৱতাৰৰ বৰ্ণনা কৰিলেও ভগৱানৰ পৰিপূৰ্ণৰূপ শ্ৰীকৃষ্ণৰ মনুষ্য লীলাই সবাতোকৈ আকৰ্ষণীয়, কিয়নো কৃষ্ণৰ নামৰূপ সাধন ভক্তিয়েই সাধ্যৰূপে ৰসময় ভক্তিলৈ পৰিণত হয়। 'কৃষ্ণৰ নামেসে সাধে ভুকুতি মুকুতি।'

ভাগৱতে শ্ৰৱণ-কীৰ্তনকে ধৰি নৱ-বিধ ভক্তিৰ ধাৰাৰ প্ৰৱাহিত জলস্ৰোতা আমাক অৱগাহন কৰাইছে। নৱবিধ ভক্তি হ'ল শ্ৰৱণ, কীৰ্তন, স্মৰণ, পাদসেৱন, অৰ্চন, বন্দন, দাস্য, সখ্য আৰু আত্মনিবেদন।

'শ্ৰৱণং কীৰ্ত্তনং বিষ্ণোঃ স্মৰণং পাদসৈৱনম্।
অৰ্চনং বন্দং দাস্য সখ্যমাত্মনিবেদনম।।

-- ভাগৱত, ৭/৫/২৩

শ্ৰৱণ, কীৰ্তন, স্মৰণক প্ৰথম ত্ৰিতয় ভক্তিৰ ভগৱন্তৰ নাম-গুণেই ভক্তি-সাধনাৰ মূল অৱলম্বন। সাত্বত গ্ৰন্থত শ্ৰৱণাদি ত্ৰিতয়ক লীলাময়ী বা প্ৰেমময়ী ভক্তি বুলিছে। কিয়নো শ্ৰৱণ-কীৰ্তন আৰু স্মৰণৰ ঘাই অৱলম্বন ভগৱন্তৰ চতুৰ্বিধ লীলা, সৃষ্টি স্থিতি আৰু লয় আৰু অৱতাৰৰ গুণ এই চাৰিবিধ। শ্ৰৱণ-- আনে গোৱা বা নিজে গোৱা ভগৱন্তৰ নাম-গুণাৱলী শুনাকে শ্ৰৱণ ভক্তি বোলা হয়। নিজে পাঠ কৰা বা গোৱাতকৈ আনৰ মুখে শুনোতাৰ ফল অধিক। সেইদৰে কীৰ্তনতো ভগৱন্তৰ গুণানুকীৰ্তন সমুহীয়াকৈ বা সৎসঙ্গৰ লগত বহি কৰোঁতে অধিক ভক্তিৰস নিগৰে, ভক্তি, ৰতি, প্ৰীতি জন্মি দুৰ্বাসনা নাশ কৰে। শ্ৰৱণ কীৰ্তনৰ দৰে স্মৰণ ভক্তিয়েও কাল, ৰীতি আচাৰৰ প্ৰয়োজনৰ উৰ্দ্ধত আৰোহণ কৰি ভক্তক ভগৱদ্‌সান্নিধ্যলৈ গতি কৰায়। শ্ৰীমদ্ভাগৱতৰ ষষ্ঠ স্কন্ধ ভাগৱতত শ্ৰীমন্ত শঙ্কৰদেৱৰ হস্তপদ্ম হন্তে নিঃসৰিত 'অজামিল উপাখ্যান' খণ্ডত নামৰ মাহাত্ম্য প্ৰকাশ হোৱাৰ লগতে কীৰ্তন বা নাম উচ্চাৰণ আৰু স্মৰণৰো অপূৰ্ব নিদৰ্শন প্ৰকাশ পাইছে। মূল ভাগৱতৰ পঞ্চম স্কন্ধৰ ২৬ অধ্যায় আৰু ষষ্ঠ স্কন্ধৰ ১-৩ অধ্যায়ৰ পৰা বিষয়বস্তু গ্ৰহণ কৰি কাহিনীভাগ উপস্থাপন কৰিছে। মূলৰ বিশেষ পৰিৱৰ্তনো হোৱা নাই।

অজামিল নামৰ নিষ্ঠাৱান ব্ৰাহ্মণ এজন দৈৱদুৰ্বিপাকত পৰি বেশ্যাত পতিত হয় আৰু সেই বেশ্যাৰ গৰ্ভত দশপুত্ৰৰ জন্ম দি 'অতি দায়াতৰে' বা মৰমতে কনিষ্ঠ পুত্ৰৰ নাম থলে 'নাৰায়ণ'। মৃত্যুৰ সময়ত যমদুতৰ ভয়ত তেওঁৰ পুত্ৰৰ নাম 'নাৰায়ণ' উচ্চাৰণ কৰিলে। অন্তিম সময়ত নাম উচ্চাৰণ কৰাৰফলত চাৰিজন বিষ্ণুদূত দেখা দি যমদূতে বন্ধাজৰী খুলি দি সৎসঙ্গৰূপী বিষ্ণুদূতৰ কৃপাত পুনৰ জীৱন পালে। অজামিলৰ কাণত বিষ্ণুদূত আৰু যমদূতৰ কথোপকথনত প্ৰকৃত ধৰ্ম স্বৰূপ, নামৰ মহিমা কীৰ্তন কৰিবলৈ ধৰাত, তেওঁৰ মনৰ মল দূৰ হ'ল, চিত্ত শুদ্ধি হৈ পৰম অনুৰাগত চাৰি সিদ্ধৰ চৰণত পৰি সেৱা কৰিলে। তেওঁলোক কোননো মহন্ত পুৰুষ, মহা উপকাৰী চাৰিজনক একো সুধিবলৈ নাপাওঁতে চকুত আগতে অন্তৰ্দ্ধান হ'ল। ঘোৰ নৰকৰ পৰা অজামিলক উদ্ধাৰ কৰাত দ্বিজৰ পৰম বৈৰাগ্য মিলিল। সৎসঙ্গৰ প্ৰভাৱত তেওঁৰ পূৰ্বৰ স্মৃতি

জাগিল। নামৰ মহিমা স্মৰণ কৰি অজামিল ‘কৃষ্ণৰ চৰণত আপুনি বিক্ৰয় গ’ল।’ গৃহ, পুত্ৰ, ভাৰ্যা সবাকো ত্যাগ কৰি কৃষ্ণ নাম উচ্চাৰণ কৰি হেমৱন্ত গিৰি গঙ্গাদ্বাৰত একান্তভাৱে হৃদয়ত কৃষ্ণৰূপ ধ্যান কৰি সাৰূপ্য লাভ কৰি বৈকুণ্ঠ পালেগৈ--

‘সদায়ে আনন্দময় বৈকুণ্ঠ নগৰ।
ভুকুতি মুকুতি বিপ্রে পাইলা নিৰন্তৰ।।
কৃষ্ণৰ সমান ৰূপ চিনন নযায়।
শ্ৰীবৎস কৌস্তুভ মাত্ৰ দুই চিহ্ন নাই।।২৭৭
অনিচ্ছায়ে সুমৰিলে মৰন্তে নামক।
তথাপি পাইলেক অজামিল বৈকুণ্ঠক।।

ভগৱন্তৰ অনন্ত নাম, একেজনে সকলো নাম উচ্চাৰণ কৰা কঠিন, এক নামেই পাপ নাশ কৰিব পাৰে। দুষ্টচিত্তয়ো যদি হৰিনাম স্মৰণ বা উচ্চাৰণ কৰে, তেতিয়াও পাপ দগ্ধ হয়, যিদৰে জুই স্পৰ্শ কৰিলে পুৰিবই। অজামিলৰ জীৱনৰ আদিছোৱা আছিল ধৰ্মময়, পুণ্যময়, তেওঁ আছিল সদাচাৰী ব্ৰাহ্মণ। পিতৃ মাতৃ বৎসল, পত্নীৰ প্ৰতি আছিল স্নেহশীল, দায়বদ্ধ। দুৰ্ভাগ্যবশতঃ পিতৃৰ পূজাকৰ্মৰ ফলমূল আনিবলৈ গৈ বেশ্যাৰূপী দুঃসঙ্গ মায়াত মজিল। পুত্ৰ-ভাৰ্যা পোহ-পাল দিবলৈ চুৰি কৰি, জুৱা খেলি, ‘স্ত্ৰীবধ’ কৰি, মহাপাপ কৰি বেশ্যাক অন্ন-বস্ত্ৰ দিয়ে। কিন্তু অজামিলে অজানিতে কনিষ্ঠ পুত্ৰৰ প্ৰতি আসক্তি পৰায়ণ হৈ শয়নে, ভোজনে, সকলো সময়তে ‘নাৰায়ণ’ নাম উচ্চাৰণৰ ফলত মৃত্যুৰ বিভীষিকাত পৰিও ‘নাৰায়ণ’ বুলি উচ্চৰিলে। তথাপিও একেকোবে তেওঁ বৈকুণ্ঠ পোৱাগৈ নাই। চাৰিসিদ্ধৰ নিচিনা সৎসঙ্গৰ লাভতহে তেওঁ মোক্ষপথলৈ আগবাঢ়িল।

উপাখ্যানটিৰ জৰিয়তে গুৰুজনাই নাম-মাহাত্ম্য দৰ্শন কৰাই আমাক ভক্তি-ধৰ্মৰ প্ৰৱাহমান ভক্তি-ৰসত অৱগাহন কৰাইছে। একান্ত ভাৱে হৰিত শৰণ লৈ নিজে কৰা অজানিত অপৰাধৰ মাৰ্জনা বিচাৰি নামধৰ্মত ব্ৰতী হ’বলৈ উপদেশ দিছে।

‘কৃষ্ণ গুণ নাম স্মৰি শ্ৰৱণ কীৰ্ত্তন কৰি
যেন মতে শুদ্ধ হোৱে নৰে।
কোটি তীৰ্থ ব্ৰত তপে কোটি যাগ যোগ জপে
সেহিমত পৱিত্ৰ নকৰে।।৪২১
কৃষ্ণ পাদ-পঙ্কজৰ মধু পিয়ৈ যিটো নৰ
তাৰ মন নপৰে কৰ্মত।
কৃষ্ণতেসে কৰৈ ৰতি মিলৈ মহা বিৰকতি
ঘোৰ দুঃখময় বিষয়ত।।’

-- অজামিল উপাখ্যান

কেৱল শ্ৰৱণ-কীৰ্তনতেই নহয়, স্মৰণতো মনুষ্যৰ পাপৰাশি জীৱনকালতে তৎকালে নষ্ট হ’ব পাৰে। ভক্তি-কাব্য অজামিল উপাখ্যানৰ প্ৰতিপাদ্য বিষয়-- অতি দুৰাচাৰী আৰু পৰম পাতকীজনেও নামৰ মহিমাৰ বলত ‘চতুৰ্ভুজৰূপে পাৱৈ বৈকুণ্ঠনগৰ’ য’ত কুণ্ঠা নাই বা কুণ্ঠাৰহিত স্থিতিয়েই হৈছে বৈকুণ্ঠ। মনুষ্যৰ মন যেতিয়া কুৎসিত বিষয়, অশোভন কাৰ্যৰ পৰা বিৰত হৈ শুভ বা সুন্দৰ, পৱিত্ৰ কাৰ্যত প্ৰবৃত্ত হয়, তেওঁ কুণ্ঠাৰহিত অৱস্থা (বৈকুণ্ঠভাৱে) লাভ কৰে।

শ্ৰীমন্ত শঙ্কৰদেৱেও বিষয়ৰ প্ৰতি বিৰাগ জন্মাবৰ অভিপ্ৰায়ে ‘অজামিল কাব্য’ৰ আৰম্ভণিতে বিভিন্ন ভয়ানক নৰকৰ বৰ্ণনা কৰি ভয় উদ্ৰেক কৰিছে। সাত চল্লিশ ফাঁকি পদত নৰক যাতনাৰ বীভৎস আৰু ভয়াবহ চিত্ৰ অঙ্কন কৰিছে এইদৰে-- ‘হেনয় নৰক আছে সহস্ৰ সংখ্যাত/ মুখ্য মুখ্য বাচি কিছু কহিলো তোমাত।’ এই বুলি মহাঘোৰ আঠাইশ নৰকৰ বৰ্ণনা দি কূৰ্ম বা পাপৰ মাত্ৰাও যথোচিত নৰকগামী হোৱাৰ উদাহৰণ দিছে। ইয়াৰ মূল উদ্দেশ্য হ’ল অজামিলৰূপী পাপকৰ্মত লিপ্ত নৰে পৰম মঙ্গলৰ প্ৰতীক ‘নাৰায়ণ’ নাম উচ্চাৰণ কৰি মন্দমতি অজামিলৰ দৰে এটি সুন্দৰ মৰণক আকোঁৱালী ল’ব পাৰে। ঘোৰ নৰক যাতনাৰ পৰা ৰক্ষা পাবৰ বাবে সমাজত পৰম্পৰা ৰূপে চলা প্ৰায়শ্চিত্ত অৰ্থহীন। কেৱল মাত্ৰ কৃষ্ণত শৰণ গ্ৰহণ কৰি নাম কীৰ্তন-শ্ৰৱণ স্মৰণৰ দ্বাৰাইহে চিত্ত শুদ্ধি হয়।

‘মহা মহা পাপৰাশি এহিসে বিনাসে আসি
উভাৰৈ পাপৰ যত বীজ।৪২০
.......................................
ভকতি নাদৰি যিটো প্ৰায়শ্চিত্ত কৰৈ সিটো
তাৰ কৰ্ম সকলে বিফল।।৪২২

-- অজামিল উপখ্যান

## নাম-ধৰ্ম

প্ৰাচীন ভাৰতৰ কবি ঋষিসকলে কাব্যৰ চৰম লক্ষ্য ‘শিৱেতৰক্ষতি’ অৰ্থাৎ ‘অকল্যাণ-নাশ বুলি মানি আহিছে। ধৰ্ম, অৰ্থ, কাম, মোক্ষত ৰস-সাহিত্য বা সুকুমাৰ সাহিত্যৰ শ্ৰেণীৰ ভিতৰত ধৰিছে। অকল্যাণ নাশক ‘পৰম মঙ্গল’ সৰ্বশক্তিমানজনৰ ‘নাৰায়ণ’ নাম স্মৰণ কৰাও অজামিলৰ মনত সুপ্ত হৈ থকা সু-সংস্কাৰ উদয় হ’ল, সৎসঙ্গ লাভত অনিত্য বিষয়ৰ প্ৰতি বিৰকতি জন্মিল, নিজৰ অপকৰ্মৰ বাবে গভীৰভাৱে অনুতপ্ত হোৱাত, প্ৰেমভাৱ উপজি চিত্ত দ্ৰৱিল, ‘ধাৰায়ে লোতক বহে তনু ৰোমাঞ্চিত’। এনে অৱস্থাত ভক্তিৰসৰ মহাপ্লাৱন কৰ্মৰ বন্ধন ছেদ কৰিলে। চাৰিজন সৎসঙ্গৰ দৰ্শন, আলিঙ্গন আলাপত ‘ভৈল চতুৰ্ভুজ আনন্দৰ নাহি সীমা।’ অজামিলে নাম স্মৰণ কৰিলে ভক্তি ভাৰত, ভক্তিৰ প্ৰগাঢ়তা বৃদ্ধি হৈ পৰম গতি পালে।

গুৰুজনাৰ গীত (বৰগীত) নাট আৰু প্ৰকৰণ গ্ৰন্থ কেইখনিৰ বাহিৰে বাকীখিনিক কাব্যতত্ত্ব দৃষ্টিৰে বিশ্লেষণ কৰিলে দেখা যায় যে ‘অজামিল উপাখ্যান’খনিও এখনি নাম-মাহাত্ম্যসূচক তথা উত্তম, সফল ভক্তি কাব্য। দৃশ্যকাব্য, শ্ৰব্যকাব্য সকলোতে এটি অঙ্গী বা মুখ্যৰস থকাটো ভাৰতীয় সাহিত্যাচাৰ্যসকলে বিধান দিছে। শঙ্কৰ কবিৰ কাব্য, নাট আদিত প্ৰধানভাৱে থকা ৰসটো হ’ল ভক্তিৰস, কাব্যশাস্ত্ৰৰ দৃষ্টিৰে ই শান্তৰস। ভক্তিৰসপূৰ্ণ এই কাব্যখনিক পৰিপুষ্টি সাধন কৰিছে বীৰ, ৰৌদ্ৰ, বাৎসল্য, বিশেষকৈ ভয়ানক আৰু বীভৎস ৰসে। দীঘলীয়া ভক্তিমূলক উপদেশসমূহে কাব্যৰস প্ৰিয় ভক্তসকলক নৱ আস্বাদনৰ বিষয় হৈ পৰিছে। ■■

কৃষ্ণেসে মুকুতি বীজ কৃষ্ণেসে সুহৃদ নিজ
কৃষ্ণৰ পাৱত কৰা ৰতি।
নেনা আয়ু আলে জালে ইটো ঘোৰ কলিকালে
কৃষ্ণনাম বিনে নাহি গতি।।
দেখা যুগধৰ্ম্ম চাই বিলম্বত কাৰ্য্য নাই
সত্বৰে গলত বান্ধা নাম।
নমৰা বিষয় ভোলে কৃষ্ণৰ কিঙ্কৰে বোলে
নিৰন্তৰে বোলা ৰাম ৰাম।।
-- ভাগৱত

# ভক্তি সৰোবৰ মহাভাগৱত

**বিপিন চুতীয়া**

শ্ৰীমদ্ভাগৱত ভকতি প্ৰকাশক শাস্ত্ৰ। মহাভাগৱত নিগম শাস্ত্ৰসমূহৰ শিৰোমণি স্বৰূপ। কল্পতৰু বেদৰ জ্ঞানকাণ্ডৰ ওপৰত প্ৰতিষ্ঠিত পণ্ডিতসকলে বেদমন্থন কৰি প্ৰথমে ব্ৰাহ্মণ নামৰ শাস্ত্ৰৰাজি ৰচনা কৰে আৰু ইয়াৰ ঠিক পাছতে এক পৰমেশ্বৰৰ অস্তিত্ব উপলব্ধি কৰি বেদৰ জ্ঞানকাণ্ডৰ ওপৰত বিশ্লেষণ চলাই বেদান্তশাস্ত্ৰৰ সৃষ্টি কৰিলে। বেদৰ শেষ সিদ্ধান্ত স্বৰূপে লিখা বেদান্ত (বেদ + অন্ত) শাস্ত্ৰবোৰক 'প্ৰস্থানত্ৰয়ী' বোলা হয়। উপনিষদ, গীতা আৰু ব্ৰহ্মসূত্ৰ-- এই তিনিভাগত বিভাজিত শাস্ত্ৰসমূহেই বেদান্ত শাস্ত্ৰ। জ্ঞানমাৰ্গৰ এক আখ্যা দি আলোচনা কৰা হৈছে। পৰমেশ্বৰকে অগ্নি, বায়ু, মনু, প্ৰজাপতি, ইন্দ্ৰ, আলোচনা কৰা হৈছে; উপনিষদৰ সাৰ কাঢ়ি স্মৃতিপ্ৰধান 'গীতা'ৰ সৃষ্টি কৰি কৃষ্ণকেই 'একমেহবাদ্বিতীয়ম' বোলা হৈছে। ব্ৰহ্মসূত্ৰত উপনিষদবোৰৰ দাশনিক চিন্তাবোৰ সু-সংবদ্ধ কৰা হৈছে। ৰামায়ণ, মহাভাৰত আৰু পুৰাণবোৰতো ঈশ্বৰ সম্বন্ধীয় শ্ৰেষ্ঠত্ব প্ৰতিপাদন কৰা হৈছে যদিও বেদান্তৰ জটিল চিন্তাও বিষয়সমূহ-- কাহিনী, আখ্যান, উপাখ্যান আদি ৰূপকৰ যোগেদি ব্যক্ত কৰা হৈছে।

উপনিষদত ব্ৰহ্ম হিচাপে প্ৰতিষ্ঠিত ঈশ্বৰৰ সকলো সাৰতত্ত্ব শ্ৰীমদ্ভাগৱত গীতাত স্তূপীকৃত হৈছে আৰু গীতাৰ সমস্ত তত্ত্ব ৰহস্য মহাভাগৱত পুৰাণত আখ্যান উপাখ্যানৰ সহায়েৰে প্ৰতিফলিত হৈছে। সেয়ে মহাভাগৱত সমস্ত বেদৰ সাৰোদ্ধাৰ হিচাপে পৰিগণিত। বেদৰ পৰাই বেদান্তৰ সৃষ্টি।

ব্ৰহ্মই-- পৰমাত্মা, পৰমাত্মাই -- ভগৱন্ত।

'ব্ৰহ্ম পৰমাত্মা ভগৱন্ত একতত্ত্ব।
একৰেসে তিনি নাম লক্ষণ ভেদত।।'-- শঙ্কৰদেৱ

ব্ৰহ্ম, পৰমাত্মা, ভগৱন্ত = একতত্ত্ব। একৰেই তিনিনাম হৈছে মাত্ৰ লক্ষণ ভেদতহে। জ্ঞানমাৰ্গ ভগৱান লাভৰ বাবে ফলপ্ৰসূ নহয়; ভক্তিমাৰ্গহে ফলপ্ৰসূ। জ্ঞান আৰু বুদ্ধি কৰা কৰ্ষণতকৈ হৃদয় আৰু ভাৱেৰে কৰা সাধনা অতি ফলপ্ৰসূ আৰু উত্তম পন্থা। সেইহেতু জ্ঞানমাৰ্গ আৰু কৰ্মমাৰ্গতকৈ ভক্তিমাৰ্গহে শ্ৰেষ্ঠতম্--

কেৱলে ভকতি পুৰুষক তাৰে
সহায় কাকো নচাৰে।

**বেদ (কল্পতৰু শাস্ত্ৰ)**
↓
**বেদান্ত (প্ৰস্থানত্ৰয়ী)**
↓

**উপনিষদ**
(ব্ৰহ্মাৰ বিচাৰ)

**গীতা**
(সগুণ সাকাৰ ঈশ্বৰৰ মহিমা, এক ঈশ্বৰত শৰণ, আত্ম-সমৰ্পন

**ব্ৰহ্মসূত্ৰ**
(উপনিষদৰাজিৰ দাৰ্শনিক চিন্তা-চৰ্চা)

জ্ঞান কৰ্ম্ম তাৰে তাৰিতে নপাৰে
ভকতি নপাৰে যাৰে।।

-- নামঘোষা

সেয়ে মহাভাগৱত জ্ঞানমাৰ্গ, কৰ্মমাৰ্গক চেৰাই ভক্তিমাৰ্গৰ শ্ৰেষ্ঠত্ব গভীৰভাবে প্ৰতিপাদন কৰা হৈছে। হৃদয় আৰু ভাৱক গুৰুত্ব প্ৰদান কৰি ভাগৱতে প্ৰেমময়ী, ৰসময়ী ভকতিৰ বিমল ধাৰা বোৱাই দিছে। আনন্দৰসেৰে ভাৱাক্ৰান্ত ভাগৱত, অমৃতময় স্বাদেৰে পৰিসিক্ত ভাগৱত, প্ৰেমানন্দেৰে পৰিপূৰ্ণ ভাগৱত এক অমৃতময় পকাফল। হৃদয়ভৰা প্ৰেমাকুতিৰে জীৱনক জীপাল কৰি মুক্তিৰ দুৱাৰলৈ টানি নিয়ে ভাগৱতৰ প্ৰৱাল ভক্তিৰ প্ৰবাহে।

আঠাইশ সহস্ৰ ঋষিয়ে নৈমিষ্যাৰণ্যতে সহস্ৰ বছৰ যাগ-যজ্ঞ কৰি কোনো ফল নাপাই ৰোমহৰ্ষনৰ পুত্ৰ উগ্ৰশ্ৰৱা সুতৰ মুখে ভাগৱত শুনিবলৈ ছটা প্ৰশ্ন উত্থাপন কৰিলে--

(১) একান্তিকা শ্ৰেয়স্ কি?

(২) জন্ম-মৃত্যু-ৰহিত ভগৱন্তই কি কাৰণে দৈৱকীৰ গৰ্ভত আবিৰ্ভাৱ হ'ল?

(৩) সৃষ্টিৰ ৰহস্য কি?

(৪) ভগৱানৰ লীলা অৱতাৰসমূহ কি কি?

(৫) শুক-পৰীক্ষিতৰ সংবাদ কি?

(৬) কৃষ্ণকথা আৰু ধৰ্মৰক্ষা কৰিবলৈ ধৰাধামলৈ আহি কৃষ্ণই বৈকুণ্ঠ প্ৰয়াণ কৰাৰ পাছত ধৰ্মই ক'ত আশ্ৰয় ল'লে?

ব্ৰহ্মাক সাক্ষাত কৰিব পৰা মহামুনি ব্যাসে বেদৰ শাখা, পুৰাণাদি প্ৰণয়ন কৰি আৰু ব্ৰহ্মজ্ঞ হৈয়ো বদৰিকাশ্ৰমত অধোমুখে বহি মনৰ অশান্তিত কাল কটাবলগীয়া হৈছিল। তেওঁ ধৰ্ম-অধৰ্মৰ বিষয়ে সম্যক জ্ঞাত হৈয়ো স্বৰ্গপ্ৰাপ্তিৰ বাবে পশুবধ আদি গৰ্হিত কৰ্মকে শাস্ত্ৰসন্মত কৰি পূজা, যাগ-যজ্ঞাদিৰ ব্যৱস্থা কৰিলে আৰু সেই ব্যৱস্থাপনাক মানুহে গ্ৰহণ কৰি বিপথগামী হ'ল। সত্যক জানিও তেওঁ অসত্যকে সত্য বুলি প্ৰতিপন্ন কৰি বিবেকৰ দংশনত ভুগিলে। ব্যাসৰ অশান্তি আৰু বিবেক দংশনৰ মূল কাৰণ ঈশ্বৰ ভক্তিৰ প্ৰতিষ্ঠাপন নকৰাটো। সংসাৰ বন্ধনৰ পৰা মুক্তি পোৱাৰ একমাত্ৰ পথ হ'ল হৰিভক্তি। নাৰদে ব্যাসক এইপথ অৱলম্বন কৰিবলৈ উপদেশ দিলে। ব্যাসেও নাৰদৰ উপদেশ শিৰোগত কৰিলে।

'কেৱলে দিয়োক ভকতিৰ উপদেশ।
ভকতিসে কৰে সংসাৰৰ বন্ধ নাশ।।
ভকতি বিহীন জ্ঞান-কৰ্ম্ম সবে ব্যৰ্থ।
কহিলো স্বৰূপ বেদান্তৰ তত্ত্ব অৰ্থ।।

-- শঙ্কৰদেৱ

এই পদদ্বয়ত ভাগৱত শাস্ত্ৰৰ গুৰুত্ব আৰোপিত হৈছে। এই শাস্ত্ৰ সংসাৰী লোকৰ বাবেহে ৰচিত হৈছে--

'বৈকুণ্ঠৰ শাস্ত্ৰ আনি পৰম উৎসুকে।
সংসাৰীক কৰি কৃপা প্ৰচাৰিলা শুকে।।'

-- শঙ্কৰদেৱ

ভাগৱতত মানৱতাৰ অমোঘবাণী নিনাদিত হৈছে আৰু মানৱ সেৱাৰ আদৰ্শ উদ্ভাসিত হৈছে। গুৰুজনে কৈছে--

'যত দেখা চৰাচৰ হৰিময় নিৰন্তৰ
হৰিত পৃথক কেহো নোহে।
যিজন ভকতিহীন সি দেখে হৰিত ভিন
হৰিৰ মায়ায়ে তাক মোহে।।'

সংসাৰী লোকৰ বাবে ভাগৱতত প্ৰথম পৰ্যায়ত সাধন ভক্তিৰ নিৰ্দেশ আছে। শ্ৰৱণ-কীৰ্তন-স্মৰণৰ যোগেদি সাধনা কৰোঁতে সাধ্যাভক্তি আহি পৰিব। নিৰ্গুণ ভগৱন্তৰ সগুণ, প্ৰেমময়ী ভক্তি সাধন কৰি সগুণৰ পৰা নিৰ্গুণলৈ উত্তৰণ হ'ব পাৰিব। জীৱকূলে বন্ধাৱস্থাৰ পৰা মুক্তাৱস্থা প্ৰাপ্তিৰ বাবে আত্ম-সমভাৱৰ দ্বাৰা নিজক আৰু প্ৰাণীবৰ্গক উপলব্ধি কৰিবলৈ সমৰ্থ হ'ব। ভাগৱতত কৈছে--

'বিশেষত মনুষ্য গণত যিটো নৰে
বিষ্ণু বুদ্ধি ভাৱে সৰ্ব্বদায়ে মান্য কৰে।।

হিংসা-ঈৰ্ষা-অসূয়া-তিৰস্কাৰ-অহঙ্কাৰ--এৰি প্ৰাণীবৰ্গক সহানুভূতিৰে আকোঁৱালি ল'ব পাৰিলেহে বিষ্ণুবুদ্ধি হৃদয় কমলত প্ৰতিষ্ঠিত হ'ব।

'ঈৰিষা অসূয়া তিৰস্কাৰ অহঙ্কাৰ।
সবে নষ্ট হোৱে তেৱে তাৰক্ষণে তাৰ।।'

ভাগৱত, একাদশ স্কন্ধ

সমস্ত জগতকে বিষ্ণুময় দেখিব পাৰিলে জীৱন্তে

মুক্ত হ'ব পৰা যায়; একাদশ স্কন্ধত গুৰুজনে লিখিছে--

'বিষ্ণুময় দেখে যিটো সমস্তে জগত।
জীৱন্তে মুকুত হোৱে অচিৰ কালত।।'

কৃষ্ণই গোপবালকসকলক উপদেশ দিছিল যে পৰোপকাৰেই প্ৰকৃত মানৱ ধৰ্ম। বৃন্দাবনৰ তৰু-লতিকাই মহামহন্তৰ দৰে ৰৌদ্ৰ-বৃষ্টি-তাপ সহি লোকৰ হিতাৰ্থে বিৰাজমান হৈ ৰৌদ্ৰপীড়িত লোকক জিৰণি দিছিল।

দ্বাদশ স্কন্ধ ভাগৱতৰ বিভিন্ন স্কন্ধত ভগৱান কৃষ্ণৰ বিভিন্ন অৱতাৰসমূহ ব্যক্ত হোৱা কৰ্মাৱলী আৰু আদৰ্শাৱলীয়ে জগতৰ মানৱ জাতিক সৎ হ'বলৈ, ভগৱানক ভক্তি কৰি মুক্তি পাবলৈ মাৰ্গ প্ৰদৰ্শন কৰিছে। সেব্য সেৱকৰ প্ৰেম ভক্তিৰ আদান-প্ৰদানৰ বিস্তৃত বৰ্ণনা ভাগৱতত দাঙি ধৰা হৈছে। দশম স্কন্ধটিক মুখমণ্ডলৰ লগত তুলনা কৰা হৈছে। কাৰণ, মূৰ্তিমান চৰ্চনৰ বাবে ই উপাদেয়। এই স্কন্ধতেই ভগৱানে পূৰ্ণ অৱতাৰ গ্ৰহণ কৰি শিশুলীলা (বৃন্দাবন লীলা), যৌৱন লীলা (মথুৰা লীলা) আৰু প্ৰৌঢ় লীলা (দ্বাৰকা লীলা) প্ৰদৰ্শন কৰি, বিশ্বভাৱৰীয়া ৰূপে জগত প্ৰেক্ষাগৃহত বিশ্ব-ভাওনা কৰি মানৱৰূপী দৰ্শকক অভিনয় প্ৰদৰ্শন কৰিছে আৰু তাৰ যোগে মানৱক ধৰ্ম-অৰ্থ-কাম-মোক্ষ আৰু ভক্তি মাৰ্গ প্ৰদৰ্শন কৰিছে। তেওঁ প্ৰয়োজন সাপেক্ষে স্থুল, সূক্ষ্ম ৰূপ পৰিগ্ৰহ কৰি ৰস-স্বৰূপ মূৰ্তি ৰাসলীলা পঞ্চাধ্যায়ত তত্ত্ব গধুৰ ভাৱ ব্যক্ত কৰিছে আৰু তেওঁ গীতাত শেষ সিদ্ধান্ত দিছে-

সৰ্ব্বধৰ্ম্মং পৰিত্যজ্য মামেকং শৰণং ব্ৰজ।
অহং ত্বাং সৰ্ব্ব পাপে মোক্ষয়িষ্যামিমা জ্যোশুচঃ।।

ভাগৱতৰ সমস্ত সাৰ-দশম আৰু একাদশ স্কন্ধত থূপ খাই আছে। একাদশ স্কন্ধত, বৈকুণ্ঠ প্ৰয়াণৰ সময়ত কৃষ্ণই উদ্ধৱক কোৱা তত্ত্বখিনিতেই ভাগৱত ধৰ্মৰ সাৰমৰ্ম নিহিত হৈ আছে আৰু দশম স্কন্ধৰ ভিতৰত ৰাস পঞ্চাধ্যায়তে-- সমস্ত পুৰুষোত্তম তত্ত্ব প্ৰকাশ পাইছে। ৰাসত গোপীৰূপী জীৱকুলক জীৱাত্মা আৰু কৃষ্ণই পৰমাত্মাৰূপে আনন্দ-ঘন-ৰস সিন্ধুত অৱগাহন কৰি আৰু তাত আপ্লুত হৈ আত্মা-পৰমাত্মাৰ মিলন দেখুৱাইছে। কাম জয়ৰ যোগেদি, অনঙ্গ কেলিৰ মাজেদি ভগৱন্তই নিজ মায়া প্ৰকৃতিৰ লগত খেলা-খেলি কামক জয় কৰি মানৱক মায়া মযিমূৰ কৰিবলৈ উপদেশ দিছে। মায়া-সৃষ্ট গোপী ভক্তাসকলক লৈ কৃষ্ণই মায়াৰ খেলা প্ৰদৰ্শন কৰিছে; প্ৰকৃত গোপীকুল গৃহতে স্বামীসকলৰ লগতেই আছে। জীৱাত্মাই পৰমাত্মাৰ লগত পৰমানন্দ সাগৰত মিলি যোৱাৰ পৰম তত্ত্ব ৰাসক্ৰীড়াৰ অন্তৰ্নিৰ্হিত ৰহস্য মাত্ৰ। ই ভক্তি ৰসৰ চূড়ান্ত নিদৰ্শন।

ভগৱন্ত কৃষ্ণৰ নামৰ মহিমা ভগৱন্তয়ো জানি অন্ত কৰিব নোৱাৰে, ভগৱন্ততকৈ তেওঁৰ নামৰ মহিমা শক্তিশালী। হৰিনামৰ অনন্ত মহিমা ভাগৱতত আদিৰ পৰা অন্তলৈকে এখন নদীৰ দৰে বৈ আছে। এই ভক্তি নদীৰ প্ৰবাহ অন্তহীন গতিৰে প্ৰবাহিত হৈ আছে। ভগৱন্ত প্ৰভুৱে কৈছে--

'যিটো জনে নাম যাই উচ্চাৰি।
তাৰ পাচে পাচে ভ্ৰমন্ত হৰি।।'
আপোন নামৰ সঙ্গ নচাৰন্ত হৰি।
যেই নাম সেই হৰি জানা নিষ্ঠ কৰি।।

ভাগৱত- ভগৱন্তৰ বাঙ্ময়ী মূৰ্তি। অক্ষৰ ব্ৰহ্মাই বাঙ্ময় মূৰ্তি। ভক্তি ৰত্নাকৰত গুৰুজনে লিখিছে--

'ধৰি আছে মন্ত্ৰে যিটো মূৰ্ত্তি মাধৱৰ।
তাত ব্যতিৰেকে মূৰ্ত্তি নাহি ঈশ্বৰৰ।।'

গতিকে ভাগৱততে ভগৱানে অক্ষৰ ব্ৰহ্মাৰ মাজত বিৰাজমান হৈ আছে। তাৰাই কীৰ্তন দশমত আৰু মাধৱদেৱে নাম-ঘোষা, ৰত্নাৱলীত বিৰাজমান হৈ আছে।

ওপৰত উল্লেখ কৰি অহা ছটি প্ৰশ্নৰ উত্তৰ দিবলৈ গৈ সূতে সমস্ত মহাভাগৱত শাস্ত্ৰৰ কথা ঋষিসকলৰ আগত ব্যক্ত কৰিলে; যেনেকৈ শুকে পৰীক্ষিতৰ আগত ব্যক্ত কৰিছিল। ছটা প্ৰশ্নৰ প্ৰথমটি প্ৰশ্ন আছিল-- একান্তিকা শ্ৰেয়স্ কি? সংসাৰ প্ৰেয়ৰে ভৰপূৰ। প্ৰবৃত্তি, ইন্দ্ৰিয়গণৰ তৃপ্তিয়ে বা পাৰমাৰ্থিক সুখানন্দ। সাংসাৰিক সুখ-ভোগ, স্বৰ্গ সুখ, ইন্দ্ৰিয়জালত পৰিতৃপ্তিয়েই প্ৰেয় আৰু ইয়াক পাৰ্থিৱ, ঐহিক, অস্থায়ী, দোষযুক্ত আৰু জীৱৰ সংসাৰ বান্ধোনৰ উপাদান বুলি তুচ্ছ জ্ঞান কৰি ত্যাগৰ দ্বাৰা অপাৰ্থিৱ, চিৰস্থায়ী, দোষমুক্ত, মুক্তি পথৰ পাথেয় শ্ৰেয় বা নিবৃত্তিক আদৰি লোৱাটোৱেই চিৰসুখ, চিৰশান্তিৰ পথ। পাৰ্থিৱ-সুখ-ভোগত প্ৰকৃত শান্তি নাই, ই অশাশ্বত, সীমাবদ্ধ আৰু দোষমুক্ত। বিপৰীতে

পাৰমাথিক সুখ-শাশ্বত আৰু ভূমা। পৰম পুৰুষৰ সাধনা, ভক্তি আৰু মহন্তৰ সান্নিধ্য লাভো পৰম সুখকৰ হয়। ঈশ্বৰ-কৃষ্ণত চাৰিপুৰুষাৰ্থ লাভ হোৱাৰ উপৰি পৰম পুৰুষাৰ্থ লাভ হয়। কৃষ্ণৰ ভকতিত প্ৰেমানন্দ লাভ হয় আৰু ভগৱন্তৰ চৰণত একান্তভাৱে শৰণ লৈ, তেওঁতেই আত্মসমৰ্পণ কৰি ঐকান্তিকা ভক্তি কৰিবলৈ ভগৱানে উপদেশ দিছে। এয়ে ঐকান্তিকা শ্ৰেয়স।

দ্বিতীয় প্ৰশ্নৰ- 'ভগৱন্ত' অজ হৈয়ো জন্ম লয়- দৈৱকীৰ গৰ্ভত তেওঁ কিয় অৱতাৰ গ্ৰহণ কৰিছিল? প্ৰপঞ্চবাসী অৰ্থাৎ চৈধ্য ভূৱনত বাস কৰা জীৱই জন্ম লয়, বৃদ্ধি হয়, মৃত্যু হয়, কিন্তু প্ৰপঞ্চৰ উৰ্দ্ধত থকা ভগৱন্তৰ জন্ম-জৰা-বৃদ্ধি-মৃত্যু নাই। তেওঁ নিৰ্গুণ, নিৰাকাৰ, নিৰঞ্জন, অজ; তেওঁ জগতত প্ৰপঞ্চ সৃষ্টি কৰি সৃষ্টিৰ মাজতে বিৰাজ কৰি থাকে। সেয়ে তেওঁ সৃষ্টিৰ বাহিৰত আৰু ভিতৰত দুয়ো ঠাইতে বিৰাজমান। তেওঁ প্ৰপঞ্চত সগুণ ৰূপ ধাৰণ কৰি থাকে বুলি ধৰা হয়। নিৰ্গুণ ব্ৰহ্মাই সৃষ্টিৰ প্ৰয়োজন সাপেক্ষে অৱতাৰ গ্ৰহণ কৰি আৱিৰ্ভাৱ হয় আৰু তেওঁৰ কৰ্ম নাথাকিলেও জগতত হিতাৰ্থে আৰু জীৱক আত্মতত্ত্ব জ্ঞান দিবৰ বাবে অৱতাৰ হৈ নানা কৰ্ম কৰে। জীৱই কৰ্মৰ সমাপ্তি ঘটাবলৈ, তেওঁ কৰ্মৰ আদৰ্শ দাঙি ধৰে। অশুভ শক্তিক নিঃশেষ কৰি, সাধু সন্তক উদ্ধাৰ কৰি, কৰ্ম সংস্থাপন কৰিবলৈ তেওঁ বাৰম্বাৰ অৱতাৰ লয়। বেদান্ত দৰ্শনৰ মূল তত্ত্বও এয়ে যে তেওঁ নিৰ্গুণ হ'লেও গুণময়, অকৰ্মী হ'লেও কৰ্মী, অজ হ'লেও জন্ম লয়।

সুকীয়া সুকীয়া অৱতাৰবোৰত ঈশ্বৰে মায়া জগতৰ একো একোটা বা ততোধিক কৰ্ম সম্পাদন কৰি যায়, কিন্তু সেই অৱতাৰবোৰত তেওঁ আংশিক কলা- বিভূতি অৱতাৰ গ্ৰহণ কৰে। দ্বাপৰৰ শেষত ভগৱন্তে পূৰ্ণকলাৰে ধৰাধামত অৱতাৰ গ্ৰহণ কৰে-- সামগ্ৰিকভাৱে ভূমিৰ ভাৰ উত্তৰণৰ বাবে। কৃষ্ণ অৱতাৰত ভগৱানে প্ৰয়োজন সাপেক্ষে অলৌকিক ঐশ্বৰিক ৰূপ পৰিগ্ৰহণ কৰিছে আৰু অন্য সময়ত মানৱী ৰূপত কৰ্ম সম্পাদন কৰিছে। শিশু অৱস্থাৰ পৰা তেওঁ বৃহৎ কৰ্ম কৰি গৈ আছে আৰু পৃথিৱীৰ সকলো অশুভ শক্তি ধ্বংস কৰি শান্তিৰাজ্য প্ৰতিষ্ঠা কৰি সকলোৰে বাবে তৰণৰ উপায় দি গৈছে। দৈৱকীৰ গৰ্ভত কৃষ্ণই প্ৰথমে চতুৰ্ভূজ আৰু ঠিক তাৰ পাছতে মানৱীৰূপ গ্ৰহণ কৰি আৱিৰ্ভাৱ হয়। পৰোক্ষভাৱে প্ৰজাপতি, সুতপা-পৃষ্ণিক দিয়া বৰ অনুসৰি প্ৰথমে পৃষ্ণি গৰ্ভ, পাছৰ জন্মত বামন আৰু তাৰ পাছত কৃষ্ণৰূপে জন্ম লৈ ভক্তৰ মনোবাঞ্ছা পূৰণ কৰে।

তৃতীয় প্ৰশ্ন অনুসৰি **'সৃষ্টিৰ ৰহস্য কি?'** ভগৱানৰ তিনিটা প্ৰধান কৰ্ম হৈছে- সৃষ্টি, স্থিতি বা পালন আৰু সংহাৰ; চতুৰ্থ কৰ্ম হৈছে-- অৱতাৰ কৰ্ম। এয়ে তেওঁৰ চতুৰ্বিধ লীলা। পূৰ্বৰ তিনিটি কৰ্মৰ বাবে তিনিজন প্ৰধান দেৱতাক ভগৱন্তই সৃষ্টি কৰে-- সত্ব গুণত বিষ্ণু, ৰজঃ গুণত ব্ৰহ্মা আৰু তমঃ গুণত ৰুদ্ৰ। তিনিগুণৰ উৰ্দ্ধত তেওঁ থাকি তিনিটি কৰ্মৰ নিৰ্দেশনা প্ৰেৰণ কৰে। ভগৱন্তই তেওঁৰে নিজ মায়া মহা প্ৰকৃতিক দৃশ্যমান কৰি সৃষ্টিৰ পাতনি মেলে আৰু সৃষ্টিৰ মাজতে থাকি বিনোদন কৰে। সৃষ্টি নহ'লে তেওঁ থাকিব নোৱাৰে। ঈশ্বৰে কৈছে-

'একেশ্বৰে আছো আমি আদি নিৰঞ্জন।<br>
সৃষ্টি নাহি আমাক যে নকৰে শোভন।।'

-- অনাদি পাতন

সৃষ্টিৰ মাজত থাকি খেলা খেলিবলৈকে তেওঁক সৃষ্টিৰ প্ৰয়োজন। সপ্তস্বৰ্গ, সপ্ত পাতাল সৃষ্টি কৰি উৰণ-বুৰণ-গজন-ভ্ৰমণ-- চাৰিবিধ প্ৰাণীৰ সৃষ্টি কৰে। সমস্ত সৃষ্টিৰ ৰহস্য তেওঁতেই নিহিত হৈ আছে। ভগৱন্তৰ আহ্বানত মহা প্ৰকৃতিয়ে মহৎ তত্ব-- পঞ্চতন্মাত্ৰ -- পঞ্চ মহাভূত -- তিনি অহঙ্কাৰ -- পঞ্চজ্ঞানেন্দ্ৰিয় + পঞ্চকৰ্ম্মেন্দ্ৰিয় + মন + বুদ্ধি + চিত্তাদি সাতাইশ বিধ তত্ত্বৰ সৃষ্টি হয়। নিষ্ক্ৰিয় সাতাইশ তত্ত্বৰ লগত চৈতন্যশক্তি ৰূপে ঈশ্বৰ কৃষ্ণই মিহলি হৈ জীৱক সক্ৰিয় কৰি তোলে। পৰম ব্ৰহ্মাৰ এই শক্তিয়েই আত্মাৰূপে জীৱদেহত প্ৰতিবিম্বত হৈ জীৱাত্মাৰূপে প্ৰৱেশ কৰে। এই তত্ত্বৰাজিৰ সম্যক উপলব্ধি হ'লেহে সৃষ্টি তত্ত্বৰ জ্ঞান উপলব্ধি হয় আৰু তেতিয়াহে আত্মাৰূপী ঈশ্বৰৰ জ্ঞান হয়। অনাদি পাতন ভাগৱতত গুৰুজনাই এই সৃষ্টি তত্ত্ব ৰহস্য প্ৰকাশ কৰিছে। যিকোনো সৃষ্টি কৰ্মৰ প্ৰাক্-মুহূৰ্তত ভগৱন্তক ভক্তি কৰিলেহে সৃষ্টি সুন্দৰ আৰু মঙ্গলময় হয়। ব্ৰহ্মা, মনু, দশপ্ৰচেতা আদি সকলে সৃষ্টিৰ বাবে ভগৱানক চিন্তা কৰিছিল। সত্য-শিৱ-সুন্দৰ সৃষ্টিৰ অমূল্য ৰতন।

চতুৰ্থ প্ৰশ্ন হৈছে-- **'ভাগৱন্তৰ লীলা অৱতাৰসমূহৰ বিৱৰণ'**–

ভগৱানে বিভিন্ন অৱতাৰ গ্ৰহণ কৰি বিভিন্ন সময়ত সমাজ আৰু জগতৰ কৰ্ম পদ্ধতিৰ আভাস দি আছে। বিশেষ বিশেষ কাৰ্যৰ বাবে তেওঁ দহটি অংশ অৱতাৰ আৰু চৈধ্যটি কলা আৰু বিভূতি অৱতাৰ গ্ৰহণ কৰিছিল। তদুপৰি তেওঁ পৰৱৰ্তীকালতো জগতৰ মঙ্গলৰ হকে যে নানাঅৱতাৰ গ্ৰহণ কৰা নাই, তাকো ক'ব নোৱাৰি।

সত্যৰক্ষা, ধৰ্মৰক্ষা, প্ৰাণীৰক্ষা আদিৰ বাবে তেওঁ আৱিৰ্ভাৱ হৈ লীলাৰ মাজেদি সৎ আদৰ্শ প্ৰদৰ্শন কৰিছে। ভগৱন্তই কৰা কৰ্মাৱলীক লীলা অৱতাৰ বোলা হয়। জলৰ পৰা বেদ উদ্ধাৰ কৰিবলৈ মৎস্য, মন্দৰগিৰি ধাৰণ কৰি সাগৰ মন্থন কৰিবলৈ কূৰ্ম, বৰাহ, নৰসিংহ আদি দশ অৱতাৰ; ব্যাস, নাৰদ, পৃথু, কুমাৰবৰ্গ, নৰনাৰায়ণ আদি চৈধ্যটি অৱতাৰ গ্ৰহণ কৰি বিভিন্ন লীলা মালা কৰি গৈছিল। অৱতাৰবোৰ ক্ৰমোন্নতিৰ প্ৰতীক যেন লাগে, যেনে মাছৰ পৰা কাছ, কাছৰ পৰা জন্তু, বৰাহ, নৰসিংহ, বামণ-- এইদৰে ক্ৰমে কল্কিলৈকে উন্নত ৰূপ ধাৰণ কৰিছে, ই বিৱৰ্তনবাদ(Theory of Evolution)ৰ ৰূপক যেন লাগে। জীৱৰ ক্ৰমোন্নতি আৰু সভ্যতাৰ প্ৰগতিক যেন ই নিৰ্দেশ কৰে।

পঞ্চম প্ৰশ্ন-- **'শুক-পৰীক্ষিত সংবাদ'**। ব্ৰহ্মশাপগ্ৰস্ত পৰীক্ষিতে শুকমুনিৰ কাষচাপি কি প্ৰশ্ন কৰিলে আৰু শুকে দিয়া উত্তৰৰ মাজত শুক-পৰীক্ষিতৰ সংবাদ নিস্পতি হৈছে। পৰীক্ষিতে শুকক প্ৰশ্ন কৰিলে--

(১) কি কৰ্ম কৰিব লাগে?

(২) কি কথা শুনিব লাগে?

(৩) কাক স্মৰণ কৰিব লাগে?

(৪) কোনবোৰ কথা শ্ৰৱণ-কীৰ্তনৰ যোগ্য?

ইয়াৰ উত্তৰত শুকদেৱে পৰীক্ষিতক পৰম তত্ত্বৰ সন্ধান দান কৰিলে। পৰীক্ষিতেই মানৱ, আৰু শুকদেৱে ভগৱানৰ প্ৰতিনিধিত্ব কৰিছে। মৃত্যুক আসন্ন হিচাপে লৈ মানৱে ওপৰৰ পাঁচটা বিষয়ক আদৰি ল'ব লাগে। শুকে ক'লে-- নিষ্কামভাৱে জীৱ জগতৰ মঙ্গলৰ বাবে কাম কৰিব, ভগৱন্তৰ চতুৰ্বিধ লীলাৰ কথা শুনিব, ভগৱন্ত কৃষ্ণক স্মৰণ কৰিব, দেৱাগুণ মহিমা শ্ৰৱণ-কীৰ্তনৰ যোগ্য বুলি অহৰ্নিশে ল'ব। অতি সংক্ষেপে এয়ে শুকৰ সংবাদ। ভাগৱতৰ কাহিনীত এই নিৰ্ঘাত সত্যবোৰৰ পৰিস্ফুৰণ ঘটিছে আৰু ভক্তিৰ যোগে সাধন মাৰ্গ নিৰ্দেশিত হৈছে।

ষষ্ঠ প্ৰশ্নত-- **বৈকুণ্ঠ প্ৰয়াণৰ সময়ত কৃষ্ণই উদ্ধৱক** কৈছিল যে কৃষ্ণই বৈকুণ্ঠ প্ৰয়াণৰ পিছত ভাগৱততে মূৰ্তিমান হৈ থাকি কলিৰ লোকক উদ্ধাৰ কৰিব। পদ্ম পুৰাণৰ স্বৰ্গখণ্ডৰ 'মদ্ভাগৱতৰ মাহাত্ম্য' নামৰ অধ্যায়ৰ ৫০৪ টা শ্লোকৰ ৪টা শ্লোকত ভগৱান আৰু ভাগৱত যে একে তাক প্ৰকাশ কৰা হৈছে। উদ্ধৱে সুধিছিল, 'হে প্ৰভু'--

'ত্বদ বিয়োগেন তেভক্তাঃ কৰ্থ স্থাস্যতি ভূতলে।
নিৰ্গুনোপাসন্য কষ্টমতঃ কিঞ্চিতদ্বিচাৰয়ঃ।।'

-- ভাগৱত, ৩/৫১

অৰ্থাৎ-- 'তুমি গুচি যোৱাৰ পাছত তোমাৰ ভক্তগণে পৃথিৱীত কেনেকৈ তিষ্ঠি থাকিব? নিৰ্গুণ উপাসনা কষ্টকৰ, উপায় দিয়ক।'

ভগৱানে উপায় দিলে যে অক্ষৰ ব্ৰহ্মেৰে ভৰপূৰ ভাগৱত শাস্ত্ৰতেই বিৰাজমান হৈ থাকিব। ভগৱন্তক যি সেৱা জনাব, শ্ৰৱণ কৰিব, কীৰ্তন কৰিব, দৰ্শন কৰিব-- তেওঁ সমস্ত পাপৰ পৰা উদ্ধাৰ হৈ ভগৱানক পাব।

'তেনয়ং বাঙ্ময়ীমূৰ্ত্তিঃ প্ৰত্যক্ষাৰ্বৰ্ততে হৰেঃ।
সেবনাৎ শ্ৰৱণাং পাঠাৎ দৰ্শনাৎ পাপ নাশিনী।।'

-- ভাগৱত, ৩/৬২

এই ছয় প্ৰশ্নৰ মাজেদি আৰু পৰীক্ষিতৰ পাঁচটা প্ৰশ্নৰ যোগেদি ভাগৱত, ভক্তি আৰু মুক্তিৰ তাৎপৰ্য নিঃসৰণ হৈছে। কলিত মানৱে ভাগৱতকে সৰ্বধৰ্মৰ শিৰোমণি বুলি হৃদয়ত সাৱটি লৈ দুৰ্ঘোৰ মায়াৰ হাত সাৰি মুক্তিৰ অবিৰত সংগ্ৰাম চলাবলৈ ভাগৱতে আহ্বান জনাইছে। ■■

# বৃত্ৰাসুৰৰ বৈকুণ্ঠ গমন

**নিৰ্মলা দাস**

শ্ৰীমদ্ভাগৱত শাস্ত্ৰখনেই ভাৰতত প্ৰচাৰিত ওঠৰখন পুৰাণ শাস্ত্ৰৰ ভিতৰত এক ঈশ্বৰবাদী দৰ্শনৰ সৰ্বশ্ৰেষ্ঠ গ্ৰন্থ। সেইবাবে ভাগৱত শাস্ত্ৰখনক পুৰাণৰ সূৰ্য বুলি কোৱা হৈছে। 'ইসে পুৰাণৰ সূৰ্য্য ভকতিৰ প্ৰকাশক/ সমস্তে বেদৰ সাৰোদ্ধাৰ', 'বৈকুণ্ঠৰ কল্পতৰু, ভাগৱত শাস্ত্ৰ', 'সকল নিগম কল্পতৰু', 'সৰ্বশাস্ত্ৰ শিৰোমণি' আদি বৰ্ণনাৰে সমৃদ্ধ ভাগৱত শাস্ত্ৰ-- ভগৱন্তৰ এক আক্ষৰিক শক্তিশালী প্ৰতিনিধি। দশ লক্ষণযুক্ত 'মহন্ত পুৰাণ' ভাগৱত শাস্ত্ৰখনৰ প্ৰতিটো লক্ষণেই বিশেষ বিশেষ বিষয়েৰে তাৎপৰ্যপূৰ্ণ। প্ৰবন্ধটোৰ শিৰোনামৰ বিষয়বস্তু ভাগৱতৰ 'পোষণ' লক্ষণযুক্ত ষষ্ঠ স্কন্ধৰ আধাৰত লিখিত। ভক্তসকলৰ প্ৰতি ভগৱন্তৰ কৃপা বা অনুগ্ৰহেই পোষণ তত্ত্ব। শ্ৰীমন্ত শঙ্কৰদেৱে পোষণ তত্ত্বৰ বৰ্ণনা দিছে এনেদৰে-- 'মহাপাপী ভক্ত হয়/ তাকো কৃষ্ণে নিস্তাৰয়/ জানা ৰাজা এইটো পোষণ।'

ষষ্ঠ স্কন্ধ ভাগৱতত আছে শ্ৰীমন্ত শঙ্কৰদেৱে ৰচিত 'অজামিল উপাখ্যান' আৰু শ্ৰীচন্দ্ৰভাৰতীদেৱে ৰচিত 'বৃত্ৰাসুৰ বধ- চিত্ৰকেতুৰ কাহিনী'। বৃত্ৰাসুৰ বধ অধ্যায়ত আছে-- ইন্দ্ৰৰ দ্বাৰা স্বৰ্গৰাজ্যত গুৰু বৃহস্পতিৰ অপমান, বিশ্বৰূপক গুৰুমান্যতা প্ৰদান আৰু হত্যা, ত্বষ্টাৰ যজ্ঞত শাপগ্ৰস্ত চিত্ৰকেতুৰ বৃত্ৰাসুৰ ৰূপে আবিৰ্ভাৱ, ইন্দ্ৰৰ লগত যুদ্ধৰ অন্তত অসুৰৰ বৈকুণ্ঠ লোকলৈ গমন। এই বিস্তৃত কাহিনীবোৰৰ মাজেৰে সত্যপথত থাকি কৃষ্ণ ভক্তি, গুৰু ভক্তিৰ আদৰ্শ পালন আৰু মহিমাময় মৃত্যুবৰণ কৰাৰ সমৃদ্ধ বৰ্ণনা প্ৰকাশিত হৈছে।

সত্যযুগৰ শেষাৰ্দ্ধৰ কাহিনী। স্বৰ্গৰাজ ইন্দ্ৰৰ দ্বাৰা দেৱগুৰু বৃহস্পতি অপমানিত হয়। ক্ষণমাত্ৰ পলম নকৰি গুৰু বৃহস্পতি 'ঐত থাকিবাৰ নাহিকে যুগুতি' বুলি উপলব্ধি কৰি দেৱলোক এৰি অন্তৰ্দ্ধান হয়। কুলগুৰু জ্ঞানদাতা পৰম পণ্ডিতজনক হেৰুৱাই ইন্দ্ৰই তেওঁৰ ৰাজ্য হেৰুৱাব লগা হয়-- অসুৰবোৰৰ আক্ৰণৰ দ্বাৰা ব্ৰহ্মাৰ উপদেশ মতে দেৱৰাজে তুষ্টাৰ পুত্ৰ বিশ্বৰূপক গুৰু আসনত বহুৱায় আৰু বিশ্বৰূপৰ পৌৰহিত্যত এক যজ্ঞ অনুষ্ঠিত কৰে। ত্বষ্টা আৰু বিশ্বৰূপ দুয়োজনে দধীচি মুনিৰ পৰা 'নাৰায়ণ কৱচ' মন্ত্ৰ গ্ৰহণ কৰিছিল।

বিশ্বৰূপেও ইন্দ্ৰক সমস্ত শত্ৰু, ৰোগ-ব্যাধি আদিৰ পৰা পৰিত্ৰাণ পাব পৰা 'নাৰায়ণ কৱচ' মন্ত্ৰ দান কৰিলে। নাৰায়ণ কৱচ পাই ইন্দ্ৰৰাজ সকলো দৈত্যক জিনি স্বৰ্গৰাজ্য পালে। আনহাতে বিশ্বৰূপক বধ কৰি তেওঁ 'ব্ৰহ্মবধী'ও হ'ল। ত্ৰিশিৰা বিস্বৰূপৰ পিতৃপক্ষ আছিল- দেৱতাসকল আৰু মাতৃপক্ষ আছিল দৈত্যসকল। বিশ্বৰূপে পিতৃ তৃষ্টাৰ পৰা পৱিত্ৰ মন্ত্ৰপূত নাৰায়ণ কৱচৰ মন্ত্ৰ পাইও ব্যভিচাৰ ভকতি কৰিলে-- এহাতে দেৱক আৰু আনখন হাতেৰে দৈত্যসকলক বিষ্ণুৰ নিৰ্মালি অৰ্পণ কৰি। দেৱৰাজ ইন্দ্ৰই এই ব্যভিচাৰ ভকতিৰ কথা জানিব পাৰি বিশ্বৰূপক হত্যা কৰি ব্ৰহ্মবধত পতিত হ'ল।

পুত্ৰৰ মৃত্যুৰ সংবাদে তুষ্টামুনিক বিচলিত কৰিলে। মুনিয়ে পুত্ৰহন্তা ইন্দ্ৰৰ ধ্বংসৰ বাবে এক যজ্ঞ বিসঙ্গতিত 'ইন্দ্ৰশত্ৰু' বৃত্ৰাসুৰৰ আবিৰ্ভাৱ হ'ল যজ্ঞস্থলীৰ পৰা বৃত্ৰাসুৰৰ শাৰীৰিক ৰূপ আছিল ভয়ঙ্কৰভাৱে ভয় লগা। তেওঁৰ শৰীৰৰ দ্বাৰা সমস্ত লোক আবৃত হৈ পৰাৰ বাবে তেওঁৰ নাম হৈছিল 'বৃত্ৰাসুৰ'। দেৱতাসকলে অসুৰক নাশ কৰিবলৈ আগবাঢ়ি যাওঁতে তেওঁলোকৰ সমস্ত অস্ত্ৰ-শস্ত্ৰ যেতিয়া বৃত্ৰাসুৰে গ্ৰাস কৰিলে, তেতিয়াহে দেৱৰাজ ইন্দ্ৰই উপলব্ধি কৰিব পাৰিলে যে-- 'ইটো মহাভয়/ তাৰন্তা নাহিকে/ কৃষ্ণ বিনে একোজন।' কৃষ্ণৰ কৃপা পাবলৈ

কৰচৰ মন্ত্ৰই মাত্ৰ উদ্ধাৰ নকৰে; কৰে 'কৃষ্ণ' পৰমমঙ্গল নাম উচ্চাৰণে। শ্ৰীচন্দ্ৰ ভাৰতীদেৱে শুকমুনিৰ বাক্যেৰে প্ৰকাশ কৰিছে, এইদৰে

একে কৃষ্ণ নামে তৰি দুৰ্গতি সকল।
কৰচতো কৰি কৃষ্ণ নাম সুমঙ্গল।।

'কুকুৰৰ নেজত ধৰি সাগৰ পাৰ হোৱা বাসনা' যে মূৰ্খামি সেই কথা তেতিয়াহে দেৱতাসকলৰ বোধগম্য হ'ল। ইন্দ্ৰ প্ৰমুখ্যে দেৱতাসকল তেতিয়া বৃত্ৰাসুৰৰ ভয়ঙ্কৰ আক্ৰমণৰ ভয়ৰ পৰা ৰক্ষা পৰিবৰ বাবে-- 'ত্ৰাহি ত্ৰাহি কৃষ্ণ/ অৰিষ্ট মৰ্দন/ তাৰিয়ো ঘোৰ দুৰ্গতি।' বুলিকৈ ভগৱন্তক স্তুতি কৰিবলৈ ধৰিলে।

দুষ্টক দমন আৰু শিষ্যক পালন কৰাৰ ইচ্ছাৰে ভগৱন্তই বহুতো অৱতাৰ ধৰিছিল। দেৱতাসকলৰ মাজত বামণ, ঋষিসকলৰ মাজত পৰশুৰাম, পশুৰ মাজত নৃসিংহ, বৰাহ আদি জলচৰৰ মাজত মৎস্য, কূৰ্ম আৰু মনুষ্যৰূপ শ্ৰীকৃষ্ণ, শ্ৰীৰামচন্দ্ৰ ৰূপে আবিৰ্ভূত হৈ ভকতক ৰক্ষা কৰিছিল। দেৱতাসকলে পূৰ্বকথা সুৱৰি ভগৱন্তক স্তুতি কৰাত চৈধ্য পাৰিষদ সৈতে ভগৱন্ত আহি স্বৰ্গৰাজ ইন্দ্ৰৰ সন্মুখত আবিৰ্ভূত হ'লহি। ভগৱন্তৰ অপূৰ্ব ৰূপ দেখি দেৱতাসকলে বাৰে বাৰে স্তুতি কৰি, অৱশেষত শত্ৰু বৃত্ৰাসুৰ নিধনৰ বৰহে মাগিলে।

তযু পাদপদ্ম ছত্ৰ ছায়া পাই
আৰু কিছু ভয় নাই।
ঘোৰ বৃত্ৰাসুৰ যিমতে মৰয়
দিয়োক তাৰ উপায়।। ভাগৱত, ৫৮৮০

অহৈতুকী কৃপাবশতঃ ভগৱন্তই দেৱতাসকলৰ প্ৰাৰ্থনা শুনিলে, কিন্তু লগতে তেওঁলোকক সোঁৱৰাই দিলে যে একান্ত ভকতে একো বাঞ্ছা নকৰে মাত্ৰ ভগৱন্তৰ নাম-গুণ কীৰ্তনতে সকলো সুখ পোৱাৰ আনন্দ লাভ কৰে। যিজনে 'ভকতিৰ সুখ' কি বস্তু বুজিব পাৰিছে তেওঁ কেতিয়াও কৰ্ম দুখ ভোগ নকৰে। পৰৱৰ্তীকালত মহাপুৰুষ মাধৱদেৱেও নামঘোষাত ব্যক্ত কৰিছে এইদৰে-

'হৰিৰ কীৰ্ত্তন যিজনে নকৰে
তাত পৰে নাহি দুখী।
হৰি গুণ নাম সন্তোষ অমৃত
পিয়ৈ যিটো যিটো সুখী।।

-- নামঘোষা, ২১৯

বৃত্ৰাসুৰ অসুৰ জন্ম পালেও অদমনীয় শক্তিৰ গৰাকী তেওঁ। তাৰ উপৰি তেওঁ ত্বষ্টাৰ যজ্ঞৰ পৰা আবিৰ্ভূত মুনিৰ মানসপুত্ৰ। সেই হেন অসুৰৰ জীৱন নাশৰ বাবে ইন্দ্ৰই কৰা স্তুতিৰ অন্তত ভগৱন্তই তেওঁলোকক দধীচি মুনিৰ দেহ দান মাগি-- তেওঁৰ শৰীৰৰ অস্থিৰে বজ্ৰ নিৰ্মাণ কৰিবৰ বাবে আদেশ কৰিলে।

বৃত্ৰাসুৰৰ বৈকুণ্ঠ ধামলৈ গতি কৰাৰ সকলো প্ৰস্তুতি ভগৱন্তৰ ইচ্ছাত সম্পূৰ্ণ হ'ল-- এতিয়া আৰম্ভ হ'ল যাত্ৰা।

'সত্য অৱসানে ত্ৰেতাযুগ উপসন।
নৰ্মদা নদীৰ তীৰে লাগি গৈল ৰণ।।'

ভাগৱত, ৫৯৩৩

দেৱতাসকলৰ দৰে বৃত্ৰাসুৰেও সমস্ত অসুৰসকলৰ সমাবেশত যুদ্ধং দেহি বুলি আগবাঢ়িল। বজ্ৰধৰ ইন্দ্ৰৰ বিপৰীতে অসুৰৰ অস্ত্ৰবোৰে দেৱতাসকলক একোৰেই কৰিব নোৱাৰিলে। দৈত্যৰ অস্ত্ৰবোৰ ব্যৰ্থ হোৱাত সকলো দৈত্য যুদ্ধক্ষেত্ৰৰ পৰা পলাব ধৰিলে। নমুচি, পুলোমন, সম্বৰ আদি মহা মহা দৈত্য বীৰ সকল যুদ্ধক্ষেত্ৰৰ পৰা পলায়নমুখী হোৱাত বৃত্ৰাসুৰে সেইসকলক উদ্দেশ্যি যিবোৰ ধৰ্মবাণী ক'বলৈ ধৰিলে, সেইবোৰ গভীৰ আধ্যাত্মিক তত্বেৰে পৰিপূৰ্ণ। বৃত্ৰাসুৰে ক'লে যে জীৱবোৰৰ জন্মগ্ৰহণৰ লগে লগে মৃত্যুও অৱশ্যম্ভাৱী হৈ পৰে। মৃত্যুক জয় কৰিব নোৱাৰি; কিন্তু মৃত্যুৰ যশ চিৰদিনৰ বাবে যুগমীয়া কৰি থ'ব পাৰি। বৃত্ৰাসুৰে আকৌ ক'লে যে--

দুৰ্ল্লভ দুই গোটা মৃত্যু
সংসাৰ তৰণ হেতু
মহামুনি গণ আৰু গাৰে।
কৃষ্ণত ভকতি ধৰি, মৰে হৰি নাম স্মৰি
সদ্যে সিটো মুকুতিক পাৱে।।

ভাগৱত, ৫৯৬৪

অৰ্থাৎ- দুই প্ৰকাৰৰ মহিমাময় মৃত্যু আছে, কিন্তু সিও দুৰ্ল্লভ। এটি মহামুনিসকলে ভক্তিযোগাদিৰ দ্বাৰা মন-প্ৰাণ-বায়ু সংযত কৰি ভগৱন্তৰ ধ্যানত মৃত্যুবৰণ কৰা,

আনটো সমুখ সমৰৰ পৰা পলাই নগৈ, কৃষ্ণক অন্তৰত স্মৰণ কৰি যদি মৃত্যুবৰণ কৰে, সেয়াই জীৱৰ বাবে অমূল্য মৃত্যু।

গুৰুবধী, ভাতৃবধী ইন্দ্ৰক বধিবৰ বাবে বৃত্ৰাসুৰে সমস্ত শক্তিৰে সমুখ সমৰত আগবাঢ়ি গ'ল। বৃত্ৰৰ গৰ্জন শুনি দেৱতাসকলে চেতনশূন্য হৈ পৰিল। বৃত্ৰৰ কটুক্তিবোৰ সহ্য কৰিব নোৱাৰি ইন্দ্ৰই বৃত্ৰলৈ গদা এৰিলে আৰু সেই গদা বৃত্ৰই অনায়াসে বাওঁহাতেৰে ধৰি ভাঙি চূৰমাৰ কৰি দিলে। তাৰপিছত ভাতৃহন্তাৰ প্ৰতিশোধ ল'বলৈ ইন্দ্ৰৰ হাতীটোক 'সুপ্তধেনু' (২৮হাত) আঁতৰত পেলাই দিলে। হাতীটোৰ অৱসন্নভাৱ হোৱা দেখি বৃত্ৰাসুৰে ইন্দ্ৰৰ প্ৰতি দ্বিতীয়বাৰ গদা নুতুলিলে। এইখিনিতেই বৃত্ৰাসুৰৰ মহৎ গুণৰ প্ৰকাশ পাইছে। এয়াই আছিল বৃত্ৰাসুৰৰ ধৰ্মনীতি। 'বৃত্ৰ মহামতি/ ধৰ্ম্মতেসে ৰতি/ অধৰ্ম্মক নাচৰিলা।'

বৃত্ৰাসুৰে কিন্তু ভাতৃশোক পাহৰিব পৰা নাই. যুদ্ধৰ বাসনাৰে ইন্দ্ৰই পুনৰ হাতত বজ্ৰাস্ত্ৰ তুলি লোৱাত বৃত্ৰাসুৰৰ অন্তৰ ভাতৃঘাতকৰ প্ৰতি ঘৃণাত বিভ্ৰান্ত হৈ পৰিল। ইন্দ্ৰক কটাক্ষ উক্তিৰে থকা সৰকা কৰিলে। আত্ম মহাজ্ঞানী, বিদ্যাত নিপুণ বিশ্বৰূপক গুৰু মানি হত্যা কৰা ঘটনা স্পষ্টভাৱে এটি মহাপাপ।

'গুৰুবধ মহা পৰম পাতেক
আকো নুগুনিলি মনে।
যেন নিদাৰুণ পশুক পুষিয়া
কাটে স্বৰ্গগামী জনে।। ভাগৱত, ৫৯৭৭

* * *

শত্ৰুক নিজিলি স্বৰ্গক লভিলি
পূজিয়া যাৰ চৰণ।
হেনয় গুৰুক পৰম বন্ধুক
বধিলি কিক দুৰ্জন।।

ভাগৱত, ৫৯৭৮

বৃত্ৰাসুৰে ইমানতে ক্ষান্ত নাথাকি ইন্দ্ৰলৈ বাক্যবাণ মাৰিলে এই বুলি যে-- এজন ব্ৰাহ্মণক বধ কৰাৰ পিছতো মই হেন এজনক মাৰিবৰ বাবে আন এজন ব্ৰাহ্মণক বধ কৰি বজ্ৰ তৈয়াৰ কৰিছে। গতিকে এই ব্ৰাহ্মণ বধৰ সমান মহাপাপ নাই। লাজ, দয়া, কীৰ্তি আৰু ঐশ্বৰ্য্য সকলোবোৰৰ পৰা গুৰুবধ, ব্ৰহ্মবধ পাপৰ বাবে ইন্দ্ৰ ভ্ৰষ্ট হৈছে।

বৃত্ৰ এজন অসুৰ আছিল যদিও বৈষ্ণৱী গুণৰ অধিকাৰী আছিল। তেওঁ ইন্দ্ৰক সম্বোধন কৰি কৈছিল যে বিষ্ণুতেজ আৰু দধীচি মুনিৰ শক্তিযুক্ত অস্থিৰে নিৰ্মিত বজ্ৰৰ দ্বাৰা বৃত্ৰাসুৰক বধ কৰিব পাৰিব, তাত সন্দেহ নাই। এই কাৰ্যৰ দ্বাৰা ইন্দ্ৰৰ শ্ৰী, যশ, বৃদ্ধি পাব-- এইটোও ঠিক, কাৰণ 'কৃষ্ণ তুষ্ট ভৈলা যাৰ, শ্ৰী যশ হোৱয় তাৰ।' এই হতাহতি কাৰ্যত বৃত্ৰাসুৰেও দুখ পাব বুলি ইন্দ্ৰক ভাবিবলৈ মানা কৰিছে, কাৰণ তেৰোঁ কৃষ্ণৰ চৰণ পদ্ম দুখানিত তেওঁৰ মন প্ৰাণ সপি দিছে। ইমানৰ পিছত বৃত্ৰাসুৰে ইন্দ্ৰক অভয়বাণী শুনালে এই বুলি যে-- তেওঁক কৃপাময় নাৰায়ণে স্বৰ্গপদ নিদিয়ে। ভগৱন্তই যাক সেৱক ৰূপে গ্ৰহণ কৰে তেওঁক তুচ্ছ ভূ-সম্পত্তি দান নকৰে। এইবোৰে লোভ মোহ কাম ক্ৰোধহে বঢ়ায়। যিবোৰৰ দ্বাৰা শত্ৰুতা, মনস্তাপ, গৰ্ব আদি নীচাত্মক ভাৱৰ উদ্ভৱ হয়। বৃত্ৰাসুৰে এইখিনিতে ইন্দ্ৰক প্ৰশ্ন কৰিলে এইবুলি যে ভগৱন্তই ভকতক কি দিয়ে তেওঁ জানে নে নেজানে? ভকতলৈ দিয়া ভগৱন্তৰ দান, যাগ, যজ্ঞ, মহাতপ, মহাজ্ঞান, আদিৰে ঢুকি নাপায়।

ভকতৰ প্ৰাণ বন্ধু কৃষ্ণেসে কৰুণা সিন্ধু
কৃষ্ণ বিনে নিচিন্তোহো আন।
কৃষ্ণৰ ভকতি বিনে বন্ধু নাই ত্ৰিভুৱনে
বেদে আৰ কহন্ত প্ৰমাণ।।

বৃত্ৰাসুৰে ইমান পৰৰ পিছত ইন্দ্ৰক আকৌ যুদ্ধলৈ আহ্বান কৰি ভগৱন্তক তুতি কৰিবলৈ ধৰিলে। বিৰাটাকায়, ভয়লগা শৰীৰ বৃত্ৰাসুৰৰ, কিন্তু তেওঁৰ অন্তৰ ভকতিৰ ধাৰাৰে বিগলিত, তেওঁ মহানুভৱ পৱিত্ৰ অন্তৰৰ অধিকাৰী বৃত্ৰাসুৰে কায়, মন, বাক্য ভগৱন্তৰ চৰণত অৰ্পণ কৰি তাৰাৰ পদকিঙ্কৰ হৈ দাসৰো দাস হৈ থাকিবলৈ বাঞ্ছা কৰিছে। যুদ্ধক্ষেত্ৰত ভগৱন্তলৈ কি অপূৰ্ব কাকুতি! বৃত্ৰাসুৰৰ আকুল আকাঙ্খা তেওঁৰ ভ্ৰমৰ ৰূপী মন যেন প্ৰাণহৰিৰ চৰণৰ দাস হৈ থাকিব পাৰে, সদায় যেন তেওঁৰেই গুণ নাম শ্ৰৱণ কীৰ্তন কৰি থাকিব পাৰে, হাত দুখন যেন ভকতিৰ কাম কৰি থাকিব পাৰে আৰু এই

দেহাটো যেন সদায় ঈশ্বৰেই সেৱাত ব্ৰতী হৈ থাকিব পাৰে।

বৃত্ৰাসুৰে দুনাই দুনাই কাকূতি কৰিছে যে ভগৱন্তৰ পৰম্পদ এৰি ধ্ৰুৱলোক, ব্ৰহ্মপদ, একছত্ৰী ৰাজ্যৰ ৰজা, অনিমা লঘিমা আদি অষ্টযোগ একোৰেই প্ৰয়োজন নাই।

বৃত্ৰাসুৰে যুদ্ধত জয় লাভৰ আশা নকৰি বিজয়তকৈ মৃত্যুকে শ্ৰেষ্ঠ বুলি মানি লৈছে। সেই বাবে এই মহিমাময় মৃত্যুৰ আশাত ইন্দ্ৰক প্ৰৱলভাৱে আক্ৰমণ কৰিলে। প্ৰচণ্ড ভাৱে যুদ্ধ কৰি থাকোতে ইন্দ্ৰৰ হাতৰ পৰা বজ্ৰ পৰি যোৱাত ইন্দ্ৰই সেই অস্ত্ৰ তুলি ল'বলৈ দ্বিধাবোধ কৰিলে। তাকে দেখি বৃত্ৰাসুৰে যি কথা ইন্দ্ৰক ক'লে, তাৰ পৰা অসুৰৰ গভীৰ জ্ঞানৰ পৰিচয় পোৱা যায়।

বৃত্ৰই ক'লে যে-- 'ঐলোক্য ঈশ্বৰ এক মাধৱত বিনে' কোনো কালে কোনেও জয়ী হ'ব পৰা নাই। ইন্দ্ৰৰ দ্বাৰা তেওঁ হত হ'লেও তাত দুখৰ কাৰণ একো দেখা নাযায়। বৃত্ৰৰ মতে জীৱনৰ কীৰ্তি, অকীৰ্তি সুখ-দুখ, জয়-পৰাজয়, জীৱন-মৰণ সকলোৰে কৰ্ত্তা এক ঈশ্বৰ।

বৃত্ৰাসুৰে গুৰুৰ দৰে ইন্দ্ৰক উপদেশমূলক তত্ত্ব কথা কৈ নিজৰ মহানতা প্ৰকাশ কৰিছিল। অসুৰে কৈছিল-- 'হাৰিয়া জিনয় কতো জিনিয়া হাৰয়।' বৃত্ৰৰ তত্ত্বগধূৰ বাণীবোৰ শুনি ইন্দ্ৰও অসুৰক প্ৰশংসা কৰিবলৈ বাধ্য হৈছিল-- 'নুহিকে দানৱ তই, দেৱতা অধিক।' অসুৰৰ প্ৰতি ইন্দ্ৰই শত্ৰুতা পাহৰি শ্ৰদ্ধাহে প্ৰদৰ্শন কৰিলে, এইদৰে--

'জানিলো বৈষ্ণৱী মায়া তই হে তৰিলি।
অসুৰ স্বভাৱ এৰি কৃষ্ণক ভজিলি।।
বৈষ্ণৱৰ মাজে তই ভৈলি একজন।
তোহোকেসে সুমৰি নিস্তৰে ত্ৰিভুৱন।।

ভাগৱত, ৬০৪৩

দেৱ আৰু অসুৰ-- বীৰৰ দৰে সমুখ সংগ্ৰামত জপিয়াই পৰিল।

'ইন্দ্ৰে সুমৰন্ত জয় কৃষ্ণ ভগৱন্ত।
বৃত্ৰে সুমৰন্ত হৰি অচ্যুত অনন্ত।।

যুদ্ধৰ মাজতে বৃত্ৰাসুৰে নিজৰ হাত দুখন হেৰুৱাই ইন্দ্ৰক অস্ত্ৰ আৰু হস্তীৰে সৈতে গ্ৰাস কৰিলে। কোনো ক্ষতি নোহোৱাকৈ অস্ত্ৰ আৰু হস্তীৰে সৈতে ইন্দ্ৰই বৃত্ৰৰ পেট ফালি ওলাই আহিবলৈ সক্ষম হ'ল। ইন্দ্ৰৰ হাতত বৃত্ৰ পৰাজিত হ'ল। এবছৰ নল ৰেপি ৰেপি ইন্দ্ৰই বৃত্ৰৰ শিৰশ্ছেদ কৰিবলৈ সক্ষম হ'ল আৰু লগতে বৃত্ৰৰ দেহৰ পৰা জ্যোতি ওলাই কৃষ্ণতে লীন হৈ গ'ল।

'বৃত্ৰৰ দেহাত আত্ম ভৈল বাজ
প্ৰকাশে জ্যোতি অশেষ।
সমস্ত জগতে চাহিয়া আছন্ত
কৃষ্ণত ভৈল প্ৰৱেশ।।

ভাগৱত, ৬০৯৬

বৃত্ৰই অসুৰ জন্ম লাভ কৰিও বৈকুণ্ঠ ধামলৈ গতি কৰি পৰম মুকুতি পালে। ৰজা চিত্ৰকেতু পাৰ্বতীৰ দ্বাৰা অভিশপ্ত হৈ বৃত্ৰাসুৰ ৰূপে অসুৰ হৈ আবিৰ্ভূত হৈছিল; কিন্তু তেওঁৰ অন্তৰ আছিল আধ্যাত্মিক জ্ঞানেৰে পুষ্ট। ভগৱন্তৰ প্ৰতি অকৃত্ৰিম ভক্তিয়েই এই জ্ঞানৰ মূল আৰু এই জ্ঞান সকলো জন্ম সকলো কালতেই লগত থাকে বুলি ভাগৱতে কয়।■■

# ভাগৱতৰ দ্বিতীয় স্কন্ধৰ এটি তাত্ত্বিক পৰ্যালোচনা

**প্ৰদীক কুমাৰ শইকীয়া**

ভাগৱত পুৰাণ নামৰ মহাশাস্ত্ৰভাগ ৰচনা কৰিছিল পৰাশৰ পুত্ৰ ব্যাসদেৱে। অষ্টাদশ মহাপুৰাণৰ ভিতৰত শ্ৰীমদ্ভাগৱতেই আটাইতকৈ সমাদৃত আৰু মৰ্যাদাপূৰ্ণ শাস্ত্ৰ। কাৰণ পুৰাণ তিলক ভাগৱত শাস্ত্ৰত ভগৱানৰ স্বৰূপ, লীলা, মাহাত্ম্য আদি প্ৰাঞ্জলভাৱে প্ৰকাশ পোৱাৰ উপৰি 'কৃষ্ণস্তু ভগৱান্ স্বয়ম্'ক পোৱাৰ উপায় বিস্তৃতভাৱে বৰ্ণিত হৈছে। অষ্টাদশ পুৰাণৰ ভিতৰত ভাগৱতক 'সূৰ্য পুৰাণ' বুলি কোৱা হয়। সমগ্ৰ বেদৰ সাৰ স্বৰূপ শ্ৰীমদ্ভাগৱত শাস্ত্ৰ হ'ল পৰম ব্ৰহ্ম ভগৱন্ত পুৰুষ। সেয়ে ইয়াক ভগৱানৰ বাঙ্ময় মূৰ্তিৰূপে গণ্য কৰা হয়। ভাগৱতৰ লক্ষণ আৰু পৰমপুৰুষ ভগৱানৰ লক্ষণ একেই। দুয়োৰে লক্ষণ হ'ল সচ্চিদানন্দময়। সনাতন বৈষ্ণৱ সমাজত ভাগৱতৰ এক বিশেষ প্ৰভাৱ আছে। ধৰ্ম, সমাজ, সংস্কৃতিত ভাগৱতে ব্যাপক স্থান দখল কৰিবলৈ সক্ষম হৈছে। বৈষ্ণৱ সমাজৰ পৰম্পৰাত ভাগৱতৰ অবিহনে সমাজ জীৱনৰ কল্পনা কৰিব নোৱাৰি। শ্ৰীমদ্ভাগৱতে মানৱ জীৱন পূৰ্ণ কৰাৰ লগতে প্ৰভু ভগৱন্তৰ সান্নিধ্য আৰু সমাজ জীৱনৰ সৰ্বস্তৰৰ বিকাশ সম্ভৱ কৰি তুলিব পাৰে।

উত্তম ভক্তি শাস্ত্ৰৰূপে অতি জনপ্ৰিয় ভাগৱত শাস্ত্ৰখনৰ লিখিত ৰূপত ১৮ হেজাৰ সংস্কৃত শ্লোক সন্নিৱিষ্ট হৈ আছে। ৩৩৫টা অধ্যায় আৰু ১২টা স্কন্ধত বিভাজন কৰা হৈছে। ভাগৱত শাস্ত্ৰ দুটা সম্প্ৰদায় মাজেৰে জগতলৈ প্ৰৱেশ কৰিছে বুলি জনা যায়। প্ৰথমটোৰ মতে ইয়াৰ প্ৰৱৰ্তক ভগৱান নাৰায়ণ। নাৰায়ণ কৃষ্ণই পদ্মকল্পত ব্ৰহ্মাক ক'লে। ব্ৰহ্মাই বৰাহ কল্পত নাৰদক আৰু নাৰদে ব্যাসক, ব্যাসে নিজপুত্ৰ আত্মতত্ত্বজ্ঞ শুকদেৱক, শুকদেৱে ব্ৰহ্ম শাপত মুমূৰ্যু পৰীক্ষিতক শুনায়। শুকে পৰীক্ষিতক ভাগৱত ধৰ্মৰ উপদেশ দি থাকোতে ৰোমহৰ্ষণ সূতৰ পুত্ৰ উগ্ৰশ্ৰৱা সূতেও ভাগৱত একান্তমনে শ্ৰৱণ কৰিছিল। পিছত নৈমিষাৰণ্যত শৌণকাদি ঋষিসকলৰ আগত উগ্ৰশ্ৰৱা সূতে ভাগৱত কীৰ্ত্তন কৰে। আনটো সম্প্ৰদায়ক অনন্ত সম্প্ৰদায় বোলে। প্ৰধানকৈ শুক পৰীক্ষিতৰ সংবাদ স্বৰূপেই ভাগৱতৰ পৰিচয়। ব্যাসৰ অসন্তোষ অশান্তি আৰু নাৰদৰ উপদেশেই ভাগৱত সৃষ্টিৰ কাৰণ বুলি নিৰ্দেশ কৰিছে।

মহাপুৰুষ শঙ্কৰদেৱে প্ৰচাৰ কৰা একশৰণ ভক্তিধৰ্মৰ ঘাই আধাৰ গ্ৰন্থ হৈছে ভাগৱত পুৰাণ। 'সৰ্বশ্ৰুতি শিৰোৰত্ন', সৰ্ব 'বেদান্তসাৰ', 'বৈকুণ্ঠৰ কল্পতৰু' আদি অভিধাৰে বিভূষিত শ্ৰীমদ্ভাগৱত পুৰাণক মহাপুৰুষে 'পুৰাণ সূৰ্য' বা শ্ৰেষ্ঠতম পুৰাণ বুলি প্ৰশংসা কৰিছে--

'শুনিয়োক সৰ্বজন কৃষ্ণত অৰ্পিয়ো মন  
মহাভাগৱত কথা সাৰ।  
ইসে পুৰাণৰ সূৰ্য্য ভকতিৰ প্ৰকাশক  
সমস্ত বেদৰে সাৰোদ্ধাৰ।।

দশম স্কন্ধ, ৪২৫

আমাৰ আলোচ্য স্কন্ধটো হ'ল দ্বিতীয় স্কন্ধ ভাগৱত। ইয়াত মুঠ ১০ টা অধ্যায় আছে। শুকৰ প্ৰবচন, ধ্যানবিধি, ভগৱানৰ বিৰাটৰূপ বৰ্ণন, যোগীসকলৰ যোগচাৰণ, নানাবিধ কামনা সিদ্ধিৰ বাবে নানা দেৱতাৰ উপাসনা, শৌণকৰ প্ৰশ্ন, সূতৰ উক্তি, ৰজাৰ সৃষ্টি বিষয়ক প্ৰশ্ন, ব্ৰহ্মাৰ প্ৰতি নাৰদৰ প্ৰশ্ন, ব্ৰহ্মোক্তি, পুৰুষসূক্তত ভগৱানৰ বিৰাট ৰূপৰ বৰ্ণন, বৰাহ অৱতাৰৰ আৰম্ভ, শ্ৰীকৃষ্ণ অৱতাৰলৈকে অৱতাৰসমূহৰ সংক্ষেপ বৰ্ণন, পৰীক্ষিতৰ প্ৰশ্ন, শুকৰ উত্তৰ, পুৰাণৰ লক্ষণ আদি গুৰুত্বপূৰ্ণ কথা বৰ্ণনা কৰা হৈছে।

দ্বিতীয় স্কন্ধৰ দহটা অধ্যায়ৰ কথাখিনি ভাগৱতৰ মহাধৰ্ম বুলি প্ৰথম আৰু দ্বিতীয় অধ্যায়ত সামৰিছে। অভীষ্ট লাভৰ উপায়, তৃতীয় অধ্যায় সৃষ্টি বৰ্ণনাৰ মঙ্গলাচৰণ আৰু সৃষ্টি বৰ্ণনা চতুৰ্থ অধ্যায়, বিৰাট পুৰুষৰ বিভূতি বৰ্ণনা পঞ্চম আৰু ষষ্ঠ অধ্যায়, ভাগৱতৰ লীলা অৱতাৰ সপ্তম অধ্যায়, ভাগৱতৰ বিষয়ে পৰীক্ষিতৰ প্ৰশ্ন আৰু শুকদেৱৰ ভাগৱত কথন অষ্টম-নৱম অধ্যায় আৰু ভাগৱতৰ ব্যাখ্যা সম্বন্ধে শুকদেৱৰ ৰাজপ্ৰশ্নোত্তৰ দশম অধ্যায়ত সামৰিছে।

ভাগৱতৰ দ্বিতীয় স্কন্ধতো দেখাত চমুচমু যেন লাগিলেও ইয়াৰ মাজেদি সনাতন বৈষ্ণৱ ধৰ্মৰ অতি গুৰুত্বপূৰ্ণ তাত্ত্বিকতা প্ৰকাশ পাইছে। গোটেই অধ্যায়কেইটা বিশ্লেষণ কৰিলে বিভিন্ন তত্ত্ব কথা আমাৰ চকুত ধৰা পৰে। ইয়াৰ ভিতৰত আমাৰ দৃষ্টিৰে পোৱা প্ৰধান প্ৰধান তত্ত্বকেইটা দাঙি ধৰিবলৈ প্ৰতিষ্ঠা কৰিলো। যুগ সাপেক্ষে যুগধৰ্ম নিৰ্ণয়, কলি প্ৰভাৱৰ পৰা মুক্ত হ'বলৈ একমাত্ৰ পৰম ব্ৰহ্মাৰ ওচৰত শৰণাপন্ন হৈ ঈশ্বৰৰ নাম মুক্তকণ্ঠে ঘোষণা কৰা, নামধৰ্মৰ শ্ৰেষ্ঠতা, জ্ঞানীজনৰ সত্য শুদ্ধ ৰূপত হৰিনাম চিন্তন, ইন্দ্ৰিয় সংযমৰ উপায়। অজ্ঞানীজনৰ কৃষ্ণক এৰি অন্য দেৱতাক পূজন, হৰি বিমুখজনৰ কেনে দুৰ্গতি, শ্ৰৱণ-কীৰ্তনৰ মহানতা, হৰিনামত বৰ্ণ বৈষম্যহীনতা জাত-পাতৰ অভিন্নতা, নৱবিধ ৰসৰ ভিতৰত ভক্তিৰসৰ প্ৰাধান্যতা, সৎসঙ্গ লাভৰ মাহাত্ম্য, চাৰি পুৰুষাৰ্তৰ মাজৰ পঞ্চম পুৰুষাৰ্থ লাভৰ উপায়, মায়া বন্ধনৰ উত্তম উপায়, বহু দেৱতাৰ মাজত এক দেৱতাৰ সন্ধান আৰু শ্ৰেষ্ঠতা, একশৰণ হৰি নামধৰ্ম নীতি ব্যৱস্থা, পৰমব্ৰহ্ম কৃষ্ণ জগতৰ মূল আধাৰ, সৃষ্টিৰ আদিতো একমাত্ৰ পৰমব্ৰহ্ম কৃষ্ণ আৰু মধ্যতো কৃষ্ণ। আকৌ সৃষ্টিৰ অন্ততো একমাত্ৰ পৰমব্ৰহ্ম কৃষ্ণহে থাকিব, ইত্যাদি কথা প্ৰাঞ্জলকৈ বৰ্ণনা কৰিছে।

হৰিনামৰ মহিমা আৰু কৃষ্ণনামৰ জয় ঘোষণাৰে দ্বিতীয় স্কন্ধ আৰম্ভ হৈছে। মঙ্গলাচৰণত যুগধৰ্ম নিৰ্ণয় আৰু কলিকৃষ্ণ দোষ দূৰ কৰিবলৈ ঈশ্বৰৰ নাম উচ্চ স্বৰে ঘোষিবলৈ আহ্বান জনাই মহাপুৰুষজনাই নিজৰ মত, আদৰ্শ আৰু দৰ্শন এনেদৰে ব্যক্ত কৰিছে--

'নাহিকে জ্ঞান যাৰ জাতি ধৰ্ম্ম মাত্ৰ কৰে।<br>
নিতে বলি বিশ্ব পঞ্চ যজ্ঞ আচৰে।।<br>
তাহাৰ শ্ৰোতব্য কথা আছে অসংখ্যাত।<br>
হৰি বিমুখৰ হোৱৈ ব্যৰ্থে আয়ু পাত।।৬<br>
দিন ভৈলে ধন কুটুম্বৰ চিন্তা কৰৈ।<br>
নিদ্ৰা স্ত্ৰী আলাপনে ৰাত্ৰি আয়ু হৰৈ।।<br>
মিছা বিষয়ক মাত্ৰ কৰৈ অভিলাষ।<br>
সিহেতু নেদেখৈ নৰে আপুন বিনাশ।।৭

হৰি বিমুখ অৰ্থাৎ আত্মাৰ বিষয়ে নজনাসকলৰ সম্বন্ধে জানিব বা শুনিবলগীয়া অনেক কথা আছে। আত্মজ্ঞানহীন মানুহে সদায় গৃহকৰ্মত ৰতহৈ থাকে। পঞ্চ প্ৰকাৰৰ যিমানবোৰ প্ৰাণী হিংসা কাম আছে আত্মাজ্ঞানহীনসকলে সেইবোৰ সদায় কৰি ভাল পায়। হৰি বিমুখসকলৰ জন্ম বৃথা, অনৰ্থক তেওঁবিলাকক মায়াই বন্ধন কৰি থাকে বাবে নিদ্ৰা সুখ, ৰতিসুখ, স্বজন প্ৰতিপালন, অৰ্থ লাভৰ চিন্তাত পৰমায়ু নাশহে কৰিছে। একান্তভাৱে কৃষ্ণক ভজনা কৰাসকলৰ পঞ্চ যজ্ঞৰ কোনো প্ৰয়োজন নাই। সেয়ে ত্ৰিভূৱনৰ স্বামী হৰিক ভজনা কৰি আত্মজ্ঞান উপলব্ধি কৰিবলৈ ভাগৱত শাস্ত্ৰই আহ্বান জনাইছে এনেদৰে--

'ইটো মহাভাগৱত শাস্ত্ৰ বৈকুণ্ঠৰ।।১১<br>
আত মহাধৰ্ম্মএকে নামেসে প্ৰখ্যাত।<br>
শ্ৰৱণ মাত্ৰকে কৰে কৃষ্ণক সাক্ষাত।।<br>
পূজা নমস্কাৰ ধ্যান সমস্তে দুষ্কৰ।<br>
হৰিগুণ নামধৰ্ম্ম মহাসুখকৰ।।১২<br>
স্ত্ৰী বাল্য বৃদ্ধ সমস্তৰে অধিকাৰ।<br>
চণ্ডালকো কৰে নামে তেখনে উদ্ধাৰ।।

মহাভাগৱত শাস্ত্ৰ শ্ৰৱণ কীৰ্তন কৰিলে আত্ম জ্ঞান লাভ কৰিব পাৰি। ভাগৱত শাস্ত্ৰ অধ্যয়ন কৰিলে আন শাস্ত্ৰ অধ্যয়ন কৰাৰ কোনো প্ৰয়োজন নাই। ভাগৱত শাস্ত্ৰৰ পৰা জ্ঞান লাভ, মুক্তি লাভৰ উপায়, হৰিভক্তি, হৰিপদ লাভ আদি কাৰ্য অপ্ৰয়াসে কৰিব পাৰি। হৰিনাম শ্ৰৱণ-কীৰ্তন কৰি যিসকলে বিষ্ণুক আৰাধনা কৰে সেইসকলে কোনো বাধা-বিঘিনি নোপোৱাকৈ অনায়াসে মোক্ষ লাভ কৰে। কলিযুগত পূজা, ধ্যান আদি অনেক কষ্টকৰ বুলি ভাগৱতে মত পোষণ কৰিছে। হৰি কীৰ্তনত

স্থান, কাল, পাত্ৰ, জাতি-অজাতিৰ কোনো ভেদাভেদ নাই। গতিকে স্ত্ৰী, বাল্য, বৃদ্ধ সমস্তকে সুগম পন্থা শ্ৰৱণ-কীৰ্তন গ্ৰহণ কৰিবলৈ ভাগৱত শাস্ত্ৰই সকীয়াই দিছে।

ভাগৱত শাস্ত্ৰৰ দ্বিতীয় স্কন্ধত গুৰুজনাই আমাক সাৱধান বাণী শুনাইছে। হৰি বিমুখসকলৰ অৱস্থা কেনে ভয়ঙ্কৰ, কেনে যাতনাদায়ক তাৰ বৰ্ণনা আৰু পশু-পক্ষীৰ লগত কৰা তুলনা মন কৰিবলগীয়া।

'যাৰ কৰ্ণ পথক নগৈল দামোদৰ।
কুকুৰ সদৃশ সিটো নিৰ্গত পামৰ।।
বিষ্ঠা মূত্ৰ ভুঞ্জে যেন অধম শুকৰে।
উটে যেন কণ্টকক চোবাই আতি মৰে।।২৯
যেন গাধে ব্যৰ্থে মাত্ৰ বহি মৰে ভাৰ।
এহি চাৰি গোটা পশু পটন্তৰ তাৰ।।

কৃষ্ণ বিমুখসকলৰ ইন্দ্ৰিয় সুখৰ আসক্তি অধিক। তেওঁবিলাকৰ দিনে ৰাতিয়ে মাথোন ধন-টকা-পইচা, স্ত্ৰী, মদ, মাংসতেই সদা সৰ্বদা ৰতি। ইন্দ্ৰিয় সংযমহীন মানুহ পশুতুল্য, সেয়ে ইন্দ্ৰিয় সংযমী কৰাৰ উপায় ভাগৱতে নিৰ্ণয় কৰিছে, 'সাধুসঙ্গ অনুসৰা'। সাধু সঙ্গত উপস্থিতিহে একমাত্ৰ কৃষ্ণৰ নাম শ্ৰৱণ-কীৰ্তন কৰিলেহে ইন্দ্ৰিয়ক জিনিবলৈ সক্ষম হ'ব পাৰি বুলি শ্ৰীমদ্ভাগৱত শাস্ত্ৰই আহ্বান জনাইছে, এনেদৰে--

'ইন্দ্ৰিয়ক জিনিবাৰ আছে যাৰ মতি।
সততে কৰিবেযত্ন সন্তৰ সঙ্গতি।।৪২
শ্ৰৱণ-কীৰ্ত্তন মাত্ৰ কৰিবে কৃষ্ণৰ।
ইন্দ্ৰিয়ক জিনি হৈবে কৃতাৰ্থ যি নৰ।।

বিশ্বমিত্ৰ, পৰাশৰ আদি ধ্যানী-যোগীসকলে গছৰ পকা-ফল, পত্ৰ, জলবায়ু সেৱন কৰিও ইন্দ্ৰিয়ক জিনিবলৈ সক্ষম হ'ব পৰা নাই, গতিকে বাকীবোৰৰ ইন্দ্ৰিয়ৰ বশত বিপৰ্যস্ত হোৱাটো স্বাভাৱিক কথা।

হৰিনামৰ সম অধিকাৰ। ভকতৰ সঙ্গত সকলো পৱিত্ৰ হয়। কিৰাট, কছাৰি, খাছী, গাৰো, মিৰি, যৱন, কঙ্ক, গোৱাল, কুৱাচ, ম্লেচ্ছ, চাণ্ডালৰ উপৰি অন্য মহাপাপী সকলো কৃষ্ণ সেৱকৰ সাদত পৱিত্ৰ হৈ ভকতি লভি সুখে সংসাৰ তৰি বৈকুণ্ঠলৈ গতি কৰে—

'আনো পাপী নৰ কৃষ্ণ সেৱকৰ
সঙ্গত পৱিত্ৰ হয়।
ভকতি লভিয়া সংসাৰ তৰিয়া
বৈকুণ্ঠে সুখে চলয়।।

বিৰাট পুৰুষৰ বিভূতি বৰ্ণনাৰ মাজেদি 'দেৱৰো উত্তম দৈৱকী নন্দন'ৰ শ্ৰেষ্ঠতা প্ৰতিপাদ্য কৰিছে। নাৰদৰ সৃষ্টি তত্ত্ব জানিবলৈ ইচ্ছা হ'ল আৰু সেই বিষয়ে পিতৃ ব্ৰহ্মাক অনেক গুৰুত্ব প্ৰশ্ন কৰিলে। এই বিশ্বব্ৰহ্মাণ্ডখন কাৰ সৃষ্টি, কাৰ আশ্ৰয়ত প্ৰকাশ পায়, জীৱৰাশি ক'ত আশ্ৰয় কৰি আছে, কাৰ অধীনত আৰু কাৰ নিৰ্দেশত এই জগত প্ৰৱৰ্তি আছে। ইয়াৰ উপৰি আপোনাক সৃষ্টি কৰিবলৈ কোনে নিৰ্দেশ দিলে? আপোনাৰ গুৰু কোন? আপুনি কোন দেৱতাক সেৱা কৰে? মই ভাবো আপুনিয়েই ঈশ্বৰ। কিন্তু আপুনি কাৰোবাক ধ্যান কৰা দেখি ভাবিছো আপোনাতকৈয়ো কোনোবা শ্ৰেষ্ঠ দেৱতা আছে। আপুনি মোক মনৰ সংশয় আঁতৰ কৰে যেন। নাৰদৰ এনে প্ৰশ্নৰ উত্তৰত ব্ৰহ্মাই কোৱা কথাখিনি ভাগৱত ধৰ্মৰ সাৰ কথা। ব্ৰহ্মাই ক'লে--

'মোৰ ইষ্ট দেৱ দৈৱকী তনয়।
কৃষ্ণ বিনে সেব্য আনদেৱ নাহিকয়।।
যাৰ প্ৰকাশিত ইটো সমস্তে জগত।
নিমিত্ত মাত্ৰকে মঞি কৰোহো বেকত।।৭৩

হে নাৰদ, মই মোৰ ইষ্টাদেৱ একমাত্ৰ কৃষ্ণৰ আজ্ঞানুসৰি ব্ৰহ্মাণ্ডৰ সকলোবোৰ সৃষ্টি কৰি থাকো। মহাদেৱে কৃষ্ণৰ অধীন হৈ সংহাৰ কৰি থাকে। হৰিয়ে সকলোকে পালন কৰি থাকে। তেৱেঁই স্ৰজন পালন আৰু সংহাৰ কৰোতা, ত্ৰিভুৱনৰ মূল গৰাকী। মই কায়-বাক্য-মনে সৰ্বশক্তিমান কৃষ্ণৰ চৰণতে সেৱা কৰি থাকো। কৃষ্ণক সেৱা কৰিলে অন্য দেৱতাক সেৱা কৰিব নালাগে, কাৰণ তেওঁ পূৰ্ণব্ৰহ্ম সচ্ছিদানন্দ। জগতৰ সমস্তই তেওঁৰ অংশ মাথোন। তেওঁৰ নাম, গুণ, যশ, লীলা-মালা আদি শ্ৰৱণ-কীৰ্তন, কথন-মথন, ভাৱ-ভাৱনা আদি কৰাটোৱেই সকলোৱে ধৰ্ম। কৃষ্ণ সমস্ত জগতৰে সেব্য।

কৃষ্ণৰ ভিতৰত বিৰাট শৰীৰ আছে। বিৰাট শৰীৰ মাজতে সপ্তলোক, দেৱতা, দৈত্য, মানুহ আদি প্ৰৱৰ্তি আছে। চৰাচৰ প্ৰপঞ্চ জগতখন তেওঁৰ মায়াৰ দ্বাৰা নিৰ্মাণ কৰিছে। মায়াৰ দ্বাৰা সৃষ্ট ব্ৰহ্মাণ্ডৰ সকলোবোৰ বিনাশী, অনিত্য। ব্ৰহ্মাণ্ডৰ বাহিৰত কৃষ্ণ নগৰ। সেই

নগৰৰ বিনাশ নাই। কৃষ্ণই সেই ঠাই তেওঁৰ প্ৰিয় ভক্তৰ বাবে আচুতীয়াকৈ নিৰ্মাণ কৰিছে। সেই স্থানক বৈকুণ্ঠ বোলা হয়। এই বৈকুণ্ঠলৈ জ্ঞানযোগ, কৰ্মযোগ, ধ্যান, যাগ-যজ্ঞ আচৰি কদাচিতো যাব নোৱাৰে। কৃষ্ণৰ নাম একান্তভাৱে শ্ৰৱণ-কীৰ্তন কৰিহে এই স্থান লাভ কৰিব পাৰি। ব্ৰহ্মাই নাৰদক ইয়াকো ক'লে মই যি কৰিছো এয়া মোৰ নিজা শক্তি নহয়। তেওঁৰ ইচ্ছা আৰু কৃপাতে মই তেওঁতে সমস্ত অৰ্পণ কৰি মোৰ কৰ্ম কৰি আছো।

এনেহেন জগতত অনন্ত শক্তি কৃষ্ণক নভজাসকল বুদ্ধিহীন, আত্মাজ্ঞানহীন। কৃষ্ণৰ সেৱা নকৰাসকলে মৃত্যুৰ পাছত অধোগতি যায়। ভাগৱতে সেই কথা এনেদৰে প্ৰকাশ কৰিছে--

'শ্ৰৱণ কীৰ্ত্তন ধৰ্ম্ম চাৰিয়ো বৰ্ণৰ।
নিজ পিতৃ কৃষ্ণ মাত্ৰ সেৱ্য জগতৰ।।৭৯
হেন কৃষ্ণ সেৱা এৰে যিটো মন্দমতি।
অৱশ্যেকে মৰি সিটো যাইবে অধোগতি।।

সনাতন বৈষ্ণৱ ধৰ্মত অৱতাৰবাদৰ গুৰুত্ব অপৰিসীম।

দ্বিতীয় স্কন্ধ ভাগৱতত অৱতাৰবাদৰ বৰ্ণনা প্ৰাণোজ্জ্বল আৰু সহৃদয় পাঠকৰ চিত্তাকৰ্ষ হৈ উঠিছে। ভগৱান লীলা অৱতাৰ সকলোবোৰ অৱতাৰ উল্লেখ আৰু তেওঁবিলাকৰ কাৰ্যকৰণৰ সুন্দৰ বৰ্ণনা দাঙি ধৰিছে। কৃষ্ণ অৱতাৰৰ, কৃষ্ণ জন্মৰ পৰা শিশুকাল, বাল্যকাল, যৌৱনকালৰ পৰা বৈকুণ্ঠ প্ৰয়াণলৈকে বিভিন্ন লীলা-মালা, দুষ্ট, দৈত্য, দানৱক নিধন কৰি সন্তজনক পালন কৰি ৰক্ষণাবেক্ষণ দিয়া কাৰ্য বৰ্ণনা কৰা হৈছে। লীলা ৱতাৰৰ কাৰ্য প্ৰকাশৰ মুখ্য উদ্দেশ্য হ'ল নৰ সমাজে ঈশ্বৰৰ গুণ-লীলা কথন-মথন কৰি মনত বিমল আনন্দ লাভ কৰা। অৱতাৰৰ মাজত গুৰুজনে তাৰাৰ দ্বাৰা প্ৰচাৰিত একশৰণ নামধৰ্মৰ চাৰিখুটি, চাৰিবেৰ মাৰি নৰসমাজক একশৰণীয়া হৈ ভকতি কৰিবলৈ কঠোৰভাৱে নিৰ্দেশ কৰিছে, এনেদৰে--

'অন্য দেৱী দেৱ নকৰিবা সেৱা
নখাইবা প্ৰসাদ তাৰ।
মূৰ্ত্তিকো নচাইবা গৃহো নপশিবা
ভক্তি হৈব ব্যভিচাৰ।।১২৪
এক কৃষ্ণ দেৱ কৰিয়োক সেৱ
ধৰিয়ো তাহান নাম।
কৃষ্ণ দাস হুয়া প্ৰসাদ ভুঞ্জিয়া
হস্তে কৰা তান কাম।।
কৃষ্ণৰ স্থানক যত্নে চলিয়োক
সাঞ্চিয়ো পুণ্যৰ দাম।
কৃষ্ণৰ কিঙ্কৰে কহে নিৰন্তৰে
ডাকি বোলা ৰাম ৰাম।।১২৫

গুৰুজনাৰ এনে বাণীয়ে একশৰণ হৰি নামধৰ্মৰ ভেটি অধিক কটকটীয়া কৰিলে।

ভগৱতৰ জ্ঞান 'চতুঃশ্লোকী ভাগৱত' নাম দি পৰম ব্ৰহ্মাই প্ৰথম সৃষ্ট জীৱ ব্ৰহ্মাক দিয়ে। শ্ৰীমদ্ভাগৱত শাস্ত্ৰৰ দ্বিতীয় স্কন্ধত এই চতুঃশ্লোক স্পষ্ট ৰূপত বিৰাজমান। সৃষ্টিৰ আদিত যে একমাত্ৰ পৰম ব্ৰহ্ম কৃষ্ণহে আছিল আৰু সৃষ্টিৰ অন্ততো একমাত্ৰ পৰমব্ৰহ্ম কৃষ্ণহে থাকিব সেই কথা স্বয়ং ভগৱন্তই ব্ৰহ্মাক কৈছে। নাৰায়ণে নিজ মুখে ব্যক্ত কৰিছে, তেৱেঁই সৃষ্টি, স্থিতি আৰু প্ৰলয়ৰ অধিকাৰী। তেওঁ অনন্ত কোটি ব্ৰহ্মাণ্ডৰ অধিপতি। সৰ্ব্বব্যাপ্ত পৰমাত্মা, পলয়ত সকলো নাশ হ'লেও তেওঁ থাকিব। বাকীবোৰ তেওঁতেই লীন হৈ থাকিব। এই কথা গুৰুজনে পানী যেন ভাষাত সাধাৰণ লোকেও বুজিব পৰাকৈ আমালৈ এনেদৰে দি থৈ গৈছে--

'জগতৰ পূৰ্ব্বে মঞি মাত্ৰ থাকো জান।
কাৰ্য্য কাৰণৰ কিছু নাছিলেক আন।।২২৭
মোক মাত্ৰ দেখিয়োক সৃষ্টিৰ মধ্যত।
দেখা শুনা মানে সৱে মঞি বিচাৰত।।
মই মাত্ৰ অৱশেষে থাকোহো অন্তত।
কুণ্ডল ভাঙ্গিলে যেন সোণা স্বৰূপত।।২২৮
অবস্তুক দেখাৱয় বস্তুক আৱৰি।
এহিসে মোহোৰ মায়া জানা নিষ্ঠ কৰি।।

প্ৰভু ভগৱন্তই মায়াক আশ্ৰয় কৰি পুনৰ জগত সৃষ্টি কৰি ল'ব তেওঁৰ পৰাই পুনৰ সমস্ত সৃষ্ট হ'ব। এনেবোৰ কাৰ্য কৃষ্ণৰ মায়া মাত্ৰ। বস্তুক যিদৰে অৱস্তুয়ে আৱৰি থাকে তেনেদৰে মোৰ মায়াই সকলোকে আৱৰি থাকে। ৰাহুৰ গ্ৰাসত যিদৰে চন্দ্ৰৰ পোহৰ বিলুপ্ত হয় কিন্তু ৰাহুক দেখা নাযায়, ঠিক তেনেদৰে মোৰ মায়াৰ দ্বাৰা সকলো

বস্তুৰ স্বৰূপ বিলুপ্ত হয় কিন্তু মায়াক দেখা নাযায়। মায়াত মোহিত হৈ জীৱই ঈশ্বৰক চিনি নোপোৱা হয়। মায়া তৰণৰ উপায় হৈছে একমাত্ৰ কৃষ্ণক ভকতি কৰা আৰু সাধু সঙ্গত বাস কৰা। তেওঁৰ ৰহস্য ভকতি হৈছে তেওঁৰ গুণনাম শ্ৰৱণ-কীৰ্তন কৰা। ভাগৱত শাস্ত্ৰত সাধুসঙ্গ আৰু জ্ঞান, বিজ্ঞান, তদং আৰু ৰহস্য ভকতিৰ কথা মনোমোহা ৰূপত প্ৰকাশ পাইছে--

'হেন মোক বিচাৰিবে সাধুৰ সঙ্গত।
জ্ঞান বিজ্ঞান তেৰে হৈবেক বেকত।।
শ্ৰৱণ কীৰ্ত্তন মোৰ ৰহস্য ভকতি।
আকেসে কৰিবৰ মাত্ৰ বিৰক্ষা সম্প্ৰতি।।

ভাগৱতৰ মূল ৰস হৈছে ভক্তি। এই ভক্তি মূলতঃ কৃষ্ণৰ ৰতি-প্ৰীতি। নৱধাভক্তিৰ মাধ্যমেৰে কৃষ্ণৰ চৰণৰ ৰতি-প্ৰীতি কৰি আত্ম তৃপ্তি ল'বলৈ কোৱা হৈছে। মানুহে বিভিন্ন সাধনাৰ মাধ্যমেৰে ভগৱানৰ সান্নিধ্য বিচাৰে। সত্য, ত্ৰেতা আৰু দ্বাপৰ যুগৰ মানুহে জ্ঞান-বৈৰাগ্য, যাগ-যজ্ঞ, পূজা-পাৰ্বন আদিৰ দ্বাৰা ঈশ্বৰক সাধনা কৰিছিল। ই ধৰ্ম শাস্ত্ৰৰ নিৰ্ঘোষবাণী। ধৰ্ম অৰ্থ কাম মোক্ষ-- এই চতুবৰ্গ সাধনৰ একমাত্ৰ উপায় ভক্তি। সেয়ে হ'ল কৃষ্ণ ভক্তি। কৃষ্ণ ভক্তি যথাৰ্থতে আচৰিব পাৰিলে পৰম পুৰুষাৰ্থ সাধিত হয়। ইয়ে মহাপুৰুষাৰ্থ।

ঈশ্বৰৰ প্ৰতি ঐকান্তিক ভক্তিৰে মনুষ্যৰ অন্তৰৰ বাসনা বিলোপ হয়, অন্তৰৰ অহমত্ব নাশ হয়। সকলো প্ৰকাৰৰ সংশয় আঁতৰি যায়, কৰ্ম ফলাকাঙ্খা ক্ষয় হয় আৰু সমস্ত প্ৰাণীকে আত্মসম দেখি পৰমানন্দ লাভ কৰে। কৰ্ম, তপস্যা, জ্ঞান, বৈৰাগ্য, তীৰ্থ, ব্ৰতাদি শুভকৰ্মৰ দ্বাৰা যি অভীষ্ট সিদ্ধি নহয়, সেইটো শ্ৰীভগৱন্তত ভক্তিযোগৰ দ্বাৰা ভগৱদ্ভক্তৰ অনায়াসে লাভ হয়। ভক্তই ইচ্ছা কৰিলে স্বৰ্গ, অপবৰ্গ নাইবা ভগৱন্তৰ সালোক্য মুক্তি পৰ্যন্ত লাভ কৰিবলৈ সক্ষম হয়। শ্ৰীমদ্ভাগৱত শাস্ত্ৰৰ প্ৰতিপাদ্য বিষয় হ'ল শ্ৰৱণ কীৰ্তনেই পৰম ভকতি। ভগৱন্ত কৃষ্ণৰ গুণ-নাম-লীলা চৰিত্ৰ শ্ৰৱণ-কীৰ্তনেই কেৱল মনুষ্যৰ শাশ্বত ধৰ্ম। দ্বিতীয় স্কন্ধ ভাগৱতত ভাগৱত তত্ত্ব প্ৰদান কৰোতে স্বয়ং ভগৱন্তই ব্ৰহ্মাক কৈছে--

'সাৱধানে মনে মোৰ ধৰা এহি মত।
শ্ৰৱণ-কীৰ্ত্তন কৰা লোকত বেকত।।
কৰিয়ো প্ৰচাৰ এহি ভাগৱত গ্ৰন্থ।
লোকত বিদিত হৌক মোৰ ভক্তি পন্থ।।২৩৪
কৰায়ো ভকতি মোৰ আজ্ঞা শিৰে ধৰি।
অনায়াসে যাইবে তেৰে সংসাৰক তড়ি।।
মোৰ বাক্য ধৰা মাত্ৰ কৰি একচিত্ত।
প্ৰজা স্ৰজন্তেয়ো তেৰে নুহিবা মোহিত।।২৩৫

ভাগৱতত ভাগৱত ধৰ্মৰ লক্ষণৰ কথা উজ্জ্বল ৰূপত প্ৰকাশ পাইছে। নাৰদৰ প্ৰশ্নৰ উত্তৰত ব্ৰহ্মাই ভাগৱত ধৰ্মৰ লক্ষণ সম্পৰ্কে কৈছে। নিত্য নৈমিত্তিক তথা লৌকিক জীৱনৰ কৰ্মসমূহ কৰিলেও এই সমস্তখিনি কৃষ্ণৰ চৰণত সমৰ্পণ কৰিলে কৰ্ম বন্ধনে বান্ধিব নোৱাৰে; ভক্তিৰ ব্যাভিচাৰ নহয়। কৃষ্ণাৰ্পণ ব্যৱস্থাই ভাগৱত ধৰ্ম। প্ৰকৃতাৰ্থত সকলো কৰ্ম, ভাবনা ভগৱন্ত পুৰুষৰ নিমিত্তে উলিয়াই দিয়াটোৱেই ভক্তি।

ভাগৱত-ধৰ্ম আচৰণতো নানা-বিঘিনি আছে। মায়া ইয়াৰ মূল প্ৰতিবন্ধক। সংসাৰ চক্ৰ অতিক্ৰম কৰি ভগৱৎ-সান্নিধ্যলৈ যোৱাৰ পথত মায়া মূল অন্তৰায়। যিহেতু জীৱই সহজে মায়া বন্ধন এৰিব নোৱাৰে, প্ৰত্যেক জীৱক সংসাৰ পথত মায়াই বন্ধন কৰে। কিন্তু ভক্তিৰ আশ্ৰয় ল'লে মায়াৰ বন্ধন ছিঙিব পাৰি। জীৱৰ বাম পাশে মায়া আৰু দক্ষিণ পাশে ভক্তি থাকে। ভক্তিৰ যোগেৰে মায়া পাশ নাইকিয়া কৰিব পাৰিলে দুয়োৰ মাজত থকা ভগৱন্ত লাভ কৰিব পাৰি। সেয়ে ভাগৱত ধৰ্ম আচৰণ ভক্তিক মূল মাধ্যম স্বৰূপে গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে--

'বাম পাশে মায়া দক্ষিণত ভক্তি মাৰ।
দেখি ব্যাস ঋষিৰ ৰোমাঞ্চ ভৈলা গাৰ।।৬৫
মায়াসে বান্ধন্ত ভক্তি মাতৃ মেলাৱন্ত।
দুহানো মধ্যস্থ ভাৱে আছা ভগৱন্ত।।

-- ভাগৱত, প্ৰথম স্কন্ধ

ভাগৱতৰ দ্বিতীয় স্কন্ধৰ দশম অধ্যায়ত ভাগৱতৰ দহ লক্ষণ প্ৰকাশ কৰিছে। ভাগৱতৰ দহ লক্ষণ তাত্ত্বিক। এই দহ লক্ষণ সাধাৰণ লোকৰ বাবে হৃদয়ঙ্গম কৰাটো সহজসাধ্য নহয়। পুৰুষৰ দৃষ্টি পাই সৃষ্টিৰ কাৰণ উৎপত্তি তাক সাধুসকলে 'স্বৰ্গ' বোলে। ব্ৰহ্মা আদি দেৱগণ আৰু সকলো চৰাচৰ সৃষ্টি থকা অংশক 'বিসৰ্গ' বুলি কোৱা

হয়। ৰজা, দেৱ, দৈত্যৰ শক্তি বৰ্ণনা অংশক ‘স্থান’ বোলে। মহাপাপীসকল ভক্ত হোৱা, কৃষ্ণই পাপীক উদ্ধাৰ কৰা অংশক ‘পোষণ’ বোলা হয়। মন্তেৰ কোপত পৰি দুৰ্বাসনাৰ উদ্ৰেক হোৱাক ‘উতি’ বোলে। কৃষ্ণৰ প্ৰতি ভক্তি লাভ কৰা, মুক্তি লাভ কৰা, মনু আৰু মনুৰ পুত্ৰৰ বৰ্ণনা থকা, মনুৰ ৰাজত্ব কাল, মৃত্যুকাল অংশক ‘মন্বন্তৰ’ বোলা হয়। বিষ্ণু আৰু বৈষ্ণৱৰ কথা বৰ্ণনা কৰা অংশক ‘ঈশান’ বোলা হয়। জগতক উদৰত ৰাখি হৰিয়ে শয়ন কৰাৰ কথা বৰ্ণনা কৰা অংশক ‘নিৰোধন’ বোলা হয়। মিছা মায়া মোহ ছিঙি হৰিভক্ত হৈ মুক্তি লাভ কৰা কথা বৰ্ণনা অংশক ‘মুক্তি’ বোলা হয়। সমস্ত চৰাচৰে যাক আশ্ৰয় কৰি নিৰৰ্তি আছে তাক ‘আশ্ৰয়’ বোলে। আন আন পুৰাণৰ পাঁচটা লক্ষণহে দেখা যায়। কেৱল ‘সূৰ্য পুৰাণ’ ভাগৱততহে উক্ত দহটা লক্ষণ আছে। এই দহ লক্ষণ শুনাৰ পাছত বিদুৰৰ গৃহ ত্যাগ, কেনেকৈ মৈত্ৰেয় মুনিৰ লগত দেখা সাক্ষাৎ হৈছিল সেই কথা শুনিবলৈ পৰীক্ষিতে ইচ্ছা প্ৰকাশ কৰিলে।

দ্বাদশ স্কন্ধ ভাগৱতৰ ভিতৰত দ্বিতীয় স্কন্ধ ভাগৱতত ‘একশৰণ হৰিনাম’ ধৰ্মৰ মূল সাৰবস্তু উজ্জ্বল ৰূপত প্ৰকাশ পাইছে। একশৰণ তত্ত্ব আৰু ঈশ্বৰৰ সান্নিধ্য লাভৰ একমাত্ৰ ভকতিৰ প্ৰাসঙ্গিকতা সু-স্পষ্টভাৱে প্ৰকটিত হৈছে। মহাপুৰুষজনাই ইয়াত তাৰাৰ মত, সিদ্ধান্ত, নৰ সমাজলৈ এনেভাৱে নিৰ্দেশ দিছে--

‘শুনা সভাসদ পদ দ্বিতীয় স্কন্ধৰ।
এক চিত্তে চৰণ চিন্তিয়ো গোবিন্দৰ।।
আন ধৰ্ম্ম এড়ি লোৱা হৰি গুণ নাম।
কৃষ্ণৰ কিঙ্কৰে কহে বোলা ৰাম ৰাম।।২৪৮ ■■

বৈকুণ্ঠ নগৰ যেন শুনা পৰীক্ষিত।
যাত কৰি শ্ৰেষ্ঠ লোক নাহি কদাচিত।।
নাহি তাত কাম ক্ৰোধ শোক মোহ ভয়।
আত্মজ্ঞানী সকলেয়ো স্তুতিহে কৰয়।।
-- ভাগৱত

# ভাগৱত মাহাত্ম্য

**ভৱেন দুৱৰী**

মহাৰাজ পৰীক্ষিতক ভাগৱত কথা শুনাবৰ কাৰণে যেতিয়া শুকদেৱে উপস্থিত হয়, তেতিয়া দেৱতাসকলে অমৃতৰ কলহ লৈ শুকদেৱৰ সন্মুখত থিয় হৈ নমস্কাৰ কৰি ক'লে, 'এই অমৃতৰ কলহ গ্ৰহণ কৰি আপুনি আমাক ভাগৱত কথামৃত দান কৰক। পৰীক্ষিতে অমৃত পান কৰি অমৰ হওক আৰু বিনিময়ত আমি ভাগৱতৰূপী অমৃত পান কৰোঁহক।' দেৱতাসকলৰ প্ৰস্তাৱ শুনি শুকদেৱে হাঁহি মাৰি ক'লে। 'এই সংসাৰত সাধাৰণ কাচ ক'ত আৰু মহামূল্যৱান মণি ক'ত?' এইবুলি শুকদেৱে দেৱতাসকলৰ প্ৰস্তাৱ প্ৰত্যাখ্যান কৰিলে। দেৱতাসকল স্বাৰ্থপৰ, অভক্ত আৰু ভক্তিশূন্য বুলি ভাগৱত কথামৃতৰ পৰা দেৱতাসকলক বঞ্চিত কৰিলে। সেইকাৰণে ভাগৱতৰ কথা দেৱতাৰো দুৰ্ল্লভ।

পূৰ্বকালত ভাগৱত শ্ৰৱণ কৰি পৰীক্ষিতৰ মুক্তি দেখি ব্ৰহ্মাও আচৰিত হৈছিল। সত্য কালত সকলো সাধনা একেলগ কৰি ওজন লোৱাত সকলো সাধনা লঘু হ'ল। তাকে দেখি ঋষি মুনি সকলোৱে আশ্চৰ্য প্ৰকাশ কৰিলে। এই কলিযুগত ভাগৱত শাস্ত্ৰকে ভগৱদ ৰূপ বুলি ভাৱি ভাগৱতশাস্ত্ৰৰ শ্ৰৱণ কীৰ্তনতে তৎক্ষণাত মুক্তি লাভ হয় বুলি সিদ্ধান্ত দিলে।

নৈমিষাৰণ্য ক্ষেত্ৰত থকা মহামতি সুতক সেৱা জনাই মুনি শৌণকে সুধিলে-- 'হে মুনিবৰ, ভক্তি, জ্ঞান আৰু বৈৰাগ্য কিদৰে হয় আৰু সকলো মায়া মোহৰ পৰা কিদৰে মুক্তি পাব পাৰে? যি ঘোৰ কলিকালত মানুহবিলাক আসুৰী স্বভাৱৰ, নানা ক্লেশৰ দ্বাৰা তাপিত এই জীৱসমূহৰ শুদ্ধভাৱ আৰু দৈৱী শক্তিসম্পন্ন কেনেকৈ হ'ব? কল্যাণকাৰী, পৱিত্ৰ সৰ্বশ্ৰেষ্ঠ পন্থা কি? যাৰ দ্বাৰা শ্ৰীকৃষ্ণ প্ৰাপ্তি ঘটে? সেইবিষয়ে আমাক জনাওক।' উত্তৰত মহামুনি সুতে ক'লে-- 'হে শৌণক, ভক্তি ভাৱ বৃদ্ধি কৰা আৰু ভগৱান শ্ৰীকৃষ্ণৰ প্ৰসন্নতাৰ প্ৰধান কাৰণৰ যিসাধন মই বৰ্ণনা কৰো, সাৱধানে শুনিবা।'

কলিযুগত কালসৰ্পগ্ৰস্ত জীৱসমূহক ভৱ ভয়ৰ পৰা মুক্তি কৰিবলৈ আৰু সেই ভয় নাশ কৰিবলৈ শুকদেৱে ভাগৱত শাস্ত্ৰ বিদিত কৰিলে। চিত্ত শুদ্ধিৰ কাৰণে ইয়াতকৈ শ্ৰেষ্ঠ আন কোনো সাধন নাই। মানুহৰ জন্ম-জন্মান্তৰৰ পুণ্যৰ ফলতহে ভাগৱত শাস্ত্ৰত ৰতি ওপজে।

ভাগৱত শ্ৰৱণৰ যাদুকৰী মহিমাৰ বিষয়ে দয়ালু চাৰিসিদ্ধই দেৱৰ্ষি নাৰদক এটি অতি অপূৰ্ব ঘটনাৰ কথা শুনাইছিল। এই কাহিনী শৌণকে জানিব বিচৰাত সুতে ক'বলৈ ধৰিলে। 'শুকদেৱে অন্যান্য শিষ্যৰ সৈতে মোক যি কথা শুনাইছিল তাকে কওঁ শুনা। চাৰি সিদ্ধই বিশাল পুৰীলৈ আহি এদিন নাৰদক লগ পাই সুধিলে-- হে ব্ৰাহ্মণ! তোমাৰ মুখ মলিন কিয়? চিন্তাত ব্যাকুল কিয়? ধন হেৰুৱাই সাধাৰণ লোক ব্যাকুল হোৱাৰ দৰে তুমিও উদ্বিগ্ন হৈ পৰিছা, ইয়াৰ কাৰণ কি? নাৰদে উত্তৰত ক'লে--- সৰ্বশ্ৰেষ্ঠ স্থান বুলি পৃথিৱীলৈ আহিলো। সমস্ত তীৰ্থ পৰিদৰ্শন কৰিলো, কিন্তু ক'তো মই শান্তি নাপালো অধৰ্মৰ সহায়ক কলিযুগে গোটেই পৃথিৱীকে পীড়িত কৰি থৈছে। সত্য, তপ, শৌচ, দয়া, দান আদি একো নাই, জীৱ কেৱল পেটৰ চিন্তাত মগ্ন। মানুহবিলাক অসত্য ভাষী, এলেহুৱা, মন্দবুদ্ধি, ভাগ্যহীন আৰু উপদ্ৰৱগ্ৰস্ত। দেখাত বিৰক্ত হ'লেও স্ত্ৰী-ধন পৰিগ্ৰহকাৰীও। ঘৰ তিৰোতা প্ৰধান, খণ্ড স্বভাৱৰ, লোভত কন্যাবিক্ৰয়ী, স্বামী-স্ত্ৰী খৰিয়াল, আশ্ৰম, তীৰ্থ, পৱিত্ৰ নদী সমস্ত পাষণ্ডৰ অধিকাৰত। যোগী, সিদ্ধ, জ্ঞানী, সৎকৰ্ম কৰ্তা কোনো

নাই। কলি দাবানলত সকলো সাধন ভস্ম হৈ গৈছে। অন্ন বজাৰত বিক্ৰী হ'ল, ব্ৰাহ্মণে দৰ্মহা লৈ বেদ পঢ়িবলৈ ধৰিলে, তিৰোতাই বেশ্যাবৃত্তি অৱলম্বন কৰিব ধৰিলে। এইবোৰ চাই থাকোতে এটা আচৰিত দৃশ্য চকুত পৰিল। কওঁ শুনা। এগৰাকী বিষন্ন বদনৰ তিৰোতা দেখিলো। তেওঁ কাষত অচেতন অৱস্থাত অতি কষ্টেৰে উশাহ লৈ থকা দুজন বৃদ্ধ পৰি থকা দেখা পালোঁ। বৃদ্ধ দুজনক প্ৰতিপাল কৰি থকা, চেতনা আনিবলৈ যত্ন কৰি থকা আৰু মাজে মাজে কান্দি থকা যুৱতী গৰাকীক দেখিলো। শৰীৰৰক্ষক পৰমাত্মাক দশোদিশত দেখি আছিল আৰু তেওঁৰ চাৰিওফালে শ শ তিৰোতাই বিচি থকা আৰু সান্ত্বনা দি থকা দেখা গৈছিল। দূৰৰ পৰা এই দৃশ্য দেখি কৌতুহলবশতঃ যুৱতীৰ ওচৰলৈ আগবাঢ়ি গ'লো। মোক দেখি ব্যাকুল চিত্তে ক'বলৈ ধৰিলে।

হে মহাত্মা, ক্ষন্তেক অপেক্ষা কৰক আৰু মোক চিন্তাৰ পাৰ দিয়ক। আপোনাৰ দৰ্শনেই সংসাৰৰ পাপ নাশ কৰে। আপোনাৰ বাণীৰ দ্বাৰা মোৰ শান্তি হ'ব, পৰম ভাগ্যৰ বলতহে আপোনাৰ দৰ্শন লাভ ঘটে। নাৰদৰ প্ৰশ্ন- 'হে দেৱী, তুমি কোন? এই পুৰুষ দুজন তোমাৰ কোন হয়? তোমাৰ কাষৰ এই কলমনয়নিসকল কোন? তোমাৰ দুখৰ কাৰণ বহলাই কোৱা।'

যুৱতীয়ে ক'বলৈ ধৰিলে, 'মোৰ নাম ভক্তি, জ্ঞান আৰু বৈৰাগ্য মানৰ এই দুজন মোৰ পুত্ৰ। কালৰ প্ৰভাৱত ইহঁতৰ এনে অৱস্থা হ'ল। কাষতে থকা এইদেৱীসকল গঙ্গা আদি নদীসমূহ। মোৰ সেৱাৰ কাৰণে এইসকল মোৰ ওচৰত উপস্থিত। এইসকলৰ সেৱা আৰু সান্ত্বনা সত্বেও মোৰ শান্তি নাই। হে তপোধন, মোৰ এই অৱস্থাৰ বৃত্তান্ত শুনক আৰু শান্তি প্ৰদানৰ ব্যৱস্থা কৰক। মোৰ জন্ম দ্ৰাৱিড় দেশত, কৰ্ণাটকত বাঢ়িলো, মহাৰাষ্ট্ৰত সন্মানিত হ'লো, কিন্তু গুজৰাটত বাৰ্দ্ধক্যই বেঢ়ি ধৰিলে। কলি যুগৰ প্ৰভাৱত পাষণ্ডবোৰে মোৰ অঙ্গ-ভঙ্গ কৰিলে। বহুত দিন এনে অৱস্থাত কটোৱাত মই পুত্ৰ দুটাৰ সৈতে দুৰ্বল আৰু নিস্তেজ হৈ পৰিলো। যেতিয়াই মই বৃন্দাবন পালোহি, তেতিয়া মই পুনঃ পৰমা সুন্দৰী হ'লো। কিন্তু মোৰ সন্মুখত পৰি থকা এই পুত্ৰ দুটা লালকাল দি পৰি আছে। এই স্থান ত্যাগ কৰি অন্য স্থানলৈ যাব খুজিছো, ইহঁত দুটা বৃদ্ধ হৈ গ'ল। ইহঁতৰ দুখত মইয়ো দুখী হৈ পৰিছোঁ। মই কিয় তৰুণী আৰু মোৰ পুত্ৰ দুটা কিয় বৃদ্ধ এয়ে বৃত্তান্ত। সেয়েহে এনে আচৰিত ঘটানাত মই শোকমগ্না। আপুনি দয়া কৰি মোক ইয়াৰ কাৰণ আৰু উপায় দিয়ক।

নাৰদ ক'লে- 'দেৱী, সাৱধানে শুনা, এইটো দাৰুণ কলিযুগ। সদাচাৰ, তপ সকলো লোপ পালে। শঠতা আৰু দুষ্কৰ্মত লিপ্ত হৈ সকলো মানুহ জন্তুৰ দৰে হ'ল। কোনোবা সৎ পুৰুষ থাকিলেও দুখতে ম্ৰিয়মান আৰু দুষ্টবোৰৰ জয় জয় ময় ময়। এই সময়ত ধৈৰ্য ধৰাহে বুদ্ধিমানৰ কাম; তেওঁহে জ্ঞানী আৰু পণ্ডিত। লোকসকল কুকৰ্মত প্ৰবৃত্ত হোৱাৰ কাৰণে সকলো বস্তুৰ সাৰ লোপ পালে। পৃথিৱীৰ সমস্ত পদাৰ্থ বীজহীন তুহঁৰ দৰে হ'ল। অন্ন আৰু ধনাদিৰ লোভত ব্ৰাহ্মণসকলে ঘৰে ঘৰে গৈ বেদ পাঠ কৰাৰ বাবে কথাৰ সাৰ লোপ পালে। কাম, ক্ৰোধ আৰু তৃষ্ণাতুৰ অত্যন্ত ব্যাকুল সকলেও তপস্যাৰ ভাও ধৰাত তপস্যাৰ সাৰ লোপ পালে। অসংযমী আৰু লোভ, দম্ভ আৰু পাষণ্ডৰ আশ্ৰয় লোৱাৰ ফলত আৰু শাস্ত্ৰ অধ্যয়ন নকৰাৰ কাৰণত ধ্যান যোগৰ ফল লোপ পালে। এই কলিযুগত এওঁলোক দুৰ্জন জ্ঞান, আৰু বৈৰাগ্যক অৱহেলা কৰাৰ বাবে উৎসাহহীন হৈ বৃদ্ধ হ'ল। তুমি চিন্তা নকৰিবা, এওঁলোকৰ নৱজীৱনৰবাবে মই উপায় কৰিম।

এই কলিযুগত যি জীৱ তোমাৰ (ভক্তিৰ) সংযুক্ত হ'ব, তেওঁ পাপী হ'লেও অনায়াসে ভগৱন্তৰ কৃপা লাভ কৰিব। যাৰ হৃদয়ত প্ৰেমৰূপিনী ভক্তি থাকে, তেওঁ স্বপ্নতো যম ৰজাক নেদেখে। তপ, বেদ অধ্যয়ন, জ্ঞান, কৰ্ম আদি কোনো সাধনৰ দ্বাৰা ভগৱান সন্তুষ্ট নহয়, কেৱল ভক্তিৰ দ্বাৰাহে হয়। তাৰ প্ৰমাণ গোপীসকল! নাৰদৰ অনুগ্ৰহত ভক্তিৰ সমস্ত ক্লেশ দূৰ হ'ল আৰু সৰ্ব অঙ্গপুষ্ট হৈ উঠিল। ভক্তি দেৱী তুষ্ট হৈ নাৰদক কৃতজ্ঞতা জনাই ক'লে, 'মুনিবৰ ইহঁত দুটাকো সচেতন কৰি জগাই তোলক।'

নাৰদে অনেক বেদধ্বনি কৰিবলৈ ধৰিলে, গীতা পাঠ কৰাত তেওঁলোকে সাৰ পাই পুনৰ অচেনত হৈ পৰি থাকিল। কোনো প্ৰকাৰে তেওঁলোকক সচেতন কৰিব

নোৱাৰিলে। ধ্যান-ধাৰণা, যোগাভ্যাস কৰিও একো কৰিব নোৱাৰিলে। উপায়ন্তৰ হৈ ভগৱানক ধ্যান কৰাত, আকাশবাণী হ'ল 'হে নাৰদ তোমাৰ উদ্যোগ সফল হ'ব, তুমি চিন্তা নকৰিবা।' এই বাণীৰ অৰ্থ বিচাৰি নাৰদে তীৰ্থ ভ্ৰমণ কৰিবলৈ ধৰিলে, এনেতে বদৰী বনত চাৰি সিদ্ধক লগ পাই জ্ঞান আৰু বৈৰাগ্যৰ কথা ক'লে। সনকাদিয়ে উত্তৰ দি ক'লে, যে দ্ৰব্য যজ্ঞ, তনোযজ্ঞ আৰু জ্ঞান যজ্ঞ-- এই সকলো সাধন স্বৰ্গাদি লাভৰহে সাধন মাত্ৰ। কিন্তু শ্ৰীমদ্ভাগৱতপৰায়ণ যাৰবিষয়ে শুক আদি মহানুভৱসকলে কীৰ্তন কৰিব লাগিছে, তাৰ শব্দ শ্ৰৱণ কৰা মাত্ৰকেই ভক্তি, জ্ঞান আৰু বৈৰাগ্য লাভ হ'ব। ইয়াৰ পৰাই জ্ঞান, বৈৰাগ্য আৰু ভক্তি আনন্দযুক্তা হ'ব। সিংহৰ গৰ্জন শুনি কুকুৰনেচীয়া বাঘ যিদৰে পলায়, সেইদৰে ভাগৱতৰ ধ্বনি শুনি কলিযুগৰ সকলো দোষ নষ্ট হয়।

সনকাদি মুনিসকলৰ বাক্য অনুসৰি সপ্তাহ জোৰা ভাগৱত শ্ৰণৰ বিধান কৰা হ'ল। সুতে ক'বলৈ ধৰিলে-- 'হে শৌণক! যিসময়ত সনকাদি মুনিসকলে ভাগৱত বখানি আছিল, সেই সময়ত এটা আচৰিত ঘটনা ঘটিল। তৰুণ অৱস্থা লাভ কৰা জ্ঞান আৰু বৈৰাগ্যক লগত লৈ প্ৰেমৰূপা ভক্তিয়ে অৱস্থান কৰিলেহি।

যাৰ গৃহত সদা-সৰ্বদা ভাগৱত কথাৰ চৰ্চা হয়, সেই গৃহ তীৰ্থ ৰূপ হয় আৰু সেই গৃহ নিবাসীৰ সমস্ত পাপ নাশ হয়। সহস্ৰ সহস্ৰ অশ্বমেধ, শ শ ৰাজসূয় যজ্ঞ শুক শাস্ত্ৰ ভাগৱত কথাৰ ষোল্ল ভাগৰ এভাগৰ সমান নহয়। শ্ৰীমদ্ভাগৱতৰ যি পৰ্যন্ত ভালদৰে শ্ৰৱণ নকৰে, সেইপৰ্যন্ত শৰীৰত পাপ থাকে। ফলদৃষ্টি কোণৰ পৰা গঙ্গা, গয়া, কাশী, পুষ্কৰ, প্ৰয়াগ কোনো তীৰ্থই শুক শাস্ত্ৰৰ সমান হ'ব নোৱাৰে।

অশ্বমেধ সহস্ৰানি বাজ্‌পেয় শতানি চ।
শুক শাস্ত্ৰ কথায়াশ্চ কলাং নাৰ্হন্তি ষোডুশীম।।

-- ৩/৩০, ভাগৱত ■■

শ্ৰৱণ কীৰ্ত্তন মোৰ ৰহস্য ভকতি।
আকেসে কৰিবা মাত্ৰ বিৰক্ষা সম্প্ৰতি।।
যিটো তনু তযু আগে কৰিছো বেকত।
এহি মোৰ নিজৰূপ কৈলো স্বৰূপত।।

-- ভাগৱত